# আন্ধাৰত নিজৰ মুখ



নগেন শইকীয়া

# গল্প 20

★ মজিদ ছাৰ ঢুকাল
★ কেৰ'চাহাবৰ মেম
★ মাখনী নহয়তো
★ মুখাৰ পিছফালে
★ মৃত্যুৰ উত্তাপত
★ অসময়

★ কুঁৱলী আৰু জোন
★ লাজ লাগি গ'ল
★ জোনাকীৰ জুই
★ গলব্রেইথ চাহাবৰ ফিটা

★ কাঠ-সংস্কাৰ
★ চহৰৰ মন
★ ষ্টাফ ফটোগ্রাফাৰৰ ছবি
★ বিমূঢ়-বিমূঢ়
★ যৌৱন

★ অন্তিম অপেক্ষা
★ এটা আকাংক্ষিত শব্দৰ প্রতীক্ষাত
★ বিভ্রান্ত সংলাপ
★ মোক শুৱলৈ দিয়া
★ আন্ধাৰত নিজৰ মুখ

## ।। এক ।।

মানুহৰ জীৱনৰ প্ৰত্যেকটো মুহূৰ্তই অপ্ৰত্যাশিত একোটা অভিজ্ঞতা কঢ়িয়াই আনে। মই লাহে লাহে বিশ্বাস কৰিবলৈ লৈছোঁ— প্ৰতিটো মুহূৰ্তই জীৱনত একক আৰু স্বকীয় বৈশিষ্ট্যৰে ভৰা।

★ মজিদ ছাৰ ঢুকান

★ কেৰ' চাহাবৰ মেম

★ মাখনী নহয়তো

★ মুখাৰ পিছফালে

★ মৃত্যুৰ উত্তাপত

★ অসময়

# মজিদ ছাৰ ঢুকাল

টেলিপ্ৰিণ্টাৰৰ অহৰহ খট্‌খট্‌ শব্দ, হঠাৎ কোনোবাই ভিতৰ হলৰ পৰা দুৱাৰখন খুলি দিয়াৰ লগে লগে চাঁৎকৈ সোমাই অহা ভিতৰৰ মেচিনৰ শব্দৰ জোলোকা, টাইপ ৰাইটাৰৰ শব্দ, ওপৰত ফেনৰ সাঁ-সাঁ শব্দ আৰু জাপৰ পৰা উঠিব নোৱাৰিও উৰি থকা কাগজৰ খচ্‌-খচ্‌ শব্দ, মাজে মাজে ছুইং দুৱাৰ খুলি এজাপ নিউজ শ্লেটাৰ লৈ পিয়নৰ আগমন আৰু প্ৰত্যাগমন, হঠাৎ দুৱাৰ খুলি হাতত কাকতৰ খাম লৈ গণতান্ত্ৰিক হাঁহি মাৰি থিয় দিয়া অপৰিচিত মুখ, সহকাৰী চমুৱা, খাটনিয়াৰ আৰু শৰ্মাৰ প্ৰয়োজনহীন বাক্যালাপ আৰু চুৰটৰ ধোঁৱাৰ কুণ্ডলী—এইবোৰৰ মাজত ব্যস্ত আৰু বিৰক্ত বিপুলৰ মনত হঠাৎ মাজে মাজে বিজুলীয়াই গৈছে প্ৰতাপৰ চিঠিৰ এটা সৰু শাৰীয়ে—"মজিদ ছাৰ ঢুকাল।" ভিতৰত যেন ক'ববাৰ এটা প্ৰকাশ কৰিব নোৱাৰা যন্ত্ৰণা—যাক ঠিক যন্ত্ৰণা বুলিবও নোৱাৰি, ধৰিব নোৱাৰা সৰু এটা বিষৰ দৰে হ'ব পাৰে—যাক অনুভৱ কৰা নাযায়, হঠাৎ মাজে মাজে তাৰ অস্তিত্ব গম পোৱা যায়।

মজিদ ছাৰৰ কথা তাৰ ভাবিবৰ মন গৈছে—কিন্তু নাঃ সময় নাই, কাৰণ প্ৰধানমন্ত্ৰীয়ে পদত্যাগ কৰিছে আৰু লগে লগে ৰাজনৈতিক অনিশ্চয়তা আৰু অস্থিৰতাত ৰাজধানী স্পন্দিত হৈছে; সেই স্পন্দন

ৰতাহত বিয়পি আহিছে, টেলিপ্ৰিণ্টাৰেদি সোমাই আখৰ হৈ ওলাই আহিছে আৰু বিপুলে তাক ধৰিবৰ কাৰণে যত্ন কৰিছে ; কাৰণ সেই স্পন্দন বিয়পোৱাত সিও যন্ত্ৰবিশেষৰ ভূমিকা পালন কৰিছে। তাৰ মাজত চুটিকৈ কটা চুলি আৰু ট্ৰিম কৰা ডাড়িৰে চকুত প্ৰাচীন গোল ফ্ৰেমৰ চশমাৰে—যাৰ এফালৰ নাল ভাগি যোৱাত এডাল ৰছি পকাই থোৱা থাকে আৰু পঢ়ুৱাবৰ সময়ত মজিদ ছাৰে কাণত ৰচিডাল পকাই লয়, সেই মজিদ ছাৰৰ বয়সে কটাকটি কৰা, শিলত কাটি থোৱাৰ দৰে স্থিৰ মুখখন মনত পেলাবলৈ আজৰি নোহোৱা হৈছে ।

খাটনিয়াৰে লেক্‌চাৰ মাৰি আছে—বোনাচৰ দাবীত কোন কোন মেম্বাৰে মালিকৰ পক্ষ ল'ব পাৰে আৰু শৰ্মাই টিপ্পনী কাটি আছে। বৰুৱাই লিখি থকাৰ মাজে মাজে কৈছে, "আমাৰ এই কেইটামান কৰেছ-পণ্ডেণ্টৰ নামে কাটি দিব লাগে বুজিছে ? জাবৰ এসোপা লিখি পঠাই দিব আৰু কাগজত নুঠিলে পিছত নখা চিঠি লিখিব ।"

শৰ্মাই টিপ্পনী কাটিছে, "বেচেৰাৰ বোধকৰোঁ লাভলেটাৰ লিখাৰ অভ্যাস থাকি গ'ল। এইযে অনৰ্থক জাবৰ এসোপা লিখি পেনপেনাই থকাৰ অভ্যাস।" তিনিও বেছ ৰগৰ কৰি হাঁহিছে আৰু বিপুলৰ মুৰটো চিনচিনাই গৈছে। মজিদ ছাৰে ক্লাছত কথা পতা শুনিলেই কৈছিল—"এই—টক্ নেছ ৰৰ্ক ম'ৰ"—পিছত এইটো এটা ৰাজনৈতিক বুলি হৈছিল—বহুত পিছত। কিন্তু মজিদ ছাৰে তেতিয়াই কৈছিল—কিজানি পঁচিশ বছৰ হৈ গ'ল—তেতিয়া আমি ক্লাছ নাইনত কিজানি। তেওঁৰ কিছুমান কথা মনত ৰৈ গৈছিল—কথা ঠিক নহয়, কথা কোৱাৰ যিটো ঠাঁচ সেই ঠাঁচটো ।

নাঃ এতিয়া ভাবিবৰ সময় নাই—পঁচিশ বছৰৰ আগলৈ উলটি যাবলৈ সময় নাই--কাৰণ বিৰোধী পক্ষই কৈছে যে মন্ত্ৰীসভা গঠন কৰিব পৰাকৈ তেওঁলোকৰ সদস্যশক্তি আছে ; গতিকে খেল বেছ জমি উঠিছে—ইফালে বিভিন্ন দলৰ দলপতিবোৰ এলাৰ্ট—কাক সমৰ্থন কৰিব আৰু কাৰ বিৰোধিতা কৰিব, এই লৈ টনা-আজোৰা ।

বৰুৱাই সুধিছে—"হেৰি কাকতি, কি হ'ল আজি দেখোন একেবাৰে চুপচাপ।" বিপুলে মূৰ তুলি এবাৰ হাঁহিবৰ চেষ্টা কৰিলে আৰু

'মজিদ ছাৰ' নামৰ তাৰ যে ছাৰ এজন ঢুকাল সেই খবৰটো দিবনে কি এক মুহূর্ত ভাবি চালে। নাঃ দৰকাৰ নাই। কিন্তু সি ক'ব নোৱাৰাকৈয়ে তাৰ মুখৰ পৰা ওলাই গ'ল--"মোৰ এজন স্কুলৰ শিক্ষকৰ মৃত্যু হ'ল।"

"মানে?" খাটনিয়াৰে জোঙা নাকটো আগুৱাই দি চেলাউৰি কোচাই সুধিলে, "টেলিপ্ৰিণ্টাৰত খবৰ আহিল নেকি?"

শৰ্মাই বোধকৰোঁ খাটনিয়াৰৰ প্ৰশ্নটো ভাল নেপালে। তেওঁৱেই উত্তৰ দিলে,

"আপুনি নিজৰ ইউনিয়ন লৈ লাগি থাকক। মৃত্যুটো এটা ছেণ্টি-মেণ্টাল ঘটনা।"

বিপুলে শৰ্মালৈ এবাৰ চকু তুলি চাই ক'লে,--"বৰ ক্লিন্ মানুহ আছিল জানে?" তাৰ ক'বৰ মন গৈছিল--মজিদ ছাৰ যে,--তেওঁ দেখাই-শুনাই, পিন্ধাই-উৰাই আছিল অভজা। পায়জামাটো কোনো দিন ইস্ত্ৰী নকৰাকৈ পিন্ধে, কুৰ্তাটোও। কিন্তু কি ডিচিপ্লিনেৰিয়ান! কি পাংচুৱেল! ব'দ হওক, বৰষুণ হওক, জাৰ হওক, গৰম হওক--ঠিক দহ বাজিবলৈ দুই মিনিট থাকোতে তেওঁ চাইকেলৰ পৰা আহি নামিবই। ঠিক ঘণ্টা দিলে আৰু হাতত ৰেজিষ্টাৰ বহী লৈ শ্ৰেণীত সোমাল। কিন্তু নাঃ কৈ লাভ নাই। কাইলৈৰ হেড্ লাইনত মজিদ ছাৰৰ খবৰ যোৱাৰ প্ৰশ্ন নুঠে--ইমান ক্লিন মানুহৰ কি কিবা খবৰ হ'ব পাৰে?

পিয়ন দুৰ্লভৰ হাতত এজাপ কাগজ। কোনোবা ৰাজনৈতিক গোষ্ঠীৰ বিবৃতি। এ'ডিটৰে দাঁতিত টোকা দিছে--আজিৰ কাগজত যাব লাগে। বিপুলে চকু তুলি এবাৰ চাই আগৰ নিউজ প্ৰস্তুত কৰাত মনোযোগ দিব খুজিছে আৰু পুনৰ শ্লিপ লৈ পিয়ন হাজিৰ হৈছে: চহৰৰ কোনোবা এঠাইত এটা ছুৰিকাঘাতত এজনৰ মৃত্যু হৈছে, বিপুলে পাৰিলে ঘটনাস্থলী চাই এটা নিউজ কৰিব লাগে। বিপুল বিৰক্ত হৈছে--বৰুৱা আৰু শৰ্মাই ফিছাৰ পৃষ্ঠা চাই আৰামত আড্ডা মাৰি থাকিব আৰু বিপুলৰ ওপৰত গাধৰ বোজা চপাই দিব। খাটনিয়াৰে মেজৰ ওপৰত ভৰি তুলি চিগাৰেট হুপি থাকিব আৰু বিপুলে মূৰ তুলিব নোৱা-

ৰাকৈ কাম কৰি থাকিব। নাই, এনেকৈ চলিব নোৱাৰি। সি কলমটো থমাই দিলে আৰু প্ৰতাপৰ চিঠিখনৰ সৰু শাৰীটো মনলৈ আহিল—"মজিদ ছাৰ ঢুকাল।" একো দৰকাৰী নিউজ নহয়--কাৰণ, তেওঁ যদি সময়মতে স্কুললৈ আহিছিল, তেওঁ যদি ডিচিপ্লিন মেনটেইন কৰিছিল, তেওঁ কৰ্তব্য কৰিছিল—সেইটো কি এটা খবৰ হ'ব পাৰে? তেওঁ পোছাক-পৰিচ্ছদত দীনহীন আছিল, তেওঁ চুলি চুটিকৈ কাটিছিল, এইবোৰ কি ব্যক্তিবিশেষৰ গুণ হ'ব পাৰে? তেওঁ কৈছিল,--"চা ফাঁকি নিদিবি। কিবা নুবুজ বা নোৱাৰ সঁচা কথা ক'বি--একচবাৰ নুবুজ, হাজাৰবাৰ বুজাম। কিন্তু যদি ফাঁকি দিয় পিঠিৰ চামৰা উঠাই দিম।" তেতিয়া ভয় লাগিছিল--ঠিকতো নাই—মিছা কথা ক'লে অনুসন্ধান কৰিবলৈ ঘৰ পাবগৈ পাৰে; দেউতাকক সুধি আহিব পাৰে--"ই কালি তাৰ জ্বৰ হোৱা বুলি কৈছে, সঁচানে?" নাই, নাই, ফাঁকি দিব নোৱাৰি।

ঠিকেই ফাঁকি দিব নোৱাৰি। খাটনিয়াৰে যদি ফাঁকি দি দৰ্মহা খাইছে খাওক, বিপুলে নোৱাৰে। কাৰণ, কাইলৈ মানুহবোৰে গম পাব লাগিব--প্ৰধানমন্ত্ৰীয়ে কি অৱস্থাত পদত্যাগ কৰিবলগীয়া হ'ল, পদত্যাগ পত্ৰৰ শব্দবোৰ কি আছিল; সেই সময়ত কোন কোন উপস্থিত আছিল; বাকী বিৰোধী পক্ষৰ পৰা এই সম্পৰ্কত কি কি মন্তব্য কৰিছে—ভৱিষ্যত কি হোৱাৰ সম্ভাৱনা আছে—এই আটাইবোৰ খবৰ বিশ্বাসযোগ্যভাৱে মানুহে পাব লাগিব।

বিপুলে বিবৃতিৰ কাগজজাপ উলিয়াই চকু ফুৰাবলৈ ধৰিলে: কোনোবা এটা গোটে আনটোৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ তুলিছে, ক'ৰবাৰ ধন আত্মসাৎ কৰা বুলি কৈছে; পুতেক-বোৱাৰীয়েকৰ নামত মাটি আৰু ঘৰ কৰা বুলি কৈছে আৰু কোনোবা ইঞ্জিনীয়াৰ নে ঠিকাদাৰে ঘৰৰ খৰচ যোগোৱা বুলি কৈছে। ভাল নিউজ হ'ব--গৰম নিউজ। —উত্তেজনা হ'বলগীয়া নিউজ। তাৰ মাজত কি মজিদ ছাৰৰ নিউজ যাব পাৰে? মজিদ ছাৰে আই, এছ, চি, পাছ কৰি আবকাৰী পৰিদৰ্শকৰ কামত সোমাইছিল। শুনা কথা। তেতিয়া মজিদ ছাৰ আছিল চফল ডেকা। তেতিয়াই জিন কাপোৰৰ পেন্ট পিন্ধিছিল, সোণৰ কাফলিংক ব্যৱহাৰ কৰিছিল, ভৰিৰ জোতা মুখ চাব পৰাকৈ চিকচিকাই

আছিল। গাঁৱলৈ আহিলে আটায়ে কৈছিল ৰহিম দেৱানৰ পুতেক এটা লেখৰ মানুহ হ'ল। কিন্তু এই লেখৰ মানুহ মজিদক বিপুলহঁতে দেখা নাই। কাৰণ মজিদ ইন্‌স্‌পেক্টৰৰ প্ৰথম ল'ৰাৰ জন্মৰ পিছত তেওঁ যেতিয়া কিছু ফলমূল কিনি তাৰ চুবুৰীয়াক বিলাই দিছিল, চফিয়ৎ বুঢ়াৰ কণা চকুৰে মজিদক দেখা নাপাই গালে মুখে হাত ফুৰাই দি কৈছিল,--"অ' বোপাই, ভাৰ-ভেটী খোৱা পইচাৰে একো ভাল কাম কৰিবলৈ মন নেমেলিবি। এতিয়া তোৰ পোনা একণো হৈছে।"

ডেকা, চফল, একুৰীয়া মজিদ থৰ হৈ ৰৈছিল। এসপ্তাহৰ পিচত মজিদ আকৌ গাঁৱলৈ আহিল—একেবাৰে আহিল। কাৰণ, যিটো ডিপাৰ্টমেণ্ট তাত বোলে ভাৰ-ভেটী নোলোৱাৰ প্ৰশ্নই নুঠিছিল; গতিকে কাম ইস্তফা দি দিছে। বাপেকে ক'লে—"কি কৰি খাবি ?"

মজিদে ক'লে, "হাল বাম।" গাঁৱৰ মানুহে ইচ-ইচ, আচ্-আচ্ কৰিলে, কোনোবাই চফিয়ৎ বুঢ়াৰ কাণী বুঢ়ীকো শাও দিলে ঃ গাঁৱৰ ল'ৰা এটা চৰকাৰী হৈছিল বুঢ়ীয়ে কথা কৈ তাৰো কপালখন খালে। কিছুদিনৰ পিছত মজিদ অংকৰ মাষ্টৰ হ'ল। ইংৰাজীও কয় ভাল, শিকায়ো ভাল। খাৰাংখাচ। ল'ৰাবোৰে ভয় কৰে। কিন্তু খেলোতে যদি কোনোবাই দুখ পালে, তেল মালিছ কৰি দিয়ে মজিদ মাষ্টৰে, বেঞ্চৰ ওপৰত থিয় হবলৈ কলে যদি কান্দে, দাবি দি বহুৱাই থয়। বাঃ কি বাল যেন মানুহ! "কাম কৰিবি, খাবি। ফাঁকি নিদিবি। কষ্ট হ'ব, তথাপি সঁচাত চলিবি। মিছাৰ লগত আপোচ নকৰিবি।"

বিপুলে লিখিবলৈ আৰম্ভ কৰিছে—"বিবৃতিটোত কোৱা হয় যে কেইবাহাজাৰো টকাৰ বিনিময়ত অৱশেষত আটাইতকৈ উচ্চ হাৰৰ নিবিদা কেনেকৈ গৃহীত হ'ল তাৰ বিতং বিৱৰণ হাতত পৰিছেহি।......"

দুৰ্লভে চাহ লৈ আহিছে আৰু প্ৰথম কাপটো খাটনিয়াৰে আগবাঢ়ি হাতত লৈছে। বিপুলে এসোঁহা মাৰি টেবুলত থৈছে আৰু অকমান আজৰি উলিয়াই মজিদ ছাৰৰ কথা ভাবোঁ বুলি ঠিক কৰিছে। কাৰণ, বিপুলক, বিপুলক কিয় আটাইবোৰকে মজিদ ছাৰে বৰ ভাল পাইছিল। অৱশ্যেই মুখ ফুটাই কোনো দিন কোৱা নাছিল; বৰং মুখত জিলিকি আছিল কাঠিন্য।

শৰ্মাই টেলিপ্ৰিণ্টাৰৰ পৰা ওলোৱা দীঘলীয়া নুৰা এটা উলিয়াই উত্তেজিত হৈ ক'লে,--"হেৰি, এইটো দেখিছেনে নাই ? সাংঘাতিক নিউজ--মিদ টাৰ্ম হ'ব পাৰে।" খাটনিয়াৰ আৰু চমুৱা উৎসুক হৈ পৰিছে। খাটনিয়াৰে কৈছে, "কাকতি, এইটো হেড লাইন দিব পাৰেহে--চাব ।"

বিপুলে চাহৰ কাপটো ঠেকেচা মাৰি থৈ ক'লে,—"মোৰ কাম মই কৰি থাকিম--অইল য়'ৰ অন মেখিন ।" বৰ কঠিন শব্দ ওলাই আহিল ।

"কি হ'ল বৰ গৰম দেখোন ।" খাটনিয়াৰৰ সুৰ কিছু নৰম ।

বিপুলে একো নামাতিলে। নুৰাটো কাঢ়ি আনি তাৰ টুকুৰা-টুকুৰকৈ ছিঙি পেলাবৰ মন গ'ল। নাঃ মাথা গৰম কৰি লাভ নাই। এইবোৰ নিউজ কাইলৈ যাবই লাগিব। কাৰণ ভীষণ ৰাজনৈতিক উত্তেজনাৰ নিউজ ঃ কোনোবা ৰাজনৈতিক গোষ্ঠীৰ বিবৃতি যাবই লাগিব। সি সঁচা-মিছা বাচিবৰ কোন ? সি জীয়াই থাকিবৰ বাবে চাকৰি কৰিছে, কি নিউজ আহিছে তাৰ কি দৰকাৰ ? সি এটা ছিষ্টেমৰ অংশ মাত্ৰ।

তথাপি মাজে মাজে মনত পৰিল—"মজিদ ছাৰ ঢুকাল।"

বিপুলে ভাবিলে--কাগজৰ শেহৰ পৃষ্ঠাৰ কৰবাত এটা সৰু অবি-চুয়েৰি দিব, মজিদ মাষ্টৰ ঢুকাল। কিন্তু, সি কলম ৰখাই ভাবিলে—কেতিয়া ঢুকাল ? কি হৈ ঢুকাল ? কিমান বয়স হৈছিল ? কোন কোন থাকিল ? ওহোঁ, প্ৰতাপেতো চিঠিত এইবোৰ একো খবৰ নিদিলে। সি ভিতৰি উত্তেজিত হৈ পৰিল। সি কৃতজ্ঞতাৰ চিনস্বৰূপে এই খবৰটোও দুটা শাৰীত দিব পৰাকৈ সবিশেষ নাজানে। ছিঃ ছিঃ কি অকৃতজ্ঞ ; কি অপদাৰ্থ সিহঁত।

নাই--ভাল হৈছে—এইখন ঘৃণে ধৰা সমাজত মজিদ ছাৰৰ নিচিনা মানুহ থকা সম্ভৱ নহয়। ভাল হৈছে--গুচি গৈছে—

বিপুল এটা সময়ত ঘৰ পালেহি। তেতিয়া কিন্তু "মজিদ ছাব ঢুকাল।" এই কথাষাৰ তাৰ বুকুৰ ভিতৰত মাজে মাজে বাজি আছিল ।

সি দুৱাৰমুখত ভৰি দি কলিং বেলটো টিপি দিয়াৰ পিছতে প্ৰণীতাই দুৱাৰ খুলি দি মুখলৈ চাই সুধিলে,—"কি হ'ল তোমাৰ ? গা বেয়া নেকি ?"

বিপুলে মূৰ জোকাৰিলে,—"ওহোঁ, নাই, ঠিক আছে।" সি কব খুজিছিল, "বৰ দুখৰ খবৰ এটা পালোঁ জানা—মজিদ ছাৰ ঢুকাল।" কিন্তু সি কোৱাৰ আগতে প্ৰণীতাই ক'লে—"তোমাৰ চকু-মুখ দেখি ভাব হৈছিল কিবা হৈছে। যদি একো হোৱাই নাই—সুদা হাতে আহিলা কিয়? বেবীফুডৰ টিন এটা আনিবলৈ কোৱা নাছিলোঁ?"

বিপুলে প্ৰণীতালৈ থৰ লাগি চালে। একো নকলে। নাই, ভাল হৈছে—মজিদ ছাৰ গুছি গৈছে। আঃ কি যে হয়! তথাপি তাৰ চকু দুটাত ক'ব নোৱাৰাকৈ দুটোপাল পানী আহি গোট খাই গ'ল।

ভাল হৈছে—মজিদ ছাৰ আৰু নাই।

## কেৰ' চাহাবৰ মেম

মই প্ৰথম মাতষাৰ শুনা নাছিলোঁ। কাৰণ বতৰ অনুকূল নোহোৱাৰ কাৰণে গুৱাহাটীলৈ অহা দুশ এক স্কাইমাষ্টাৰ এঘন্টা পলমকৈ উৰিব—এই ঘোষণাটো শুনাৰ পিছত কৰিবলৈ একো নাছিল বাবে দমদমৰ বিশাল জ্বিৰণি কোঠাৰ এচুকত চামৰাৰ গদীকছা ছোফাত বহি বিভিন্ন পোছাক, বৰণ আৰু ভাষাৰ স্ত্ৰী-পুৰুষ নিৰ্বিশেষে মানুহৰ মুখবোৰ চোৱাত আৰু বব্‌কাট চুলিৰে নিম্নবক্ষ উদৰ আৰু নাভিদেশ উন্মুক্ত কৰি পিন্ধা বিলাহী ৰঙৰ শাড়ীৰে, লিপ্‌ষ্টিক আৰু আইব্ৰ পেঞ্চিলৰ উৎকট ব্যৱহাৰেৰে পকা, গোল বিলাহী এটাৰ দৰে মুখৰ এংলি চাইজ্‌দ ভাৰতীয় গাভৰু ৰিচেপ্‌চনিষ্ট গৰাকীৰ দৃষ্টিকটু ভাৱ-ভংগী লক্ষ্য কৰাত নিজকে নিযুক্ত কৰি থৈছিলোঁ। মাজে মাজে এটেন্‌চন—প্লিজ এটেন্‌চন আৰু থেংকিউৰ আৱাজ আৰু লগে লগে একো একোদল যাত্ৰীৰ ব্যস্ত নিষ্ক্ৰমন। তাৰ মাজে মাজে মনলৈ আহিছিল কলিকতা মেডিকেল হস্পিতেলত চিকিৎসাৰ ব্যৱস্থা কৰি এৰি অহা আত্মীয় গৰাকীৰ কথা, তেখেতে কিবা অসুবিধা অনুভৱ কৰিব নেকি সেই আশংকা। গতিকে এই আত্মমগ্ন অৱস্থাত আৰু আচহুৱা ঠাইত হঠাৎ মোৰ কোনোবা চিনাকি মানুহ ওলাব সেই আশা মই স্বাভাৱিক ভাবেই কৰা নাছিলোঁ। তদুপৰি প্ৰথমবাৰ কাণত পৰিছিল যদিও মই

মন দিয়া নাছিলোঁ বাবে শুনাও নাছিলোঁ বোধকৰো। দ্বিতীয়বাৰ যেতিয়া কাণত পৰিল "তুমি অসমলৈ যাবা নেকি" বোলা কথাষাৰ,--ঘূৰি চালো। হয় মোলৈকে চাই মোৰ বাওঁফালে ছোফাত বহি থকা এজনী বুঢ়ী মেমে সুধিছে কথাষাৰ ইংৰাজীতে। মোৰ ধাৰণা আছিল ইংৰাজ-বিলাকে কাৰো ব্যক্তিগত খা-খবৰ নোসোধে ঃ সোধাটো তেওঁলোকে অভদ্ৰ জ্ঞান কৰে। গতিকে মনে মনে মই কোনো দীঘলীয়া উত্তৰৰ বাবে সাজু নাছিলোঁ, মূৰ দুপিয়াই শলাগি কলোঁ "হয়"।

বুঢ়ীয়ে আকৌ নীলা ঘোলা চকুহালেৰে তীব্ৰভাবে চাই সুধিলে, "অসমৰ ক'লৈ যাবা? গোলাঘাটলৈ যাবা নেকি?"

মই অবাক হোৱাৰ পাল। কলিকতাৰ দমদমত বুঢ়ীমেমে গোলা-ঘাটৰ কথা সুধিব--এনে আশা মই কেনেকৈ কৰো? ময়ো বুঢ়ীৰ ফালে ভালকৈ লক্ষ্য কৰিলোঁ। সোণালী চুলিবোৰ পকিলে বোধকৰো হালধীয়া বৰণ ধৰে--ঠিক পকা গছপাতৰ বৰণৰ দৰে। তেনেকুৱা একোছা চুটি চুলিৰে, নীলা চকুৰে, মুখত বয়সৰ আঁচোৰেৰে, ডিঙিৰ সোঁতোৰা ছালেৰে ইংৰাজ বৃদ্ধাৰ কোনো মুখৰ লগত মোৰ কোনো পৰিচয় নাই। বুঢ়ীৰ পিন্ধনত আঁঠুৰ তললৈকে পৰা নীলা চেক্ থকা এটা ফ্ৰক, ভৰিত ক্ৰীম কালাৰৰ ছালৰ বৰণৰ সৈতে একে মোজা আৰু ভৰিত হাই-হিলৰ ক'লা জোতা। বুঢ়ীৰ প্ৰশ্নৰ উত্তৰত এইবাৰো মই 'হয়' বুলি শলগাৰ বাহিৰে একো ক'ব নোৱাৰিলোঁ। বুঢ়ীয়ে হাতৰ সৰু বেগটোৰ পৰা অকণমান ৰুমাল এখন উলিয়াই ব্লটিং পেপাৰেৰে চিঞাহী টোকাৰ দৰে মুখখন টুকি ল'লে। তাৰ পৰা মোক আৰু বিস্ময়ৰ মাজলৈ ঠেলামাৰি দি সুধিলে--"ক্ষমা কৰিবা মইনা তুমি বজাবাৰীৰ 'পোনাকণ' নেকি?"

মোৰ নিজৰ গাত চিকুটি চাবৰ মন গ'ল--মই সাৰ পাই আছোনে নাই? সীমাহীন কৌতুহলেৰে বুঢ়ীলৈ চাই সুধিব খোজাৰ লগে লগে বুঢ়ীয়ে হাঁহি হাঁহি ক'লে--"তোমাৰ চকু-মুখৰ বিস্ময়ৰ ভাব দেখি-য়েই বুজিছোঁ--তুমি হয়।"

মই দ্বিধাগ্ৰস্ত, বিস্মিত আৰু উৎসুক হৈ অৱশেষত সুধিলোঁ--"হয়। কিন্তু আপুনি মানে আপুনি কেনেকৈ...."

মোৰ প্ৰশ্নটো শেষ নৌহওঁতেই বুঢ়ীয়ে অত্যন্ত আবেগেৰে মোৰ কান্ধে হাউলি মোৰ এটা হাত নিজৰ দুহাতৰ মাজত লৈ ক'লে--কিছু খোকোজা লগা অসমীয়াতে--"মই তোমাৰ মামী,--মামী। মনত পৰা নাই ?"

মামী বোলাৰ লগে লগেই যেন মোৰ চকুৰ আগত থকা অপৰিচয়ৰ ঢাকনিখন চাৎকৈ আঁতৰ হৈ গ'ল আৰু বয়সৰ আঁচোৰ পৰা মুখ-চকুৰ মাজত কুৰি বছৰৰ--হয় কুৰি বছৰেই হ'ব, তেতিয়াৰ মামীৰ সোণালী চুলি, সুন্দৰ নীলা চকু, আৰু সোণালী উজ্জ্বল ৰঙৰ মুখখন জিলিকি উঠিল।

মোৰ হৃদয় আবেগত, আনন্দত, বিস্ময়ত, কৌতুহলত উথলি উঠিল আৰু মই কি সুধিম, কোনটো প্ৰশ্ন কৰিম--উৱাদিহ নোপোৱা হ'লো। তেওঁ মোৰ এই নিশব্দ ভাবাবেগ হয়তো লক্ষ্য কৰিছিল। ধীৰ-স্থিৰ মাতেৰে ক'লে--"তোমাৰ চকু আৰু চেলাউৰিৰ মাজৰ কটা দাগটো দেখিয়েই মই চিনি পাইছিলোঁ। মনত নাই আমাৰ বাগিচাৰ বাংলোৰ ষ্টেপৰ পৰা পিছলি তুমি পৰি গৈছিলা আৰু তোমাৰ চকুৰ ওপৰত চেলাউৰিত কেৰেচীয়াকৈ কাটি গৈছিল ?"

মই আবেগৰে ক'লো--"আছে আছে মামী।" গোটেই ঘটনাটো মনত নপৰে; কিন্তু তাৰ স্পষ্ট ছবি এতিয়াও মনত পৰে।

তেওঁ বিষণ্ণভাৱে হাঁহি ক'লে--"তোমাক যদি আগতে লগ পালো-হেঁতেন। কিমান কথা পাতিবলগীয়া আছিল !"

সঁচাকৈ মোৰো কিমান কথা সুধিব লগা আছিল--কাৰণ, কাৰণটো কুৰি বছৰৰ আগৰ, যেতিয়া ৰজাবাৰী বাগিচাৰ মেনেজাৰৰ বাংলোত আছিল কেৰ' চাহাব। কেৰ' চাহাবৰ আচল নামটো মোৰ জনা নহ'ল। দেউতাই কৈছিল--"কেৰ' চাহাব ইংৰাজ নহয় আইৰিছ মানুহ।" আইৰিছ মানুহবোৰ বোলে খাচ ইংৰাজতকৈ কিছু ৰুক্ষ আৰু তেজগোড়া। কেৰ' চাহাবৰ চকুহাল কিছু সৰু কিন্তু বৰ খঙাল যেন লাগিছিল আৰু চুলিবোৰ আছিল মুগা বৰণীয়া। সাধাৰণতে কেৰ' চাহাবে ঘৰত বগা হাফপেন্ট আৰু বগা স্প'ৰ্টিং গেঞ্জী পিন্ধি থাকে।

মুখত থাকে বৰ শকত ছিগাৰ এটা বা পাইপ এটা। মোৰ চকুত আটাইতকৈ বিসদৃশ যেন লাগে ইউৰোপীয়ানবোৰৰ চকুৰ নীলা ৰংটো।

অৱশ্যে কেৰ' চাহাবে কোনোদিন মোক খং কৰা নাছিল; বৰং তেওঁলোকৰ ল'ৰা ডেভিদৰ লগত মোক খেলিবলৈ দিছিল। ডেভিদৰ বেঙুনীয়া ৰঙৰ এটা সুন্দৰ বল আছিল আৰু আবেলি তাৰ খেলিবলৈ মন গলেই তাৰ বাপেক বা মাকে নৰসিং বেহেৰাক পঠাই দিছিল "বৰ কেৰাণী বাবুকা বেটাকো বুলাও"। কেৰ' চাহাবৰ বাংলোৰ পৰা দুশ গজমান আঁতৰত আমাৰ ঘৰ। নৰসিং অহা দেখিলেই মাই মোক জোতা-মোজা পিন্ধাই-সুন্দৰকৈ মূৰ আঁচুৰি পঠাই দিছিল। ডেভিৰ আমনি নলগালৈকে বাংলোৰ আগফালৰ মিহি লনত আমি খেলিছিলোঁ। মাজে মাজে আজৰি থাকিলে কেৰ' চাহাবেও আমাৰ লগত যোগ দিছিল আৰু পৰ্টিকৰ ছোফাত বহি ডেভিৰ মাকে--যাক সি মাম্মী বোলাৰ বাবে ময়ো মাম্মী বুলিবলৈ আৰম্ভ কৰিছিলো, সেই মাম্মীয়ে হাঁহি হাঁহি উৎসাহ দিছিল। মাজে মাজে ডেভিয়ে তাৰ নানাধৰণৰ খেলাৰ সম্পত্তি দেখুৱাইছিল বা অন্যান্য বয়-বস্তু দেখুৱাই-ছিল। গোটেই ঘৰৰ মজিয়া আইনাৰ দৰে চকচকীয়া আছিল আৰু ক'তো এখানিও ধূলি-বালি লাগি থকা নাছিল। বয়-বস্তুবোৰো ইমান মিহি, নিমজ, ধুনীয়া আৰু চক্‌চকীয়া আছিল যে মোৰ হাত দিবলৈকে ভয় লাগিছিল। খেলাৰ পাছত সদায় গাখীৰ আৰু কিবাকিবি ফল-মূল খাবলৈ দিছিল আৰু নৰসিঙে মোক আনি ঘৰত থৈ গৈছিলহি। বুজিব পৰা হোৱালৈকে কেৰ' চাহাবৰ বাংলোলৈ যাবলৈ অকণো বেয়া লগা নাছিল। মামীৰ উজ্জ্বল সুন্দৰ মুখখন ছবিৰ মুখৰ দৰে লাগিছিল। তেওঁলোকৰ সকলোবোৰেই ইমান পৰিষ্কাৰ আছিল যে মোৰ নিজকেই অপৰিষ্কাৰ আৰু অযোগ্য লাগি গৈছিল।

মাজে মাজে বাংলোৰ কোঠাৰ পৰা পদ্মদাদা ওলাই আহিছিল। তেওঁও বেছ সুন্দৰ আৰু পৰিষ্কাৰ আছিল। মুখখনো ধুনীয়া আছিল আৰু আমালৈ চাই সদায় হাঁহিছিল। পিছত কোৱা শুনি শুনি জানি-ছিলোঁ পদ্ম কাকতি আছিল কেৰ' চাহাবৰ ঘৰুৱা কেৰাণী। পদ্ম

দাদাও মাজে মাজে চাহাব আৰু মেমৰ লগত গাড়ীত উঠি গোলা-ঘাটলৈ গৈছিল। পিছত জানিছিলোঁ মামীৰ কথামতে বোলে খৃষ্টান হৈছিল আৰু প্ৰতি দেওবাৰে কেৰ' চাহাব, মামী আৰু পদ্মদাদা গোলা-ঘাটৰ গীৰ্জালৈ গৈছিল। সেইদিনা তেওঁলোক প্ৰত্যেকই সুন্দৰকৈ সাজি-কাচি ওলাই গৈছিল।

মই যেতিয়া হাইস্কুলত নাম ভৰ্তি কৰিলোঁ সেই বছৰেই ডেভিক তেওঁলোকে শ্বিলঙৰ চেন্টমেৰীজ স্কুললৈ পঠাই দিলে। কেৰ' চাহাবৰ বাংলোৰ লগত মোৰো প্ৰত্যক্ষ সম্বন্ধ নাইকিয়া হ'ল। কেতিয়াবা মাম্মী গাড়ীতে উঠি বাগিচাত ফুৰিবলৈ গ'লে--"পোনাকণ—আহ" বুলি মাতি লৈ গৈছিল আৰু ময়ো কুঁচি-মুচি বহি শান্তি অনুভৱ কৰিছিলোঁ। মাম্মীয়ে দেখিলেই মোলৈ চাই হাঁহিছিল। আৰু কিয় জানো মাম্মীৰ মুখখন চাই মোৰো অসম্ভৱ ভাল লাগিছিল।

তাৰ কিমান দিনৰ পিছত মোৰ মনত নাই--হঠাৎ কেৰ' চাহাবৰ বাংলোত এটা অপ্ৰত্যাশিত ঘটনা ঘটিল। মাম্মীয়ে এটা কেচুৱাৰ জন্ম দিলে আৰু তেতিয়াৰ পৰা মাম্মী আৰু কেৰ' চাহাবৰ মাজত বোলে কাজিয়াৰ সূত্ৰপাত হ'ল। চাহাব আগতকৈ ক্ৰমাৎ উগ্ৰ হ'ল। এই উগ্ৰতা কেতিয়াবা আন সময়তো ফাটি পৰিবলৈ ধৰিলে। সামান্য কথাতে মতা মহৰীক বেতেৰে কোবালে, ছৰ্দাৰ এটাক মৰিয়াই আধামৰা কৰিলে। মাম্মীকো বোলে দুই এদিন বেত্ৰাঘাত নকৰাকৈ নাছিল। মাম্মীৰ কেচুৱাটো মই দেখা নাছিলোঁ, কেবল শুনিছিলোঁ যে কেচুৱাটোৰ চকু আৰু চুলি ক'লা আছিল বাবে কেৰ' চাহাবে নিজৰ সন্তান নহয় বুলি ভাবিছিল আৰু পদ্ম দাদাক চাকৰিৰ পৰা বৰ্খাস্ত কৰি দিব খুজিছিল। মাম্মীয়ে বোলে অস্বীকাৰ কৰিছিল আৰু পদ্মাক চাকৰিত ৰখাত জোৰ দিছিল। ঘটনাটো আটাইবোৰে মনে মনে জানি উঠিল। তেনেকুৱা সময়তে এদিন কেচুৱাটো হঠাৎ মৰি থাকিল। তাৰ বয়স বোধকৰোঁ চাৰি পাঁচ মাহৰ বেছি হোৱা নাছিল। আচল ঘটনাটো কি এতিয়াও মই মামীক সুধিব নোৱাৰোঁ। কাৰণ কেচুৱাটো বোলে কেৰ' চাহাবে মাৰি পেলাইছিল।

বাংলোৰ পশ্চিমত থকা বাগিচাৰ হাস্পতালৰ চৌহদৰ এচুকৰ এজোপা গছৰ তলত কেচুৰাটোক কবৰ দিছিল আৰু কবৰটো পকী কৰি তাত মামীয়ে লিখাই দিছিল "হিয়েৰ লাইজ এলিজাজ্ হার্ট অব্ হার্ট লিটল্ ছুইট্"। বোধকৰো মামীৰ নাম এলিজা আৰু কেচুৰাটোৰ নাম ছুইট্।

কেচুৰাটোৰ মৃত্যুৰ পিছতেই কেৰ' চাহাবৰ বাংলোত দ্বিতীয় ঘটনা ঘটিল। কেৰ' চাহাবৰ মেম পদ্ম কাকতিৰ লগত নিৰুদ্দেশ হ'ল। কেৰ' চাহাব বলিয়াৰ দৰে হ'ল আৰু গোটেই অঞ্চলটোতে এই ঘটনাই এটা ভয়াবহ চাঞ্চল্যৰ সৃষ্টি কৰিলে। মোৰ দুখ লাগিছিল মামীক আৰু দেখিবলৈ নাপাম। সেই সোণালী চুলি, সেই মধুৰ হাঁহি, সেই উজ্জ্বল মুখৰ ছবি কেৱল মনৰ মাজতেই থাকি গ'ল।

ডেভিয়েও তাৰ শৈশৱৰ খেলাৰ লগৰীয়াক পাহৰি গ'ল। বোধ-কৰোঁ পিছলৈ মোক চাগে সি "নেটিভ" বুলি ঘিণাইছিল।

মানুহৰ জীৱনৰ প্ৰত্যেকটো মুহূৰ্তই অপ্ৰত্যাশিত একোটা অভিজ্ঞতা কঢ়িয়াই আনে। মই লাহে লাহে বিশ্বাস কৰিবলৈ লৈছোঁ—প্ৰতিটো মুহূৰ্তই জীৱনত একক আৰু স্বকীয় বৈশিষ্ট্যৰে ভৰা। তাৰ আগৰ মুহূৰ্তৰ লগত পিছৰ মুহূৰ্তৰ সম্পৰ্ক নাই। নহলে জানো কুৰি বছৰৰ পিছত হঠাৎ দমদমৰ জিৰণি কোঠাত মামীক লগ পাব পাৰোঁ? মামীৰ মুখখনৰ মাজত বাৰ্দ্ধক্যৰ মাজেদিও যেন সেই পুৰণি মুখখন হেৰাই যোৱা নাই।

মামীয়ে এটা এটাকৈ খবৰ সুধিলে—দেউতাৰ স্বাস্থ্যৰ কথা, মাৰ কথা, মোৰ কথা আৰু ৰজাবাৰী বাগিচাৰ কথা। সুধিলে এতিয়া সেই বাংলোটো আছেনে নাই, বাগিচাখন বোলে কোনোবা মাৰোৱাৰী ব্যৱসায়ীয়ে লৈছে বুলি শুনাৰ কথা, আনকি নৰসিং, ফাগুৱা আৰু বাগিচাৰ দোকানী যতীনৰ কথাও। মাজতে এবাৰ সুধিলে—"মোৰ কথা জানি-বলৈ তোমাৰ কৌতুহল হোৱা নাইনে?"

মই কলো—"নিশ্চয় হৈছে মাম্মী, আপুনি কিজানি বেয়া পায়।" তেওঁ ক'লে—"কিয় বেয়া পাম? তুমিতো আমাৰ ডেভিৰ লগৰ"। "ডেভি এতিয়া ক'ত আছে?"

"ইয়াতে থাকে। মই পদ্মৰ লগত কলিকতালৈ অহাৰ পিছত 'হোটেল তাজ'ত গান গোৱা আৰু নাচৰ চাকৰিত সোমালোঁ। পদ্মই আৰম্ভ কৰিলে মটৰ ৱৰ্কছৰ চাকৰি।"

পদ্মৰ নাম উচ্চাৰণ কৰাৰ লগে লগে তেওঁ হাতেৰে বুকুত ক্ৰুছ কৰিলে।

"পদ্মদাদা কেতিয়া ঢুকাল ?"

"দুবছৰমান হ'ল। থ্ৰম্ব'ছিছ হৈছিল। পদ্মইতো চব কৰিলে। তেওঁ তিনি বছৰৰ ভিতৰত মটৰ পাৰ্টছৰ সৰু দোকান এখন আৰম্ভ কৰি দিলে আৰু ময়ো চাকৰি এৰি দিলোঁ। তাৰ পিছত এজনী ছোৱালীৰ জন্ম হ'ল। কিন্তু তায়ো নাথাকিল। তাৰ কিছুদিনৰ পিছত গম পালো মিঃ কেৰ' বৃটেইনলৈ উভতি গ'ল। ডেভিক মই লৈ আহিলোঁ।"

মামী ৰ'ল আৰু ক'লে—"তুমি যদি থাকিব পাৰিলাহেঁতেন, ডেভিয়ে খুব ভাল পালেহেঁতেন।"

তেওঁ ক'লে—"অ আচল কথাটোৰেই সোধা নাই। তুমি বিয়া কৰালা ?"

মই সলজ্জভাবে ক'লো—"কৰালোঁ মামী।"

তেওঁ হাঁহি হাঁহি সুধিলে—"বাপেকী হলাই নেকি ?"

মই হাঁহিলো। ক'লো—"আমাৰ প্ৰথম সন্তান এটা ল'ৰা আৰু তাৰ চাৰি মাহমান হৈছে।" তেওঁ মোৰ হাতটো মোহাৰি দি ক'লে— "তোমাৰ স্ত্ৰী আৰু সন্তানক মোৰ হৈ চুমা আৰু আশীৰ্বাদ জনাবা।"

মাইক্ৰ'ফোনত ঘোষিত হ'ল যে "কাৰাভেল এশ এক বম্বেৰ পৰা আহিছে আৰু এইমাত্ৰ নামিব।"

মামী বহাৰ পৰা উঠিল, বেগটোৰ পৰা সৰু আয়না এখন উলিয়াই মুখখন চালে আৰু ক'লে—"মই এজন আলহীক স্বাগত কৰিব লাগে।" তেওঁ মোৰ হাতটো দুহাতেৰে ধৰি ক'লে—"মই তোমাক এৰি যাবলৈ ইমান দুখ পাইছোঁ।" অকণমান ৰৈ ক'লে—"ৰজাবাৰীলৈ তুমি যাবা নহয় ?"

"যাম মামী।"

তেওঁ কিবা ভাবিলে এপলক। আৰু এটা হুমুনিয়াহ যেন ওলাই আহিল। ক'লে—"হাস্পতালৰ চৌহদত এটা সৰু কবৰ আছে। আছেনে বাৰু এতিয়াও ?"

মই আচলতেই নাজানো আছেনে নাই। ক'লো—"নিশ্চয় থাকিব লাগিব।"

তেওঁ ক'লে—"প্ৰত্যেক নৱেম্বৰৰ দহ তাৰিখে সেই তৰুণমানি কবৰটোক উদ্দেশ্য কৰি মই ইয়াতেই এডাল মম জ্বলাওঁ। যদি কবৰটো আছে তুমি এবাৰ চাবা আৰু তুমি যদি বেয়া নোপোৱা মোৰ হৈ এডাল মম জ্বলাই দিবা। তোমাক বাৰু মই অযথা জুলুম কৰিছোঁ নেকি ?"

"নাই নাই। সেইকণ কাম মই আপোনাৰ বাবে কিয় কৰিব নোৱাৰিম ?"

"ধন্যবাদ পোনাকণ, ধন্যবাদ।" তেওঁৰ চকু দুটা সজল হৈ উঠিছিল।

"পদ্ম আৰু মোৰ একমাত্ৰ স্মৃতি যে সেই তৰুণমানি কবৰটোৱেই।"

তেওঁ মোৰ হাতত এটা চুমা খালে আৰু খৰধৰকৈ ওলাই গ'ল।

## মাখনী নহয়তো

আবেলিৰ ৰ'দৰ পোহৰ খিৰিকীয়েদি সোমাই আহিছিল। অলপ আগতে লতাই মোৰ ওপৰত কৃত্রিম খং কৰি ৰান্ধনি ঘৰলৈ গুছি গৈছে আৰু বোধেস্বৰক শিলগুটি নথকা চাউল বাছি আনিবলৈ গৃহিণীসুলভ পৰামৰ্শ দিছে। আৰু মই আধাপঢ়ি লুটিয়াই থোৱা ৰিকাৰ্ডো আৰু এমিলিয়াৰ দাম্পত্য জীৱনলৈ নামি অহা সন্দেহৰ বিষবাষ্পৰ মাজত সোমাই পৰিছোঁ। সঁচা ক'বলৈ দ্বিধা নাই, পঢ়াৰ লগে লগেময়ো ৰিকাৰ্ডোৰ চকুৰে লতাৰ কথা আৰু কাৰ্য্যক সমালোচনা কৰিছোঁ আৰু মাজে মাজে মনে মনে ক্ষুণ্ণ হৈছোঁ।

লতা সোমাই আহিল। মই মূৰ তুলি চালোঁ। ভাবিলো আকৌ নিশ্চয় ওজৰ আপত্তি উত্থাপন কৰিব। হয়তো ক'ব—ড্ৰয়িংৰুমৰ বাবে ডান্‌ল'প চোফাচেট্ এটা অনাৰ কথা, বা অহা মাহত এযোৰ কাপোৰ লোৱাৰ কথা, বা—

কিন্তু লতাই এটা গোপনীয় কথা কোৱাৰ দৰে ফুচফুচাই ক'লে, "মানুহজনী আকৌ আহিছে।"

মানুহজনী বোলাৰ লগে লগে মোৰ চকুৰ আগত আধাপকা চুলিৰে, খীণ দুৰ্বল শৰীৰেৰে, সোঁতোৰা পৰা ছালেৰে আৰু বয়সে কোবোৱা মুখেৰে এজনী মাথি বহুৰীয়া প্ৰায় বৃদ্ধা গাঁৱৰ মানুহৰ ছবি ভাহি

উঠিল আৰু মনে মনে বিৰক্ত হৈ উঠিলোঁ। কাৰণ মানুহজনীক মোৰ দালাল যেন লাগিল। নিজৰ ওপৰতো খং নুঠা নহয়। এই তৰপৰ মানুহবোৰক অকণমান আসৈ দিলেই গললৈ জপিয়াব বিচাৰে।

মই মনে মনে থকা দেখি লতাই কাষচাপি আহি ক'লে--"পটিক'তে মজিয়াত বহি আছে।"

মই তেতিয়াও নামাতিলোঁ একো। মনে মনে চিন্তা কৰিলোঁ—কি বুলি উত্তৰ দিয়া যাব। এটা কঠোৰ উত্তৰ মনে মনে প্ৰস্তুত কৰিলোঁ। কাৰণ এনেকৈ কাছাৰী সম্পৰ্কীয় কথাত আমাৰ দৰে চাকৰিয়ালৰ ঘৰলৈ আচামী বা ফৰিয়াদীয়ে আহ-যাহ কৰাটো কেতিয়াও উচিত হ'ব নোৱাৰে। মানুহে ভাবিব তেওঁ আহি মোক ভাৰ-ভেটী দিছেহি; অথচ তেওঁ আহি বাৰে বাৰে খাটিছে ল'ৰাটোৰ লগত ছোৱালীজনীক যাবলৈ যাতে মই ৰায় নিদিওঁ। অদ্ভুত! ল'ৰাটোক তেওঁ ভাল পায় অথচ সি ছোৱালীজনীক নিয়াটো নিবিচাৰে; অথচ তেওঁ ছোৱালী-জনীকো হেনো ভাল পায়। মানুহজনীৰ কথাৰ এই মকৰা জালৰ মাজলৈ মোৰ সোমোৱাবলৈ মুঠেই মন নগ'ল। লতাক ক'লোঁ,—"নাই বুলি পঠাই দিব নোৱাৰিলা?"

"ইস, মিছা কথাষাৰ কেনেকৈ কওঁ? আপুনি নিজে গৈ কি কয় কৈ আহকগৈ।"

মই থিয় দিলোঁ আৰু অকাৰণতে চশ্‌মাৰ লেন্স্ দুখন মোহাৰি লৈ খোজ আগবঢ়ালোঁ।

দেখিলোঁ এক বিষণ্ণ নিবিষ্ট দৃষ্টিৰে মানুহজনীয়ে একান্ত মনে দুৱাৰেদি বাহিৰলৈ চাই আছে। পশ্চিমৰ খিৰিকীয়েদি সোমোৱা এচে-ৰেঙা আবেলিৰ ৰ'দত এক দুখৰ ছাঁয়াই মানুহজনীৰ সেই বয়সে কটা-কুটি খেলা, ক্ষীণ মুখখনত খেলা কৰিছিল।

মই সোমাই যোৱাৰ শব্দত সসম্ভ্ৰমে তেওঁ থিয় দিলে আৰু মোৰ ইংগিতত পুনৰ আগৰ ঠাইতে কুচিমুচি বহি পৰিল। আচামীৰ চকুলৈ তীক্ষ্ণভাবে চাই মনৰ গোপন ভাব অধ্যয়ন কৰিবলৈ চেষ্টা কৰাৰ দৰে, মানুহজনীৰ চকুলৈ মই তীক্ষ্ণভাবে চালোঁ। কিন্তু মুখখনৰ সেই নিঃসহায় ভাব, চকুৰ সেই আশা আৰু বেদনাৰ দৃষ্টিৰ মাজত

মই মানুহজনীৰ অন্তৰত কি স্বাৰ্থ আছে ধৰিব নোৱাৰিলোঁ।

"মোৰ নিজৰ একো স্বাৰ্থ নাই দেউতা।"

মোৰ দৃষ্টিয়ে যে তেওঁৰ মন অনুসৰণ কৰিবলৈ চেষ্টা কৰিছে সেই কথা অনুভৱ কৰি অস্বস্তি আৰু অপবাধৰ সুৰত অনুচ্চভাবে তেওঁ ক'লে আৰু মজিয়ালৈ চকুৰ দৃষ্টি নমাই নিলে। দেখিলোঁ,--কপালৰ আগৰ চুলি কেইডালত সময় আৰু বয়সৰ বগা ৰং পৰিছে; শিৰত সেন্দুৰ নাই। চকু দুটা সোমাই গৈছে আৰু দাঁতিত ক'লা দাগ পৰিছে; গালৰ হনু স্পষ্টভাবে জিলিকিছে আৰু নাকৰ পাহি দুটাও যেন লেতু-সেতু হৈ পৰিছে। অন্তৰলৈ আহিব খোজা সহানুভূতিকণকো ঠেলি আঁতৰাই ক'লোঁ,--

"কাছাৰী সম্পৰ্কীয় কথাত এনেকৈ ঘৰলৈ অহাটোও আইনৰ চকুত এটা ডাঙৰ অপৰাধ।"

মানুহজনীয়ে অস্বস্তি পালে ঃ হয়তো উচ্‌পিচাই উঠিল; হয়তো মনৰ গোপন কথা প্ৰকাশ কৰিব নোৱাৰি অব্যক্ত বেদনাত মনে মনে কান্দি উঠিল; হয়তো ভাবিলে--এওঁ হাকিম নে মানুহ।

মনৰ সকলো আবেগক নিৰ্বাসন দি ক'লোঁ,--

"চাওক, মই নিৰুপায়। আপোনাৰ ব্যক্তিগতভাবে যদি মোক কিবা কবৰ মন যায় ক'ব পাৰে; কিন্তু তাৰ যোগেদি মোৰ পৰা মৌখিক সহানুভূতিৰ বাহিৰে আন একো নাপায়। তদুপৰি--" অকমান-কৈ ক'লোঁ,--"আপোনাৰ উদ্দেশ্যটো কি হ'ব পাৰে, মই বুজি পোৱা নাই।"

মোৰ কথাৰ ৰুক্ষস্বৰত তেওঁ আঘাত পালে। দুখত তিতি অহা সেমেকা সুৰত ক'লে,--"দোষ নধৰিব দেউতা, আমিনো আইনৰ কথা কি জানো?"

মানুহজনীৰ এই কন্ঠস্বৰে মোক সঁচাকৈ দুখ নিদিয়া নহয়; কিন্তু মই কি কৰিম? আমাৰ বাবে ঈশ্বৰে মানুহৰ প্ৰাণত দিয়া আবেগ অনুভূতিতকৈ, মানুহে সৃষ্টি কৰা আইনৰ মূল্য বেছি, আমি মাথো আইনৰ ক্ৰীড়ণক। এই মানুহজনী যি উদ্দেশ্যেৰেই নাহক, মানুহজনীৰ উদ্দেশ্যৰ প্ৰতি মোৰ যেনে ভাবেই নাথাকক, এই মুহূৰ্তত এই প্ৰায় বৃদ্ধা

মানুহজনীক মোৰ গাঁৱৰ কোনো বৃদ্ধা সম্বন্ধীয়াৰ দৰে লাগিল। তথাপি এই আবেগক বাধা দিলোঁ।

সঁচাকৈ মোৰ একো উদ্দেশ্য নাই। মই জানো পুতলী আৰু মহেন দুইটাই দুইটাক ভাল পায় আৰু তাই ইচ্ছা কৰিয়েই তাৰ তালৈ পলাই গৈছিল। এতিয়াও তাই সুবিধা পালে আকৌ যাব।...... অকমান ৰৈ ক'লে,--"দুইটাকে মই ভাল পাওঁ। সেই বাবে কৈছোঁ সিহঁতৰ মিল নোহোৱাই ভাল।"

মই তীক্ষ্ণভাবে চালোঁ। মানুহজনীৰ মগজুৰ বিকৃতি নাইতো? মুখৰ পৰা ওলাল "অদ্ভুত।"

তেওঁ মোলৈ চালে। সেই ঘোলা চকুৰ দৃষ্টিত মিহলি হৈ আছিল অন্তৰৰ ব্যাকুলতা। নিজে নিজেই যেন ক'লে,—"ওঁ—যেয়ে শুনিব, মোক পগলা বুলিব। কিন্তু তথাপি......"

মানুহজনীৰ কথাই মোক উৎসুক নকৰা নহয়। মোৰ মুখৰ পৰা অজ্ঞাতেই সৰকি আহিল,--"আপুনি ছোৱালীৰ ককায়েকৰ হৈ ওকালতি কৰা নাইতো?"

"নাই, নাই দেউতা। ক'ব নোৱাৰে; সিহঁতেও ক'ব নোৱাৰে। মই ল'ৰা-ছোৱালী হালক ভাল পাওঁ বুলিয়েই আহিছোঁ, আপোনাৰ কাষলৈ মনে মনে। কোনেও ক'ব নোৱাৰে।" অকমান ৰৈ আকৌ বাহিৰলৈ চাই মোৰফালে দৃষ্টি ঘূৰাই আনিলে। বেৰত আউজি বহি থকা মানুহজনীয়ে জীৰ্ণ-শীৰ্ণ হাত দুখন অকাৰণতে লৰ-চৰ কৰিলে। তাৰ পৰা সেই আগ্ৰহ, দ্বিধা আৰু সংকোচৰ সুৰত ক'লে,—"সিহঁতে ভাল পাইছে—সেয়ে ভাল। কিন্তু মহেনৰ যিটো অৱস্থা, সি সেই অৱস্থাৰে পুতলীক নি কেনেকৈ ৰাখিব? দুইটাই যদি ঘৰ কৰে, সিহঁতৰ টকা-পইচাৰ চিন্তা, ঘৰ-দুৱাৰৰ চিন্তা বেছি হৈ আহিব; তেতিয়া এই ডেকাবয়সৰ প্ৰেম-পীৰিতিৰ চব কথা মচ খাই যাব। তাতকৈ বিয়া নোহোৱাই ভাল, সিহঁতে তেতিয়া আনক বিয়া কৰক—তেনেকৈ সুখী হক।"

"কিয়?"

"বিয়াৰ আগতে ভালপোৱাজনক বিয়া নকৰোৱাই ভাল। দুদিনমান প্ৰথমতে দুখ লাগিব, ডেকা বয়সত এনে দুখ লাগেই। কিন্তু

বিয়া কৰালে যদি আগৰ চেনেহ-শ্ৰদ্ধা নাইকিয়া হয়, তাতকৈ অশান্তি আছেনে ?"

"আপুনি কি ক'ব খুজিছে খোলাখুলিকৈ কওক।" মই মনে মনে বিৰক্ত নোহোৱা নহয়। কি যুক্তি! হাঁহি উঠিল মনে মনে--বঢ়ীয়ে কীট্‌ছৰ কবিতা পঢ়িছিল নেকি ? মোৰ হাঁহিটো যে মই ক'ব নোৱাৰাকৈয়ে মোৰ মুখখনত বিয়পি পৰিছিল, মই জনা নাছিলো। বুঢ়ীয়ে সাহস পাই ক'লে,

"সঁচাকৈ কৈছোঁ দেউতা, এনেকুৱা ঘটনা মই আৰু এটা দেখিছিলোঁ।" অকমান যেন ৰুক্ষ সুৰত, ক্ষোভৰ সুৰত ক'লে, "এই ডেকা বয়সটো, গাভৰু কালটো সাক্ষাৎ কাল নাগিনী। এই ছোৱাত সেই সাপৰ বিষদাঁত গজিবলৈ দিব নালাগে। দুদিনমান, প্ৰথমতে দুদিনমান দুইটাই জ্বলি উঠিব ; সেই কেইদিন ভালকৈ সিহঁতক চকু দিব পাৰিলেই একো অঘটন নহয়। কিন্তু বিয়া দিয়াৰ পিচত সিহঁতৰ বুকুৰ জুইৰ কথা কোনে গম পাব ?"

ধাৰণা হ'ল--মৰহি সৰি যাব খোজা ফুলে যেন কৈছে, "ফুল কলিবোৰ সৰুতে ছিঙি পেলাব লাগে, বুঢ়া হ'লে মৰহি সৰি যায়। সেই দুখ বৰ দুখ।"

বুঢ়ীয়ে মাথো মুখৰ ভিতৰতে বিৰবিৰালে,--"মই সিহঁতক বৰ ভাল পাওঁ—বৰ ভাল পাওঁ।"

মোৰ ধমক দিবৰ মন গৈছিল। আন ধৰণৰ অলপ কথা বুজা মানুহ হোৱাহ'লে ক'লোহেঁতেন, —"লতা আৰু ময়ো পৰস্পৰে পৰস্পৰক ভাল পাই বিয়া কৰাইছোঁ। ক'তা ? আমি দেখোন বিয়াৰ পিচতো আগৰ দৰেই ইটোৱে সিটোক ভাল পাই আছোঁ।"

বুঢ়ীয়ে যেন মোৰ মনৰ কথাও পঢ়িব পাৰিলে ; আৰু ক'লে, "দায় নধৰিব দেউতা, আপোনালোক হাকিম মানুহ ; আপোনালোকে দুসাজ খোৱাৰ চিন্তা কৰিব নালাগে। কিন্তু পেটৰ ভাত মুঠিৰ কাৰণে চিন্তা কৰা ডেকাই ঘৈণীয়েকৰ প্ৰতি চেনেহ ৰখাৰ চিন্তা কিমান কৰিব।"

অকমান ৰ'ল। মোৰ চকুলৈ চালে। এটা কৌতূহল, এটা উৎসুক্যই মোৰ মনকো আৱৰি নধৰা নহয়। হাকিমী গাম্ভীৰ্য্য বজাই ৰাখিও মই যে মানুহ সেই কথা পাহৰিবলৈ বিবেকে নিদিয়ে। আৰু এই মানুহজনী--যিজনী ল'ৰা আৰু ছোৱালী কাৰো একো নহয়, অথচ সিহঁতক ভাল পায়ো সিহঁতৰ বিয়া হোৱাটো নিবিচাৰে,—ইয়াৰ মাজত এই মানুহজনীৰ কি বেদনাৰ ইতিহাস আছে জানিবলৈ মোৰ মন গ'ল; আৰু সেই শান্ত, অনুচ্চ, আবেগজড়িত খীণ কন্ঠস্বৰেৰে বুঢ়ীয়ে নিজে দেখা কাহিনীটোৰ প্ৰসঙ্গ উত্থাপন কৰিলে।

"আপুনি চিনি নেপায়,—মাখনী আৰু ৰত্নয়ো এনেকৈ ভাল পাই ঘৰৰ পৰা পলাই গৈছিল।"

"ক'ৰ মাখনী?" মই তেওঁলৈ চাই সুধিলো।

"আমাৰ তাৰে—তাইক বাপেকে আন এটালৈ দিয়াৰ বন্দবস্ত কৰিছিল; সেইঘৰ বৰ ধনী--সম্ভ্ৰান্ত মানুহ। পিচে সিহঁতে ভাবিলে দুইটাই খুজি-মাগি খায়ো সুখী হ'ব পাৰিব। —ৰত্নয়ো ভাবিছিল মাখনী নাথাকিলে--তাৰ জীৱনৰ একো সাৰ নাই। —পিচে সিহঁতক বাধা দিব লাগিছিল। দুদিনমান কান্দিলেহেঁতেন; দুদিনমান দুখ কৰিলেহেঁতেন। আনৰ লগত বিয়া হ'লেই আগৰ সেইবোৰ কথা পাহৰি গ'লহেঁতেন। কিন্তু তাকে কোনেও শেষত নকৰিলে।"

মানুহজনী অকমান ৰ'ল; তেওঁ যেন ক'ৰবাৰ পুৰণি ইতিহাস খুচৰি উন্মনা হৈ পৰিছে। এটা হুমুনিয়াহ কাঢ়িলে। ক'লে,—

"সেইহে কৈছোঁ—মহেনৰ যিটো অৱস্থা—ৰত্নতকৈ কোন গুণেনো ভাল? ৰত্নহঁতো একেলগে ছমাহমান থকাৰ পিচতে দুইটাৰ ভিতৰত খুট-খুট খাট-খাট লাগিবলৈ ধৰিলে। নলগাকৈ থাকে কেনেকৈ? কেৱল মৰম খায়েতো মানুহ জীয়াই নেথাকে। ৰত্নই মটৰ কোম্পানীত কাম কৰিব লাগে দিনটো। সেই কেইটা পইচাৰে চাউল, দাইল, কাপোৰ-কানি চব কিনিব লাগে।—মহেনৰো সেই একে অৱস্থা। ল'ৰাটো নোদোকাকৈ মৰমলগা হ'লে কি হ'ব—ঘৰৰ অৱস্থা লাওলোৱা। পুতলীক নি দুদিনমান মনৰ সুখত থাকিব পাৰিব; তাৰ পিচতে এইবোৰ

এটা-দুটাকৈ আহকাল বাঢ়ি আহিব। তাতকৈ সিহঁতৰ মনৰ ভালপোৱা সেইদৰে নতুন হৈ থকাই ভাল।"

আকৌ অকমান বিৰতি; স্তব্ধতা। এই নিৰৱতা ভাঙি মই চিগাৰেট এটাত অগ্নি সংযোগ কৰিলোঁ আৰু ধিলাকুটিৰে সন্মুখৰ টেবুলত ভেঁজা দি মানুহজনীৰ মূৰৰ ওপৰেদি বেৰত ওলোমাই থোৱা ছবি এখনৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিলোঁ।

"তাৰ পিচত সেইবোৰ বহুত কথা দেউতা--বহুত কথা। মুঠতে এদিন মাখনীয়ে পেটৰ সন্তান লৈ মাকৰ ঘৰ বিচাৰি ৰত্নৰ কামৰ পৰা গুছি আহিল।"

উৎসুকতা ঢাকি অলপ নির্লিপ্ত সুৰত সুধিলো,--

"গুছি আহিল কিয়?"

আকৌ এটা হুমুনিয়াহ কাঢ়িলে; চকুহাল যেন জলক তবক কৰিছে মানুহজনীৰ। হয়তো বুঢ়া বয়সত চকুবোৰ এনেয়ে দুখত তিতি থাকে। মানুহজনীয়ে মুখখন ৰিহাৰ আগেৰে—ঘাম মোহৰাৰ দৰে মোহাৰি ল'লে।

ক'লে,—বহুতে ভাবিলে ৰত্নৰ লগত কাজিয়া কৰি তাই গুচি আহিল। কাজিয়া নলগাও নহয়। আনকি ৰত্নই পিছলৈ তাইক খং উঠি কেতিয়াবা উধাই মুধাই কোবাইছিলেও। মাখনীয়ে ৰত্নৰ এনেকুৱা কথা আৰু কামত আচৰিতো হৈছিল, দুখো পাইছিল। পিচে এদিন তেনেকৈ কাজিয়া লাগি মাখনীক মৰাৰ পিচত মাজৰাতি যেতিয়া ৰত্নই টিপ চাকি এটা লৈ টোপনিত লালকাল তাইৰ মুখখনলৈ একেথৰে চাই মনে মনে কান্দিলে, তেতিয়া মাখনীয়ে দেখিলে, তাই বুজিলে ৰত্নই তাইক কিমান ভাল পায়! কিন্তু বেচেৰাই এই মৰমৰ মোহতে তাইক লগলৈ আনি কোনোমতেই জোৰাতাপলি মাৰিও সংসাৰ চলাব নোৱাৰি, ভাবিব নোৱাৰা হয়। সেইবাবেই তাই তাৰ হকা-বধা নামানি তাৰ লগত কাজিয়া কৰি মাকৰ ঘৰলৈ গুছি আহিল।"

বুঢ়ীৰ কথাবোৰ মোৰ বাবে সাঁথৰ যেন লাগিল। আইনৰ লগত খেলা খেলি চব কথা পোনপটীয়া যুক্তি-যুক্ততাৰে জুখি চোৱা মোৰ অভ্যাস হৈ পৰিছে। গতিকে উৎসুক হৈ পৰাটো স্বাভাৱিক,—

"সেইবাবেই আহিল মানে ? কোন বাবে ?"

বুঢ়ীয়ে মোৰ চকুলৈ চালে। সেই দৃষ্টিয়ে যেন ক'লে,—ইমান-খিনি কথাও যদি ধৰিব নোৱাৰা, হাকিম হ'লা কেনেকৈ ? তোমালোক হেনো ধৰ্মাৱতাৰ !

"আপুনি জানো ক'ব পাৰিব দেউতা, মহেনৰ লগতে পুতলীৰো সেই অৱস্থা কেতিয়াবা নহব ?—অচিনাকি ছোৱালী এজনীক বিয়া কৰালে—এই ধৰণৰ মনৰ অশান্তি নাবাঢ়ে।"

যুক্তি দেখুৱাই বুঢ়ীৰ এই কথা নাকচ কৰিবলৈ যথেষ্ট থল আছে। কাৰণ মানুহৰ জীৱনেই সকলো প্ৰাণীৰ জীৱনৰ পৰা ব্যতিক্ৰম। কিন্তু বুঢ়ীৰ মনৰ আবেগ ভৰা এই উপলব্ধিক ভাঙি দিবলৈ মন নগ'ল।

মাখনীয়ে ৰত্নক কিমান ভাল পাইছিল নাজানো। বোধকৰোঁ তাইৰ জীউটোতকৈও বেছি। সেইবাবেই—তাই আঁতৰি আহিলেই—ৰত্নৰ দুখৰ বোজা পাতলিব বুলি তাই বৰকৈ বিশ্বাস কৰিছিল। কিন্তু ৰত্নইতো এইবোৰ কথা বিশ্বাস নকৰিব। সেই বাবেই তাই ৰত্নৰ লগত কাজিয়া কৰাৰ চেলু উলিয়াই, লাজমান কাটি কৰি মাকৰ ঘৰলৈ গুচি আহিল। মানুহে ভাবিলে কাজিয়াখনেই মূল কথা। ৰত্নয়ো হয়তো ভাবিলে। কিন্তু আচলতে মাখনীয়ে তাইৰ ভৱিষ্যতৰ কথা নাভাবিছিল। ৰত্নক ভাল পায় বাবেই তাই গুচি আহিছিল। তাই ভাবিছিল ৰত্নৰ অৱস্থা যেতিয়া ভাল হ'ব, তাই এদিন ঘূৰি আহিব।

বুঢ়ীৰ জলক-তবক চকুহালে চকুপানী ধৰি ৰাখিব নোৱাৰিলে। মুখ-চকু ৰিহাৰ আগেৰে ঢাকি মোহাৰি ল'লে। মুখৰ ভিতৰতে বিৰ-বিৰালে,—"এইবোৰ কথা মনত পৰিলে মোৰ বৰ দুখ লাগে। বৰ দুখ লাগে। সেই কাৰণেই এই ডেকা বয়সটোত এই মন দিয়া-নিয়াবোৰ আইনে বন্ধ কৰিব নোৱাৰেনে দেউতা ?"

মোৰ একো উত্তৰ নাই। সুধিলো—"তাৰ পিছত ?" "ঁ......" বুঢ়ীয়ে যেন হেৰাই যোৱা স্মৃতিৰ সূতাডালৰ আঁত বিচাৰিলে। "তাৰ পিছত......। কিন্তু মাখনীক চবে ভুল বুজিলে। ৰত্নয়ো। সেই বাবে ৰত্ন কিছুদিনৰ পিচত আত্মঘাতী হ'ল। চাইকেলৰ চেইন্ এডাল ডিঙিত বান্ধি থকাঘৰৰ চটিতে সি ফাঁচ ল'লে।"

বুঢ়ীৰ মন প্ৰাণ, কথা আটাইবোৰে যে প্ৰকৃতিস্থতা হেৰুৱাই পেলাইছে বুজি পাইছোঁ। ক'লো,—"থাকক আৰু নালাগে ক'ব।"

কেইটামান মিনিট নিৰৱ মৌন হৈ থকাৰ পিচত বুঢ়ীয়ে চকু-মুখ মোহাৰি অকমান নিস্তেজ খীণ হাঁহি এটা মাৰিলে। ক'লে,—"এইবোৰ কথা ক'লেই মানুহে মোক পগলা বুলি কয়। কিন্তু মহেনৰ নিচিনা নোদোকা মৰম লগা ডেকা এটা, পুতলীৰ নিচিনা জুইযেন ৰূপৰ ছোৱালী এজনীৰো এনে হ'বলৈ হ'লে কেনেকৈ বাপেক-মাকহঁতে সহিব বাৰু ?" অকমান ৰ'ল ; দুৱাৰেদি বাহিৰলৈ চালে। মাৰযোৱা বেলিৰ খীণ পোহৰৰ দৰে বুঢ়ীৰ মুখত ৰেঙাই থকা আকস্মিক হাঁহিকণ শেষ হ'ল। আকৌ আহিল সেই থম থম গোমাভাবৰ আন্ধাৰ।

"এনেবোৰ ঘটনা হোৱা শুনিলেই মই ল'ৰা-ছোৱালীহালৰ অৱস্থাৰ কথা বুজ লওঁ ; আৰু সিহঁতৰ অৱস্থা হীন দেখিলে মই সিহঁতৰ সেই মিল হোৱা সহিব নোৱাৰোঁ। তাকে ক'লেই আকৌ মই পাগলী হওঁ।" এইবাৰ নিজকে কোৱাৰ দৰে ক'লে,—"হোঁঃ —এই দুটা চকুৰে বহুত দেখিলোঁ, বহুত শুনিলোঁ। এই প্ৰেম-পীৰিতিত পাগল হৈ নোচোৱা-নেমেলাকৈ বিয়া কৰাব খোজাবোৰক ধৰি শাস্তি দিব লাগে ; তেহে ঠিক হ'ব। নহ'লে এনেবোৰ ঘটনা সদায় ঘটি থাকিব। মাখনীৰ নিচিনাকৈ সদায় জ্বলি-পুৰি মৰিব। তিলতিলকৈ জ্বলি মৰাতকৈ একেবাৰে মৰাটোৱেই ভাল।" ক্ষোভত বুঢ়ীয়ে ক'লে। মই নিৰ্বিকাৰ হৈ শুনিলোঁ। মোৰ চকুলৈ চাই বুঢ়ী ঘপহকৈ থিয় হ'ল—

"বহুতক কৈ চালোঁ। নাই। হাকিম, মুনচুপহঁতে ডাঙৰ ডাঙৰ কিতাপ পঢ়ি ইংৰাজী ক'লে কি হ'ব, মানুহৰ মনৰ কথাকে বুজিব নোৱাৰে।--আহিলোঁ দেউতা।" মোৰ কোনো কথালৈ ভ্ৰূক্ষেপ নকৰি বুঢ়ী ওলাই গ'ল। সেই জীৰ্ণ-শীৰ্ণ বুঢ়ীজনীলৈ মই চাই ৰ'লোঁ। মই নিৰুপায়।--বুঢ়ীৰ আবেগত আইন নচলে। হঠাৎ মনত খেলালে—বুঢ়ীয়েই মাখনী নহয়তো ? চকীখন ঠেলি ওলাই যাওঁমানে বুঢ়ী আলি-কেকুৰিত অদৃশ্য হ'ল। মই থিয় দিয়া ঠাইতে ৰৈ গ'লোঁ।

## মুখাৰ পিছফালে

মানুহ গৰাকীৰ চৰিত্ৰ বেছ প্ৰভাৱশালী ; যি কোনো অপৰিচিতাক আপোন কৰি ল'ব পৰাৰ ক্ষমতা আৰু কৌশল আছে । তেখেত এজন বিশিষ্ট ৰাজনৈতিক নেতাৰ পৰিবাৰ । কোৱা শুনিছোঁ—তেওঁৰ প্ৰভাৱতেই স্বামীৰ পদমৰ্যাদা বৃদ্ধি সম্ভৱ হৈছে আৰু তেখেত নিজেও এগৰাকী দেশ সেৱিকাৰ মোহৰ থকা তিৰোতা । মুখখন অলপ চেপেতা, চকুকেইটা বেছ বুদ্ধিদীপ্ত, নাকটো কিঞ্চিৎ ভোটা আৰু বৰণটো বগা বুলিব নোৱাৰিলেও ক'লাও নহয় । গা-গাৰি বাঢ়ি বেছ শকত হৈছে যদিও খৰটকীয়াকৈ ফুৰি মেলি নিজকে সৰবৰহী কৰি তুলিবব এটা আপ্ৰাণ চেষ্টা আছে ।

কাৰণবশতঃ বৃদ্ধ ভদ্ৰলোক এজনৰ লগত তেখেতৰ ঘৰলৈ যোৱাৰ মোৰ সৌভাগ্য ঘটিছিল । বাটত যাওঁতে বৃদ্ধই তেখেতসকলৰ উদাৰতা, বদান্যতা, সৰলতাৰ ইমান গুণ-গৰিমা বখানিছিল যে তেখেতসকলক লগ পাই কথা-বতৰা পাতি চিনাকি হ'বলৈ পোৱাটো মই পৰম সৌভাগ্য বুলি বিবেচনা নকৰি নোৱাৰিছিলোঁ ।

আমি গৈ পোৱা মাত্ৰে তেখেত ওলাই আহি মৰমৰ প্ৰত্যাশিত কুটুম্বৰ দৰে আদৰ-সাদৰ কৰি নি, নিজে চিম্‌নিৰ জুইত কয়লা জাপি দি আমাক কাষত বহুৱাইছিল । শ্বিলঙত তেতিয়া বৰ জাৰ পৰিছিল আৰু আমি জুইৰ উম ল'বলৈ পাই সুখ পাইছিলোঁ ।

তেখেতৰ স্বামী তেতিয়া অনুপস্থিত আছিল। বৃদ্ধই অলপ হতাশ হোৱা যেন বোধ কৰাত তেখেতে আত্মীয় সুৰত আবদাৰ কৰি ক'লে,—"আগতে হাত-ভৰি সেকি লক। মই চাহ কৰাইছোঁ, খাই বই সুস্থিৰ হৈ লওক। তেখেতক মই মতাই আনিম নহয়। মই যেন আপোনাৰ জীয়েকজনী নায়েই ?"

বুঢ়াই পৰম আশ্বাসেৰে হাঁহিলে।

তেখেতে মুগাৰ ৰিহা-মেখেলাৰ এটা খচমচনি তুলি ভিতৰলৈ সোমাই গ'ল আৰু আহি আমাৰ মাজতে চকী এখনত বহি লৈ ক'লে,--"আপোনা-লোকক অকলে বহুৱাই মই মাজে মাজে আঁতৰি গ'লে বেয়া নাপাব আকৌ।"

আমি সমস্বৰে ক'লো,--"নাই, নাই।" তেখেতে গৃহিণীসুলভ গাম্ভী-ৰ্যেৰে ক'লে,--"তেখেত নগাঁৱলৈ যোৱাৰ কথা আছে; ময়ো যাম গুৱাহাটীলৈ। সেয়ে ঘৰৰ বনকৰা মানুহকেইটা টাকুৰি ঘূৰা দিছে।" অলপ ৰৈ ক'লে,--"এদিনলৈ ওলাই গ'লেও কাপোৰ-কানি, খোৱা-বোৱাৰ সজুলি--মুঠতে সংসাৰ এখন বান্ধি লৈ যাব লাগে। বৰ আহকাল পাওঁ মই। তেখেতে আকৌ য'তে ত'তে খাব নোৱাৰে। ইফালে ল'ৰা-ছোৱালীহাল—সিহঁতকতো অলপ খেলিমেলিত এৰিলেই ভীষণ আমনি পায়!"

তেখেত আকৌ উঠিল আৰু "অইধান" বুলি ভিতৰলৈ মাতিলে। আইধানৰ সলনি সীতাৰ মা' ওলাই আহিল। তাই ক'লেহি,—"মেমচাব, ৰুটিৰ লগত খাবলৈ জেলীৰ টিনটোও দিম নেকি ?"

"দে। আৰু চাবি তেখেতৰ বাবে কফিৰ টিনটো দিবি।"

আমালৈ চাই ক'লে—"তেখেতে আকৌ পুৱা ভালকৈ কফি একাপ খাবলৈ নাপালে মেজাজেই ঠিক নাথাকে।"

এইবাৰ সেউজীয়া কমদামী শাৰী এখন পিন্ধা সোতৰ ওঠৰ বছৰীয়া গোল মুখৰ--ছোৱালী এজনীয়ে হাতত চাহৰ পাত্ৰলৈ সোমাই আহিল। মুখখন তেখেততকৈ বগা, চকুকিটা জোখতকৈ সৰু, মঙ্গো-লীয়ান কাটৰ, চুলিকোছা খোপাবান্ধি কিঞ্চিৎ ওপৰমুখীয়াকৈ থৈছে।

তেখেত উঠিলে আৰু ক'লে,—"আইধান, এখেতসকলৰ বাবে বিহুৰ পিঠা লৈ আহ।" আইধান নিষ্ক্ৰান্ত হ'ল আৰু আমালৈ চাই

ক'লে,—"খিলঙত নো কি বিহু ? তথাপি মই গাঁৱৰ ছোৱালী। অসমীয়া কৃষ্টিটো এৰি দিম কিয় ?"

মই অলপ কোমল সুৰত ক'লোঁ,—

"বিহুত ডাঙৰ মানুহে কিন্তু পিঠা বুলিলে ঘিণায়।" তেখেতে মোলৈ এনেভাৱে চালে যেন মই গড়ালৰ ভিতৰৰ আচামীহে। মিঠা হাঁহি এটাৰে দৃষ্টি সলাই তেখেতে কাপত নিজে চাহ ঢালিবলৈ ধৰিলে আৰু ক'লে,--"আমি তেনেকুৱা ফিটাহি মাৰিম কিয় ? গাঁৱত ডাঙৰ দীঘল হৈছোঁ কচু-ঢেকীয়া খাই। কিমান ঘুৰিলোঁ আন্দোলনৰ সময়ত। এতিয়া ঘৰত চাৰিটা বনকৰা ল'ৰা আৰু তিনিজনী বনকৰা মাইকী থাকোতেও মই নিজে কৰিহে ভাল পাওঁ। সদায় সভা-সমিতিত থাকিব লাগে বাবে সময় নাপাওঁ। সময় পালে তেখেতেও নহয় (!) নিজে চোফাৰ কুশনত বুকুজ মাৰে। কাম কৰা মানুহবোৰে দেখিলে থাপ মাৰি কাঢ়ি লয়গৈ। গা-ধুবলৈ গৈ চুৰিয়াখন নিজে থুকুচিবলৈ লাগেগৈ। আমি কত মানা কৰোঁ। ওঁ এয়া লওকচোন চাহ কাপ।"

আইধানে অনা পিঠাৰ ঠালখনৰ পৰা এটা এটা তিলপিঠাও আমালৈ আগবঢ়ালে আৰু নিজে ব্যস্ত হৈ ভিতৰলৈ বেগাই সোমাই গ'ল। ইতিমধ্যে তেখেতৰ স্বামী আহি পালেহি আৰু আমি বহাৰ পৰা থিয় হৈ নমস্কাৰ কৰিলোঁ। তেখেতে মুখত এটি ৰাজকীয় গাম্ভীৰ্য্যপূৰ্ণ হাঁহিৰ ৰেঙনি বিয়পাই প্ৰতি-নমস্কাৰ জনালে। (এইখিনিৰ পৰা মই তেখেতক মিঃ কাকতি আৰু তেখেতৰ পত্নীক মিছেছ কাকতি বুলি উল্লেখ কৰিম।)

মিঃ কাকতিও জুইৰ কাষত বহি হাত দুখন সেকি লৈ মোৰ লগত অহা বৃদ্ধৰ মুখলৈ চাই ক'লে,--"এইবাৰ খিলঙত বৰ বেয়াজাৰ পৰিছে।"

মিছেছ কাকতি আহি তেখেতৰ পাছফালে চকীৰ বাউসীত ধৰি থিয় হ'লহি—যেন স্বামী-স্ত্ৰী দুয়ো এটা বিশেষ পজত ফটো ল'বৰ বাবে ষ্টুডিঅ'ৰ মজিয়াতহে থিয় দিছেহি। মিছেছে তামোল এখন চোবাই ক'লে,—"চাওকচোন বাৰু খিলঙৰ এই জাৰত খদ্দৰৰ কোট-কুৰ্তাৰে হয়নে ? মই তেখেতক ইমান কওঁ গৰম চাৰোৱানী এটা কৰাই ল'বলৈ !" মাতত কৃত্ৰিম অনুযোগৰ সুৰ,--যেন নব-দম্পতীৰ আবদাৰৰ পাল্লা শেষ হোৱাই নাই।

মিঃ কাকতিয়ে ধোঁৱা নথকা সত্বেও ধোঁৱাই ধৰাৰ দৰে মুখখন সিকাতি কৰিলে। মই চুৰকৈ মিঃ কাকতিৰ মুখখন ৰিৰীক্ষণ কৰিলোঁ। দেখিলোঁ মুখখন বেছ পকা আপেলৰ দৰে হৈ পৰিছে। আধাকেঁচা, আধাপকা চুলিখিনি অবিন্যস্তভাবে সেওঁতাৰ দুয়োকাষে পৰি আছে। চকুকেইটাত বুদ্ধিৰ চিন নাই। হাতৰ ঠাৰিত কিন্তু যথেষ্ট নোম আছে পুৰুষ-সুলভ।

বৃদ্ধই নিজা প্ৰয়োজনৰ পাতনি মেলিব খোজাত তেখেত থিয় দিলে আৰু সোঁফালৰ পৰ্দা ঠেলি ক'লে,--"ইয়ালৈ আহক।" বৃদ্ধ আৰু মিঃ কাকতি দুয়ো সোমাই গ'ল; মই কেৱল অকলশৰে জুইৰ কাষত থাকিলোঁ। মিছেছ কাকতিও গ'ল ভিতৰলৈ।

এইবাৰ কোঠাটো ভালকৈ চকু দিয়াৰ সময়। লক্ষ্য কৰিলোঁ এইটো বোধহয় ডাইনিং ৰুমৰ পৰ্য্যায়ৰ কোঠা। মূৰৰ ওপৰত চিলিঙৰ পৰা ওলমি আছে গ্লোব বাল্ব এটা। তাৰ পোহৰে সেমেকা বতৰত কোঠাত থকা দিনৰ আন্ধাৰ আঁতৰাই পোহৰ কৰি ৰাখিছে। মজিয়াত কাৰ্পেট পৰা। কোঠাটোৰ দুৱাৰ-খিৰিকী, টেবুলক্লথ, কুশ্বন সকলোতে খদ্দৰৰ অবাধ ৰাজত্ব।

ভিতৰৰ কোঠাত মিছেছ কাকতিৰ স্পষ্ট মাত শুনিলোঁ,--"আইধান যতীনক ক বেডিং দুখন বান্ধক; চাবি যাতে টাৱেল এখনো বাদ নপৰে।.....সীতাৰ মা, আলু, কবি, গাজৰ একো বাদ নপৰে যাতে। বেগত জহা চাউল আৰু কণী ভৰাই দিবি। সিন্ধুৰ মা, ব্ৰেকফাষ্টৰ বাবে আপেল, কমলা, কল, আখৰোট দিবি। লগত ক্ৰিম্ আৰু বাটাৰৰ টিন দিবলৈ পাহৰি নাযাবি। আৰু শুন ঘিউৰ সৰু টিন এটা, চুজিৰ টিনটো...... ।" ইত্যাদি হৰেক ৰকমৰ হুকুমৰ শব্দ ইকোঠাৰ পৰা সিকোঠালৈ সিকোঠাৰ পৰা ইকোঠালৈ বাগৰি গ'ল আৰু লগে লগে বনকৰা মানুহবোৰৰ দ্ৰুত খোজৰ শব্দৰ ধ্বনিও কোঠাই কোঠাই বিয়পি পৰিল।

মিছেছ কাকতি আহিল আৰু মোৰ কাষতে বহি লৈ ক'লে,--"ইমানবোৰ কাম কৰা মানুহ থাকিলেও মই নলৰিলে নহয়।" মই সমৰ্থন কৰি প্ৰশংসাসূচকভাবে নিৰৱে হাঁহিলো তেখেতলৈ চাই। তেখেতে

লোহাৰ শলাডালেৰে জুইকুৰা খুচৰি দি ক'লে,—"সিবাৰ নেফালৈ গৈছিলোঁ—এটা সাংস্কৃতিক শুভেচ্ছা মিছনক লিড কৰি। ল'ৰা-ছোৱালী একৰিমান হ'ব। এসপ্তাহৰ পিচত আহি দেখোঁ ঘৰখনৰ বয়বস্তু থোৱাৰ একো থানথিত নাই।" পূৰ্বৰ স্মৃতি সোঁৱৰণ কৰাৰ দৰে কৰিলে আৰু তেখেতে বেছ ইম্প্ৰেছিভ সুৰত কৈ গ'ল তাত কিমান আদৰ-সাদৰ পালে, তেখেতে পৰ্বত-ভৈয়ামৰ সাংস্কৃতিক সম্বন্ধৰ কথা কি বুজিলে আৰু কি ক'লে--ইত্যাদি।

মই অলপ বিষণ্ণ নোহোৱাৰ কাৰণ নাই। গানৰ 'গ'টো সংস্কৃতিৰ 'স'টো নজনা মানুহে পাহাৰ ভৈয়াম সম্প্ৰীতিৰ বাবে সাংস্কৃতিক দলৰ নেতৃত্ব দিব পৰাটো আমাৰ অসম দেশতেই কেৱল সম্ভৱ। মোৰ মনৰ ভাব গোপন কৰি ক'লোঁ,—"আপোনাৰ এই অভিজ্ঞতাসমূহ কাকতলৈ প্ৰবন্ধাকাৰে নপঠিয়াই কিয়?"

তেখেতে কৃত্ৰিম লাজ কৰিলে, গোল গাল দুখনত দুটা খোৰ বহি গ'ল আৰু মোলৈ বৰ মৰমেৰে চাই ক'লে, "মই নিজকে জাহিৰ কৰিবলৈ বৰ টান পাওঁ।"

মোৰ ধাৰণা হ'ল আচলতে প্ৰকাশ বিচাৰে, কিন্তু কাগজৰ বেচেৰা সম্পাদকবোৰৰ হাত ইমান টান যে হয়তো প্ৰকাশৰ বাবে মিছেছ কাকতিয়ে লিখা প্ৰবন্ধ ছপাবলৈ আগবঢ়াই দিবলৈ তেওঁলোকৰ হাত নুঠেই। এইবাৰ তেখেতৰ মুখত এটা বিষণ্ণ ভাবৰ ছায়া দেখা পালোঁ। ক'লে,—"আবেলিলৈ গুৱাহাটীত দৰিদ্ৰ কল্যাণ সভা এখন আছে। তালৈ মোক জোৰকৈ মাতি পঠাইছে। কাৰণ, জানে যে মই দুখীয়া গাঁৱৰ ছোৱালী, মই সাধাৰণ অসমীয়া বোৱাৰী। মই তেওঁলোকক কৈছোঁ—ছপা হেণ্ডবিলত মোৰ নাম নালাগে, লাগে কাম।" অলপ সময় তেখেত ৰ'ল আৰু ক'লে,—"সঁচাকৈয়ে দেশৰ লাখ লাখ দৰিদ্ৰ জনসাধাৰণে দুবেলা দুমুঠি খাবলৈ নাপালে, স্বাধীনতা পোৱা নোপোৱা একে কথা।" মিছেছ কাকতিৰ এই কথাষাৰ মোৰ কাণত যেন কেনেবা লাগিল। সুৰটো কিন্তু আন্তৰিকতাপূৰ্ণ।

'সিজুৰ মা' নামেৰে পৰিচিত শকত কামকৰা মাইকী মানুহজনী সোমাই আহিল——আৰু সুধিলে, "মেম্‌চাব, পিৰিচ-পিয়লা কিমান

দিম ? তেখেতে আমনি পোৱা যেন দেখুৱাই থিয় দি ভিতৰলৈ খোজ আগবঢ়ালে, খোজত এনে এটা ব্যঞ্জনা প্ৰস্ফুটিত যেন তেখেত নলৰিলে ঘৰখন জহান্নামে যায়।

এইবাৰ আহিল আইধানৰ পাল্লা। মিঃ কাকতি বা মিছেছ কাকতিয়ে আলহীৰ আগত নম্ৰতাৰ কৌশলেৰে নিজৰ পদমৰ্যাদা দেখুওৱাৰ যিদৰে বাসনা আছে আইধানহঁতৰো তেনে এটা গৌৰৱ অপৰিচিত মানুহৰ আগত দেখুৱাবলৈ লোভ আছে। তাইৰো দেখুৱাবৰ মতলব যে এই বিৰাট ঘৰখনত আইধান নহ'লে চব পণ্ড হয়। তাইযে এই ঘৰখনত কিমান প্ৰয়োজনীয় সেই কথা জাহিৰ নকৰিব কিয় ? গতিকে আই-ধান সোমাই আহিল, টেবুলৰ একোণত দুয়ো হাতৰ তলুৱাৰে ভেঁজা দি সৰু চকুকেইটাৰে চেলাউৰি চিন্তাত কোঁচাই ওপৰ তলকৈ কিবা ভাবিলে, যেন কিবা এটা মিলাব নোৱৰা অঙ্ক মিলোৱাতহে তাই ব্যস্ত। মই জুই খুচৰি খুচৰি কেৰাহীকৈ মাজে মাজে আইধানৰ সুগোল মুখখন, চকুকেইটাৰ ঠাঁচ লক্ষ্য কৰিলোঁ। এনেতে সীতাৰ মাই কোলাত আঢ়ৈ বছৰীয়া নিজৰ কেচুৱাটো লৈ ওলাই আহিল আৰু সুধিলে,—

"কি ক'বা আইধান ?"

আইধানে চকুৰ মণিকেইটা চিন্তাত ওপৰ তললৈ ঘূৰাই লৈ ক'লে,— "কি কি ল'ব লাগিব মইযে মোৰেই পোৱা নাই। ইমান যে দিগ্‌দাৰ পাই। গোটেইবোৰ চন্তলাটো বৰ টান লাগে।" সীতাৰ মাই ক'লে,— "তোমাৰ বাবেও ৰগ এটা আৰু কম্বল এটা লৈ থবা। তোমাৰ পিন্ধা কাপোৰো ল'বা।"

"ইস্ মই যে মোৰ কথা পাহৰিছিলোঁৱেই" বুলি অকণো নৰৈ বিশেষ ব্যস্ততা দেখুৱাই আইধানে নিতম্ব-দ্বয়ত বিশেষ লয় দি অন্তৰ্দ্ধান হ'ল।

সীতাৰ মা' নামৰ গাভৰু বোৱাৰীজনীয়ে ল'ৰাটোক মজিয়াৰ কাৰ্পেটৰ ওপৰত নমাই শাৰীখনৰ আগ এটা খুচি ভিতৰলৈ গ'ল, আৰু তেনেতে তেখেত, মানে মিছেছ কাকতি সোমাই আহিল। মুখত তেখেতৰ এক গভীৰ চিন্তাৰ চাপ।

জুইৰ কাষতে বহিল আৰু চিন্তিত অথচ ব্যস্ত সুৰত ক'লে, "ডাঙৰ ছোৱালীজনীয়ে কান্দি কান্দি গুৱাহাটীৰ পৰা ফোন কৰিছে। মোৰ বৰ চিন্তা হয়।"

কিবা বিশেষ আশঙ্কাত শঙ্কিত হৈ ময়ো চেলাউৰি থুপাই লৈ সুধিলোঁ,--"কি হৈছে?"

তেখেতে হাঁহিলে। হাঁহিটোত বিনয়েৰে গৌৰৱ আৰু অহঙ্কাৰ প্ৰচ্ছন্ন কৰি ৰখা যেন লাগিল। ক'লে,—"বৰ অদ্ভুত ছোৱালী তাই। গুৱাহাটীত বৰদেউতাকৰ তাত আছে। তেওঁলোক বেছ সম্ভ্ৰান্ত লোক। সকলো সুবিধা আছে; অথচ তাইৰ হেনো ঘৰলৈ মনত পৰিছে।" অকমান বৈ ক'লে, "দেউতাকৰ মৰমতে তাই আলাসৰ লাডু হৈ পৰিল। আৰু ফোনতে তাই সুধিছে মা, টমিক গা ধুৱাইছেনে?--কুকুৰটোৰ কথাও তাই পাহৰা নাই।"

মই আশ্বস্ত হলোঁ। ইতিমধ্যে সীতাৰ মাৰ আঁচৈ বছৰীয়া ল'ৰাটোৱে বগাই আহি তেখেতৰ কাষ পালেহি। মই দেখিলো হঠাৎ যেন তেখেতৰ খং উঠিল। মই মনে মনে আশঙ্কা কৰিলোঁ হয়তো চাকৰণী এজনীৰ কেচ্‌ৱা এটা তেখেতৰ কাষলৈ বগাই অহাৰ বাবে তেখেতে মাক আৰু কেচ্‌ৱা দুইটাকে ধমক দিব। কিন্তু মই ভবাৰ দৰে তেখেত ইমান নিৰ্বোধ নহয়। ল'ৰাটোক দুহাতেৰে দাঙি থিয় কৰাই দি হাঁহিলে আৰু ক'লে,—"অকণ অকণ ল'ৰা-ছোৱালীবোৰলৈ মোৰ বৰ মৰম লাগে।" ল'ৰাটোক অকমান জোকাৰি দি হঁহুৱাবৰ চেণ্টা কৰিলে। "ইয়াৰ নাম থৈছোঁ গেলু।"

মোৰ হাঁহি উঠিল। তেখেতে কথা প্ৰসঙ্গত নিজৰ ডাঙৰ ছোৱালী-জনীৰ নামটোও কৈছিল: জেস্মিন। কাৰণ যুতিমালাটো বৰ অসমীয়া নাম হৈ পৰে বোধহয়। চাকৰৰ ল'ৰাকতো 'লটাছ' বা 'ডুইট' নাম দিয়া নাযায়; তাৰ নাম হ'ব লাগিব 'গেলু', 'কালু' বা তেনে ধৰণৰ চাকৰ মাৰ্কা নাম এটা।

মিছেছ কাকতিয়ে ল'ৰাটোক এৰি দি মোলৈ চাই হাঁহিলে। হাঁহিলে তেখেতৰ মাংসল গাল দুখনত দুটা খোৰ হৈ যায়, চকুহাল কোঁচ খাই

সৰু আৰু দীঘলীয়া হৈ পৰে, নাকৰ পাহি দুটা ফুলি পৰে। তাৰ পৰা ক'লে--"সিবাৰ মিকিৰ পাহাৰলৈ যাওঁতে অকণ অকণ ল'ৰা-ছোৱালী এজাক আনিলোঁ। বৰ ভয়াতুৰ মিকিৰ ল'ৰা-ছোৱালীবোৰ। কিন্তু মই সিহঁতৰ মাজতে বহি যেতিয়া বিস্কুট, কল বিলাই দিলোঁ, সিহঁত আঁতৰি নোযোৱাই হ'ল।" তেখেত ৰ'ল ; চকু-মুখত এটা গভীৰ চিন্তাৰ ছাঁয়া সানি লৈ ধীৰে ধীৰে ক'লে--"সাধাৰণ মানুহৰ সুখ-দুখৰ কথা যদি বুজিব নোৱাৰে, দেশৰ সেৱা সেই মানুহে কেনেকৈ কৰিব ? এই জাৰত সীমান্তৰ জোৱানসকলৰ দুখ-দুৰ্দশাৰ কথা শুনিলে, ভাবিলে, মোৰ অন্তৰ কান্দি উঠে। মনে মনে থাকিলে বেয়া দেখাই বাবে ক'লোঁ,—"সঁচা কথা। কিন্তু আপুনি যিদৰে অন্তৰত অনুভৱ কৰিছে (?) দেশৰ কিমান মানুহে কৰিব ?" তেখেত গদগদ হৈ পৰিল। ক'লে--"গাঁৱৰ কথা মোৰ মনত পৰে। এবেলা খালে, এবেলা খাবলৈ নাটে ; এখন পিন্ধিলে এখন সলাবলৈ নাথাকে। আমাৰ দেশৰ এই দাৰিদ্ৰ যে কেতিয়া আঁতৰিব !" এটা হুমুনিয়াহ তেখেতে কাঢ়িলে আৰু ক'লে,--"নেহেৰুও নাই যে দেশৰ গুৰি ঠিকে ৰাখিব !" মোলৈ চাই ললে আৰু ক'লে,—"উস সেইটো যে ভীষণ দিন ! মই যেতিয়াই খবৰ পালো—নেহেৰু নাই বুলি, মোৰ হাতৰ পৰা চাহৰ কাপটো মজিয়ালৈ সৰি পৰিল। ডাঙৰ ছোৱালী জেস্মিনে কৈছে, 'মা কি হ'ল তোমাৰ ?' মই কিন্তু মুখেৰে মাতিব নোৱাৰিলোঁ।"

এইবাৰ তেখেতে একান্ত মনে জুইলৈ চালে ; জ্বলা আঙঠাৰ এটা পোহৰ তেখেতৰ চকুৰ মণিত জিলিকিছিল। প্ৰতিবিম্বহে, তেখেতৰ চকুৰ জ্যোতি নহয়। এইবাৰ তেখেত উঠিল আৰু ভিতৰলৈ গ'ল। মই নিশব্দে বহি থাকিলো। তেখেতৰ কথা-বতৰাবোৰ মনতে ঘূৰাই পকাই চালো আৰু নিজৰ বাবেও মোৰ হাঁহি উঠিল। মুখত বুৰ্বকৰ ৰং সানি বহি আছো।

হঠাৎ পৰ্দাৰ সিপাৰে তেখেতৰ এটা চেপা মাত শুনিলো, পৰ্দাখন সোঁফালে কোঁচ খাই আছে। দেখিলো আইধানৰ হাতৰপৰা কাপোৰৰ টোপোলা তেখেতে কাঢ়ি লৈ মজিয়াত পেলাই দিছে আৰু কৈছে,—"এইক একেবাৰে ৰাজৰাণীৰ দৰে থাকিবলৈ লাগে। এখন কম্বলেৰে নহয়

তোৰ ? কাপোৰ এসাজেৰে নহব ?” এইবাৰ তেখেতে গাঁথিটো খুলি পেলালে হবপায় ঃ কাৰণ কাপোৰবোৰ আৰু লগতে এটা বটল মজি-য়াত সিচঁৰিত হৈ পৰিল। মিছেছ্ কাকতিয়ে কলে,—

“এইটো কিহৰ বটল ?”

“দৰবৰ। নহলে পেটৰ অসুখ.....।”

আইধানৰ কথা শেষ নহ’ল, তেখেতে ধমক দি উঠিল। “যা— তইঁতেই যা, মই নাযাওঁ। গাড়ীত অতবোৰ বস্তু ধৰিব ক’ৰপৰা ? দেখা নাই হল্‌দল দুটা; খোৱা বোৱাৰ বস্তু আছেই। যদি গাড়ীৰ, ভিতৰত অকমানো খেলি-মেলি দেখোঁ মই নামি আহিম—চাই থাকিবি।”

ইতিমধ্যে যতীন আৰু নেপালে দুটা বিৰাটকায় হ’ল্‌দল ধৰা-ধৰি কৰি গাড়ীলৈ লৈ গ’ল। সীতাৰ মা আৰু সিন্ধুৰ মাই দিলেগৈ কিবা-কিবি টিন্ টোপোলা কিছুমান। মুঠতে গাড়ীখনৰ কাষত বয়বস্তুৰ এটা দ’ম হ’লগৈ।

ইতিমধ্যে মিঃ কাকতি আৰু মোৰ লগৰজন লোক ওলাই আহিল। মিছেছ্ কাকতিও ওলাই আহিল; হাঁহি হাঁহি কলে,—“এই আইধান-জনী একো কামৰ ছোৱালী নহয়। তাই নিজৰ কাপোৰ সাজকে সামৰি বান্ধিব জনা নাই।” তেখেতে আইধানৰ প্ৰতি যেন মৰমৰ অনুশাসন দেখুৱাইহে হাঁহিলে।

আমি নমস্কাৰ জনাই তেখেতসকলৰ বদান্যতাৰ বাবে শলাগ লৈ বাহিৰ ওলাই আহিলোঁ। তেখেতসকলেও দুৱাৰমুখৰ পৰা নমস্কাৰ জনাই ভিতৰলৈ সোমাই গ’ল।

হঠাৎ গাড়ী-বাৰাণ্ডাৰ সিমূৰে আইধানক দেখা যেন লাগিল। তাৰ সিপাৰে কোনোবা বনকৰা ডেকালৰা এটা বৈ আইধানলৈ সৰু কাগজৰ টোপোলা এটা আগবঢ়াই দিছে। মোৰ খোজ স্বভাৱতে থমকি গ’ল। শুনিলোঁ—“গৰম কাপোৰ এখন আছে আৰু বিস্কুটৰ পেকেট এটা। তুমি বেজাৰ নকৰিবা। ঘূৰি অহালৈকে মই বাট চাই থাকিম দেই।”

মই আগবাঢ়ি গৈ বৃদ্ধ ভদ্ৰলোকৰ লগ ধৰিলোঁ। বৃদ্ধই তেতিয়াও কৈছিল,—“মাইকী মতা হালেই বৰ সাদৰী লোক।” মই তেতিয়া ভাবিছিলোঁ—লগত নিয়া প্ৰচুৰ সুখাদ্য খাই আজি আবেলি—মিছেছ্

কাকতিয়ে দৰিদ্ৰ কল্যাণ সভাত বক্তৃতা দিব, দৰিদ্ৰ জনতাৰ কথা ভাবি তেওঁৰ চকুলো ওলাব ; শ্ৰোতায়ো হয়তো কান্দি পেলাব। আৰু তেতিয়া আইধানে ভোকত সেই ল'ৰাটোৰে দিয়া বিস্কুটৰ পেকেটৰ পৰা এটা বিস্কুট খাই খাই মিঃছ্ছ কাকতি অহালৈ বাট চাই থাকিব ; কাৰণ মিছেছ কাকতি অহাৰ লগে লগে জাম-জেলী, বাটাৰ লগাই ৰুটি, কফি, আপেল, কল, আখৰোট ভাগে ভাগে সজাই দিব লাগিব আৰু সেইখিনি খাই মিছেছ কাকতিয়ে দৰিদ্ৰতা দূৰীকৰণৰ আঁচনি কৰিব। আৰু হয়তো তাইৰ মনৰ কল্পনাত থাকিব সেই ডেকাটো, আৰু হয়তো থাকিব--কেনেকৈ অপৰিচিত লোকৰ আগত নিজৰ দাৰিদ্ৰ, নিজৰ দুখ ঢাকি, মিঃ কাকতিৰ ঘৰত তাইৰ গুৰুত্ব দেখুৱাব পাৰিব তাৰ চিন্তা।

মোৰ মনৰ মাজত ঢাকনি দিয়া দুয়োখন মুখ যেন জিলিকি উঠিল। এখন মিছেছ কাকতিৰ আনখন আইধানৰ। মুখত উদাৰতা, বদান্যতা আদিৰ প্ৰসাধন কৰি থোৱা হৈছে ঃ ক'লী ছোৱালীজনীয়ে ৰ'জ পাউদাৰ ঘঁহি মুখৰ ক'লা বৰণটো ঢাকি থোৱাৰ দৰে। আনখন মুখতো প্ৰসাধন আছে। সেই প্ৰসাধনেৰে ঢাকিছে অন্তৰৰ দৰিদ্ৰতা, আৰু আঘাতৰ জ্বালা আৰু লাগি আছে এক দুখৰ ছাঁয়া আৰু তাৰ মাজেদি ভৱিষ্যতৰ যুগ্ম জীৱনৰ মধুৰ কল্পনা।

আমি দুয়ো খোজত খোজ দি নিশব্দে পাইনৰ তলে তলে আগবাঢ়িলোঁ।

সঁচাকৈয়ে—জাৰকালিৰ শ্বিলংখন বৰ নিষ্ঠুৰ, বৰ নিৰ্মম।

# মৃত্যুৰ উত্তাপত

গোটেই আগবেলাটো মই মূৰ তুলিবলৈ সময় পোৱা নাই। নগৰ-খনত মোৰ ভাল নাম আছে বুলি জানো। সেইবাবে মোৰ চেম্বাৰত পেচেন্টৰ ভীৰ বেছি। আৰু মানুহবোৰৰ যে কত ধৰণৰ বেমাৰ! নিজৰ নিজৰ অসুখটোৰ প্ৰত্যেকেই বেছি গুৰুত্ব দি বুজাবলৈ চায়। কোনোৱেবা আকৌ ঘৰত পৰি থকা ৰোগীৰ লক্ষণ কৈয়েই দৰব বিচাৰে। উপায় নাই। আটাইবোৰেই অধৈৰ্য। অৱশ্যে কাক কেনেকৈ কৈ নৰম কৰিব লাগে সেইকণ অভিজ্ঞতা মোৰ হৈছেগৈ। এজন ৰোগী চাই আছোঁ আৰু তেওঁৰ পৰা অসুখৰ বিৱৰণো শুনি আছোঁ। খুব পিয়াহ লাগে, ডিঙিটো শুকাই যোৱা যেন লাগে আৰু বেছিকৈ পেছাব কৰিব লাগে। ডায়েবেটিছ বুলি বুজিলোঁ। ইউৰিণ পৰীক্ষা কৰাৰ কথা ক'লো আৰু সোৱাদ বস্তু আৰু চৰ্বী প্ৰধান খাদ্য বৰ্তমান কমাই খাবলৈ ক'লো। এই ব্যস্ততাৰ মাজতে কোনোবা এজনে সোমাই আহি কলেহি—

"নমস্কাৰ।'

"নমস্কাৰ।" তললৈ মূৰকৈ থাকিয়েই প্ৰতি নমস্কাৰ জনাই ক'লোঁ—

"আপুনি কিছু পৰ বহিব লাগিব।"

আগন্তুকৰ মুখলৈ চাবলৈ সময় নাই। প্ৰেছক্ৰিপচনখন পৰীক্ষা কৰা ৰোগীজনক দিলোঁ আৰু ব্যস্তভাৱে ফিজখিনি ড্ৰয়াৰটোত ভৰাই মূৰ তুলি চালো।

"গোলাপ!" মই একৰকম আচৰিত হৈ আগন্তুকৰ মুখলৈ চাই মাতিলোঁ।

গোলাপে ক্ষীণকৈ হাঁহিলে। কিন্তু দুৰ্বল হাঁহি আৰু উঠি থকা কপালৰ শিৰ দেখিয়েই বুজিছোঁ—গোলাপ অধৈৰ্য হৈ পৰিছে। "তই যে ইয়াত? আৰু কাৰোবাৰ কিবা হৈছে নেকি? নে তোৰ·····" "মোৰ ল'ৰা এটাৰ জ্বৰ, ভীষণ জ্বৰ। তই এবাৰ যাব লাগে।"—গোলাপৰ মাতত অনুনয়ৰ স্পষ্ট সুৰ। বাকী থকা ৰোগীসকলে অসন্তুষ্ট আৰু কিছুপৰিমাণে আচৰিত হৈ গোলাপলৈ চালে। কাৰণ গোলাপ নামৰ মানুহটো অহাৰ বাবে মই যথেষ্ট আগ্ৰহ দেখুৱাই কথা পাতিছোঁ। গতিকে তেওঁলোকক আজিলৈ চাবৰ সময় হৈ নুঠিবগৈ হয়তো। খদ্দৰৰ ধুতি-পাঞ্জাবী আৰু ৰং যোৱা পাম্পচু পিন্ধি অহা গোলাপ নামৰ মানুহ এটাই যে মোৰ দৰে চৌখিন সাজপাৰ আৰু পূৰাদমে চাহাবীয়ানা বজাই ৰখা এজনক "তই" বুলি মাতিব পাৰে--সেই ধাৰণা বাকীবোৰৰ নাই।

"তোৰ ল'ৰাৰ কথা ক'বি নহয়, কিন্তু ক'ত? আৰু তই ল'ৰা-ছোৱালীবে সৈতে ক'ৰ পৰা নো ওলালিহি?"

"সৰু খুলশালীজনীৰ বিয়া আছিল। পৰহি হৈ গ'ল। তালৈকে আহিছিলোঁ। কিন্তু কালি সন্ধ্যাৰ পৰা মোৰ ল'ৰাটোৰ ভীষণ জ্বৰ। তই এবাৰ ব'ল—। পাছে পৰেও কথা হ'ম।"

"কেইবছৰীয়া কেচুৱা?" আৱশ্যকীয় বস্তুখিনি বেগত ভৰাই সুধিলোঁ।

"দুবছৰীয়া।"

বহি থকা বাকী ৰোগীসকলক কথাটো বুজাই ক'লো আৰু এঘন্টা-মানৰ পিচত আহিবৰ কাৰণে ক'লোঁ। নাইবা যদি তেওঁলোকে যতীনে চালেও সন্তুষ্ট হয়--চোৱাব পাৰে বুলি ক'লোঁ। মোৰ লগত দুবছৰ-মান থাকি যতীনৰো অভিজ্ঞতা কিছু নোহোৱা নহয়।

"টেক্সী ষ্টেণ্ডলৈ যাওঁ।" গোলাপে মোৰ মুখলৈ চালে।

"নাই নেলাগে--মোৰ গাড়ী আছে।"

"তই গাড়ীও ল'লি নেকি?"

"গাড়ী এখন নাথাকিলে অলপ অসুবিধা হয় বাবেই লওঁ।"

এটাও শব্দ নকৰি কোঠাৰ পৰা দুয়ো ওলাই আহিলোঁ আৰু পাছফালৰ হাদৰ তলত থকা গাড়ীখনৰ ফালে খোজ আগবঢ়ালোঁ। গোলাপৰ মুখত আৰু চকুত এটা উৎকণ্ঠা আৰু মাজে মাজে হঠাৎ উদাসীন হৈ পৰাত বং সলনি হৈছে। পুৰণি দিনবোৰলৈ মোৰ মনত পৰিছিল মাজে মাজে। স্কুলীয়া সময়ছোৱাত আমাৰ ভিতৰত গোলাপেই আছিল আটাইতকৈ আগৰণুৱা। উৎসাহ, আশা আৰু বুদ্ধিৰ উজ্জ্বলতাই পোহৰাই যোৱা তাৰ মুখখনলৈ মোৰ মনত পৰিছিল। গাড়ীত ষ্টাৰ্ট দি এতিয়াৰ তাৰ মুখলৈ চালোঁ। আন্ধাৰ কৰি অনা এখন মুখ। চুলিৰ মাজে মাজে পক ধৰিছে। কপালখনত সামান্যভাৱে হ'লেও কোঁচ খবিছে।

নিৰ্বিকাৰভাৱে আগলৈ চাই চায়েই সি ক'লে,—"তোৰ কাৰবাৰ ইয়াতে আছে বুলিয়ে জানো। কিন্তু তোৰ ওচৰলৈ যে এনেকৈ এদিন আহিম ভবাই নাছিলোঁ।"

"নয়ো ভবাই নাছিলোঁ তই যে এনেকৈ ওলাবিহি। বহুত দিন দেখাই নাই তোক। স্কুলতেই আছ নহয়?"

"আছো আৰু। বৰ ভুল কৰিলোঁ আগতেই।" সমান নিৰ্বিকাৰ ভাবেই ক'লে সি। ভাগ্যৰ কাষত নিৰুপায় হৈ আত্মসমৰ্পণ কৰাৰ দুখ তাৰ কথাত স্পষ্ট ফুটি উঠিছে। কিন্তু সময়ত গোলাপ আদৰ্শ ছাত্ৰ আছিল। স্কুলৰ তৰ্কসভা, সাংস্কৃতিক অনুষ্ঠান, সাহিত্য প্ৰতিযোগিতা--আটাইবোৰতে তাৰ স্থান আছিল আগত। শ্ৰেণীতো। কলেজতো তাৰ নাম আছিল। এসময়ত সি কবিতা লিখিছিল, আৰু অদমনীয় আশাত উজলি উঠিছিল। আমি তেতিয়া মধ্যমীয়া ছাত্ৰ। গোলাপৰ মুখলৈ আকৌ চালোঁ। এইখন মুখ যেন সেই তাহানিৰ গোলাপৰ উজ্জ্বল মুখ নহয়। কংক্ৰিটেৰে তৈয়াৰ কৰি অনা এটা ঘৰ যেন আধা সজা হৈ ৰ'ল আৰু নিষ্ঠুৰ সময়ে তাক খহাই শেষ কৰি আনিছে।

"কুইন,--মানে সৰু খুলশালীজনীৰ বিয়া আছিল। পৰিয়াল গোটেইটো আহিল। উপায়তো নাই।"

"চান্দমাৰীৰ ৰাস্তাইদিহে ঘূৰিব লাগিব ?"

"অঁ।--মই প্ৰথমতে সামান্য অসুখ বুলি ভাবিছিলোঁ। সৰু ল'ৰা-ছোৱালীৰ থাকেই অসুখ-বিসুখ। আজি ন মান বজাৰ পৰা ভীষণ ছাটি-ফুটি কৰিব লাগিছে। আটাইবোৰে তোৰ কথাকে ক'লে। সেয়ে মই আহিলোঁ।"

গোলাপৰ শহৰেকৰ গেটৰ মুখত গাড়ী ৰখাই দুয়ো নামিলোঁ। চালে চকু ৰোৱাকৈ সজা তোৰণ, বিৰাট ৰভা আৰু বিয়াৰ দিনাৰ ব্যৱহাৰ্য চকী-মেজ ইত্যাদিবোৰো নিঃশব্দে শুই যেন আজিও টোপনি পুৰাইছে। এৰাঁতিত সৰু ল'ৰা কেইটামানে কেৱল মাৰ্বল খেলি নিজৰ ভিতৰতে মাজে মাজে উত্তেজিত হৈছে।

বাহী বিয়াৰ দিনা এখন ঘৰ যিদৰে বিশৃংখল হৈ থকা উচিত--আজিও ঘৰখন তেনেকুৱাই হৈ আছে। গোলাপে পৰ্দা ঠেলি প্ৰথম কোঠাটোত সোমায়েই চকী এখন টানি মোক বহিবলৈ দিলে। অভিজাত পৰিয়াল এটাৰ প্ৰথম কোঠাটো যেনে হোৱা উচিত--ৱালৰ পেণ্টিং, কাষত থোৱা মডেল আদিয়ে তাৰেই প্ৰমাণ দিছে। কাষৰ কোঠাটোত--হাৰ্ট, স্পেদ, ডায়েমণ্ডৰ ন' বিটৰ ধ্বনি শুনি বুজিছো--কোনোবাই ব্ৰীজৰ আড্ডা পিটিছে। মাজে মাজে হাঁহি, টেবুলত চকিওৱাৰ শব্দ। তাৰে সিপাৰৰ পৰা কেইবাজনীও ছোৱালীৰ টুকুৰা টুকুৰা কথাৰ শব্দ আৰু হাঁহিৰ খিলখিলনিয়ে মাজে মাজে শব্দ কৰি উঠিছে। ঘৰখনত যে কাৰোবাৰ অসুখ আৰু গোলাপ নামৰ মানুহ এটা যে যথেষ্ট চিন্তাগ্ৰস্ত হৈ পৰিছে--তাৰ যেন কোনো খবৰেই নাই। কিয় ক'ব নোৱাৰো--গোলাপৰ ধুতি-পাঞ্জাবী আৰু ৰং এৰোৱা পাম্পচু যোৰ যেন এইখন ঘৰৰ মজিয়াত বৰ আচহুৱা, এনে লাগিল মোৰ। গোলাপ সোমাই আহিল আৰু ক'লে,--

"ভিতৰলৈকে আহ। ল'ৰাটোৱে ভীষণ ছটফটাইছে।"

গোলাপক অনুসৰণ কৰি কেইবাটাও কোঠা পাৰ হৈ এটা সৰু কোঠাৰ মুখত থিয় দিলোঁগে। গোলাপেই প্ৰথমতে সোমাল। পাছে পাছে মই। দেখিলোঁ, কোঠাটো যথেষ্ট সৰু। আৰু সিও চকী-টেবুল, কাপোৰ, ট্ৰাঙ্ক বাকচ আদিৰে ঠাহ খাই আছে। এফালৰ এখন

বিছনাত ল'ৰা এটা শুৱাই তিৰোতা এগৰাকীয়ে বিচিছে, পটি দিছে। আমাক দেখি তেওঁ থিয় দিলে। গোলাপে ক'লে,--

"এইখিনিলৈকে আহ।"

মই বিছনাখনৰ কাষ চাপিলোঁ। ল'ৰাটোৰ মুখখন ৰঙা হৈ পৰিছে, চকু মেলা নাই। হাত-ভৰি মাৰি কান্দিবৰ চেষ্টা কৰিছে।

"কালিৰ পৰাই জ্বৰ আৰম্ভ। আজি বৰ বেছি।" তিৰোতা গৰাকীয়েই ক'লে। মাতটো মিঠা আৰু করুণ।

ল'ৰাটো গোলাপক কোলাত ল'বলৈ ক'লো আৰু মাকক গৰম পানী আনিবলৈ ক'লোঁ। কেচুৱা ল'ৰাক বিছনাত ৰাখি চাব চিতিবলৈ বৰ অসুবিধা। ল'ৰাটোৰ সঁচাকৈয়ে ভীষণ জ্বৰ। উত্তাপ ১০৪০ ডিগ্ৰী। দুবছৰীয়া কেচুৱাৰ বাবে মাৰাত্মক উত্তাপ।

এমগ গৰম পানী, এখন টাৱেল আৰু চপকেচ এটা লৈ মানুহগৰাকী সোমাই আহিল। মই মূৰ তুলি চালোঁ। ধুনীয়া মুখৰ এগৰাকী মানুহ। কিন্তু চিন্তা আৰু কষ্টৰ চাপ যেন মুখখনত বিয়পি আছে।

"কিবা খুৱাইছিল নেকি আজি ?"

মানুহগৰাকীয়ে গোলাপৰ মুখলৈ চালে। গোলাপেই ক'লে, "নাই। কালিয়েই এবাৰ মাকৰ গাখীৰ খাইছিল। আজি অকণো খুৱাব পৰা নাই।"

ল'ৰাটোৱে মুখৰ ভিতৰতে কান্দি উঠিল। অসুখৰ যন্ত্ৰণা সহিব পৰা নাই। মাক আগবাঢ়ি আহিল।

"চাওঁ, মোৰ হাতলৈ দিয়ক।"

"ৰ'বা অকণমান।"

"তাক মাতি অকণমান জোঁকাৰি দিয়কচোন কোলাতে।" কেচুৱাৰ দুখ মাকৰ বুকুতেইতো বাজে বেছিকৈ। গোলাপে জোঁকাৰি দি মাতিলে,—

"সোণমণি—নাপায় কান্দিব, এয়া মা আছে। নাপায় কান্দিব।"

মাকেও যোগ দিলে,—

"নাকান্দিবা সোণটি; নাপায় কান্দিব।"

ডিষ্টিলড্ ওৱাটাৰৰ এম্পলটো ভাঙি ইনজেকচনটো পৰিষ্কাৰ কৰি ল'লোঁ।

বয়সস্থা তিৰোতা এগৰাকী সোমাই আহিল ; খন্তেক খিয় দি ৰ'ল আৰু মোৰ ফালে চাই ক'লে,—

"এৰা কিনো অসুখটো লাগিলহি জানো। মই মাকণক কানিয়েই কৈছিলোঁ—বোলো বিয়াৰ হুলস্থূলত ইবোৰৰ চুতি নাই ; দেউতাককে পঠাই দে। কেচুৱা ল'ৰা--অলপেই বহুত নহয়।"

"হয়", মই শলাগি থলোঁ।

মাকণ—মানে, কেচুৱাৰ মাক আৰু গোলাপে একো নক'লে। হয়তো ক'বলগীয়া বহুত থাকিলেও তেওঁলোকে মুখ ফালি ক'ব নোৱাৰে। যিবোৰ কথা কৈ দিলে মানুহৰ নিজৰ বহু বেদনাই পাতলে,—সেই কথাবোৰ চিৰদিন এনেকৈ নোকোৱা হৈয়ে ৰয়।

মই মোৰ কৰিবলগীয়াখিনি কৰি শেষ কৰিলোঁ। ইতিমধ্যে দুৱাৰমুখত আৰু কেইবাখনো মুখে ভুমুকি মাৰি গৈছেহি। কোনেও বেছিপৰ বৈ থাকি একো সোধা নাই। সৰু কেচুৱা এটাৰ অসুখ, ডাক্তৰ আহিছে। গতিকে নাহিলে বেয়া দেখাই বাবেই হয়তো আহি গৈছে। মনে মনে গোলাপলৈ মোৰ সহানুভূতি উপজিল। তাৰ মুখৰ চেহেৰা আৰু এইখন ঘৰৰ মানুহবোৰৰ হাব-ভাবৰ পৰা মোৰ ধাৰণা হ'ল--গোলাপ যেন তাৰ শহুৰেকৰ ঘৰত অনাৱশ্যকীয় এটা মানুহ আৰু এই অদৰকাৰী মানুহটোৰ জঞ্জাল সহিবলৈ যেন কোনো বাজি নহয় ; বাজি একমাত্ৰ তাৰ বিবাহিতা পত্নী। গোলাপ যেন ফুলনিত বহুত দিনৰ আগতে ৰোৱা এডাল ফুল—যি জোপাই টানিটুনি দুটামান পাত মেলি মুজুৰা লাগি জীয়াই আছে। তাতকৈ পিছত ৰোৱা ফুলবোৰো বহুত ডাঙৰ দীঘল হৈ জকমকাই আছে।

কোঠাটোৰ পৰা ওলাই অহাৰ আগতে ক'লোঁ,—"পাৰিলে—অলপ মুকলি কোঠা এটাত ল'ৰাটোক ৰাখিব।"

মাকণেই উত্তৰ দিলে কোমল সুৰত,—

"কোঠালী আটাইবোৰেই বন্দী হৈ আছে। সৰু তিনিওজনো আহিছে নহয়। তেওঁলোক আকৌ আহল-বহল ঘৰত থকা মানুহ—সৰু কোঠাবোৰত থাকিব নোৱাৰে।"

গোলাপৰ শাহুৱেকে একো নকৈ দূৰলৈ চালে। মই দেখিলোঁ কথাষাৰত তেখেত আহত হ'ল বোধকৰোঁ। সেয়ে কথাৰ সুৰ বদলাই

ক'লোঁ,—"এঘণ্টা কি দুঘণ্টামানলৈ টোপনি আহিব ল'ৰাটোৰ। ইয়াত যদি ফোন আছে অৱস্থা কেনে হয় মোক ৰিং কৰি জনাবি গোলাপ।"

গোলাপৰ শাহুৱেকে ওলাই অকণমান বহিবলৈ ক'লেহি। চাহ খাবৰ কাৰণে। হয়তো ক'ব লাগিছিল গোলাপেই। পিছে তাৰ অধিকাৰ এইখন ঘৰত হয়তো বৰ কম। শাহুৱেকে গোলাপলৈ চাই ক'লে,—

"তুমিও হাত-ভৰি ধুই আহাগৈ যোৱাঁ।"

"তই তেনে অকণমান বহ, মই বেগেতে আহিম।"

গোলাপ আকৌ পৰ্দা ঠেলি সোমাই গ'ল। গোলাপ যোৱাৰ ফালে চাই থাকি ক'লে,—

"এইটোৱেই ডাঙৰ জোঁৱাই। পিছে অৱস্থাহে বৰ ভাল নহয়। আজিকালি স্কুলৰ মাষ্টৰী কৰি চলাটো বৰ টান।"

কথাৰ মোৰ বদলাবলৈ সুধিলোঁ,—

"গোলাপৰ ল'ৰা-ছোৱালী কেইটা?"

বুঢ়ীয়ে অলপ আমনি পোৱা যেন দেখুৱাই ক'লে,—"পাঁচোটা। ল'ৰা দুটা, ছোৱালী তিনিজনী। এই অসুখীয়াটোৱেই কেচুৱা একেবাৰে।" বাহিৰলৈ চাই ক'লে,—

"সৌকিটা।--এই পুতু, মামণি, দুল--এইফালে আহ।"

মই বাহিৰলৈ চালোঁ। খহি যোৱা হাফপেণ্টটো দুয়ো হাতেৰে উজাই উজাই পুতু আহিল। ছয়-সাত বছৰমান হ'ব। মুখলৈ চালোঁ। খীণ কিন্তু মৰম-লগা। ফুটফুটীয়া ফ্ৰক পিন্ধা ছোৱালী দুজনীও আহিল। চুলিবোৰ বৰ কটা। বুঢ়ীয়ে ক'লে,—

"লেতেৰা কিটা! মাহীয়েৰহঁতৰ চুইটহঁতলৈ চাগেচোন কেনেকৈ আছে।"

সৰু ছোৱালীক বুঢ়ীয়ে চপাই আনি মৰম কৰিলে আৰু মোৰ ফালে চাই ক'লে, ডাঙৰ ল'ৰাটোক দেখুৱাই—"এইটোৱেই ডাঙৰজনী ছোৱালীৰ ডাঙৰ ল'ৰা। এই দুজনী তাৰ পিছৰে। আৰু এজনী আছিল কেনি গ'ল জানো! তাৰ পিছৰে কেঁচুৱাটো।"

মোক অকণমান বহিবলৈ কৈ বুঢ়ী আকৌ উঠি গ'ল। এইবাৰ কাষৰ কোঠাটোৰ পৰা "থাউজেণ্ড ডাউন" দিয়াৰ ধ্বনি উঠিল। বাওঁফালৰ

কোঠাটোতো মাইকী মানুহৰ কণ্ঠস্বৰ স্পষ্ট হৈ পৰিছিল।

এজনীয়ে কৈছিল, হাঁহি হাঁহি,--

"মাকণ বাইদেউৰ গিৰীয়েকক দেখিলে মোৰ হৰি মাষ্টৰলৈ মনত পৰে পাই।"

"মাকণ বাইদেউৰ গিৰীয়েক বুলিছ যে ভিনদেউ বুলিব নোৱাৰ?"

আকৌ আগৰটো কণ্ঠস্বৰ মই শুনিলোঁ,—

"মাজু ভিনদেউ আৰু দীপু ভিনদেউক 'ভিনদেউ' বুলিব পাৰি, ডাঙৰ ভিনদেউক মানুহৰ আগত চিনাকি কৰি দিবলৈকে বেয়া লাগে পাই।"

"চুপ চুপ, কোনোবাই শুনিব।"

কথা বন্ধ হ'ল আৰু এইবাৰ কোনে কি ৰঙৰ ব্লাউজৰ লগত কোন ৰঙৰ শাৰী পিন্ধিলে মেছ কৰে তাৰ আলোচনা চলিল।

ল'ৰা এটাৰ হাতত চাহৰ ট্ৰেখন দি বুঢ়ী সোমাই আহিল আৰু পাছে পাছে মাকণো। চাহ কাপ দাঙি লৈ ঘড়ীলৈ চালোঁ। মই অহা প্ৰায় এঘণ্টাই হ'বগৈ। অলপ পিছতে গোলাপ আহিল আৰু মোৰ মুখামুখিকৈ বহি ললে। চাহ কাপ শেষ কৰি মই থিয় দিলো। মাকণ আৰু মাকক নমস্কাৰ জনাই বিদায় ল'লোঁ। গোলাপো ওলাই আহিল। অপ্ৰস্তুত হৈ সি মণিবেগটো উলিয়ালে। মই এবাৰ কেৰাহিকৈ চাই লৈ ক'লো—"তই আমাৰ বন্ধুত্বক অপমান নকৰিবি কিন্তু।"

"নাই মানে, তোৰ·······"

"মই একো নুশুনো।" মই খোজ আগবঢ়ালোঁ আৰু গোলাপ একেঠাইতে ৰ'ল। বৰ শান্ত অথচ দুখৰ সুৰত সি ক'লে,—

"সাহিত্য সংস্কৃতি এইবোৰ বিলাসৰ বস্তু। কিন্তু আগছোৱা জীৱনত তাতেই লাগি থাকি ভীষণ ভুল কৰিলোঁ।"

মই গোলাপলৈ ঘূৰি চালোঁ;--সি আকৌ ক'লে,—"জীয়াই থাকিবলৈকে যি সদায় যুঁজ কৰিব লাগে সি আভিজাত্যৰ ষ্টেণ্ডাৰ্ড ৰাখে কেনেকৈ?" তাৰ মাতটো দুখত সেমেকি ওলাইছিল। পুনৰ ক'লে,—

"মাকণে বুজে বাবেই বহুত দুখ মোৰ নাই।" মই প্ৰসঙ্গটো সলনি কৰিবলৈ গাড়ীৰ দুৱাৰ খুলি বহিলোঁ আৰু ক'লোঁ ঃ

"তুই সময় বুজি মোলৈ খবৰ দিবি।"

এটা এটাকৈ পাত সৰি কেৱল জীয়াই থকাৰ স্বপ্ন দেখা এজোপা লঠঙা গছৰ দৰে থিয় দি থাকিল গোলাপ। গাড়ীৰে ধূলি উৰুৱাই গুছি আহোঁতে মোৰ এনেকুৱা লাগিছিল—গোলাপহঁতৰ দৰে মানুহৰ আশা-আকাংক্ষাবোৰ যেন চেপি গুৰি কৰি ধূলি উৰুৱাই দিছোঁ। আভিজাত্যৰ ৰথচক্ৰৰ নিষ্পেষণত সিহঁতে কেঁকাই উঠিব খোজে। গোলাপহঁতৰ দুখ মই বুজো। ডাক্তৰী কৰি টকা ঘটিছোঁ যথেষ্ট ঃ নিজৰ গাড়ী লৈছোঁ, ঘৰ সজাইছোঁ। কিন্তু ময়ো গোলাপৰ দৰে এটা পৰিয়ালৰে ল'ৰা আছিলোঁ। আগছোৱা জীৱনত বিলাস চিনি নেপাই-ছিলোঁ। সেয়ে, ডাক্তৰী কৰি মানুহৰ শৰীৰক অস্ত্ৰোপচাৰ কৰি ক্ষত-বিক্ষত কৰিব পাৰোঁ, কিন্তু মানুহৰ মনৰ ক্ষত মই সহ্য কৰিব নোৱাৰোঁ।

চৌখীন শহৰেকৰ ঘৰত, গাঁৱত সম্ভ্ৰান্ত বুলি পৰিচয় থকা গোলাপ মাণ্টৰে হয়তো অসহায়, বোধকৰোঁ প্ৰথম জোঁৱাই বুলি যিখিনি আদৰ সন্মান আগতে পাইছিল—শহৰেকৰ ঘৰত সেই আদৰ হয়তো আৰু নাই। আহল-বহল কোঠাৰ বিলাসেৰে থকা বাকী জোঁৱাই কেইজনে গোলাপক ঠেলি ঠেলি নি গুদামঘৰৰ দৰে ঠেক কোঠা এটাত সুমাই-ছেগৈ। মোৰ গোলাপলৈও খং উঠিল। সি কিয় ইমান সহজতে তাৰ দাবী এৰি দিব, আদৰ্শচ্যুত হ'ব। সি কিয় তাৰ কামেৰে-কথাৰে বুজাই নিদিয়ে যে অপ্ৰয়োজনীয় আভিজাত্যৰ মানদণ্ড সি নিবিচাৰে। ভীৰুৰ দৰে নীচাত্মিকা বৃত্তিলৈ পলায়ন কৰাৰ পৰা তাৰ মানসিক অশান্তি হয়তো বাঢ়ি যাব। আভিজাত্যৰ কাষত যদি সি মূৰ অৱনত কৰে, তাৰ মানসিক মৃত্যু অনিবাৰ্য। এই মানসিক ৰোগৰ পৰা তাৰ মুক্তি নহ'ব। মই মোৰ চেম্বাৰ পালোঁহি। কিন্তু গোলাপৰ মুখখন মই পাহৰি যোৱা নাই। ৰোগীৰ ভীৰ নাই। যতীনে এজনক কিবা দৰৱ দি আছে। মই সম্পূৰ্ণকৈ চকীত গাটো এৰি দি বহি পৰিলোঁ। যতীনে সুধিলেহি,—

"কি হ'ল ছাৰ—পেচেন্ট নাবাচিল নেকি ?"

"হুঁ। নাই। ইনজেকচন দি থৈ আহিছোঁ।"

যতীনে মোৰ অনুপস্থিতিত কৰা কামৰ খতিয়ান এটা মুখে মুখে দিলে ; মই মাথো শলাগি গ'লোঁ।

সাহিত্য-সংস্কৃতিৰ দৰে জটিল কথাবোৰৰ লগত মোৰ ঘনিষ্ঠতা নাই। কিন্তু বুজো—এইবোৰ ভাল কাম। পিছে ডেকা বয়সৰ উত্তেজনাত এইবোৰত নামি পিছলৈ আৰ্থিক প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰি খেদ কৰা সাহিত্য-সংস্কৃতি সেৱীৰ সংখ্যাই আমাৰ কিজানি বেছি। সেইবাবেই ঠিৰাং কৰিছোঁ—সাহিত্য সভা-সাংস্কৃতিক অনুষ্ঠানলৈ চান্দা বিচাৰি অহা ডেকা ল'ৰাক এইবোৰ কথা ক'ম। কাৰণ আমি ডাক্তৰবোৰেতো মিটিং গাই ফুৰি এইবোৰ ক'ব নোৱাৰো।

ভাবাবেগক বৰ বেছিকৈ প্ৰশ্ৰয় দিয়াৰ সময়ো আমাৰ নাই। সেইবুলি জানো আবেগ-অনুভূতিক কোনোবাই এৰাই চলিব পাৰে ? কিন্তু গোলাপহঁতৰ জাতটো বৰ ছেন্টিমেন্টেল। গোলাপে এতিয়া একো শিল্প-সাহিত্যৰ সাধনা নকৰিব পাৰে, সেই কথা মই বুজোঁ। হয়তো পাঁচোটা ল'ৰা-ছোৱালীৰ পৰিয়ালটোক তথাকথিত ভদ্ৰতাৰ মানদণ্ডত ৰাখি চলাই নিবলৈ যাওঁতে সি বাৰে বাৰে উজুটি খাই পৰিছে আৰু ভাৰসাম্য হেৰুৱাই পেলাইছে। সেই বাবেই সি কেৱল দেখিছে অভাৱ আৰু অভাৱ।

সভ্যতাই আমাক ভীষণভাৱে বস্তুবাদী কৰি তুলিছে। এটা যেন প্ৰকাণ্ড অজগৰে ভৰিৰ পৰা মূৰলৈকে গিলি আনিছে। এই গ্ৰাসৰ পৰা দৌৰি পলাবৰ উপায় নাই। মৰমৰ এচপৰা ইটা গোটাই মন বন্ধাৰ কথা আমি ভবা নাই, ভাবিছোঁ—মাটিৰ এচপৰা ইটা গোটাই ঘৰ বন্ধাৰ কথা।

আনদিনা ৰোগী নাথাকিলেও মই ৰোগ আৰু দৰবৰ কথাকে চিন্তা কৰোঁ। আজি কিন্তু মনটোৱে যেন চিৰাচৰিত নিয়মৰ বান্ধোন ছিঙি আতৰি যাব খুজিছে।

আবেলি চাৰিমান বজাত গোলাপে সঁচাকৈয়ে ৰিং কৰিলে। তাৰ মাত শুনিয়েই বুজিলো ল'ৰাটোৰ অৱস্থা বৰ বেয়া। তাৰ মাতত কাতৰতাৰ স্পষ্ট সুৰ,—

"তই যেনে তেনে এবাৰ আহ। মাকণ বাউল হৈছে।"

পলম নকৰিলোঁ। চিকিৎসাধীন ৰোগীৰ অৱস্থা বেয়া হোৱাটো চিকিৎসকৰো দুৰ্ণাম।

"মই গৈছোঁৱেই" বুলি কৈ গাড়ীত উঠি ষ্টাৰ্ট দিলোঁ। গোলাপৰ পদূলি পালোগৈ।

গোলাপ ভিতৰৰ পৰা দৌৰি ওলাই আহিল। মুখ শুকান। মোৰ মনৰ ভাবটো সি বুজিলে কিজানি। ক'লে,—

"কলাপ্স কৰা নাই। তই আহচোন।" ভিতৰ সোমাই গ'লোঁ। দ্বিতীয় কোঠাতে এইবাৰ মাকণৰ কোলাত ল'ৰাটো। মুখেৰে কেৱল অস্পষ্ট গেঙনিৰ শব্দ কৰিছে—আৰু ছাটিফুটি কৰিছে। মাকণে নিচুকাব খুজিছে, বিচিছে। কিন্তু নিচুকাবলৈ তেওঁ নিজেই কান্দি আছে। কাষতে মাক বহি আছে। বেৰৰ ফালে থকা চকীত সম্ভৱ চাৰিওজনী মাকণৰ ভনীয়েক আৰু পূবফালে থকা চকী কেইখনত সম্ভৱ আটাইকেইজন মাকণৰ ভনী জোঁৱায়েকহঁত; সেই আহল বহল কোঠাতহে থাকিব পৰা কেইজন। ব্ৰিজৰ আড্ডাও তেওঁলোকেই দিছিল চাগে। কাৰো প্ৰতি চাবলৈ মোৰ সময় নাই। গোলাপে আগবাঢ়ি আহি ক'লেহি,—

"ল'ৰাটো ময়ে লওঁ নেকি?"

"ল—তয়ে লচোন।"

মাকণে উচুপি উঠিল আটাইৰে সন্মুখতে। উচুপি উচুপিয়েই ক'লে,—

"নালাগে—সোণমণি মোৰ লগতে থাকক।"

মাকৰো চকুপানী ওলাইছিল। ভনীয়েকহঁতো গম্ভীৰ হৈ আছিল। প্ৰত্যেকেই মাকণক সান্ত্বনা দিবলৈ বিচাৰিলে। ক'লে—"কান্দিবলৈ কি হৈছে বাইদেউৰ। ডাক্তৰ আহিছে, ভাল হ'ব।"

এটা সৰু গুণগুণনি উঠিল কথাৰ। মই আকৌ ল'ৰাটোৰ হাত্ত, পালছ চব চালোঁ। ভদ্ৰলোক হৈ বহি থকা চৌখীন জোঁৱাই কেইজনৰ কোনোবা এজনে ক'লে—আন কেইজনক,—"সন্তান জন্ম দি পোহপাল দিয়াটো ডাঙৰ কথা।"

কথাখিনি ইংৰাজীতে কৈছিল। প্ৰত্যুত্তৰো ইংৰাজীতেই দিলে,— "পোহপাল দিব নোৱাৰিলে পৰিয়াল পৰিকল্পনাৰ আঁচনি লোৱা উচিত।"

"সাধাৰণতে দুখীয়া পৰিয়ালবোৰত সন্তান জন্মৰ সংখ্যাও বেছি।"

"হ'বই। আন সুখ সম্ভোগৰ অভাৱ যৌন সুখ-সম্ভোগেৰেইতো পূৰাব লাগিব।"

এজনে চেপা মাতেৰে অসহিষ্ণু সুৰেৰে উত্তৰ দিলে,—"আঃ শিক্ষিত শ্ৰেণীটোৱে ষ্টেবিলাইজেচনৰ ব্যৱস্থা কৰিব পাৰে।"

কথা বতৰাবোৰ তেওঁলোকৰ মাজতেই পাতিছিল যদিও মোৰ অসহ্য হৈছিল। গোলাপ আগতে আছে, অথচ এনে অসন্মানজনক কথা কবলৈয়ো তেওঁলোকে অপমানবোধ কৰা নাই। অভদ্ৰ ক'ৰবাৰ। ইংৰাজী ভাষাত ক'লেই যেন চব কথাই ভদ্ৰ হয়॥

ইমান সৰু ল'ৰাৰ যে চেৰিব্ৰেল এটেক হ'ব পাৰে মই ধাৰণাই কৰিব পৰা নাছিলোঁ। মই নিৰুপায় হৈ পৰিছোঁ। মোৰ জ্ঞান-বুদ্ধি আৰু বিদ্যাৰে যিমান পাৰোঁ কৰি চাইছোঁ। পাঁচ-দহ মিনিটৰ পিছতেই শেষ কথা কিবা এটা ক'ব পাৰিম। গোলাপক বাহিৰলৈ মাতি আনিলোঁ। চোতালৰ ৰভাৰ তলতে চকী এখন টানি বহি লৈ গোলাপক ক'লো যে,—"মোৰ বিদ্যাই ঈশ্বৰৰ ওপৰতহে এতিয়া নিৰ্ভৰ কৰিছে।" গোলাপে কিলাকুটি দুটাৰে টেবুলত ভেঁজা দি দুহাতেৰে তাৰ মুখখন ঢাকি ধৰিলে। হয়তো অন্তৰ্বেদনাক চেপি ৰাখিবলৈ চেষ্টা কৰিছে। তাৰ পৰা ক'লে ধীৰে ধীৰে,—

"দুবছৰহে বয়স হৈছিল যদিও তাৰ বুদ্ধি-বৃত্তি বৰ চোকা আছিল। নুফুটা মাতেৰেই সি—'দিয়ক ঈশ্বৰে মোক নতুন জীৱন—উছাহৰ নব জাগৰণ'টো মুখস্থ গাইছিল।" গোলাপ আকৌ ভিতৰ সোমাই গ'ল লাহে লাহে।

তাৰ বাকী ল'ৰা-ছোৱালী কেইটায়ো শুকান মুখেৰে অ'ত ত'ত থিয় দি আছিল। মোৰ পাছফালে অলপ দূৰত ধনীয়া দামী পোছাক পিন্ধা সৰু ল'ৰা দুটাই নিজৰ ভিতৰতে কথা পাতি আছিল। এটাই কৈছিল,—

দেখোন ৰঙা বটল এটাৰ পৰা দৰব খাইছিল ?"

উত্তৰ দিছিল বোধকৰোঁ চুইট বোলাটোৱে,—

"দেউতাই সদায় খায় ঘৰতো। কালি আমাৰ মা শুই আছিল নহয়। দেউতা কুইন মাহীৰ কাষত বহি আছিল তেতিয়া।"

"বিয়াৰ দিনা কুইন মাহী বৰ ধুনীয়া হৈছিল নহয়নে বাৰু চুইট।" মোৰ কাণ-মূৰ গৰম হৈ গ'ল। শব্দ কৰি ঘূৰি বহিলোঁ। ল'ৰাকেইটাই মোৰ ফালে চালে আৰু মনে মনে থাকিল। পৰিয়াল পৰিকল্পনা আৰু দুখীয়া মানুহৰ যৌন সম্ভোগৰ ওপৰত কথা কোৱা মানুহ কেইটালৈ মোৰ ভীষণ ঘৃণা হ'ল। শৰীৰৰ সমস্ত শক্তি প্ৰয়োগ কৰি যেন এই উচ্চ চাকৰিয়াল অভিজাত ভদ্ৰলোক কেইটাক এটা এটাকৈ ঘুচিয়াই দিম।

মই থিয় দিলোঁ। ছিঃ মই উত্তেজিত হবৰ কি কাৰণ আছে ? হঠাৎ গোলাপে মোৰ নাম ধৰি চিঞৰি দিলে। মই দুজাপত গৈ কোঠা-টোৰ দুৱাৰমুখত ৰৈ দেখোঁ—মাকণৰ কোলাত থকা সোণমণিক জোঁকাৰি গোলাপে চিঞৰিছে,—

"সোণমণি আৰু নাই; সোণমণি নাই।"

মাকণৰ ভনীয়েক দুজনীমানে চকুত আঁচল দিলে। মাকেও। কিন্তু মাকণৰ কি হ'ল শিলৰ মূৰ্তিৰ দৰে কোলাত কেচুৱা লৈ বহি আছে। মুখত মাত নাই। চকুত পচাৰ নাই। কেৱল চকুপানী জিৰজিৰকৈ বৈ আছে। কি অসহ্য বেদনাত এই মাক-বাপেক হালৰ অন্তৰ শুৰি হৈ গৈছে তাক কোনে বুজিব ? মাকণৰ মাকে ভগা ভগা মাতেৰে সৰু জোঁৱায়েক দীপুক ক'লে,—

"কি চাই আছা দীপু ?"

দীপু আগবাঢ়ি আহিল। কিন্তু এই প্ৰথমবাৰৰ কাৰণে আটাইকে হতভম্ব কৰি দি গোলাপে গৰ্জি উঠিল সিংহৰ দৰে,—

"নুচুবা তোমালোকে দুখীয়া মানুহৰ ল'ৰাক।" আটাইবোৰে উচাপ খাই তাৰ মুখলৈ চালে। তাৰ পৰা সি মাকণৰ কোলাৰ মৃত সন্তান সোণমণিক জোৰ কৰি টানি উলিয়াই অনাৰ লগে লগে—"সোণমণি" বুলি চিঞৰি মাকণ মজিয়াত লুটি খাই পৰিল। ভনীয়েকহঁত কাষ

চাপি উবুৰি খাই পৰিলহি ওচৰত। গোলাপে সোণমণিক দুয়োহাতেৰে দাঙি মুখখনত তাৰ মুৰটো লগাই দিলে। টোপ টোপকৈ চকুপানী বৈ আছিল। ল'ৰাটো দুয়োহাতে লৈ সি মোৰ ফালে আছিল আৰু চকুলোৰে পাৰ বুৰি থকা দুচকুৰে মোৰ মুখলৈ চালে। মই তাৰ বাহু এটাত হাত দিলোঁ অৰ্থাৎ—"মই নোৱাৰিলোঁ গোলাপ।" সি ক'লে,—"দিয়ক ঈশ্বৰে মোক নতুন জীৱন"টো তাৰ মুখস্থ হৈ গৈছিল জান!"

# অসময়

সুদৃশ্য, সৰু ঘৰ। ৱালত সু'চেম চিমেণ্ট কালাৰ। টিনৰ ওপৰত ডাঠ সেউজীয়া ৰং। দুৱাৰ আৰু খিৰিকীত একে ডাঠ ৰঙৰ সূতাৰ কাজ থকা মাখন ৰঙৰ পৰ্দা। লোহাৰ গেটৰ খুটাত সৰু এছলা মাৰবলত কটা আছে 'অজিত বৰুৱা'। চাৰিওফালে পকা ৱাল। পৰ্দাৰ ওপৰত আমডালি ওলমিয়েই আছে—নতুন গৃহ প্ৰৱেশৰ সাক্ষী। বন্ধু-বান্ধৱ আটাইবোৰেই শলাগিছে বৰ ভাল হোৱা বুলি। প্লেনটো বৰ চাইন্টিফিক। পাঁচোটা কোঠাৰ কোনোটোতে বতাহ আৰু পোহৰ কম নহয়। ৰাণিং ৱাটাৰৰ ব্যৱস্থাও লগে লগে হ'ল। প্ৰতিটো কোঠাত ফেন আৰু লাইটৰ ব্যৱস্থাও সুন্দৰ। আগফালেও অকণমান মুকলি লন ঃ পাছফালেও অকণমান মুকলি ঠাই। কিচ্চেন গাৰ্ডেন কৰিব পৰা হ'ব। আগফালে স্থায়ী আৰু অস্থায়ী ফুল ৰুবৰ বাবেও ঠিক কৰা আছে। আগফালে বাওঁহাতে গেৰেজটোও সুদৃশ্যকৈ সজাইছে যাতে ঘৰটোৰ সৌন্দৰ্য হানি নকৰে।

খোৱাৰ টেবুলত বহি আটাইবোৰেই নানা ধৰণৰ মন্তব্য কৰিলে। লগৰ দুই একৰ যে মনে মনে ঈৰ্ষাও নোহোৱা নহয়—এনে নহয়। বিষ্ণু হাজৰিকাই অকমান নাকী সুৰেৰে কথা কয়। তেওঁ এবাৰ ক'লেই,—'ধন থাকিলেনো কি ইয়াতোকৈ ভাল ঘৰ হয়'। প্ৰভাত

হাজৰিকাৰ আকৌ এটা দোষ যে তেওঁ ঘিমানেই ভাল নেদেখক তাতে এটা ছিদ্র নুলিওৱাকৈ নেৰে। তেওঁ ক'লে, 'দেখাততো ভালেই হৈছে কিন্তু চিমেণ্টৰ প্রপ'ৰচেন বা কি, ইটা বা কেনেকুৱা কোৱালিটিৰ। তাতে আজিকালিৰ কাঠৰ একো বিশ্বাস নাই।' অজিত বৰুৱাই মাজতে এবাৰ ক'লে--'উপায় নাই নহয়। ঠিকাদাৰৰ কাম। মোৰতো ভালকৈ চাই-চিতি থাকিবলৈকে আজৰি নাই। তাতে গোটাই-মেলি এক আৰু পঞ্চাশতকৈ গোটাবই নোৱাৰিলোঁ নহয়। বিপিন বিৰুৱা হিচাপী মানুহ। তেওঁ ক'লে—'নাই নাই ইয়াতকৈ কিমান খৰচ কৰিব আৰু। খুব ভাল হৈছে। পিচে তেওঁ হাঁহি এটা মাৰি ক'লে, 'গৃহিণী গৃহ মুচ্যতে।'

কালিৰ হুলস্থুল আজি আৰু নাই। উৎসৱ শেষৰ নিস্তব্ধতা অজিত বৰুৱাই ৱালত ফিক্স কৰি সজা আলমাৰিত কাগজ-পত্ৰৰ ফাইল-বোৰ বহি বহি ঠিক কৰিছে। পুৰণি চিঠিৰ টোপোলা, স্কুল কলেজৰ চাৰ্টিফিকেট, ইনক্রিমেণ্ট আৰু প্রমোচনৰ অৰ্ডাৰৰ ফাইল আৰু অনেক কাগজ-পত্ৰৰ লগত দুটা পুৰণি এলবাম। কিছুমান ছবি কাগজৰ খামৰ ভিতৰত ভৰাই থোৱাতে আছে।

অনেক চিঠি-পত্র। ভায়েক-ভনীয়েকহঁতৰ চিঠি। পঁচিশ ছাব্বিশ বছৰৰ আগৰ। আখৰবোৰ গোট গোট। মিনতিয়ে লিখিছিল 'ককাই-দেউ, মাৰ জাৰৰ কাপোৰ নাই। ফ্লেনেলৰ চোলা এটা আৰু কাপোৰ এখন পঠাব পাৰিবনে?' অমলে লিখিছিল, 'ককাইদেউ, মাৰ হাপানী বেছি হৈছে। বিনন্দ দোকানীয়েও পইচা বিচাৰিছে।' বীণুৱে লিখি-ছিল—'খাজনাৰ পইচাকেইটা পঠাবি। এইবাৰ অতুলহঁতে ৰোৱা কেইডৰাত ধান নহলেই বুলিব লাগে।' আকৌ মিনতিয়ে লিখিছে, 'পুতুল ককাইদেউৰ বিয়া পাতিছে। পাৰিলে আহিবি। নহ'লেও চোলা-চুৰিয়া এযোৰৰ পইচা পঠাবি।' আৰু অনেক—অনেক চিঠি। মিনতিৰ মুখখন মনত পৰিল—খীণকৈ অকমান মাগুৰ বৰণীয়া। কেতিয়াও কোনো কথাতে আপত্তি কৰা নাই। এযোৰ বা দুযোৰ কাপো-ৰেৰেই চলাই দিছে। বীণুৰ মুখখন আছিল গোল। তাইৰ ফ্রকটোৰ ৰং গৈ বগা হৈ পৰিছিল কিন্তু কোনোদিন হাঁহি গুচা নাছিল। অমলো বগা আৰু শকত আছিল। খাকী হাফপেণ্টেৰেই স্কুলীয়া দিনকেইটা

শেষ কৰিলে। আৰু শেহত মনত পৰিল মাকলৈ। শেহৰ সময়ত জকাটোহে আছিলগৈ। হাপানীয়ে গোটেই জীৱন কষ্ট দিলে। বাপেকে সজাই থোৱা পুৰণি ঘৰটোৰ টিন কেইচলা মামৰে ধৰিছিল। যেতিয়াই অজিত ঘৰলৈ যায়—তেতিয়াই ভাবে ঘৰটোৰ চালত ৰং এটা লগাব লাগিব, দুৱাৰকেইখন ভাল কৰাব লাগিব। কিন্তু ভাল কৰোৱা হৈ নুঠে। ষাঠি টকা দৰ্মহাৰ টাইপিষ্টৰ কপালত অধিক আকাংক্ষাৰ ঠাই নাই। নিজৰ বাবে চোলা এটা কিনিব খুজিলেও ভায়েক ভনীয়েক-হঁতলৈ মনত পৰে।

তেতিয়াই সুমিত্ৰাৰ লগত পৰিচয়। গাঁৱৰ ছোৱালী। মোমায়েকৰ ঘৰত থাকি চাকৰিত সোমাইছিলহি। টাইপিষ্টৰ চাকৰি। আটাই-বোৰে বুবু-বাবা কৰিছিল—ছোৱালীয়ে আহি মতা মানুহৰ লগত অফিচত কাম কৰিছেহি। গাঁৱৰ বাবেতো ডাঙৰ খবৰেই। অজিতৰ হাঁহি উঠিল ভাবি, বিশ পঁচিশ বছৰৰ ভিতৰত কিমান পৰিৱৰ্তন হ'ল। সুমিত্ৰাৰ লগত আন সম্পৰ্ক একো নাছিল। মাজে মাজে কামৰ ভিতৰত ইটোৰ টেবুলৰ কাগজ সিটোৱে টাইপ কৰি দিব লগা হৈছিল। মাণিক বৈশ্যাই সুমিত্ৰাৰ ওচৰ চাপিবলৈ যত্ন কৰিছিল। সুমিত্ৰা কিন্তু গহীন গম্ভীৰ ছোৱালী। চকু-মুখত এটা শান্ত গাম্ভীৰ্য আৰু শীতলতা। সুবিধা কৰিব নোৱাৰিলে। কেনেবাকৈ তাৰ লগত এটা সহৃদয়তা স্থাপন হ'ল ঃ আপদে বিপদে ইটোৱে সিটোক দহ পোন্ধৰ টকা ধাৰলৈ দি সহায় কৰিছিল। কেতিয়াবা পিয়নৰ হতুৱাই অনোৱা চাহ দুয়ো ভগাই খাই-ছিল। সুমিত্ৰাই প্ৰথমতে ক'লে 'আপুনি এটা কাম নকৰে কিয়?'

'কি?'

'ইন্সিওৰেন্সৰ এজেন্সি এটাকে চলাওক।'

প্ৰথমতে সি কথাটো ছিৰিয়াছলি লোৱা নাছিল। তাই আকৌ ক'লে, 'লৈ চাওকচোন নহলে নাই। চেষ্টা কৰাত কি দোষটো আছে। আপোনাৰ ভনীয়েকৰ নামত লওক।'

অৱশেষত এদিন সঁচাকৈয়ে সি যত্ন কৰিলে। কাগজ-পত্ৰ আনিলে। কিন্তু সি কাক এপ্ৰ'চ কৰিব। সুমিত্ৰায়েই ক'লে,—'আমাৰ ঘৰলৈকে

যাব। মামাৰ হতুৱাই এটা কৰাব পৰা হ'ব।

এনেকৈয়ে আৰম্ভ হল তাৰ নতুন বাটৰ যাত্ৰা। প্ৰথম কমিছন পোৱাৰ দিনা সি সুমিত্ৰাক ক'লে, 'মই যদি বস্তু এটা দিওঁ বেয়া পাব নেকি?' সুমিত্ৰাই ক'লে,—'বেয়া? বেয়া নাপাওঁ। কিন্তু আপুনি এতিয়াই বাৰু মোক একো দিব নালাগেচোন।"

লাহে লাহে তাৰ চাইকেলৰ চকাৰ পাক বেছি হ'বলৈ ধৰিলে। আৰু এসময়ত চাকৰি এৰি দি নিজৰ নামলৈ এজেন্সী সলাই ল'লে। অজিত বৰুৱা নামৰ শান্ত নিমাখিত চেঙেলীয়া ল'ৰা এটা সুপ্ৰতিভ ডেকা ল'ৰা এটালৈ পৰিবৰ্তিত হ'ল। সি যেন নতুন প্ৰত্যয় আৰু বিশ্বাস লাভ কৰিলে। ভায়েক-ভনীয়েকহঁতৰ মুখৰো আগৰ প্ৰচ্ছন্ন দুখ লাহে লাহে গলিযাবলৈ ধৰিলে। মাজে মাজে তাৰ পুৰণি অফিচলৈ যায়। সহ-কৰ্মীসকলৰ লগত হাঁহি-ধেমালি কৰে। সুমিত্ৰাৰ লগত নিৰলে কথা পাতে। সি সদায় কয়--'মোৰ চাকৰি কিন্তু আপুনিয়েই ঘুৰাই দিলে।' তাই নিঃশব্দে হাঁহে।

অজিতে খামকেইটা খুলি এখন এখনকৈ ছবি উলিয়ালে। সুমিত্ৰাৰ ছবি কেইখনমানো আছে। শান্ত, কোমল এখন মুখ। কোনেও কাকো কোৱা নাছিল--মনৰ মাজত পৰস্পৰৰ প্ৰতি কি ভাব জাগিছিল। অজিতৰ অনেক কাম পৰি আছিল। ভনীয়েকহঁতক বিয়া দিব লাগে, ভায়েকক পঢ়াই-শুনাই ডাঙৰ কৰিব লাগে—অনেক কাম। সুমিত্ৰাৰো আছিল। তায়ো ভনীয়েকহঁতৰ দায়িত্ব ল'ব লাগে; বায়েকক বিয়া দিব লাগে।

অজিতেই এদিনা কৈছিল,--'বাইদেৱেকককো বিয়া দিলেই; এতিয়া নিজৰ কথা নাভাবে নেকি?'

তাই হাঁহিলে। ক'লে,--'ভনীকেইজনীককো দিব লাগিব।'

'কিয় আপোনাৰ?'

তাই একো নক'লে। তাৰ চকুলৈ চাই হাঁহিলে।

ভনীয়েকহঁতৰ বিয়া হৈ গ'ল; ভায়েক চাকৰিত সোমাল। ইতিমধ্যে অজিতৰ বিয়াৰ কথা কৈকৈ মাকো ভুকাল। কিন্তু অজিতৰ কাম তেতিয়াও শেষ হোৱা নাই। সুমিত্ৰাৰো।

ক'ব নোৱাৰাকৈয়ে সিহঁতৰ মন ওচৰ চাপিছিল। মাজে মাজে খা-খবৰ লৈ চিঠি-পত্ৰ দিছিল। 'আপুনি'ৰ ঠাইত 'তুমি' হৈছিল। সুমিত্ৰাৰ মোমায়েক-দেউতাক আটায়ে ভাবিছিল, অজিতৰ লগতেই তাইৰ বিয়া হ'ব। অজিত আৰু সুমিত্ৰায়ো ভাবিছিল। ইটোৱে-সিটোক নোকোৱাকৈয়ে স্বপ্ন দেখিছিল—এখন ঘৰ হ'ব; ল'ৰা-ছোৱালীৰে এখন নিজাকৈ সৰু সংসাৰ হ'ব। নিম্নবিত্ত জীৱনৰ পৰা ওলাই অহা এহাল ডেকা-গাভৰুৰ ইয়াতকৈ ডাঙৰ স্বপ্ন আৰু কি থাকিব পাৰে?

অজিতৰ চাইকেলৰ ঠাইত মটৰ চাইকেল হ'ল। আগতকৈ শৰীৰত মেদ বাঢ়িল। কাপোৰ-কানিৰ আগৰ নিঃস্বতাও আৰু নাই। সুমিত্ৰাও আগতকৈ কিছু শকত হ'ল। জীয়ৰী ছোৱালীৰ চঞ্চলতা যেন কমি যাবলৈ ধৰিলে। আগতেও তাই চঞ্চল নাছিল। অজিতে লিখিলে—'বোধকৰোঁ ব্ৰাঞ্চৰ দায়িত্ব পাম। আৰু অলপ স্থিৰ হৈ লওঁ। তাৰ পিচতহে নিজৰ কথা ভাবিব পাৰিম।' তায়ো লিখিলে,--আগতে সম্পূৰ্ণ এণ্টাব্ৰিছড হৈ লোৱা। কিন্তু সেইবুলি স্বাস্থ্যৰ কথা নাপাহৰিবা।'

সি লিখিলে,--'চেনি খন্ধ কৰিবলগীয়া হৈছে। দুদিনমান বৰ দুবল হৈ পৰিছিলোঁ।'

তাই লিখিলে,--'মাজতে মোৰ গুৰি দাঁত দুটাই ভীষণ অশান্তি দিলে। দুয়োটা সৰুৱাই পেলালোঁ।'

সময় পাৰ হৈ গৈ থাকিল। এইবাৰ সুমিত্ৰাৰ মোমায়েকে লিখিলে,—'সুমিত্ৰাৰ কথা আমি ভাবিবলৈ এৰি দিছোঁ। চল্লিশৰ পিছত ছোৱালীৰ বিয়া হ'ব বুলি কোনো অভিভাৱকে নাভাবে। তথাপি তাইৰ হাড়ডাল গুচি গ'লে হ'লে আমি অন্ততঃ মানসিক শান্তি এটা পালোহেঁতেন।'

অজিতে লিখিলে,--'মৰমৰ সুমি, ঘৰ এটা কৰাই লওঁ বুলি ভাবিছোঁ। নহ'লে লোকৰ ঘৰত থাকি থাকি আমনি লাগিছে। পাঁচোটা কোঠালীৰ সৰু ঘৰ। একলাখ পঞ্চাচ হেজাৰমানত হ'ব। গাড়ী হ'ব বাৰী হ'লেই 'নাৰী'ক ঘৰ সুমাব পাৰিম।'

তাই লিখিলে,--'তোমাৰ ঘৰটোৰ কাম আৰম্ভ কৰা। প্ৰয়োজন হ'লে ক'বা; মোৰ প্ৰভিডেণ্ট ফাণ্ডত কিছু টকা আছে। দৰকাৰ হ'লে ল'ন এটাবো যোগাৰ কৰিব পাৰিম।'

অজিতে এলবাম আৰু ফাইলবোৰ সামৰিবলৈ ধৰিলে। সঁচাকৈ তেনেহলে তাৰ 'ঘৰ' এটা হ'ল। এবাৰ আকৌ তাৰ ঘূৰি চাবৰ মন গ'ল। চেঙেলীয়া নিৰীহ মুখ-চকুৰ এটা ল'ৰাৰ মুখখন মনত পেলাবলৈ যত্ন কৰিলে। সেই মুখখন হেৰাই গৈছে; তাৰ ঠাইত জন্ম লাভ কৰিছে এটা সুপ্ৰতিভ ডেকাই। অনেক স্বপ্ন আৰু আকাংক্ষা চকু-মুখত থুপ খাইছেহি; লগত সুমিত্ৰা নামৰ এজনী ছোৱালীৰ ছবি। অচঞ্চল শান্ত মুখ।

অজিত লাহে লাহে থিয় হ'ল। আয়নাখনত এবাৰ নিজৰ মুখখন চাবলৈ মন গ'ল। সি দেখিলে চুলি পাতল হৈ যোৱা আৰু কাণৰ কাষত পকিবলৈ ধৰা এজন অচিনাকি প্ৰৌঢ়ৰ মুখ। ডিঙিৰ ছালত আঁক বহিছে। হাতৰ ঠাৰিত নোম, বুকুৰ নোম পকিবলৈ ধৰিছে। চকুৰ দৃষ্টি স্থিৰ হ'বলৈ ধৰিছে। মই কি সঁচাকৈ বুঢ়া হলোঁ? মোৰ শৰীৰত কি যৌৱনৰ কোনো উত্তেজনা নাই? সুমিত্ৰা নামৰ ছোৱালীজনীৰো কি এই একেই অৱস্থা? অজিতে আকৌ এবাৰ চালে নিজকে। তাৰতো অনেক কামেই হ'ল, সা-সম্পত্তি হ'ল, গাড়ী-বাড়ী হ'ল; কিন্তু যিটো মানুহে এইবোৰ বিচাৰিছিল—সি কি এইবোৰ পাইছে? জীৱনে তাক ঠগি যোৱা নাইতো? সি অনুভৱ কৰিলে তাৰ গাটো বৰ বেয়া লাগিছে। মূৰ ঘূৰোৱা যেন লাগিছে; গৰমো লাগিছে। সুমিত্ৰাৰ মুখখন মনত পেলাব খুজিও যেন পেলাব নোৱাৰিলে। সি চোফাখনত আঁউজি চকু দুটা মুদি দিলে।

## ।। দুই ।।

সভ্যতাই আমাক ভীষণভাৱে বস্তুবাদী কৰি তুলিছে। এটা যেন প্ৰকাণ্ড অজগৰে ভৰিৰ পৰা মূৰলৈকে ক্ৰমাৎ গিলি আনি আছে। এই গ্ৰাসৰ পৰা দৌৰি পলাবৰ উপায় নাই। মৰমৰ এচপৰা ইটা গোটাই মন বন্ধাৰ কথা আমি ভবা নাই, ভাবিছোঁ মাটিৰ এচপৰা ইটা গোটাই ঘৰ বন্ধাৰ কথা।

★ কুঁৱলী আৰু জোন

★ লাজ লাগি গ'ল

★ জোনাকীৰ জুই

★ গলব্ৰেইথ চাহাবৰ ফিটা

# কুঁৱলী আৰু জোন

"লেফ্‌ট্‌ ৰাইট-লেফ্‌ট্‌--"

গিৰিপ্‌-গিৰিপ্‌-গিৰিপ্‌ ।

"বাঁয়ে মোড় ।"

এক--দো--তিন,--এক ।

চৰকাৰী চাৰ্কুলাৰ আছে যে প্ৰত্যেক স্কুলতে সপ্তাহত পাঁচ পেৰিয়ডকৈ ফিজিকেল ট্ৰেইনিং শিকাব লাগে ; লগতে সামৰিক পেৰেডৰ এটা আভাস । পশ্চিমৰ অন্যান্য বহু দেশত সামৰিক শিক্ষা স্কুল-কলেজত বাধ্যতামূলক । আমাৰ ইয়াত সীমান্ত ৰণৰ পিছত এই ব্যৱস্থা লোৱা হৈছে ।

মই সাধাৰণতে এলেহুৱা প্ৰকৃতিৰ । সামৰিক শৃংখলা আৰু বাধ্য-বাধকতা মনটোৱে মুঠেই মানিব নোখোজে । পিছে, সীমান্ত ৰণৰ সময়ত প্ৰয়োজন হ'লে যি কোনো সামৰিক শিক্ষা ল'ম বুলি মনৰ উত্তেজনাত কৈ দিয়াৰ বাবে শিক্ষক ব্যায়াম শিবিৰলৈ এমাহৰ পিছত পঠাই দিলে । তামুলী আৰু মই গলোঁ । তেতিয়া মই স্কুল এখনত কাম কৰি আছিলোঁ । শিবিৰৰ পৰা আহি স্কুলৰ লৰা-ছোৱালীবোৰক শিকাব লাগে । স্কুলৰ সন্মুখত যথেষ্ট মুকলি ঠাই নথকাৰ বাবে

স্কুলৰ খেল পথাৰখন এক ফাৰ্লংমান আঁতিৰতহে আছে। স্কুলৰ সন্মুখেদি যোৱা ৰাস্তাটোৰ সিপাৰে খেল পথাৰখন পথাৰ পুতি তৈয়াৰ কৰা, কাষত চাৰিওফালে পথাৰ। ওচৰতে কেইবাঘৰো নিচেই সাধাৰণ তৰপৰ মানুহৰ পঁজা-ঘৰ। এঘৰো বাৰী নাই, সৰু সৰু ঘৰ দুটামান; তাকো নবাৰে চোৱা। বাপেক-মাকহঁতে দিনটো হয় ক'ৰ-বাত কাম কৰে; নহয় মাগিবলৈ যায়। তেতিয়া সৰু সৰু ল'ৰা-ছোৱালী জাকে পথাৰতে চিঞৰ-বাখৰ কৰি, আলিলৈ দলিয়াই—কেতিয়াবা কাজিয়া কৰি কটাই দিয়ে। কেতিয়াবা দুটা এটাই স্কুলৰ গেটৰ মুখত ভুমুকা-ভুমুকি কৰি থাকেহি। এই ল'ৰা-ছোৱালী জাকৰ ভিতৰত আটাইতকৈ জধলা, লেতেৰা আৰু অহৌ বলিয়া প্ৰকৃতিৰ প্ৰায় বাৰ বছৰীয়ামান ল'ৰা এটা আছে। চুলিবোৰ ঠৰঙা ঠৰঙা আৰু দীঘল হৈ কাণ ঢাকি থাকে; আগফালে কপাল ঢাকি থয়। দাঁতকেইটা এচলা এচলা আৰু বৰ লেতেৰা। দাঁত গজাৰ পৰাই দাঁতে এঙাৰ দেখি পোৱা নাই কিজানি। ভৰি হাতবোৰ চিঞা আৰু তেনেই ফাপৰে ধৰা। ডাঙৰ মানুহৰ ফটা ওলমি পৰা ক'লা হাফপেন্ট এটা পিন্ধি ফুৰে। পেন্টটোৱে তাৰ কলাফুললৈকে ঢাকি থাকে। ল'ৰাটো আন দিনাও দেখিছোঁ। চাৰিআলিৰ দোকানীবোৰে বিস্কুট এটা বা লুজেন এটা দিয়াৰ লোভ দেখুৱাই নাচিবলৈ লগাই দিয়ে; আৰু সি ককাল ভাঙি ভাঙি বিহুনাচ দিয়ে। আৰু সেই চেহেৰা, সেই পোছাকেৰে যেতিয়া কিম্ভূত-কিমাকাৰ হৈ বিহুনাচ দিয়ে, বাকীবোৰে হাত-চাপৰি বজাই গিৰ্জনি মাৰি হাঁহে। তাৰ সেইবোৰলৈ ভ্ৰূক্ষেপ নাই। নাচিবলৈ বন্ধ কৰিবলৈ নোকোৱালৈকে সি নাচিয়েই থাকিব।

চকুৰ আগত সদায় দেখি থকা বস্তুৰ অৱস্থিতি বা উপস্থিতিৰ কথা মানুহে মুঠেই নাভাবে। তাক স্বাভাৱিক বুলি ধৰি লয়। ল'ৰাটো বা তাৰ লগৰ বাকী জাকৰ অৱস্থিতিও কোনো ধৰিবলগীয়া নহয়।

ব্যায়াম আৰু কুচ-কাৱাজত লাগিবলৈ মনটোৱে মোক মুঠেই নকলেও মোৰ কৰ্ত্তব্য হিচাপে হ'লেও কৰিবলৈ বাধ্য। ল'ৰা-ছোৱালী-বোৰৰো কিছুমানে নানা অজুহাত দেখুৱাই সাৰিবলৈ বিচাৰে। মই নিজে যেনেকুৱাই নাপাওঁ ল'ৰা-ছোৱালীবোৰৰ আগততো সেই ভাব

দেখুৱাব নোৱাৰোঁ। গতিকে বেছ কঠোৰতাৰ মুখা এখন পিন্ধিব লগীয়া হয়। আনকি আওহেলা কৰা যেন দেখিলে ল'ৰা-ছোৱালীবোৰক শাস্তি দিয়াৰ ব্যৱস্থাও ল'বলগীয়া হয়। সহকৰ্মী তামূলী থাকিলে পৰাপক্ষত মই আঁতৰে আঁতৰেই ফুৰোঁ। আৰু সঁচা কথা কবলৈ গ'লে কিছুমান নিয়ম মই পাহৰিলোঁৱেই।

ফিল্ডত ল'ৰা-ছোৱালীবোৰক শাৰী পাতি থিয় কৰাই লৈ প্ৰথমতে সিদিনা তামূলীয়েই ক'লে,—

"তোমালোকে কিছুমানে ব্যায়াম কৰিবলৈ লাজ পোৱা। এইটো বৰ লাজৰ কথা। চৰকাৰে এই আঁচনি লৈছে যাতে প্ৰত্যেক মানুহেই কৰ্ম-তৎপৰ হয়। প্ৰয়োজন হ'লে আমিও দেশ ৰক্ষাৰ বাবে আগবাঢ়ি যাব নালাগিব জানো? আমাৰ কাৰণে কিছুমানে নিজৰ প্ৰাণ দিছে; আৰু আমি নিশ্চেষ্ট হৈ আৰামপ্ৰিয় হৈ বহি থকাটো অন্যায় নহয়নে? আমিতো আন একো কৰিবই লগা হোৱা নাই; কেৱল নিজৰ শৰীৰৰ উৎকৰ্ষ সাধনৰ বাবে চেষ্টা কৰিছো। গতিকে কোনোবা ল'ৰা-ছোৱালীয়ে আওহেলা কৰা যেন দেখিলে কঠোৰ শাস্তি দিয়া হ'ব।" ইত্যাদি ইত্যাদি।

তাৰ পৰা—"সাবধান"—"বিশ্ৰাম"

আৰু "লেফ্‌ট্‌-ৰাইট-লেফ্‌ট্‌।"

মই এদাঁতিত থিয় হৈ আছিলোঁ। পাছফালে পথাৰৰ মাজতো পেৰেডৰ কমাণ্ড শুনি চাওঁ—সেই অহো বলিয়া ল'ৰাটোৱে হাতত জেওৰা খুটি এটা লৈ—লগে লগে মুখেৰে পেৰেডৰ কমাণ্ড দি পেৰেড কৰিছে—

লেফ্‌ট্‌-ৰাইট-লেফ্‌ট্‌।

ফিল্ডত যিহকে কমাণ্ড দিয়া হৈছে সিও তাকে আওৰাই একান্তমনে নিজকে সেই কমাণ্ড দিছে। ওচৰত আৰু কোনো নাই। মাজে মাজে তাৰ পেণ্টটো খহি যাব খোজে। আকৌ টানি লওঁতে মাজে মাজে সি বিৰতি লৈছে। কেতিয়াবা শেঙুন মচিবলৈ বিৰতি লৈছে। মই এদাঁতিত ৰৈ কেৱল তালৈকে চাই আছোঁ।

দুদিনৰ পিছতে এদিন দেখিলোঁ আমাৰ স্কুলৰ সৰু ল'ৰাবোৰৰ শাৰীটোৰ শেষত থিয় দিছেগৈ। আমাৰ আটাইবোৰ ল'ৰা-ছোৱালীয়েই

স্কুল ইউনিফৰ্মত আছে। সি থিয় দিয়াত শাৰীটোৰ সৌন্দৰ্য্য হানি হোৱা দেখি ল ৰাবোৰে আপত্তি কৰিলে,—

"ছাৰ এইটো সোমাইছেহি।"

আমাৰ সহকৰ্মী কোনোবা এজনে তাক শাৰীৰ পৰা আঁতৰাই দিলে। সি তাৰ বহল দাঁতকেইটা উলিয়াই ক'লে,--

"ময়ো কৰোঁ।"

"তই ইয়াত শিকিবলৈ হ'লে—স্কুলত পঢ়িব লাগিব বুজিছ? স্কুলত পঢ়া ল'ৰাকহে আমি শিকাওঁ ইয়াত।"

সি একো নক'লে। নিশব্দে আঁতৰি গ'ল। দুদিনমানলৈ ল'ৰাটোক ব্যায়াম কৰা সময়ত নেদেখিলোঁ। ওচৰে পাঁজৰে মাতো নুশুনিলোঁ। তাৰ ব্যায়াম কৰা চখ গ'ল চাগে।

পিছদিনা ল'ৰা-ছোৱালীবোৰক সময়মতে ফিল্ডলৈ উলিয়াইছোহঁত। আমি স্কুলৰ গেট পাৰ হোৱাই নাই, সেই ল'ৰাটোৱে হাতত ফটা কিতাপ এখন লৈ চুচুক-চামাক কৰি গেটৰ মুখত বৈ আছে। এজনে সুধিলে, "কি হ'ল অ?"

সি অকণমান লাজ কৰাৰ দৰে কৰিলে, তাৰ পৰা স্পষ্টভাৱে ক'লে,—"ময়ো পঢ়োঁ।"

আমাৰ লগৰ কেইবাজনেও হাঁহি দিলে। হাঁহি উঠিবই। এজনে আমাৰ স্কুলৰ উত্তৰ ফালে থকা এল-পি স্কুলটোৰ ফালে আঙুলিয়াই ক'লে,— "আগতে সৌটো স্কুল পাছ কৰিব লাগিব বুজিছ? তাৰ পিছত আমি তোক ইয়াত পঢ়িবলৈ দিম।"

বাকী কেইজনে হাঁহিলে। ক'লে,—

"দিয়ক পঠিয়াই তালৈকে।"

ঠিক সেই সময়তে ল'ৰাটোৰ বাপেকটো ক'ৰবাৰ পৰা চোচা মাৰি আহিল। চেহেৰা-পাতি পুতেকক চালে বাপেকক চাব নালাগে ; বাপেকক চালে পুতেকক চাব নালাগে। চোচা মাৰি আহি ল'ৰাটোৰ হাতত ধৰি,— "চালা চয়তান—চুৰ কৰিবি কেলেই?" বুলি থপৰিয়াবলৈ ধৰিলে। আমি আগবাঢ়ি গৈ সুধিলোঁ,—"কি হ'লহে—কি হ'ল?"

তীব্ৰ মাতেৰে ক'লে,—

"চকচোন ছাৰ—ই নজিৰতৰ ল'ৰাটোৰ কিতাপ এখন চুৰকৈ আনি-ছেগৈ। মই মাগি খাও ; সেই বুলি সি কিয় চুৰ কৰিব ?" আকৌ দুচাটমান মাৰিলে ।

"হ'ল হ'ল আৰু দিয়া। ল'ৰা মানুহ নাজানে ।"

ল'ৰাটোৱে কিন্তু মুঠেই নেকান্দিলে। কেৱল থাপৰটোৱে প্ৰতি তাৰ মূৰটো এবাৰ ইফালে এবাৰ সিফালে গৈছিল। বাপেকে তাক একপ্ৰকাৰ টানি নিয়াদি নিলে। সি মাথো তেতিয়া কৈছিল,--

"মই পঢ়িবলৈহে আনিছো ।"

"চালা চোঁৰৰ পঢ়িবলৈ আনিছ ?"

বাপেকে তাক টানি লৈ গ'ল। আমি ফিল্ডত গৈ নিজৰ কামত লাগিলোঁগৈ। ল'ৰাটোৰ কথা কেইষাৰ কিন্তু মোৰ মনত বাজি ৰৈছিল।

সি হয়তো এই ব্যায়াম কৰা দেখি বৰ ভাল পায় ; কৰিবলৈ ভাল লাগে। অথচ স্কুলৰ দুৱাৰ তাৰ বাবে বন্ধ। তাৰ চেপা খাই থকা এই খেয়াল চৰিতাৰ্থ কৰিবলৈকে হয়তো সি আখৰ চিনি নেপালেও কিতাপ এখন চুৰি কৰিলেগৈ। দুদিনমানৰ আগতে তাক ড্ৰিলৰ শাৰীৰ পৰা উলিয়াই দিয়া হৈছিল—স্কুলৰ ল'ৰা নহয় বুলি। তাৰ সেই সৰু মনটোত চাগৈ কত আশা, কত কল্পনা। অথচ আমি শিক্ষা আৰু সভ্যতাৰ জখলা বগাই মানুহৰ প্ৰকৃত সৰু সৰু মনবোৰক পাহৰি গৈছোঁ।

চুপ্-চাপ্ এঠাইত বহি ল'ৰাটোৰ কথাকে ভাবিলো। তেতিয়াও আমাৰ স্কুলৰ ল'ৰা-ছোৱালীবোৰে ড্ৰিল কৰি আছে।

"লেফ্ট্-ৰাইট-লেফ্ট্ ।"

"বায়ে-মোড়"—"এক-দো-তিন ।"

পাছফালেও তেনে কমাণ্ডৰ একক ধ্বনি শুনি ঘূৰি চাওঁ—পথাৰৰ মাজত বৈ সেই ল'ৰাটোৱে হাতত জেওৰা খুটি এটা লৈ একান্ত মনেৰে নিজকে কমাণ্ড দিছে আৰু ঘূৰিছে—।

"বায়ে মোড়—।"

মই চকুহাল ঘূৰাই আনিলোঁ।

## লাজ লাগি গ'ল

মে' মাহৰ চোকা ৰ'দ আৰু গৰম।

ড০ গগৈ আৰু মই সোণাৰিৰ পৰা আহি আছোঁ বাছত। বাটতে তিনি-জনীয়া বেঙ্কত আৰু এজন বহিলহি। তেওঁ ড০ গগৈৰ বাল্যবন্ধু। এতিয়া চৰকাৰী বিষয়া। গগৈয়ে মোৰ লগত চিনাকি কৰি দি ক'লে, "এওঁ একালত ছ'চিয়েল ৱৰ্ক কৰিয়েই কটালে। কলেজত পঢ়ি থকাৰ সময়ত ওচৰত ক'ৰবাত মানুহ মৰিলে দেখিব ছচিয়েল ৱৰ্কাৰ গৈ হাজিৰ; ক'ৰবাত ঘৰত জুই লাগিল—দেখিব তেওঁ গৈ উপস্থিত; কাৰোবাৰ টান নৰীয়া, দেখিব হস্পিটেল আৰু ডাক্তৰৰ ঘৰলৈ মাকো-মৰা মানুহজন এওঁ।" আমি তিনিও হাঁহিলোঁ। তেওঁ ক'লে, "এতিয়া আৰু ক'ত ছচিয়েল ৱৰ্কছ। এতিয়া অফিচত ফাইল—ৱৰ্কছ আৰু আৰু গৃহিণীৰ হুকুমত হ'ম-ৱৰ্কছ।"

তেওঁৰ কথাত আমি আকৌ হাঁহিলোঁ।

সোণাৰিৰ পৰা বাছখন নাজিৰাইদি শিৱসাগৰ পাব লাগে। বাটতে এটা চাৰিআলিত বাছখন ৰ'ল। বাছখন ৰ'লেই ৰ'দ আৰু গৰমে সিজাই পেলাব খোজে। দুটা ডেকা ল'ৰা উঠিলহি। তাৰে এটা গোল মুখৰ, বেছ মদগজ। আনটো অলপ খীণ। ড্ৰাইভাৰৰ বাওঁহাতৰ দুটা ছীট দখল কৰি ল'লে দুয়ো। দুয়োটাৰে গাত ফুল থকা শ্বাৰ্ট

আৰু জীনৃছৰ পেণ্ট।

বাছত উঠিয়েই দুইটাই বে-পৰোৱা কায়দাত বহি ল'লে আৰু ড্ৰাইভাৰক ক'লে, —"ব্ৰাদাৰ অলপ জল্দি চলাব দেই—আমি সোনকালে পাবগৈ লাগে।" বয়সীয়া ড্ৰাইভাৰজনে এবাৰ চাই লৈ নিৰ্বিপ্তমনে আগফালে চাই গাড়ী চলাই গৈ থাকিল।

ঘৃৰুণীয়া মুখৰ ডেকাই জেপৰপৰা চিগাৰেট উলিয়াই এটা নিজেও ল'লে আনটো লগৰজনক দিলে। বাছখনত লিখা আছে—"ভিতৰত ধূমপান নিষেধ।" মই ভীষণ বিৰক্ত হ'লোঁ। এবাৰ কণ্ডাক্টৰক মাতি আনি কওঁ বুলি ভাবিলোঁ—তেওঁ বাছৰ ভিতৰত চিগাৰেট খোৱা কিয় বন্ধ নকৰে বুলি। কিন্তু দুয়োটা ডেকা ল'ৰাৰ যি মতি-গতি দেখিছোঁ কিবা ক'লে অপমান কৰি দিব পাৰে। গগৈ আৰু তেওঁৰ বন্ধুও বিৰক্ত। এসময়ত আমি নিজৰ মাজতে বিৰক্তি প্ৰকাশ কৰি সৰু সৰুকৈ কথা পাতিবলৈ ধৰিলোঁ। গগৈয়ে ক'লে, "এই চং আজিকালি সকলোতে। এতিয়া বাপেক-মাক কোনেও শাসনত ল'ৰা-ছোৱালী ৰাখিব নোৱাৰা হ'ল।"

গগৈৰ বন্ধুৱে ক'লে, "দেখিলেনে, বাছখনত ইমানবোৰ বয়সীয়া মানুহ আহিছে, অথচ সিহঁতৰ তালৈ ভ্ৰূক্ষেপ নাই।"

আমি ভীষণ ক্ৰুদ্ধ হৈছোঁ ; অথচ মুখফালি একো ক'বও নোৱাৰোঁ। এতেকে নিৰৱ হৈ, বিৰক্ত হৈ আহি আছোঁ। আকৌ এটা চাৰিআলিত বাছখন ৰ'লহি।

এটা ক্ষীণ-মীন বাইছ-তেইছ বছৰীয়া ল'ৰা দুৱাৰমুখত থিয় দি বৰ সংকোচেৰে সুধিলে, "শিৱসাগৰলৈকে যাব পাৰিমনে?"

কণ্ডাক্টৰে একো নকৈ দুৱাৰখন খুলি সোমাই আহিবলৈ ইংগিত দিলে।

ল'ৰাটো সোমাই আহিল। পিন্ধনত এটা পুৰণি ৰং যাবলৈ ধৰা লংপেণ্ট আৰু গাত প্ৰায় বগা হ'বলৈ ধৰা নীলাবৰণৰ এটা শ্বাৰ্ট। ভৰিত এযোৰ হাৱাই চেণ্ডেল।

মুখখনত ভোক আৰু দাৰিদ্ৰৰ চাপ, সোমাই যোৱা চকু, হাড় ওলোৱা হনু আৰু মুখখনত শুষ্কতাই দাণ্ডি ধৰিছে। কণ্ডাক্টৰে সন্মুখৰ ফালে দুই আৰু তিনি নম্বৰৰ ডেকা দুজনৰ আগত খালী হৈ থকা এক নম্বৰ ছীটটোলৈ যাবলৈ ইংগিত দিলে। ৰ'দ পৰাত তাত কোনো বহা নাছিল।

ল'ৰাটো গৈ বহিলগৈ।

কণ্ডাক্টৰে টিকট এটা কাটি ল'ৰাটোৰ ফালে আগবঢ়াই দিলে।

ল'ৰাটোৰ চকুৰে-মুখে এটা কাৰুণ্য আৰু অসহায়তা ফুটি উঠিল। সি সংকোচেৰে ক'লে, "মোৰ হাতত পইচা নাই।"

কণ্ডাক্টৰে ধমক দি উঠিল--"পইচা নাই যদি উঠিছিলা কিয়? এইখন কাৰো ঘৰৰ গাড়ী নহয়, চৰকাৰী গাড়ী। পইচা উলিওৱা।" ল'ৰাটো এনেয়ে বিবৰ্ণ হৈ আছিল। এইবাৰ যেন শেঁতা পৰি গ'ল। সি তথাপি ক'লে, "মোৰ হাতত একেবাৰে পইচা নাই। মা হস্পিটেলত আছে। এজনে অলপ আগতে খবৰ দিলে--টান বুলি।"

ল'ৰাটোৱে কাতৰভাৱে ক'লে, "মোক যেনে-তেনে শিৱসাগৰলৈ লৈ যাওক দাদা।"

ল'ৰাটোৱে "ময়ো যাব পাৰিমনে" বুলি প্ৰথমতে সোধোতেই মোৰ ভাব হৈছিল--ইয়াৰ হাতত পইচা নাই। তাৰ কাতৰ উত্তৰ শুনি নিশ্চিত হ'লো।

এবাৰ সহায় কৰিবৰো মন গ'ল। কিন্তু কি বুলি কওঁনো? বাছৰ মানুহে ভাবিব--"ওলালহি এওঁ দাতাকৰ্ণটো।"

গগৈয়ে ক'লে সকু সকুকৈ, "আজি-কালি কাকো বিশ্বাস কৰিব নোৱাৰি। ই বা ক'ত কি লেঠা লগাই আহি বাছত উঠিছেহি।"

ইতিমধ্যে কণ্ডাক্টৰে বাছৰ ঘণ্টাত ৰছী টানি বাছখন ৰখাই দিলে আৰু খঙেৰে দুৱাৰখন খুলি কৰ্কশ মাতেৰে ল'ৰাটোক আদেশ দিলে--"বাছৰ পৰা নামি যা।" ল'ৰাটো এখোজ আগবাঢ়ি আহি কাতৰ ভাৱে ক'লে--"মোক লৈ যাওক দাদা।"

কণ্ডাক্টৰে আদেশ কৰিলে আগতকৈও কঠোৰভাৱে "নাম।" ল'ৰাটোৱে অসহায়ভাৱে চাৰিওফালে চালে।

কণ্ডাক্টৰে ক'লে, "নামি যা।"

হঠাৎ আগফালে অভদ্ৰভাৱে বহি চিগাৰেট খোৱা ল'ৰা দুটাৰ গোলমুখৰ ল'ৰাটোৱে ঘূৰি চাই গলগলীয়া মাতেৰে ল'ৰাটোক ক'লে,-- "এই ল'ৰা ৰ। যা--তোৰ ছীটত বহি থাক।" কণ্ডাক্টৰৰ ফালে চাই সুধিলে, "টিকটৰ দাম কিমান ?"

কণ্ডাক্টৰে ক'লে, "তিনি টকা আঠ অনা।"

ডেকাই হিপ্ পকেটৰ পৰা মনিবেগটো উলিয়াই পাঁচটকীয়া নোট এখন আগবঢ়াই দিলে। ল'ৰাটো চুচুক-চামাককৈ গৈ আকৌ বহিলগৈ। কণ্ডাক্টৰে গাড়ীৰ দুৱাৰ বন্ধ কৰি দিলে। গাড়ী চলিবলৈ আৰম্ভ কৰিলে।

ডেকা দুটাই আকৌ দুডাল চিগাৰেট জ্বলাই ল'লে।

মোৰ জেপত থকা নিজৰ মনিবেগটো চুই চাবলৈ লাজ লাগিল। গৰ্গে আৰু তেওঁৰ সমাজসেৱক বন্ধুজনৰ ফালে চাবলৈও লাজ লাগিল, আৰু আটাইতকৈ বেছি লাজ লাগিল ডেকা ল'ৰা দুটাৰ ফালে চাবলৈ।

# জোনাকীৰ জুই

বজাৰৰ পৰা কলেজ চাৰিআলি, কলেজ চাৰিআলিৰ পৰা মালৌ আকৌ। মুঠতে আধা মাইলতকৈ অলপ বেছি হ'ব। কিন্তু ৰিক্সাৱালাটোক এটকা লাগে। কাকতিৰ বৰ খং উঠিল : "সদায় আঠ অনাত আহি আছোঁ, তোক এটকা কিয় দিম ?"

মিছেছ্ কাকতি আৰু দুবছৰীয়া জোন ৰিক্সাৰ পৰা নামি দাঁতিত থিয় দি আছে। মিছেছ্ কাকতিৰ হাতত এইমাত্র বজাৰ কৰি অনা কাপোৰ ভৰাই থোৱা কাগজৰ দুটা মোনা আৰু বাস্কেট এটাত পাচলি আৰু ফ্রুট জাতীয় বস্তু। জোনৰ হাততো টোপোলা এটা। লাইট পোষ্টটো অকমান আঁতৰত থকা বাবে, তেওঁলোক থকা বাবে তেওঁলোক ৰৈ থকা ঠাইত ছাঁ পৰি আছে আৰু আন্ধাৰ হৈ আছে।

ৰিক্সাৱালাটো গোমোঠা মাৰি ৰৈ আছে। "নাই লেগা আঠ আনা। হৰদম এক ৰূপিয়া মিলতা হে।"

"কেইসে এক ৰূপিয়া মিলেগা অ' ?" বুলি কাকতিও দাংখাই উঠিল। তাক ক'বলগীয়া গোটেইখিনি কথা হিন্দীত ক'ব নোৱাৰি-- আধা অসমীয়া আধা হিন্দী মিহলাই খিছিৰি কৰি খঙেৰে ক'লে, "লেগা তো আঠ অনা ল। নহ'লে তোলৈ বাটত বোন্দাপৰ দি ৰৈ থাকিব নোৱাৰোঁ।" তাৰ পৰা নিজকে কোৱাদি ক'লে, "ইহঁতে সুবিধা পালেই

ডকা দিবলৈ বিচাৰে। সদায় আহি আছোঁ আঠ অনাত, আধা মাইলো নহয় বাট--এটকা দাবী কৰিলেই পায়।"

"হুম চিধা বাত বল দিয়া বাবু--এক ৰূপিয়াসে লাল পইচা ভি কম নহী লেগা।"

কাকতি মহা বিপদত পৰিল। ৰিক্সাৱালা, নাপিত, মুচিৰ লগত ৰাজবাটত বৈ তৰ্ক কৰে কেনেকৈ? আৰু তৰ্ক নকৰি তাৰ অন্যায় দাবীনো মানে কেনেকৈ? সি খুজিলেই আঠ অনাৰ ঠাইত টকাটো পাব নেকি? এই বদমাচবোৰক ভালকৈ সেকা দিলেহে শিকিব। ভদ্রলোক দেখি ঠগিবলৈ সুবিধা পাম বুলি ভাবিছে!

নিছেছু কাকতিয়েও মুখৰ ভিতৰতে কিবা এন্ধাৰকৈ তাৰপৰা স্পষ্ট ভাবে ক'লে, "চাৰি অনামান আৰু দি দিয়ক।"

"নহী বাৰ অনাভি নাই লেগা।"

কাকতিৰ এইবাৰ খঙত কপালৰ শিৰদুডাল টনটনাই উঠিল। চেপা মাতেৰে দাবি দি ক'লে, "চাওঁ তোৰ ৰিক্সাৰ নম্বৰ কিমান? থানাত ভৰাই দিম জনা নাই।"

চাওঁ বুলি ক'লে যদিও, নম্বৰটো চোৱাৰ ভাওহে জুৰিলে, নম্বৰটো নেচালে। কাকতিয়ে ভাবিছিল থানাৰ কথা ক'লে অলপ ভয় খাব হবপায়। কিন্তু সি যি গোমোঠা লাগি থাকিল, থাকিলহেঁহে। পিন্ধনত হাফপেন্ট এটা আৰু হাফচাৰ্ট এটা। দুয়োটা সমান মলিয়ন হব পায়। আন্ধাৰত মটিয়া ৰঙৰ কাপোৰ যেন লাগিছে। মুখখন খীণ, চকু দুটা দ, চুলি তাকৰীয়া যদিও জপৰা। ডিঙিত নে চিটকাপোৰ এটুকুৰা মেৰিয়াই থৈছে। কাকতিয়ে উপায়ান্তৰ হৈ ৰিক্সাৰ চিটটোলৈকে আধলিটো দলি মাৰি দি ক'লে, "ল'লে ল'বি নললে নাই।"

"এইচা তৰফ মত দিজিয়ে বাবুজী। মাগনা পেইচাতো নহী। মেহনতী পেইচা হেই।"

এনে সময়তে কাকতিৰ পৰিচিত বৰা আহি ওলালহি। বৰায়ো বজাৰ কৰি আহিছে। ৰিক্সাত অহা নাই, খোজকাঢ়ি আহিছে।

"কি হ'ল কাকতি?"

কাকতিয়ে বৰাৰ উপস্থিতিত যেন সকাহ পালে। ক'লে, "নকব বুইছেনে বজাৰৰ পৰা আহিছো, তাক আঠ অনা দিছো, নলয় ; এটকা লাগে। ইহঁত দিন ডকাইততকৈও চাৰ। তাৰহে কথাৰ গৰম বেছি।"

বৰাও জ্বলি পকি উঠিল, "এই খুব পিটেগা বুজিছ ; খুব পিটেগা। লও, আঠ অনা লও আৰু ভাগ হিয়াচে।"

"নহী লেগা।"

"কি ? নহী লেগা ? বল তোক চোচোৰাই থানাত লৈ যাওঁ। কিমান লব্ব চাম তাতে।"

"চলিয়ে থানামে।" সিও নিৰ্বিকাৰভাৱে উত্তৰ দিলে। বৰাই ভাবিছিল--ভয় খাই দমি যাব কিজানি। থানালৈ চোচোৰাই নিম বুলি আচলতে মুখেৰেহে কৈছিল ; আঠ অনা পইচাৰ লগতনো এই অতখন বাট, ৰিক্সাৱালাৰ লগত কাজিয়া কৰি থানা পাবগৈ নে ? উপায়ান্তৰ হৈ ক'লে "আৰু চাৰি অনা মান দি দিয়ক কাকতি।"

কাকতিয়ে চাৰি অনা উলিয়াই তাৰ ৰিক্সাৰ চিটতে আগৰ ঠাইলৈ লাহেকৈ দলি মাৰি দিলে। ৰিক্সাৱালাটো অকমান ৰৈ আছিল। তাৰ পৰা ভোৰভোৰাই পইচাকিটা জেপত ভৰাই ৰিক্সাখন টানি, লাফ মাৰি উঠি গুচি গ'ল।

বৰাই প্ৰথমে ক'লে, "নকব আৰু বুজিছে--এই বদমাচবোৰৰ কথা। এক নম্বৰ ঠগ ইহঁত।"

কাকতিয়ে ক'লে, "কলেজৰ ল'ৰাই যে কেতিয়াবা দুটা এটাক উত্তম-মধ্যম দিয়ে, এনেয়ে বুলি ভাবিছে ? ঠিক কৰে ল'ৰাবোৰে।" এইবাৰ বৰাই ক'লে, "পিচে, মিছেছ কাকতিও দেখোন--বহুতো বজাৰ কৰিলে নেকি ?"

"নাই, কিনো বজাৰ কৰিব, পিন্ধা কাপোৰেই নোহোৱা হ'ল নহয়।"

"এৰা, আপোনালোকৰ ঘটনাটোৰ কথা শুনিছিলো। একো সূত্ৰ নোলাল আৰু নহয়নে ?"

"চোৰে নিয়া বস্তু ক'ত ঘূৰাই পাব। মই তেতিয়াই আশা এৰিলো। মহন্তহঁতে বৰকৈ কোৱাতহে থানতে এজাহাৰ এখন দিলো।" কাকতিয়ে উদাসভাৱে উত্তৰ দিলে।

এইবাৰ কাকতিয়নীয়ে কলে, "ধোবাৰ ঘৰত থকা কিখনৰ বাহিৰে ভাল কাপোৰ আটাইবোৰ নিলে নহয়। মনত পৰিলে চেংচেঙাই যায়।"

বৰাই সান্ত্বনা দিলে, "কি কৰিব আৰু। চাওঁকচোন চোৰে নিবলৈ পায় স্কুল-কলেজৰ শিক্ষক কেইটাৰহে, যাৰ বাহিৰা পইচা বুলিবলৈ মাহেকত এপইচাও উপাৰ্জন নহয়।"

"দেশত মুঠতে অৰাজক হ'ল, চোৰ, ঠগ, গুণ্ডা বদমাচেৰে দেশ ঠাঁহ খালে। চাপ্ৰাচীৰ পৰা মন্ত্ৰীলৈকে ভেটি নহলে কাম নকৰা হ'ল। দোকান-বজাৰৰ ভেজালৰ কথা বাদেই দিলো। —চোৰে যিমানবোৰ বস্তু নিলে, আৰু পাঁচ বছৰতো গোটাব নোৱাৰিম মুঠতে।"

"চিন্তা নকৰিব, কাকতি। আপুনি মই এনেকৈয়ে চলিম। সেই নিয়া কেইটাৰ সদায় দুৰ্ভিক্ষ নুগুচে।"

বিদায় লৈ বৰা গ'লগৈ। কাকতিয়ে জোনক কোলাত তুলি লৈ তেওঁৰ পৰিবাৰক ক'লে, "বলা। টোপোলা তোমাৰ হাতত সৰহ হৈছে নেকি?"

"হব বলক।"

দুখোজমান গৈয়ে, নিজৰ মনৰ ভিতৰতে হাঁহি কাকতিয়ে কলে, "দোকানীটোৱে হিচাপ ভুল কৰিলে পিচে।"

"কি হ'লনো?"

"কেলেই, জোনৰ কাপোৰ যোৰত ত্ৰিশ টকা কোৱা নাছিল?"

"অঁ, কৈছিল। পিচত পঁচিশ টকাত মান্তি হৈছিল নহয়।"

"অঁ, হৈছিল। মই পঁচিশ টকা দিছিলো। সি ত্ৰিশ টকা বুলি সামৰি থৈ পাঁচটকীয়া নোট এখন ঘূৰাই দিলে নহয়।"

"এ হয় নেকি? দিয়ক, তাৰ তাত ছকুৰি টকাৰ কাপোৰ কিনা হ'ল; পাঁচ টকা গলে একো হানি নহয়।"

ৰিক্সাৱালাৰ লগত হোৱা উখনা-উখনিৰ তিক্ততা পাঁচটকীয়া নোট-খনৰ লাভে পাহৰাই, দুয়োৰে মুখ দুখন উজ্জলাই তুলিলে। কোলাত জোনক লৈ কাকতি, আৰু কাপোৰৰ টোপোলা আৰু প্লাষ্টিকৰ বাস্কেট লৈ মিছেছ কাকতি গৈ ঘৰ সোমালগৈ।

কথাটো মনত পৰিল কাকতিনীয়ে নেক্‌লেচডাল সোলোকাই ড্ৰয়াৰত থব খোজোঁতেহে।

"জোনৰ হাতত মোৰ ভেনিটী বেগটো আছিল নহয়। ক'ত থলে চকচোন।"

"ক'তা? তাৰ হাতত অকল কাপোৰৰ টোপোলা এটাহে আছিল।"

"অ,—সি তেনে ৰিক্সাতে এৰি আহিল নেকি?"

কাকতিয়নীয়ে কাপোৰ্‌ আধা-সোলোকোৱাকৈয়ে জোনৰ ওচৰ পালেহি, "বেগটো ক'ত থলা সোণ?"

জোনে থুনুক-থানাক মাতেৰে ক'লে, "মই নাই লোৱা।"

কাকতিও ওচৰ চাপি আহিল। সোলোকাবলৈ লোৱা চাৰ্টটো নোসোলোকাই আকৌ সুমাই ললে আৰু বিৰক্তিত চকী এখনত বহি পৰিল। অকমান পৰ তেনেকৈয়ে থাকি সুধিলে, "পইচা কিমান আছিল?"

"পচপন্ন টকা।"

"আৰু?"

"ইয়াৰ ডিঙিৰ সোণৰ চেইনডাল।"

"ভাল হ'ল; পইচাৰ বেগটো ল'ৰাৰ হাতত দিছিলা কিয়? এতিয়া ক'ত পাবাগৈ বিচাৰি? ৰিক্সাৱালাৰ ৰিক্সাত গৈছে যদিতো পানী এচলু দি খোৱা।"

দুয়ো নিৰ্বাক হৈ বহি ৰ'ল।

হিচাপৰ উপৰি হিচাপ কৰি মাহেকটো চলিব লাগে। চোৰে নিলে হেজাৰ বাৰশ টকাৰ কাপোৰ। যি হয় হব বুলি অন্যান্য খৰচৰ পৰা চান কাটি কাটি হিচাপ কৰি এশ বিশ টকাৰ কাপোৰ কিনিছিল। বাকী পচপন্ন টকা যোৱা মানে, মাহেকটোলৈ হাতত ফুটা কড়ি এটাও নথকা।

"হেৰি কৰক। কাপোৰৰ দোকানতে এৰি আহিল কিজানি; তাতে এবাৰ খবৰ কৰি আহকগৈ। যদি পায়, দোকানীয়ে পাহৰণিত দিয়া টকা পাঁচোটা ঘূৰাই দি আছিব। কি ঠিক, কিজানি তেনেকৈ জানি-শুনিও ঘূৰাই নিদিয়া বাবেই হেৰাল!"

অকমান পৰ বৈ আকৌ ক'লে, "ৰিক্সাখনৰ নম্বৰটো চাইছিলে নহয়? মনত নাই জানো?"

নিজৰ ওপৰত বৰ বিৰক্তি আৰু ক্ষোভ প্ৰকাশ কৰি কাকতিয়ে কৰ্কশ সুৰেৰে কলে, "কতনো নম্বৰটো চাইছো। তাক ভয় খুৱা-বলৈহে কৈছিলো।"

দুয়ো বহুপৰ নিতাল মাৰি বহি থাকিল। জোনেও আনকি বুজিছে যে কিবা এটা ডাঙৰ ঘটনা ঘটিছে। সিও বিছনাতে চুপ-চাপ বহি আছে।

কিবা এটা নকৰিলে মনটোৱেই শান্তি নেপাব নহয় এতিয়া। অৱশেষত, মুখেৰে একো নেমাতি, কাকতি বাহিৰলৈ ওলাই আহিল। যিমান দূৰলৈকে দেখে চালে, কিজানি ৰিক্সাখন দেখেই! দোকানত যে পোৱা নাই সেইটো ঠিক। তথাপি মনটো পাতলাব নোৱাৰি দোকানলৈ বুলি বেগা-বেগিকৈ খোজ ললে।

দোকানীটোৱেও খৰ-ধৰকৈ চাৰিওফালে চালে; সমবেদনা জনাই দুখ প্ৰকাশ কৰি ক'লে, "আপোনালোক যোৱাৰ পিছতো গ্ৰাহক আহি আছে; কোনোবাই লৈ গৈছে যদিনো কেনেকৈ ক'ব?"

হতাশ বিৰক্তি আৰু নিজৰ ওপৰতে খং লৈ ঘূৰি আহিল। মিছা-মিছিকৈ আকৌ এই এমাইল-এমাইল দুমাইল বাটকুৰি বোৱা হ'ল। ঘৈণীয়েকলৈও খং উঠিল। এই মাইকী মানুহবোৰৰ অলপো হিচাপ নাই। কেচুৱা ল'বাৰ হাতত টকাৰ বেগ দি উমলিবলৈ দি অসাৱধান হৈ আহিছে! কাণ্ডজ্ঞানহীন ক'ৰবাৰ!

"কাকতিয়নীয়ে বাটলৈকে চাই আছিল। কাকতি চোতাল সোমোৱাৰ লগে লগে সুধিলে, "পালেনে?"

কাকতিয়ে দাবি মাৰি উঠিল, "কেপকেপাই নেথাকিবা! কেচুৱা ল'ৰাৰ হাতত বস্তু এৰি দি, এতিয়া 'পালেনে'?--চাম নহয়, এতিয়া এইমাহ কি খোৱা? তোমালোকে ঘাঁহ খাব লাগিছিল; তেহে যদি জ্ঞান হলহেঁতেন! চাৰিওফালে খালি হানি হব লাগে--হানি হব এতিয়া!"

নিস্তব্ধ— ।

হঠাৎ ৰিক্সা এখন আহি ঘৰৰ মুখত ৰোৱাৰ শব্দ হ'ল! তাৰ পৰা চোতালৰ পৰা মাত লগালে, "বাবুজী!"

মাতটো অথনিৰ ৰিক্সাৱালাটোৰ দৰেই লাগিল। জাপ মাৰি কাকতি বাহিৰলৈ ওলাই গৈ দেখিলে--হয়। ৰিক্সাৱালাটো।

"এই আপকা বেগ ৰিক্সামে ছোড় দিয়া থা।"

কাকতিয়নীও বাহিৰলৈ আহি বেগটো দেখিয়েই চিনি পালে; "ইস ইস্ চাওঁ" বুলি হাতত লৈ বেগটো খুলিব খোজা দেখি--ৰিক্সাৱালাই কলে, "যেইচে থা ৱেইচেই হম লে আয়া। মেৰা তো খয়াল নহী থা। এক ভাড়া মাৰ কৰ য়ে বেগ দেখা। আপকা লড়কাকা হাথমে য়ে থা।"

কাকতিয়ে কি কব, কি বুলি ধন্যবাদ জনাব, কি বুলি অথনিৰ বেয়া ব্যৱহাৰৰ কাৰণে অনুশোচনা জনাব--একো ভাবি নেপাই, জেপৰ পৰা আধলি এটা উলিয়াই কলে, "হেঁা ল।"

"ক্যা ?"

"আঠ আনা বক্চিচ্।"

"বক্চিচ্ কাহে লেগা ? মেই কি চোৰি কিয়া ?" তাৰ পৰা নিজকে কোৱাৰ দৰে ক'লে, "চব বড়া বড়া আদমী চোৰি কৰতা হেঁই; লেকিন ৱে লোগ ৰিক্সাৱালাকো ঠগ বেইমান বলতা হেঁই। কাহে লেগা বক্চিচ্ ? মেহনতী কৰুগা--তব পইচা লুঁগা।"

সি কাকতিৰ ফালে নোচোৱাকৈয়ে ৰুক্ষস্বৰে কৈ ঘূৰি গৈ ৰিক্সাখন টানি লাফ মাৰি উঠিল।

কাকতি আৰু কাকতিয়নীয়ে ইটোৱে সিটোৰ মুখলৈ চাই ৰ'ল।

# গলব্ৰেইথ চাহাবৰ ফিটা

ৰেলগাড়ীখনৰ সময়ৰ কোনো হিচাপ নাই, কেতিয়াবা এঘণ্টা আগ, কেতিয়াবা পিছ। মাজে মাজে সৰু সৰু ষ্টেচনবোৰতো প্ৰয়োজনাতিৰিক্ত পলম কৰে। বৈ বৈ গৰুগাড়ীৰ দৰে আহি থাকে আৰু এনেকৈ আহি আহি ফুৰকাটিঙৰ পৰা গোলাঘাটেদি যোৰহাট পোৱালৈ কমেও চাৰি পাঁচ ঘণ্টা লাগে। কাম থকা মানুহে দুপইচা খৰচ কৰি বাছত যায়, বা গোলাঘাটৰ পৰা টেক্সী লয়। কিন্তু সদায় একেটা বাটেৰে অহা যোৱা কৰিবলগীয়া হ'লে আৰু জেপত সকলো সময়তে পা-পইচা যথেষ্ট নাথাকিলে, কেতিয়াবা অগতিৰ গতি ৰেলখনতো আহিবলগীয়া হয়। সপ্তাহত অন্ততঃ এদিন বা দুদিন ঘৰলৈ নাহিলেও নহয়। এই ৰেলগাড়ীখনত যাত্ৰীও কম। আহি বেয়া নালাগে। মাজে মাজে মাত্ৰ শনিবৰীয়া চাহ বাগিচাৰ বজাৰৰ দোকানী-পোহাৰীৰে ভিৰ হয়। কেতিয়াবা চাহ বাগিচা বা ওচৰৰ গাঁৱৰ দুজন এজন বেছ পোছাকে-পৰিচ্ছদে টপ-তৈয়াৰ ডেকাও ৰেলখনত উঠি ধন্য কৰে। মোৰ চাই বৰ ভাল লাগে। বাছ বা ৰেল ষ্টেচনত পৰম নিৰ্ভয়ে আৰু অহঙ্কাৰেৰে চুৰট হুঁপি থকা মানুহবোৰৰ মুখবোৰ দূৰৰ পৰাই বাছ বা ৰেলৰ খিৰিকীৰে চাই বৰ ভাল লাগে। যেন এই যে ৰেলখনে, ঘচ্ ঘচ্ শব্দ কৰি আহি থকা ৰেলখনে তেওঁক দেখিহে গতি মন্থৰ কৰি দিছে,

তেওঁ নুঠালৈকে যেন ৰেলৰ চকা ঘূৰিব নোৱাৰে! চিনাকি গাৰ্ড বাবু থাকিলেতো কথাই নাই! গাৰ্ডে "উঠকগৈ যাওঁহঁক" বুলি নোকোৱালৈকে খোজেই নলবে। কাম নেথাকিলে এইবোৰকে চাই বৰ ভাল লাগে। কেতিয়াবা গাঁৱৰ কুজী বুঢ়ী, নাতি-নাতিনী, জী-বোৱাৰীৰে পৰিবেষ্টিতা হৈ ৰেলত উঠেহি; বেঞ্চত নবহি মজিয়াতে বহি হাঁচটিৰ পৰা মুখত খোৱা ধপাত অকণ দুটা আঙুলিৰে চিকুট মাৰি আনি মুখত ভৰায়; নাতিনীয়েকৰ গালত টপৰ টপৰ চুমা খাই গাল ৰঙা কৰি দিয়ে, কেচুৱা নাতি-নাতিনী থাকিলে কোলাত সুমাই শুকান পিয়াহ ল'ৰাৰ মুখত দি নিচুকায়; মজিয়াৰ ধূলিৰে নাতিনীহঁতৰ কপালত ফোঁট দি বিঘিনিৰ সম্ভাৱনা দূৰ কৰে। কেতিয়াবা খিৰিকীৰে দূৰলৈ আঙুলিয়াই কুটুমৰ ঘৰ দেখুৱায়। বাগানৰ বনুৱা মতা মাইকীৰ দল একোটা কেতিয়াবা উঠে, গাভৰু বনুৱা ছোৱালীৰ হাঁহিত লৰি উঠা শৰীৰৰ মাংসপেশীৰ উপৰিও লৰি উঠে নাকৰ নাকফুল, কাণৰ নকলী ইয়েৰিং, হাতৰ কাঁচৰ খাৰুৰ জোকা। "বৰ ঘৰেৰ বৰ বাবু ছোট ঘৰেৰ বউ-ৰে" বুলি কেতিয়াবা দল বান্ধি গীত গাই মচগুল হয় আৰু আন এটা ষ্টেচনত ডবা শূন্য কৰি নামি গুচি যায়। কেতিয়াবা মাজৰ ষ্টেচন একোটাত মাকৰ ঘৰৰ পৰা নতুনকৈ উলিয়াই দিয়া জীয়েক জোঁৱায়েকৰ লগত আহে। মাকে বায়েক-ভনীয়েকে কান্দে; ন-কইনায়ো কান্দে। ৰেল চলাৰ পিছত চকুপানী মচি নতুন স্বামীৰ চকুলৈ চাই মিচিকিয়াই হাঁহে। সেই হাঁহিয়ে নতুন স্বামীৰ চকুৰ দৃষ্টিক শান দি লুব্ধ কৰি তোলে; কোনেও নেদেখাকৈ ন-ঘৈণীৰ হাতৰ আঙুলিত চিকুটি দিয়ে। আমনি লাগে বাগিচা বা গাঁৱৰ মাৰোৱাৰী ব্যৱসায়ী দুই-তিনিটা উঠিলে। কেতিয়াবা ডবা শূন্য হৈ গৈ থাকে, ক'ৰবাত বুঢ়া মানুহ এজন ক'ৰবাত ডেকা ল'ৰা একোটি উঠে। চেংগেলীয়া ডেকা হ'লে সুহুৰিয়াই 'মেৰে মেহবুব' গায় খিৰিকীৰে মুখ উলিয়াই লৈ।

তাৰ মাজতে উঠেহি কেতিয়াবা টিকট চেকাৰ। টিকট লোৱা মানুহে পৰম নিৰ্ভয়ে টিকট দেখুৱায়—বুঢ়ীয়ে হাঁচটি খুলি, বুঢ়াই গামোচাৰ আগৰ গাঁঠি খুলি, ডেকাই হিপ পকেটত দুটা আঙুলি অম্লা-

য়াসত ভৰাই দি টিকট চেকাৰক গন্তব্যৰ দূৰত্ব অনুসৰি চাৰি অনা, আঠ অনা পইচা দিয়ে। চেকাৰে বিনা প্ৰতিবাদে নিজৰ জেপত ভৰাই ওলাই যায়। চেকাৰৰ চিনাকি মানুহ হ'লে টিকট নেচায়েই; পইচাও নলয়। আমনি লগা সময় ছোৱা এইবোৰ চাই চাই মোৰ কাটি যায়। হাতত লৈ অহা বাতৰি কাকতৰ খবৰত চকু ফুৰুৱাও নহয় কেতিয়াবা। টিকট নোলোৱা নির্জু, চহা মানুহক চেকাৰে ডাবি-ধমকি দি দুগুণ পইচা লৈ যোৱাও দেখিছো। দেখিও লাভ নাই, কৈয়ো লাভ নাই।

কিন্তু গণ্ডগোল হ'ল—গুৱাহাটীৰ পৰা আপ ট্ৰেইন এখনত গোলাঘাট-যোৰহাট লাইনেদি আহিবলৈ লোৱাৰ পৰা। সেইখন ৰেলত মানুহো বেছি, ৰয়ো কম সময়। টিকট চেকাৰো নতুন, খাওঁ খাওঁ মূর্তিৰ। সেইখন ৰেল আহেও বেগেৰে, যায়ো বেগেৰে, পায়গৈয়ো সোনকালে। গতিকে গাঁৱৰ বুঢ়া-মেথা আৰু বাগিচাৰ বনুৱাৰ মুখত পৰি ৰেলখনৰ নাম হ'ল 'গুৱাহাটী এক্‌পেচ'।

সেই গুৱাহাটী 'এক্সপ্ৰেছ'তে এদিন আহি আছো। ডবাটোত বৰ ভিৰ। বিভিন্ন ধৰণৰ মানুহেৰে ডবা ভৰ্তি। মাজৰ এটা ষ্টেচনত এক মিনিট ৰেল ৰয়। সেইটো ডবালৈ উঠি আহিল পাঁচ-ছবছৰীয়া চিট কাপোৰৰ কম দামী ফ্ৰক পিন্ধা শুকান-উবান ছোৱালী এজনীৰ হাতত ধৰি বুঢ়া এজন। বুঢ়াৰ গাত আঠুমূৰীয়া চুৰিয়া আৰু ৰং যোৱা হাফ্ চার্ট এটা, তাৰ ওপৰত চেলেং কাপোৰ এখন। এহাতে গামোচাৰে বন্ধা সৰু টোপোলা এটা। ডবাৰ ভিতৰত বহিবলৈ ঠাই নাই। বুঢ়াই ডবাৰ মজিয়াতে বহি "চাওঁ মাজনী আহ" বুলি নাতিনীয়েককো কোলাতে সুমাই ললে। গামোচাৰ আগৰ গাঁঠিটো খুলি লজেন্স এটা উলিয়াই মাজনীৰ হাতত দি কলে,—"এইটো চেনিগুটি খা হো। বাকী-কিটা সৰুকিটাক দিবিগৈ।" মাজনীয়ে সন্মতিসূচকভাৱে মূৰ জোকাৰি "চেনিগুটি"টো মুখত ভৰালে। বুঢ়াই তাইৰ জঁট লগা চুলিকিডালত হাত ফুৰাই ফুৰাই ক'লে—"ভা-কণে চাগে 'বা বা'কে তোক মাতি ফুৰিছে এইকিদিন নহয়নে বাৰু?" অকমানকৈ ক'লে,—"মাৰক তই কবি আক'—পেহীয়েৰে কিমান মৰম কৰিলে? দেউতাৰকো কবি। কবি বুলি প্ৰথম দিনা পুখুৰী সিচা মাছেৰে খালোহঁত। তাৰ পিছদিনা পেহ৷৷ৰ

হাঁহকণী আনিছিল নহয়; হাঁহকণী খোৱাৰ কথা কবি। আলুগুটি ফুলকবিৰ ভাজি খোৱাৰ কথা কবি, থপথপীয়াকৈ ৰন্ধা ৰহৰ দাইল খোৱাৰ কথা কবি।" তাই ছোৱালীজনীয়ে মূৰ দুপিয়াই শলাগিলে। বুঢ়া যেন তথাপি আশ্বস্ত হ'ব পৰা নাই। এইবাৰ কলে—"মাৰে আক' তোক ডাবি দিব পাৰে নহয়--কেলেই দুদিনৰ ঠাইত চাৰি দিন থাকিলি বুলি? তই কি কবি বাৰু?" ছোৱালীজনীয়ে ককাকৰ মুখলৈ চালে—কেইবাদিনো নুখুৰুৱা পকা-কেঁচা ডাড়িৰে ভৰা মুখ, কোটৰাগত চকু, সোতোৰা-সোতোৰ ছাল। তাই ক'লে, "পেহাই আহিবলৈ নিদিলে বুলি ক'ম।" বুঢ়াৰ চকুহাল আনন্দত তিৰবিৰাই উঠিল। মূৰত হাত ফুৰাই ক'লে, "কবি কবি মাজনী। পিছে পেহীয়েৰে আহিবলৈ নিদিলে বুলি কবি।" ছোৱালীজনীয়ে একো নামাতিলে; তাৰ পৰা লাহে লাহে ক'লে,--"পেহাহঁতৰ পোনাই মোৰ ফ্রিটাডাল নিব খোজোতে যে মই নিদিছিলোঁ--তেতিয়া পেহীয়ে মোক ডাবি দিছিল।"—বুঢ়াই তাইৰ গালে-মুখে হাত ফুৰাই ক'লে, "ভা-কণক লগালে মাৰে জানো তোক ডাবি নিদিয়ে? মাৰৰ আগত পেহীয়ে ডাবি দিছিল বুলি নকবি আক' মাৰে বেয়া পাব নহয়! কবি নেকি?" তাই মূৰ জোকাৰিলে। অলপ পিছত ক'লে, "অ পেহীয়ে দেখোন হাঁহকণীও খাবলৈ নিদিলে মোক।" বুঢ়াই কিছুপৰ তাইৰ শুকান মুখখনলৈ চাই থাকি মৰম কৰিলে, গালেদি চকুলো এটোপা ৰাগৰি আহিছিল; মোহাৰি লৈ ক'লে,—"মাৰক কওঁতে হাঁহকণী খাইছিলো বুলি কবি দেই।" বুঢ়াই ক'লে, "চাচোন মাৰে দেখোন মোকো কিবাকিবি কয়, পেহীয়েৰহঁতৰ আগত মই কৈছো জানো? সিহঁতে শুনিলে বেয়া পাব নহয়। সেইদেখি চব কথা কব নাপায় আৰু এটা চেনিগুটি খাবি নেকি? নেলাগে আৰু খাব দেই--ভা-কণ আৰু চম্পালৈ থক এই কেইটা। গলেই সিহঁত হালেই লাগিবহি নহয়। তাতে, সিহঁতলৈ একো এটা নিনিলে মাৰেও বেয়া পাব নহয়।" বুঢ়া নিৰৱ হ'ল।

ডবাটোলৈ টিকট চেকাৰ সোমাই আহিল। সৰহীয়াখিনি মানুহেই অনা-অসমীয়া বনুৱা বেপাৰী শ্রেণীৰ। সিফালৰ বেঞ্চত চিগাৰেটৰ ধোঁৱা উৰুৱাই এজন ডেকা বহি "ফিল্ম-ফেয়াৰ" চাই আছিছে; এইফালে

মই বাতৰি কাকতখন মুঠিত লৈ ককা-নাতিনীৰ আখ্যান শুনি বহি আহিছো। টিকট চেকাৰে টিকট চালে; কাৰোবাক ধমক দিলে, কাৰোবাৰ পৰা পইচা ললে। পইচা লৈ টিকট হ'লে কাকো নিদিলে। সিফালৰ ডেকাই মাত লগালে টিকট চেকাৰক, "আৰে ৰঞ্জন নেকি? বচালি ভাই।" ৰঞ্জন আগবাঢ়ি গৈ ক'লে--"ক'ৰ পৰা আহিলি?" "মই লামডিঙতে উঠিলোঁ। চালা ভয় লাগি আহি আছিল ধৰা পৰোঁ বুলি।"

"নললিনো কেলেই?"

"তোৰ ৰেল কোম্পানী দেৱলীয়া নহয় দে। তইত কেলেই সোমাইছ যদি আমি পইচা ভৰি অহা-যোৱা কৰিব লাগে?"

ডেকাই চুৰট উলিয়াই ৰঞ্জনলৈ আগবঢ়ালে। ৰঞ্জনেও এটা হাতেৰে ওপৰৰ বাঙ্কত ধৰি থিয় হৈ হৈ চুৰট হুঁপি কথা পাতি গ'ল।

মই বাতৰি কাকতখন মোকোলাই 'এপল-৮'ৰ বিজয় বতৰা পঢ়ি আছো। এই স্পেচ্ ক্রেফট্ পঠাওঁতে খৰছ কৰিছে আঠৈশ কোটিৰো অধিক টকা। এঠাইত আৰু প্রখ্যাত আমেৰিকান সমাজ বিজ্ঞানী গলব্রেইথ চাহাবে আমেৰিকাৰ অর্থনীতিৰ ওপৰত কৰা মন্তব্যৰ বতৰা। বছেৰেকত যাৰ ত্রিশ হাজাৰ টকাতকৈও কম উপার্জন আমেৰিকাত তেনে পৰিয়ালক দৰিদ্র বুলি ধৰা হয়। ত্রিশ হাজাৰ হ'ল--ষ্টাৰ্ভেচন লেভেল। অ'ল্ড এজ পেঞ্চন আৰু চাইল্ড বেলফেয়াৰত খৰছ কৰা টকাৰ অঙ্কৰ কথা বাদ দিলো বাৰু। মই আমেৰিকাৰ অর্থনীতিৰ বতৰাত মজি আছো। হঠাৎ এটা কর্কশ ধমক শুনিলো। মূৰ দাঙি চাই দেখো--টিকট চেকাৰ বুঢ়াৰ সন্মুখত দণ্ডায়মান। বুঢ়াই কাতৰ ভাবে চাই কৈছে, "আমি মজিয়াতহে বহি আহিছোঁ দেউতা।"

"ডবাৰ ওপৰত উঠি গলেও টিকট লাগিব, উলিয়া, দুটা টিকটৰ দাম উলিয়া।"

বুঢ়াই আকৌ কলে,--"মই তেনেই বুঢ়া মানুহ দেউতা আৰু এইজনী খুদমান ছোৱালী। সেই বাবেহে টিকট লবলৈ নহ'ল।"

"সেইবোৰ মই নাজানো। টিকটৰ দাম নিদিলে--জেলত ভৰাই থমগৈ।" ছোৱালীজনীয়ে ভয়ে ভয়ে এবাৰ ককাকৰ মুখলৈ আৰু এবাৰ টিকট চেকাৰৰ মুখলৈ চাইছে। বুঢ়া কিংকর্তব্য বিমূঢ় হৈছে।

টিকট চেকাৰে এবাৰ মোৰ চকুলৈ চালে, তাৰ পৰা যোৱা বছৰত টিকট নোলোৱাকৈ ৰেলত ভ্ৰমণ কৰা মানুহৰ হিচাপ এটা উচ্চাৰণ কৰি ক'লে,--"শাস্তি নিবিহিলে বদমাচ্‌বোৰ ঠিক নহয়।"

বুঢ়া অকণমান পোন হ'ল, গামোচাৰ আগৰ গাঁঠিটো খুলিবলৈ ধৰিলে। তাতে বোধকৰোঁ বুঢ়াই পইচা বান্ধি আনিছে। বুঢ়াই নিজৰ মুখৰ ভিতৰতে প্ৰায় কৈফিয়তৰ সুৰত ক'লে,--"ল'ৰাটোৱে অহা-যোৱাৰ ভাড়া দি পঠাইছিল। পিছে জীজনীৰ ঘৰলৈ সুদা হাতেৰে গলে তাই ভাবিব, বোৱাৰীয়ে মোক জীৰ ঘৰলৈ সুদা হাতেৰে পঠাইছে। সেই গুণে কল একাশীকে কিনি নিলোঁ ইচটেচনৰ পৰা। এতিয়া ঘূৰি আহোঁ-তেনো জোঁৱাইৰ পৰা কেনেকৈ পইচা খোজো। তাতে ঘৰত নাতিনী দুটা আছে, সুদা হাতে গলে বোৱাৰীয়ে ভাবিব জীয়েকৰ ঘৰৰ পৰা সুদা হাতেই আহিল বুঢ়াটো।" বুঢ়াই বৈ গাঁঠিটো সম্পূৰ্ণকৈ খুলি চেকাৰৰ চকুৰ আগত দাঙি ধৰি ক'লে,--"এই কেইটাকে নিয়ক মোৰ দেউতা। মুঠেই ত্ৰিশ পইচা আছিল হাতত। সেই গুণে টিকট নলৈ এই চেনিগুটিকিকিটাকে নাতিনীকিটালৈ লৈ আহিছোঁ।" মূৰ তুলি চাই দেখোঁ গামোচাৰ আগত পইচা নহয়, নাতিনীহঁতলৈ লোৱা দহোটামান ঘূৰণীয়া বাটলু গুটিটোহঁতৰ সমান ৰঙা নীলা লজেন।

মই মোৰ টিকটটো আৰু মনিবেগটোও উলিয়াই হাতত লৈ চাওঁ টিকট চেকাৰ ডবাটোৰ সিটো মূৰ পালেগৈ।

হাঁয় গ'লব্ৰেইথ চাহাব, তোমাৰ ষ্টাৰ্ণ্ডেচন লেভেলৰ মাপকাঠিডাল যদি এবাৰ চুবলৈ পালোহেঁতেন!

## ।। তিনি।।

এই জুৰিটো অনন্তকালৰ পৰা বৈ আছে। কিন্তু আচৰিত কথা কি জানা? সি ক'ৰো পৰা ওলোৱা নাই আৰু ক'তো পৰাগৈ নাই। ...সময় কি নদীৰ সোঁত? নহয়। সময় স্থিৰ। বতাহৰ দৰে সি মাত্ৰ সীমাৰ মাজত ঘূৰা-ফিৰা কৰিব পাৰে। কিন্তু মোৰ ওচৰত ঘূৰা-ফিৰাও নচলিব, নিশ্চল হৈ বৈ থাকিব লাগিব...

★ কাঠ-সংস্কাৰ

★ চহৰৰ মন

★ ষ্টাফ ফটোগ্ৰাফাৰৰ ছবি

★ বিমূঢ়-বিমূঢ়

★ যৌৱন

# কাঠ-সংস্কাৰ

মমৰ নিস্তেজ পোহৰত তেওঁলোকৰ, চাৰিওজন বৃদ্ধপ্ৰায় লোকৰ, মুখবোৰ বিষণ্ণ-শিলত খোদিত মূৰ্তিলৈ ৰূপান্তৰিত হৈছিল। পোহৰৰ ক্ষণ ৰেখা চকু-মুখৰ অজস্ৰ ৰেখাৰ লগত মিলি গৈছিল। তেতিয়াও জাৰ যাবলৈ বাকী আছিল। তেওঁলোকে ডিঙিৰ পৰা তলৰ শৰীৰৰ সৰ্বাঙ্গ গৰম কাপোৰেৰে আচ্ছাদিত কৰি ৰাখিছিল। তেওঁলোক মিলিত হোৱা কোঠাটো আছিল এটা পুৰণি পকা ঘৰৰ বিষণ্ণ অংশবিশেষ। বেৰত ওলোমাই থোৱা ওৱাল ক্লকটোৰ মৃদু টক্-টক্ শব্দ আৰু পেণ্ডুলামৰ সীমাবদ্ধতাৰ মাজত পৌন-পুনিক গতিয়েই আছিল প্ৰাণস্পন্দনৰ একমাত্ৰ নিদৰ্শন।

যিজনৰ মূৰৰ চুলি প্ৰায় নিঃশেষ হৈছে আৰু উশাহ লওঁতে আজি কিছুদিনৰ পৰা বুকুত এটা সামান্য কষ্ট পাবলৈ আৰম্ভ কৰিছে, অৱশ্যে এই কষ্টৰ কাৰণ তেওঁ এজ্‌মেটিক ট্ৰাবল আৰম্ভ হোৱা বুলি ভাবে,-- তেওঁ কিবা এটা বোধকৰোঁ ক'ব খুজিছিল। কাৰণ চকু-মুখত তেনে কিবা এটা কোৱাৰ আকাংক্ষা ফুটি উঠিছিল। তেওঁৰ সন্মুখত বহি থকাজনৰ চুলি কিছু আছে, প্ৰায় আধা পকিছে, ঠিক তেনেকৈ আছে একোছা আধাপকা গোঁফ। তেওঁ চোলাৰ কলাৰটো তুলি ল'লে আৰু ক'লে, "তেনেহলে আমি কি সিদ্ধান্ত কৰিলোঁ?" প্ৰশ্নটো তেওঁৰ তিনি-

জন বন্ধুৱে আৰু যেন তেওঁৰ নিজলৈকো চোঁৱাই কৰিলে। সেই বাবে কণ্ঠস্বৰত তীক্ষ্ণ প্রশ্নবোধক নাই, বৰং এটা বিলম্বিত আত্ম-জিজ্ঞাসা। আৰু সেই কাৰণেই, অন্ততঃ তেনে যেনেই লাগে, বাকী কেইজনে উত্তৰ দিয়াৰ আৱশ্যকতা বোধ নকৰিলে। বাওঁফালে বহি থকাজনে উত্তৰৰ সংকেত স্বৰূপে এটা হুমুনিয়াহৰ দৰে শব্দ কৰিলে আৰু সেই শব্দ বাকী কেইজনৰ বুকুৰ মাজলৈ সোমাই গৈ যেন বিষ-ক্রিয়া আৰম্ভ কৰি দিলে। সোঁফালে বহি থকাজনৰ চকুত চশমা আৰু সম্ভৱতঃ এটা চকু কেঁৰা। কাৰণ তেওঁ সন্মুখৰ ফালে চাই বাওঁফালৰজনক উদ্দেশ্য কৰি ক'লে, "মোৰ ধাৰণা, ধাৰণা কিয় বিশ্বাস। সমস্ত সমস্যাটোৱেই আধ্যাত্মিক।"

তেওঁৰ সন্মুখৰ জনে অতিশয় ক্ষীণ প্রতিবাদৰ সুৰত ক'লে,- "নহয়, আধি-দৈৱিক।"

নিস্তব্ধ হৈ থকাৰ পিছত একোছা গোফ থকাজনে ক'লে, "গোটেই সমস্যাটো এটা ভৌতিক সমস্যা।"

চুলিহীন, এজ্‌মেটিক ট্রাবল্ আক্রান্তজনে্ একো নক'লে।

আধ্যাত্মিক, আধি-দৈৱিক নে ভৌতিক?

গোঁফে ক'লে, "চোৱা তোমাৰ ল'ৰা, মোৰ ছোৱালী, অথবা মোৰ ল'ৰা তোমাৰ ছোৱালী--ইহঁত আটাইবোৰে ঈশ্বৰ-বিশ্বাস হেৰুৱাই পেলাইছে আৰু সেই বাবেই উচ্ছৃংখল।"

কেঁৰাচকুৱা বৃদ্ধই বিৰ-বিৰকৈ ক'লে, "মমডাল কেনেকৈ জ্বলিছে? তাত এটা জ্বালিকা শক্তি আছে। প্রদাহিকা শক্তি। এডাল শলিতা আছে। তেনেকৈ মানুহৰ মনৰ মাজতো এটা প্রদাহিকা শক্তি থাকে। সি যেতিয়া শান্ত হৈ থাকে, তেতিয়া স্ব-ধৰ্মত থাকি পোহৰ দিয়ে। যেতিয়া উগ্র হয়, সি অগ্নিকাণ্ড ঘটায় আৰু যেতিয়া শক্তি নাথাকে সি আন্ধাৰৰ কাৰণ। এতিয়া কোনটো?

সন্মুখৰজনে ক'লে, "সেই কাৰণেই আধি-দৈৱিক। কাৰণ নিয়তিয়ে জানে সি কেনি লৈ গৈছে--আন্ধাৰৰ ফালে, পোহৰৰ ফালে, নে অগ্নিকাণ্ডৰ ফালে।"

কেঁৰা চকুৱা বৃদ্ধ মনে মনে থাকিব নোৱাৰিলে, "সেইটোৱেইতো সমস্যা। দৈৱ কাৰ অধীন? ভূতসমূহ কাৰ অধীন! আধ্যাত্মিকতাৰ

আলোকত সমস্ত জীৱন আলোকিত হৈ থাকে বাবেই জানে তাৰ ভূত আৰু ভৱিষ্যত। সেই পোহৰ অদৃশ্য, কিন্তু সৰ্বোজ্জ্বল। সি অগ্নি-কাণ্ড নঘটায় অথবা আন্ধাৰো সৃষ্টি নকৰে।"

এজ্‌মেটিক ট্ৰাবলে ক'লে, "ঘড়ীৰ পেণ্ডুলামটো আৰু মোৰ শব্দটো মিলি গৈছে কিয় ?

তেওঁলোক সকলোৱে ঘড়ীৰ শব্দৰ মাজত নিজৰ বুকুৰ শব্দ মিলি যোৱা অনুভৱ কৰিলে। পেণ্ডুলামটোৰ স্থিৰ গতিৰ মাজত সোমাই থকা কাটা দুডালৰ অবিৰাম গতিৰ সংকেত যেন শুনি পালে আৰু অস্থিৰ হ'বলৈ ধৰিলে।

"মমডাল নুমাই দিওঁ।" এজ্‌মেটিক ট্ৰাবলে ক'লে।

"নাই নাই নুনুমাবা। আন্ধাৰত বেছি ভয় লাগে, শব্দবোৰ বেছি স্পষ্ট হয় আৰু সিহঁতে সোনকালে ক্ৰিয়া কৰিবলৈ ধৰে", কোনোবা এজনে ক'লে।

লাহে লাহে যেন তেওঁলোকৰ কথা শেষ হৈ আহিবলৈ ধৰিলে আৰু তেওঁলোকে যেন বাক্-শক্তি হেৰুৱাই আত্ম-মগ্ন হৈ পৰিল। এই নিৰৱতা ভংগ কৰিবলৈ যেন তেওঁলোকৰ শৰীৰত একবিন্দু শক্তিও নোহোৱা হ'ল। এজ্‌মেটিক ট্ৰাবল আক্ৰান্তজনে অৱশেষত সেহাই সেহাই ক'লে, "মই তোমালোকক কোৱা নাছিলোঁ—মোৰ এটা আপুৰুগীয়া সম্পদ সিহঁতে নষ্ট কৰিলে।"

তথাপিও বাকী কেইজনে কোনো উৎকণ্ঠা অনুভৱ নকৰিলে। তেওঁ কলে, "তাত আছিল মোৰ পুৰণি দলিল-পত্ৰৰ সতে কিছু প্ৰাচীন সম্পদ।"

গোঁফে কলে, "একো আচৰিত কথা নহয়। ময়ো কোৱা নাছিলোঁ তোমালোকক যে মোৰ ককাদেউতাৰ দিনৰ শালগ্ৰাম নাৰায়ণক সিহঁতে উলিয়াই লৈ গ'ল আৰু টুকুৰা-টুকুৰ কৰি সিহঁতে তাৰ পৰা ডিঙিত পিন্ধা মণিৰ দৰে এবিধ অলংকাৰ কৰি ল'লে।"

কেঁৰা চকুৰা বৃদ্ধই কলে, "শালগ্ৰাম শিলাতকৈও ডাঙৰ বস্তু মোৰ সিহঁতে অপহৰণ কৰিলে।"

"শালগ্ৰাম শিলাতকৈ একো ডাঙৰ বস্তু থাকিব নোৱাৰে।"

"পাৰে, পাৰে। মোৰ চকুৰ মণি এটা সিহঁতে কাঢ়ি নিলে আৰু এটা পাথৰৰ মণি বহুৱাই দিলে।"

চতুৰ্থজনে মাত্ৰ হুমুনিয়াহ কাঢ়িলে আৰু ক'লে, "মোৰ বৰ জাৰ লাগিছে।"

বাকী কেউজনে সমৰ্থন কৰিলে, "বৰ জাৰ, বৰ জাৰ। একুৰা জুইৰ প্ৰয়োজন হৈছে।"

"জুইতো আছেই, অলপ খৰি লাগে।"

গোঁফে ক'লে, "বাহিৰত একৰা জুই জ্বলা যেন অনুমান হৈছে।"

"কেনেকৈ?"

"তাৰ উত্তাপ মই পোৱা যেন অনুভৱ কৰিছোঁ।"

"মিছা কথা।"

"সঁচা।"

কিন্তু তেওঁলোক কোনেও উঠি চাই অহাৰ উৎসাহ অনুভৱ নকৰিলে।

দ্বিতীয়জনে ক'লে, "এৰা, ময়ো উত্তাপ অনুভৱ কৰিছোঁ।"

তৃতীয়জনে ক'লে, "মই ধোঁৱা আৰু বাৰুদৰ গোন্ধ পাইছোঁ।"

চতুৰ্থজনে ক'লে, "মই কিবা পোৰাৰ গোন্ধ পাইছোঁ।"

তেওঁলোক দুৱাৰমুখলৈ উঠি গৈ দুৱাৰ খুলি দিলে আৰু দেখি হতবাক্ হ'ল যে ঘৰটোৰ চাৰিওফালে দপ্‌দপ্‌কৈ জুই জ্বলি উঠিছে।

"এতিয়া কি হ'ব?"

"ইয়াৰ পৰা পলাব লাগিব।"

"কেনি পলাম?"

"ক'ব নোৱাৰোঁ। কোনোবা দুৰ্বৃত্তই লগালে।"

চতুৰ্থজনে ফুচফুচাই ক'লে, "দুৰ্বৃত্ত বুলি নকবা, শুনিব। আচলতে সিহঁতে লগাইছে। সিহঁতে জানে আমি ইয়াত আছোঁ। সিহঁতে জানে, বৃদ্ধ হ'লে কি হ'ব, আমাৰ বুদ্ধিৰ ওচৰত সিহঁত পৰাজিত হোৱাৰ ভয়। কিন্তু এতিয়া কি কৰা যায়?"

তৃতীয়ই ক'লে, "মোৰ মুখখনত জুয়ে ধৰিছে।"

দ্বিতীয়ই ক'লে, "মোৰ গাৰ ছালত ধৰিছে।"

প্ৰথমে ক'লে, "মোৰ চকু—মোৰ চকু—।"

চাৰিওফালে একেলগে চিঞৰি উঠিল, "আঃ মৰিলোঁ, মৰিলোঁ—।"

পুনৰ দেখা গ'ল—পূৰ্বণি ঘৰটোৰ ঠাইত এজোপা ডাঙৰ গছ ফল আৰু ফুলেৰে ভৰি আছে। আৰু ৰঙচুৱা মুখৰ নিপোটল ল'ৰা-ছোৱালী কিছুমানে হাঁহি-ধেমালি কৰি দৌৰি ফুৰিছে। দুটামানে গছৰ গুৰি খান্দি কিবা বিচাৰিছে আৰু এটাই কৈছে, "ইয়াত একো নাই; এসোপা ছাইহে আছে।"

## চহৰৰ মন

মোৰ মনত কেনেবাকৈ এটা ধাৰণা সোমাল যে যি কোনো নতুন ঠাইলৈ গৈয়ে সেই ঠাইৰ মনোভাৱ প্ৰথমে অধ্যয়ন কৰা উচিত। কেনেকৈ অধ্যয়ন কৰা উচিত সেই সম্পৰ্কে কিন্তু কোনেও মোক একো দিহা-পৰামৰ্শ দিয়াৰ কথা মনত নপৰে। তদুপৰি এই কথাটোও কৈ লোৱা উচিত হ'ব যে মই ভৱিষ্যতে এজন প্ৰফেশ্যনেল লেখক হোৱাৰ ইচ্ছা এটা মনৰ মাজত পুহি আছোঁ। সেই কাৰণে কোনো নতুন ঠাইৰ মনোভাৱ অধ্যয়ন কৰাৰ ধাৰণাটো মোৰ মনে মনে প্ৰবল হৈয়েই আছিল। কিন্তু মোৰ এই ধাৰণাটো কেনেকৈ কামত খটুৱাব লাগে সেই সম্পৰ্কে হ'লে মোৰ কোনো ধাৰণা নাছিল। সেই বাবে ইমান দিনে নিজৰ জীৱিকাৰ বৃত্তিত অসমৰ ইখন নগৰৰ পৰা সিখনলৈ ঘূৰি ফুৰিছোঁ যদিও কেনেকৈ কামটো আৰম্ভ কৰিম, একো উৱাদিহ নাপাই কেৱল আলেঙে আলেঙে মানুহৰ বেহৰূপ, যন্ত্ৰৰ ব্যস্ততা এইবোৰ চাই ফুৰিছো। কিন্তু সকলোতে মই একেই ৰূপ দেখি আহিছোঁ। নগৰৰ যি ব্যৱসায়িক ব্যস্ততা আৰু নিষ্ঠুৰ--হৃদয়হীন যান্ত্ৰিকতাৰ লগত মানুহৰ আন্তৰিকতাহীন হাঁহি--এইবোৰে মোক কষ্ট দি আহিছে। পেটৰ ... আৰু যৌন-ক্ষুধাৰ তাড়নাত মানুহবোৰ একাকাৰ হোৱা যেন ... আৰু বিক্ৰেতা দুয়োৰে মাজত একো পাৰ্থক্য নাইকিয়া

হৈছে। ৰাতিপুৱা চাৰি বজাত উঠি পায়খানা চাফা কৰা জমাদাৰৰ যি ভোক, পুৱা আঠ বজাত বেড টি খাই দিনটোৰ বাবে প্ৰস্তুত হোৱা কল-কাৰখানা বা ব্যৱসায়ৰ মালিকৰো সেই একে ভোক, আধা-কিলো বেঙেনা লৈ এক নয়া পইচাৰ কাৰণে বিক্ৰেতাৰ সৈতে কেৰাজেৰ কৰাৰ যি ভোক, নিৰ্বিবাদে পাঁচখন দহটকীয়া নোট দলিয়াই দি চাকৰৰ হাতত শকত-আৱত ৰৌ মাছ দি পঠোৱা জনৰো একে ভোক।

গতিকে এদিন হঠাৎ সিদ্ধান্ত কৰিলো এই চহৰৰ দুই-এক মানুহকো কথাটো সোধা হওক। কিন্তু কাক সুধিম ? কেইবাদিনো কোনো কোনো ভদ্ৰলোকৰ মুখলৈ চাই মুখ মেলিব খোজোঁতেই ভদ্ৰলোক পাৰ হৈ গৈছে, আৰু এনে এটা প্ৰশ্নৰ বাবে তেওঁলোক সাজু হয়নে নহয় সেই কথাটোও এবাৰ ভাবি চাবলগীয়া হ'ল। কিন্তু এনেকৈ পিচুৱাই গৈ থাকিলে মোৰ দেখোন পৰিকল্পনা মোৰ মনৰ মাজতে থাকিব।

গতিকে মাছৰ বজাৰৰ ওচৰতে বৈ এদিন মানুহৰ আলেখলেখ চাই আছোঁ ঃ বৰ ব্যস্ত মানুহবোৰ। কোনোবাই দৰ-দাম কৰি বজাৰখন চলাথ কৰিছে, কোনোবাই দামটো সুধি পইচা পেলাই মাছ দাঙি লৈ ওচি গৈছে, কোনোবাই দৰে-দামে অৰ্থাৎ দামৰ লগত জেপৰ পইচাৰ হিচাপ মিলাব নোৱাৰি, সুদাহাতে ঘূৰি আহিছে। বিক্ৰেতা-বোৰেও টেটুফালি দৰ-দাম কৰিছে, কটা মাছত মাছৰ তেজ সানিছে, মাছৰ গাল ফালি, মাছটো যে জীয়া, প্ৰমাণ কৰিছে। সাংস্কৃতিক ব্যস্ততা।

বেছ শকত-আৱত, পেণ্ট আৰু হাৱাই চাৰ্ট পিন্ধা, চকুত চশমাৰে এজন ভদ্ৰলোকৰ চকুৰে চকুৰে পৰাত, হঠাৎ সুধি পেলালোঁ,---"হেৰি, এষাৰ কথা সোধোনে ?"

চকুত বিস্ময়েইনে বিৰক্তিয়েই প্ৰকাশ কৰি ভদ্ৰলোকে সুধিলে--"কি কলে ? কি কথা ?"

মোৰ দ্বিধা আৰু সংকোচ হ'ল। কিন্তু এবাৰ আৰম্ভ কৰিলোঁ যেই যেতিয়া আগবঢ়াই উচিত বিবেচনা কৰি সুধিলোঁ--"আচ্ছা, এই চহৰখনৰ কিবা বিশিষ্ট মনোভাৱ আছেনে ?"

"মনোভাৱ ? চহৰখনৰ ?"

ভদ্ৰলোকে মোৰ বোধকৰোঁ মানসিক চিকিৎসাৰ প্ৰয়োজন হৈছে বুলি ভাবিলে--আৰু সন্দেহপূৰ্ণ তীক্ষ্ণ দৃষ্টিৰে চাই লৈ ক'লে--

"হোৱাট্ ননচেন্স! আন কাৰোবাক সোধক।" বুলি ৰৌমাছৰ মুৰাটো জোকাৰি জোকাৰি জনসমুদ্ৰত অদৃশ্য হ'ল।

এটা ঢৌ পাৰ হ'ল।

এগৰাকী ভদ্ৰমহিলা আৰু এগৰাকী ধুনীয়া পাট-গাভৰুৰ চকুৰে চকুৰে পৰিল। কিন্তু ভদ্ৰমহিলাক এনে প্ৰশ্ন কৰা উচিত হবনে নহয় ভাবি থাকোতেই তেওঁলোক পাৰ হৈ গ'লই।

এইবাৰ মই নিজে অকণমান আগবাঢ়িলো আৰু ওচৰৰ পাণদোকান এখনৰ কাষত ৰৈ, এটা চুৰট জ্বলাই লৈ আদহীয়া দোকানীজনকে সুধিলো,—

"হেৰি, মই ইয়াত নতুন মানুহ। মোক এটা কথা ক'ব পাৰেনে?" পাণত চূণ সানি সানি গ্ৰাহকলৈ আগবঢ়াই দি সুধিলে,--

"কওকচোন কি কথা?"

"আচ্ছা এই চহৰখনৰ কিবা বিশেষ—বিশেষত্ব, মানে ধৰক অন্যান্য চহৰতকৈ বেলেগ কিবা আছেনে?"

দোকানীয়ে পোনপটীয়াকৈ মোৰ ফালে চাই লৈ অকণমান কিবা ভাবিলে। তাৰ পিছত ক'লে--

"হেৰি, মই ভালকৈ নাজানো। কিন্তু আপুনি গোহাঁইদেউতাক লগ নধৰে কেলেই?"

"গোহাঁইদেউতা? তেখেত কোন?"

"সেইটোও মই ভালকৈ নাজানো—আপুনি এই পশ্চিমলৈ যোৱা আলিৰে গৈ যিটো আলিত উঠিব তাৰ পৰা উত্তৰলৈ যাব। দেৰমাইল কি দুমাইলেই হব, গৈ মানুহক সুধি-পুচি ল'ব। কাৰণ গোহাঁইদেউতাই নজনা কথা নাই বুলি আমি চবে জানো।"

মই আঁতৰি আহিব খোজোতেই ক'লে,--

"গোহাঁইদেউতাৰ সম্পৰ্কে আমাৰ ফুকনৰ টোলৰ পণ্ডিতক সুধিব, তেখেতেই সকলো ক'ব পাৰিব।"

এটা বাট পোৱা যেন লাগিল। কিন্তু ফুকনৰ টোল বা ক'ত? পণ্ডিত বা কোন? তাৰ বাহিৰে আৰু মানুহ নাইনে? ঘূৰি আহি দোকানীক আকৌ সুধিলোঁহি,—

"হেৰি, ইমানখন চহৰত গোঁহাইদেউতাৰ সম্পৰ্কে জনা আৰু মানুহ নাইনে?" তেওঁ অকণমান বৈ ক'লে,—

"পণ্ডিত বৰ বয়সীয়া মানুহ। তেওঁৰ সমান বয়সীয়াল মানুহ আৰু কোনো নাই, তেওঁতকৈও গোঁহাইদেউতা বেছি বয়সীয়া। গতিকে—"

"বুজিলোঁ। কিন্তু এই যে পণ্ডিত, তেওঁৰ নো ঘৰ ক'ত? কোন স্কুলত কাম কৰে?"

দোকানীয়ে হাঁহি মাৰি ক'লে,—"তেওঁ কোনো স্কুলতে কাম নকৰে। ডেকা কালতে কৰিছিল। তেতিয়া আমাৰ জন্মই হোৱা নাছিল। তেওঁৰ ঘৰটো হ'ল কোঁৱৰ পুখুৰীৰ দক্ষিণ পাৰে, থাকে গোঁহাইবাৰীত। যদি তেওঁক লগ নাপায়, তেনেহলে দৰজী চুবুৰীৰ বেজিনা বুঢ়ীক সুধিব। বেজিনা বুঢ়ী নেথাকিলে তেওঁৰ নাতিনীয়েকক সুধিব। তেওঁ ক'ব পাৰিব পাৰে।"

বৰ অদ্ভুত চহৰ যেন লাগিল।

অকণমান আঁতৰি আহিলো। মটৰ, ৰিক্সা, ঠেলা, চাইকেল আৰু পদ-যাত্ৰীৰ সাংঘাতিক ভিৰ। ফুটপাথৰ এৰাঁতিত এটা দৰবৰালাই হৰ্ণ এটা লৈ বক্তৃতা দিছে—"গাঠিৰ বিষ হয়, কমৰৰ বিষ হয়, বুকুৰ বিষ হয়, হাত-ভৰিৰ বিষ হয়, উঠিবৰ মন নাযায়, খোজ দিবৰ মন নাযায়, বহিবৰ মন নাযায়, শুই থাকিবৰ মন নাযায়; ছাৰা শৰীৰ বিষত লৰ-চৰ কৰিব নোৱাৰা হয়। কোনেও নাজানে, ডাক্তৰে নাজানে, বেজ-ভানীয়ে নাজানে, দৰবৰালাই নাজানে যে আমাৰ কোম্পানীৰ 'জীৱনামৃত'ৰ এক চামুচ সেৱন কৰাৰ পিছত ভেংকী বাজীৰ নিচিনা, যাদুৰ নিচিনা কৰি গাঠিৰ বিষ, কমৰৰ বিষ, পিঠিৰ বিষ, আঁঠুৰ বিষ....।

মানুহৰ শৃংখলাহীন শোভাযাত্ৰাৰ মাজত মই সোমাই আগবাঢ়ি গৈ আছো। আন এটাই বক্তৃতা দি আছে ফুটপাথত "গাড়ীৰ চকাৰ

নিচিনা ভাগ্যৰ চকৰি ঘূৰি আছে । কোনেও নাজানে, আপুনিও নাজানে আপোনাৰ ভাগ্যত কালি কি হৈ যাব পাৰে । কোনে জানে ষ্টেট্ লটাৰীৰ এক টকাৰ টিকটে কালি পুৰা আপোনাৰ ভাগ্য ওলট-পালট কৰি নিদিব--

ভিৰ যেতিয়া পাতল হ'লহি তেতিয়া ৰিক্সা এখন লৈ প্ৰথমে বেজিনী বুঢ়ীক লগ ধৰোঁ বুলি ওলালো । ৰিক্সাৱালাই ক'লে,—

"বেজিনী বুঢ়ীয়েতো দিনত কাকো দেখা নকৰে ।"

"কেলেই নকৰে ?"

"কিজানি বাবু । মোৰতো ইয়াত বিশ বছৰ হৈ গ'ল, কোনো মানুহক দিনত মই তাইলৈ লৈ যোৱা মনত নপৰে ।"

পশ্চিমলৈ তিনি ফাৰ্লংমান গৈ উত্তৰলৈ ঘূৰিলো । সেইপিনেও তিনি ফাৰ্লংমান যোৱাৰ পিছত আকৌ পশ্চিমলৈ ঘূৰিলো । নগৰৰ হাই-উৰুমিৰ পৰা আঁতৰি আহিলো । বাঁহনি-কাঠনি আৰু মুকলি পথাৰ চকুত পৰিল ।

ৰিক্সাৱালাই ক'লে,--"কম্পাউণ্ডৰ ভিতৰত ৰিক্সা সুমাবলৈ নিদিয়ে । ঘৰ সেইটোৱেই ।"

ৰিক্সাক বিদায় দি কেঁচা আলিয়েদি এক ফাৰ্লংমান দূৰৰ এমহলীয়া প্ৰাচীন এটা পকীঘৰৰ ফালে খোজ দিলো । ঘৰটোৰ চাৰিওফালে গছ-গছনি গজি ঘৰটোক বেঢ়ি ধৰি আছে ।

মই শঙ্কা আৰু দ্বিধাৰে সোমাই গৈ দেখিলো—সঁচাকৈয়ে এক শতিকা-মানৰ পুৰণি ঘৰ এটা । প্ৰাচীন, বিবৰ্ণ, জয়াৰ আৰু অদ্ভুত ।

মই খট্‌খটিৰ কাষ পাওঁতেই মোৰ মূৰৰ ওপৰৰ পৰা হঠাৎ কোনো-বাই সুধিলে, "কাক লাগে ? আইতা নাই, বাইটি আছে ।"

মোৰ গা জিকাৰ খাই উঠিল । ওপৰলৈ চকু তুলি চাওঁ—এটা ভাটৌ ।

লগে লগে দুৱাৰ খুলি এজনী ছোৱালী ওলাই আহিল । ছোৱালী বোলাতকৈ পুৰণি সাধুকথাত ৰাজকুঁৱৰীৰ বিশেষণ স্বৰূপে ব্যৱহাৰ কৰা দীপলিপ গাভৰু বোলাই ভাল হ'ব । পিন্ধনত কেচ-বচা মুগাৰ

ৰিহা-মেখেলা, কপালত জুই যেন ৰঙা এটা ফোঁট। মোৰ চকুলৈ চাই সুধিলে,--"আইতাক বিচাৰিছে ?"

"হয়।"

"আইতাই এতিয়া দেখা নকৰে নহয়। গধূলি আহিব।" তাই কৈয়েই যাবই খুজিছিল।

মই মাত দিলো,--"ৰবচোন, আপোনাক কথা এষাৰ সোধো।"

তাই অকণমান আগবাঢ়ি আহিল। চকু দুটা বহলকৈ মেলি, পাতল ওঁঠত নিভীক মিচিকিয়া হাঁহি এটা বিয়পাই মোলৈ চাই সুধিলে,--

"কি কথা ?"

মই অকণমান প্ৰস্তুত হৈ ললো—মনে মনে। তাৰপৰা দ্বিধাজড়িত কণ্ঠেৰে কলোঁ--"মানে, মই এই চহৰখনৰ কিবা বেলেগ বিশেষত্ব আছে নেকি—জানিবৰ কাৰণে চেষ্টা কৰাত, গোহাঁইদেউতা নামৰ এজন মানুহৰ কথা ক'লে। লগতে ক'লে যে গোহাঁইদেউতা সম্পৰ্কে আপোনাৰ আইতাকেহে ক'ব পাৰিব, নাইবা কিছু কথা আপুনিও জনাব পাৰে।"

এইবাৰ অকণমান চিন্তা কৰি তাই ক'লে,--"হয় নেকি ? কিন্তু মই কি ক'ব লাগে—চহৰখনৰ কথা, নে গোহাঁইদেউতাৰ কথা ?"

"পাৰিলে দুয়োটাই।"

"হয় নেকি ? তেনেহ'লে থিয় হৈ ৰ'ল কিয় ? আহক, ভিতৰলৈ আহক।"

ছোৱালীজনীক অনুসৰ কৰি গৈ মই প্ৰথম কোঠাটো সোমোৱাৰ লগে লগে নগৰৰ পৰা এখন ভিতৰুৱা গাঁৱৰ ভিতৰলৈ সোমোৱা যেন লাগিল। এখন পাটি টৰালৈ আঙুলিয়াই ক'লে—"বহক, ইয়াত পাটিতেই বহিব লাগিব। কাৰণ, নগৰৰ ওচৰতে আমি আছোঁ যদিও আৰু নগৰৰ সকলোবোৰ কথাই জানো যদিও আমি এটা অতীতত বাস কৰিছো।"

মই বহি লৈ তাইৰ মুখলৈ চাই ধাৰণা হ'ল—এই পাট গাভৰু ছোৱালীজনী ৰহস্যময় হৈ নপৰা হলে, নিসঙ্কোচে হিয়া উজাৰি ভাল পাব

পাৰি । তাই হাঁহি হৈ ক'লে,—"মোৰো কেতিয়াবা কাৰোবাক ভাল পোৱাৰ কথা মন্তব্য নহয় ; পিছে মই ভাবো এটা সময়ৰ প্ৰতীক হে ।"

মোৰ মনৰ ভাব ধৰা পৰাত লজ্জিত হ'বলৈ পাওঁতে নৌপাওঁতেই তাইৰ মাতটোৰ শেষৰ অংশ বতাহত বাজি উঠিল—"মই ভাবো এটা সময়ৰ প্ৰতীকহে ।"

"সময়ৰ প্ৰতীক ?"

"ওঁ । নগৰখন, মই আৰু তোমাৰ ডেকা কালটোৰ প্ৰতীক নহয় জানো ? আইতা আৰু মই দুয়ো সদায় লাগি এটা শতাব্দীক আমাৰ মাজত জব্দ কৰি ৰখা নাই জানো ? কিন্তু এই যে চহৰখন এইখন গঢ়ি উঠা কিমান দিন হৈছে ? বৰ বেছি দুকুৰি-আঠকুৰি বছৰ ।"

"কিয় ? এইখনতো আছিল স্বৰ্গদেউসকলৰ শেষ ৰাজধানী ।"

"ওঁ হয় ; আছিল । ৰঙ্গঘৰ, তলাতল ঘৰ,—বুঢ়াগোহাঁই পুখুৰী, ৰাজমাও পুখুৰী, ৰাজহাউলি, চকীহাট—এই আটাইবোৰ তাৰ সাক্ষী । কিন্তু সেইখন চহৰৰ লগত জানো এতিয়াৰ খনৰ তুলনা হয় ? আমি, অৰ্থাৎ প্ৰাচীন চহৰখনৰ মানুহবোৰ আছিলো অধিক সম্ভ্ৰান্ত, আত্ম-সন্মান-সচেতন, ধীৰ স্থিৰ, গভীৰ । কিন্তু"—মই মাজতে কলোঁ,—"বেয়া নাপায় যদি এটা কথা কওঁ—আপুনি কোৱা সমাজখন হ'ল সামন্ত সমাজ এখন, তাৰ প্ৰভাৱ এতিয়াও দেখোন অলপ অলপ থকা যেন লাগে ।"

তাই মুকুতাৰ দৰে দাঁতৰ সামান্য জিলিঙনিৰে হাঁহি মাৰি ক'লে—"আপুনি দেখোন চহৰৰ বিশিষ্ট মনোভাৱ নিজেই বিচাৰি পাব পাৰিব ।"

মই লজ্জিত হৈ ক'লো,—"নাই, নাই—মোৰ এটা সন্দেহৰ কথাহে মাত্ৰ কলো ।" "সন্দেহ নহয় ; সঁচা । চহৰখন যেতিয়াই বেপাৰ-বাণিজ্য, কল-কাৰখানাৰে ভৰি পৰিল, মানুহৰ মনবোৰো লাহে লাহে যন্ত্ৰলৈ পৰিবৰ্তিত হবলৈ আৰম্ভ কৰিলে । কিন্তু আমাৰ কি ইচ্ছা জানে ? আমাৰ ইচ্ছা আমাৰ মাজত অন্ততঃ অতীতৰ কিছু ধৰি ৰাখিম । আপুনি গোহাঁইদেউতাক যদি লগ পাব পাৰে,—তেতিয়া হলেহে বুজিব কথাষাৰ ।"

"তেখেত কোন আৰু কেনেকৈ লগ পাম ?"

"তেখেত হ'ল প্ৰায় ডেৰ শতাব্দীৰ প্ৰতীক। আমাতকৈ অতীতৰ। আপুনি আমাৰ ঘৰলৈ সোমোৱা বাটৰ প্ৰথম কেৰুৰিটোৰ পৰা উত্তৰলৈ যাব—ক্ৰমাৎ নদীৰ পাৰলৈ। সেইফালে এখন ডাঠ হাবি দেখা পাব। আচলতে হাবি নহয়—গোহাঁইদেউতাৰ বাৰী। কিন্তু সাৱধান—দক্ষিণৰ বাটেদি নোসোমাব,—পশ্চিমেদি ঘূৰি গৈ উত্তৰৰ বাটেদি সোমাব আৰু তাতে এটা বুঢ়া ভাটৌ লগ পাব। সি মাত দিয়াৰ পিচতেই বুকুলৈকে পকা ডাঢ়ি আৰু পিঠিলৈকে পকা চুলিৰে এজন বৃদ্ধ ওলাই আহিব, তেখেত হ'ল তাহানিৰ ফুকনৰ টোল নামৰ সংস্কৃত টোলৰ বৃদ্ধ পণ্ডিত। তেওঁ আপোনাক গোহাঁইদেউতাক দেখুৱাই দিব পাৰিব।"

মই নমস্কাৰ কৰি কলোঁ,—"ভাল তেন্তে যাওঁ।"

"ৰ'ব এখন তামোল খাই যাওক।"

পলকতে উঠি গৈ এখন কাঁহীত দুটা মালভোগ কল, মখা দৈ আৰু এহাতে বটা এটা লৈ তাই পুনৰ আহিল।

আগবঢ়াই দি ক'লে—"আপোনাৰ দৰে কোনেও আজিলৈকে 'চহৰৰ মন' বিচৰাহি নাই।"

মই গাখীৰ আৰু কল খাই, তামোল লৈ ওলাই আহিলো নমস্কাৰ দি।

তেতিয়াও মোৰ হাতত প্ৰচুৰ সময়। হোটেললৈ ৰাতি দহ বজাত ঘূৰিলেও হ'ব। গতিকে গোহাঁই বাৰীলৈ উদ্দেশ্য কৰি খোজ দিলো। কেঁচা আলিবাট। দেৰ মাইলমান কিজানি যোৱাৰ পিচত ছোৱালী-জনীয়ে দিয়া বৰ্ণনা মতেই বাৰীখন পালোগৈ। তাইৰ নিৰ্দেশ অনুযায়ী পকা দীৰ্ঘশ্মশ্ৰু আৰু চুলিৰ অস্বাভাৱিক বৃদ্ধক লগ পালো। বৃদ্ধই মোৰ কথাখিনি চকুমুদি শুনি লৈ, বৰ তীব্ৰ দৃষ্টিৰে মোৰ ফালে চাই ক'লে, "আহিলা, বাৰু লগ পাই যোৱা—কিন্তু চহৰৰ মনৰ খবৰ নোপোৱা, পাবা অতীতৰ।" বুলি তেওঁ এটা হুমুনিয়াহ কাঢ়িলে।

গোহাঁইদেউতাই গুৰগুৰি টানি এখন দলিছাত বহি আছিল। ওচৰত শৰাই, পিকদানি ইত্যাদি লাগতিয়াল সজুলি। তেওঁৰ চেহেৰা পণ্ডিততকৈ বহুত ভাল। মুখখন বগা আৰু সোতোৰা পৰা যদিও হাত-ভৰিৰ হাড় শকত শকত। চুলি, ভুৰু, গোঁফ সকলো সমানে

পকা। তেওঁক মোৰ কথা নিবেদন কৰাৰ পিছত ক'লে,—"বৰ সন্তোষৰ কথা। তুমি চহৰৰ কথা কৈছা—তাত জানো মানুহ লগ পালা? মানুহ আছিল আমাৰ সময়ত। অমানুহো আছিল কিন্তু। তথাপি মানুহৰ প্ৰাণ আছিল। এতিয়াৰ মানুহৰ প্ৰাণ আছে বুলি ভাবিছা? নাই। প্ৰাণৰ ঠাইত আছে একো একোটা যন্ত্ৰ। চাবি থাকে মানে শ্ৰম কৰি যায়। এইবোৰ যন্ত্ৰ ক'ত নিৰ্মাণ হৈছে জানা? নাজানা। সেইবোৰ মানুহেই নিৰ্মাণ কৰিছে। যন্ত্ৰই যন্ত্ৰৰ বাহিৰে আন কিবা উৎপাদন কৰিব পাৰেনে? গৰুৱে যিদৰে গৰু, বাঘে যিদৰে বাঘ, ছাগলীয়ে যিদৰে ছাগলীৰ জন্ম দিয়ে, যন্ত্ৰয়ো সেইদৰে যন্ত্ৰৰ জন্ম দিয়ে। এবাৰ মানুহ যন্ত্ৰ হৈ যোৱাৰ পিছত আৰু তাৰ পৰা তুমি মানুহ আশা কৰিব নোৱাৰা। সেইবাবে তুমি যদি এই চহৰখন অধ্যয়ন কৰিব খুজিছা—অতীত আৰু বৰ্তমান দুয়োটা চাই লোৱা। আৰু অতীতেই যদি চাব খোজা—মোৰ লগে লগে আহা।" বুলি তেওঁ বহাৰ পৰা উঠিল আৰু সোঁফালে দুৱাৰ খুলি ভিতৰলৈ সোমাল। গোটেই ঘৰটো জয়াৰ, নিস্তব্ধ আৰু অতি প্ৰাচীন। পুৰণি পুৰণি এটা গোন্ধ আহি নাকত লাগিলহি। চাৰিওফালে মাটিৰ চাকি আৰু নাহৰ গুটিৰ চাকি। গোহাঁইদেউতাৰ পিচে পিচে গৈ দেখিলো, এটা জুৰি প্ৰবল গতিৰে ঘৰৰ মজিয়াৰ মাজেদি বৈ ধৰিছে। জুৰিটো পাৰ হ'বলৈ এখন দলং আছে। তেওঁ দলং পাৰ হোৱাৰ আগতে বাওঁফালৰ এটা কোঠাৰ দুৱাৰ খুলি সোমালে। ময়ো গলো। তাতো মাটিৰ চাকি আৰু নাহৰ গুটিৰ চাকি। দক্ষিণৰ বেৰৰ দাঁতিত এখন পালেং আৰু তাত বগা কাপোৰ লৈ কোনোবা শুই আছে।

গোহাঁইদেউতাই ক'লে,—"ওচৰৰ পৰা চোৱাঁ।"

মই ওচৰলৈ যোৱাৰ লগে লগে কাপোৰৰ তলৰ পৰা এখন মুখ ওলাল—বগা, কাগজৰ দৰে শেঁতা বগা, অতিশয় ক্ষীণ কোনো বৃদ্ধাৰ। পিৰিক-পাৰাকৈ মোলৈ এবাৰ চালে আৰু আকৌ আগৰদৰে মূৰলৈকে কাপোৰ টানি শুই থাকিল।

মই অতিশয় শঙ্কা আৰু ভয়েৰে ওলাই আহিলো। গোহাঁইদেউতা দুৱাৰমুখতে বৈ আছিল। ক'লে, "দেখিলা?"

"হয়। তেখেত কোন ?"

"সময়।"

"সময় ?"

"ওঁ, সময় বুলি কৈছো নহয়। মই কেনেকৈ বন্দী কৰি থৈছো দেখিছা ?"

মই কিবা এখন যে ৰহস্যপুৰীত সোমালোহি সন্দেহ নাই।

তেৱেঁই ক'লে,--"ৰহস্যপৰীত সোমালোহি সন্দেহ নাই।"

তেৱেঁই ক'লে,--"ৰহস্যপুৰী নহয়, অতীতপুৰী। দেখা নাই এইটো জুৰি মোৰ মজিয়াইদি নিৰন্তৰ কেনেকৈ বৈ আছে ? এই জুৰিটো অনন্ত-কালৰ পৰা বৈ আছে। কিন্তু আচৰিত কথা কি জানা ? সি ক'ৰো পৰা ওলোৱা নাই আৰু ক'তো পৰাগৈ নাই। সেই যে বিছনাত দেখিলা তেওঁ শুই আছে—তেওঁ নিৰন্তৰ শুয়েই আছে। তেওঁক মই বন্দী কৰি মোৰ মুঠিৰ মাজত ৰাখিছো। সময় কি নদীৰ সোঁত ? নহয়। সময় স্থিৰ। বতাহৰ দৰে সি মাত্র সীমাৰ মাজত ঘূৰা-ফিৰা কৰিব পাৰে। কিন্তু মোৰ ওচৰত ঘূৰা-ফিৰাও নচলিব, নিশ্চল হৈ বৈ থাকিব লাগিব। এই যে জুৰিটো সি হ'ল অতীত-বৰ্তমান আৰু ভবিষ্যতৰ দাপোণ।"

তাৰ পৰা তেওঁ ক'লে—"আহা।"

মই তেওঁক অনুসৰণ কৰিলোঁ। তেওঁ সোঁহাতৰ কোঠাৰ দুৱাৰ খুলিলে আৰু ক'লে,—"ভিতৰত কি আছে, চাই আহাঁ।"

মই সোমাই গলো—আৰু দেখি আচৰিত হলো যে শাৰী শাৰীকৈ সজাই থোৱা কিছুমান মৰাশ। চকুৰে মণিব পৰালৈকে মৰাশ। এটা চুকত কেইটামান শগুণে ধপ-ধপাই আছে—যদিও মৰাশৰ ওপৰত পৰাহি নাই।

মই ভয়ত তাৰ পৰা ওলাই আহি গোহাঁইদেউতাক নেদেখি ইফালে সিফালে চাই দেখো—দলংখনৰ সিটো মূৰত গোহাঁইদেউতাই বেজিনা বুঢ়ীৰ নাতিনীয়েকক বুকত সাৱটি, ওঁঠত চুমা খাই আলিঙ্গনাবদ্ধ হৈ আছে। ছোৱালীজনীয়ে মাজে মাজে খিলখিলকৈ হাঁহি বুঢ়াৰ ডিঙিত

সাৱটি ধৰি ওঁঠত চুমা খাইছে। আচৰিত। এটা প্ৰচীন অতীত আৰু গাভৰু বৰ্তমানৰ--কি সঙ্গতিহীন সম্ভোগোদ্যত মিলন!

মোৰ কাণত কোনোবাই ফুচ্‌ফুচাই কলে,--"নেচাবা, গুচি আহা। নেপায় চাব। গুচি আহা বুলিছো নহয়, গুচি আহা।"......

# ষ্টাফ ফটোগ্ৰাফাৰৰ ছবি

চাৰিওফালে সন্ত্ৰাস বিয়পি পৰিছে—বাতৰি কাকত মেলি চাবলৈ ভয় লগা হৈছে--হত্যাকাণ্ড আৰু অগ্নি সংযোগ—আক্ৰমণ আৰু প্ৰতি আক্ৰমণ। স্কুল-কলেজ বন্ধ, অফিচ-কাছাৰী বন্ধ, নগৰৰ দোকান-পোহাৰ বন্ধ, জনশূন্য বাট-পথত মিলিটেৰী আৰু পুলিচৰ বুট-জোতাৰ শব্দ, পুলিচ ভান পাৰ হৈ যোৱাৰ শব্দ, হুইচেলৰ শব্দ। ওপৰত তীব্ৰ ৰ'দৰ পোহৰ খাওঁ-খাওঁ হৈ পৰিছে, দুই-এটা চিলনী বহুত ওপৰত বনাই ফুৰিছে। সমগ্ৰ নগৰ থম থম। ভাব হয় যেন এইমাত্ৰ কিবা এটা ঘটিব পাৰে—বোমা বিস্ফোৰণ হ'ব পাৰে, গুলীয়াগুলী হ'ব পাৰে।

টেলিপ্ৰিণ্টাৰ খটখটকৈ অবিৰতভাৱে বাজি আছে,--কাগজৰ ৰ'লত খবৰ বাহিৰ হৈ আহি আছে--ভয়াবহ খবৰ--এফালৰ পৰা গাঁও বিলাকত জুই লগাই দিছে—দাউ দাউকৈ জ্বলি উঠিছে--ঘৰ-দুৱাৰ, কষ্টাৰ্জিত সা-সম্পত্তি ; বাৰীৰ গছ-গছনি ।—খবৰ আহিছে যে নৃশংসভাৱে মানুহ হত্যা কৰা হৈছে—কেঁচুৱাক জুইৰ মাজলৈ দলিয়াই দিছে-তিৰোতাক ধৰ্ষণ কৰিছে--বৃদ্ধক গছকি মাৰিছে। খবৰ আহিছে যে--বাহিৰৰ প্ৰশিক্ষণ-প্ৰাপ্ত যুঁজাৰু আহি ছদ্মবেশত সোমাইছেহি আৰু হত্যাৰ লগত লুট-পাত আৰম্ভ কৰিছে—স্থানীয় আৰক্ষী চাউনি হয় নিৰব দৰ্শক নহয় অক্ষম। খবৰ আহিছে--সেনাবাহিনী তলব কৰা হৈছে—পোৱাহি

নাই, কাৰণ বাটত কেবাখনো দলং ভস্মীভূত কৰা হৈছে--ৰেল লাইনত বোমা বিস্ফোৰণ হৈছে। ভাব হয় চাৰিওফালে ভীষণ সন্ত্রাসৰ ৰাজত্ব চলিছে, ভাব হয়--দেশৰ ভিতৰত প্রচণ্ড যুদ্ধ চলিছে আৰু মানুহৰ প্ৰাণ আৰু সম্পত্তিৰ মূল্য নাইকিয়া হৈছে। খবৰ আহিছে--কোনোবা নেতা বা নেত্রীয়ে উদ্বিগ্নতা প্ৰকাশ কৰিছে--সমাজবিৰোধী শক্তিক উপযুক্ত শাস্তি দিয়া হ'ব বুলি ঘোষণা কৰিছে; কিন্তু তেনে নেতা বা নেত্রীৰ দলত থকা সমাজবিৰোধী—শক্তিবোৰ অনুল্লেখ্য হৈ ৰৈছে ইত্যাদি ইত্যাদি। খবৰ আহিছে—সেনা বাহিনীক কামত লগোৱা হৈছে--চি-আৰ-পিৰ অত্যাচাৰত আক্রান্ত মানুহ সৰ্বস্বান্ত হৈছে আৰু প্ৰাণ দিছে। খবৰ আহিছে--পুলিচৰ গুলীত শতাধিক লোক নিহত হৈছে। ভীষণ আৰু ভয়াবহ খবৰ। হাতত বগৰি গুটি লৈ থকা শিশুক বিদ্রোহী বুলি গুলী কৰা হৈছে--পুলিচ দেখি ভয় খাই পলাই যোৱা কিশোৰক পিছফালৰ পৰা গুলীয়াই বগৰাই দিয়া হৈছে--চৈধ্য বছৰীয়া ল'ৰাৰ হাতত গজাল মাৰি জেৰা কৰা হৈছে—প্লায়াৰ্চৰে গাৰ মঙহ ছিঙি--অপৰাধ স্বীকাৰৰ বাবে হেঁচা দিয়া হৈছে। কচাই-খানাত দেশ পৰিণত হৈছে। ইয়াৰ লগত যদি ছবি থাকিলহেঁতেন!

॥ দুই ॥

এই পটভূমিত দেখা গ'ল--দৈনিক কাকতৰ অফিচত ভীষণ ব্যস্ততা। টেলিপ্রিন্টাৰ আৰু টেলিগ্রামৰ খবৰেৰে মজিয়া অভাৰ ফ্লাড়েড। ডেস্কত হৰিবল অৱস্থা। আন্তৰ্জাতিক আৰু দেশীয় খবৰবোৰৰ গুৰুত্ব চাইহে দুই-এটা বুটলিবলগীয়া হৈছে—আৰু সাধাৰণ অৱস্থাত হেড্-লাইন পাবলগীয়া নিউজবোৰ গুৰুত্ব নোহোৱা হৈছে। ধৰ্মপ্ৰাণা মহিলাৰ মৃত্যু, চৰকাৰী অফিচত দুৰ্নীতি; এজোপা কল-গছত দুটা ডিল, দিন দুপৰতে চোৰৰ টিঘিল-ঘিলনি, বয়বস্তুৰ মূল্য বৃদ্ধি আদি স্থানীয় সংবাদদাতাই গোটাই পঠোৱা বাতৰি ৱেণ্ট-পেপাৰ বাস্কেটত। সহকাৰী সম্পাদক হাজৰিকাই ক'লে—"মহন্ত, মেল-নিউট্ৰেচনৰ নিউজ আৰু ছবিখন দিব পাৰি নেকি?"

"মেল-নিউট্ৰেচন্? নাঃ নহব।" মহন্ত ব্যস্ত হৈ পৰিল। "কিন্তু,

আন্তৰ্জাতিক শিশুবৰ্ষ পালনৰ সময়ত কেৱল এখন দেশত প্ৰায় কেবা-লাখো শিশু—"

হাজৰিকাৰ বাক্যটো পূৰ হ'বলৈ নাপালে। গগৈয়ে ক'লে, "এতিয়া শিশু-তিশুৰ কথা বাদ দিয়ক। আমি আচলতে হিউমেন প্ৰব্লেম লৈ মূৰ ঘমাব নোৱাৰোঁ। আমাক এতিয়া লাগে পলিটিকেল তপত খবৰ আৰু পৰিসংখ্যা।"

হাজৰিকাই শেষ চেষ্টা কৰি চালে, "কিন্তু, আমাৰ নিউজবোৰতো হিউমেন প্ৰব্লেমেই।"

"টু চাম্ এক্সটেন্ট্"—মহন্তই ক'লে আৰু সংযোগ কৰিলে, "হিউমেন প্ৰব্লেম যেতিয়ালৈকে প'লিটিকেলাইজদ্ নহয়, তেতিয়ালৈকে তাৰ কোনো নিউজ-ভেল্যু নাথাকে। অঁ, আপুনি যদি দেখুৱাব পাৰে যে মেল-নিউট্ৰেচনৰ নামত ইমান লাখ বা কোটি টকাৰ হিচাপ নাই, লগত যদি তেনেকুৱা শিশুৰ ছবি দিব পাৰে, তেতিয়া ছেন্‌ছেচনেল্ নিউজ হ'ব পাৰে।"

"আমাৰ বাবে কি মানুহ কেৱল পৰিসংখ্যা আৰু ৰাজনৈতিক ডবা খেলৰ গুটি?" --হাজৰিকাৰ এই প্ৰশ্নত আটাইকেইজনে হো-হোকৈ হাঁহিলে, যেন এটা হাঁহিবলগীয়া প্ৰশ্ন উত্থাপিত হ'ল।

॥ তিনি ॥

দেখা গ'ল ষ্টাফ কেমেৰামেন ভাগৱতী সম্পাদকৰ টেবুলৰ কাষত দণ্ডায়মান। ওপৰত ফেন টপ্ স্কে'লত চলি থাকিলেও চুটি-চাপৰ ভাগৱতী গলদঘৰ্ম হৈ গৈছে। তেওঁ এফালৰ পৰা ছবিবোৰ দেখুৱা-বলৈ আৰম্ভ কৰিছে--ভাগি থকা দলং, পুৰি পেলোৱা ঘৰ, জনশূন্য ৰাজপথ, ৱালত শ্ল'গান, উভালি পৰা এৰগছ, বাগৰি পৰি থকা ৰেলৰ বগী। তেওঁ ধুই অনা নিগেটিভৰ ৰোলটো খুলি পোহৰৰ ফালে মেলি ধৰিছে আৰু সম্পাদকে ৰিভলভিং চেয়াৰখন ঘূৰাই লৈ ডাঠ-মোটা চশমাৰে একোবাৰ নিৰীক্ষণ কৰিছে ... ক ডাক্তৰে একোখন এক্স-ৰে প্লেট চোৱাৰ দৰে। ভাগৱতীয়ে ধৰং ... আৰু উদ্বেগেৰে সম্পাদকৰ

মুখখন লক্ষ্য কৰিছে ঃ তেওঁৰ চকুৰ লেন্সত ধৰা দিছে—টপা হ'বলৈ ধৰা এটা মূৰ, কুঞ্চিত চকুৰ দৃষ্টি—য'ত কোনো আশাব্যঞ্জক চাৱনি ফুটি উঠাৰ আৰু সম্ভাৱনা নাই, এটা দীঘল নাক—নাকৰ আগত এটা ক'লা মাহ বা তিল, ডাঠ ওঁঠ—

সম্পাদক টেবুলৰ ফালে ঘূৰি বহিল আৰু ছবিবোৰ ঠেলি দি ক'লে,—"লৈ যাওক।"

ভাগৰতী হতাশ হৈ পৰিল। ভয়ে ভয়ে ক'লে, "এখনো নহবনে ছাব ?"

"এনেকুৱা বহুত ছবি ওলাই গৈছে।" তেওঁ অকমান বৈ আকৌ ক'লে, "আচ্ছা, আপুনি কোনো ঘটনাৰ একচনৰ মুহূৰ্তৰ ছবি ল'ব নোৱাৰেনে ?--এক্সক্লুছিভ, ইউনিক্ ? সদায় আপুনি সকলো ঘটনা ঘটি যোৱাৰ পিছত যায় আৰু বাহীবিয়াৰ ছবিৰ দৰে ছবি এখন লৈ আহে। কি লাভ ?" ইমানবোৰ ঘটনা ঘটি আছে অথচ আমাৰ কাগজত এখনো ভাল ছবি দিব পৰা নাই। আপুনি বিস্ক লৈ যত্ন নকৰিলে কেনেকৈ হ'ব ? যুদ্ধৰ ছবি কেনেকৈ সংগ্ৰহ কৰা হয়, আপুনি নিশ্চয় জানে ? তেনেহলে ?" শেহলৈ যেন সম্পাদকৰ মাতত এটা ভৰ্ৎসনাৰ সুৰ স্পষ্ট হৈ পৰিছে। যদি শব্দৰ ছবি ল'ব পৰা হ'লহেঁতেন তেনেহলে শব্দবোৰৰ মুখবোৰ নিশ্চয় অসন্তোষত বিকৃত দেখা গ'লহেঁতেন।

॥ চাৰি ॥

ভাগৰতীয়ে যত্নৰ ত্ৰুটি কৰা নাই। তেওঁ অফিচ আৰু ঘৰ, বজাৰ আৰু বাজবাট সকলোতে সকলো সময়তে ভাবে যে চকুৰ আগত কিবা এটা ভয়ানক ঘটনা ঘটি যাব আৰু তেওঁ কান্ধৰ পৰা কেমেৰা ঊলিয়াই লৈ ঠিক সময়ত শ্বট কৰিব। তেওঁ কল্পনা কৰে—তেওঁ এনে এটা শ্বট ল'ব যে সম্পাদকৰ চকু সপ্ৰশংস হৈ উঠিব, ডেস্কৰ মানুহৰ চকু বহল হৈ যাব আৰু পিছদিনাৰ কাগজত সেই ছবি দেখি মানুহ বিচলিত হৈ পৰিব। কেমেৰা হেন্দোল কৰা মানুহে ক'ব,—

"বাঃ বেছ এংগোল।" পিছদিনা পাঁচফুট তিনি ইঞ্চি ওখ ভাগৱতীৰ নিজকে ছ-ফুট তিনি ইঞ্চি যেন লাগি যাব। ৰাজবাটেদি তীব্ৰ বেগত চলি যোৱা গাড়ী দেখিলে ভাগৱতীৰ ভাব হয়--এইমাত্ৰ গাড়ীখন এটা এক্সিডেণ্টৰ সন্মুখীন হ'ব আৰু তেওঁ ধৰি ৰাখিব এক্সিডেণ্টৰ চৰম মুহূৰ্তটোৰ ছবি--গাড়ীৰ ছবি, মানুহৰ মুখ, চালকৰ চকু। নাইবা, এনে হ'ব পাৰে--যে তেওঁ এটা সংঘৰ্ষ-আক্ৰান্ত অঞ্চললৈ গৈছে আৰু দুদল মানুহৰ মাজত হোৱা জীৱন্ত সংঘৰ্ষৰ চৰম মুহূৰ্তৰ ছবি তেওঁৰ কেমেৰাই ধৰি ৰাখিছে। কিন্তু, কি যে হয়—ইমান ঘটনা বা দুৰ্ঘটনাৰ মাজতো তেওঁ বিচৰা সকলোবোৰ উপাদান কোনো প্ৰকাৰে একেলগ নহয়--তেওঁৰ এংগল কোনো প্ৰকাৰেই মাৰ্ভেলাছ হৈ নুঠে। ডাৰ্ক ৰুমত নিগেটিভ ধুই তেওঁ নিজেই হতাশ হৈ পৰে।

তথাপি তেওঁ ব'ঠা এৰি দিয়া নাই। অফিচলৈ আহি প্ৰত্যেকটো বাতৰি তেওঁ খুটিয়াই পঢ়ে আৰু লগত ছপা হোৱা ছবিবোৰ সন্তৰ্পনে নিৰীক্ষণ কৰে—তেওঁৰ মুখ-চকু পোহৰ হৈ উঠে—তেওঁ তাতোকৈ ভাল ছবি লব পাৰিব যেন ভাব হয়। তেওঁ নিউজ মেগাজিনবোৰ চাবলৈ ধৰে আৰু কিছুমান ছবি দেখি অভিভূত হয়—এই যে ছুৰীখন পেটত মাৰি দিছে আৰু মুখখন বিকৃত কৰি আহত জন পৰি গৈছে--অথবা হেলিকপ্টাৰখন ঠিক সৰি পৰিব খুজি বেক হৈছে আৰু তাৰ ভাৰসাম্য হেৰুৱাই পেলাইছে--পুলিচে ঠিক গুলী টোঁৱাইছে আৰু এটা ডেকা ল'ৰাই পেটত ধৰি পৰি যাব খুজিছে--ঠিক প্লেনখন হাইজাক্ কৰিবৰ বাবে কামাণ্ডাৰৰ পিঠিত পিস্টল থৈছে আৰু কক্‌পিটৰ আধা মেল খাই দুৱাৰৰ ফাঁকেদি কেমেৰাই দৃশ্যটো ধৰি ৰাখিছে—ইত্যাদি ইত্যাদি। এনেকুৱা সময়ত ভাব হয় যেন ভাগৱতীয়ে নিজে কেমেৰা পোন কৰি লৈছে আৰু তেওঁ কেমেৰাৰ লেন্সৰ মাজেদি ঘটনাটো দেখিছে। এনেকুৱা সময়ত তেওঁৰ চকু-মুখ উজ্জ্বল হৈ পৰে, তেওঁৰ নাৰ্ভৰ ক্ৰিয়া দ্ৰুততৰ হয় আৰু তেওঁৰ ভাব হয় ঘটনাটো যেন ঘটি আছে আৰু তাৰ শীৰ্ষবিন্দুৰ ছবি লবৰ বাবে তেওঁ শ্বাসৰুদ্ধ হৈ অপেক্ষা কৰিছে। ভাগৱতীৰ সম্পাদকৰ ওচৰলৈ গৈ কবৰ মন যায়, "মোক আৰু অকমান ফ্ৰিডম্ দিয়ক, মই মাৰ্ভেলাছ ছবি তুলি দিম।"

॥ পাঁচ ॥

তেওঁ অৱশ্যেই এজন বিবাহিত লোক। ওখ পাঁচ ফুট তিনি ইঞ্চি। গাৰ বৰণ সামান্য ক'লা চানেকীয়া; নাকটো তুলনামূলক ভাৱে অকমান ভোটা; চকু কেইটাও তুলনামূলকভাৱে অকমান সৰু। অনেক বিবাহিত লোকৰ দৰেই তেওঁ পত্নীৰ ওপৰত অনেক পৰিমাণে নিৰ্ভৰশীল আৰু সেইবাবে তেওঁৰ পাৰিবাৰিক ব্যক্তিত্ব কিছু পৰিমাণে নিস্তেজ। তদুপৰি, নিঃসন্তান হোৱাৰ বাবে তেওঁৰ পত্নীৰ মেজাজো সদায় ভালে নাথাব পাৰে আৰু এনে অৱস্থাত কেতিয়াবা তেওঁৰ স্থিতি প্ৰায় বিপদজনক হৈ উঠাৰ সম্ভাৱনাই দেখা দিয়ে। কেতিয়াবা তেওঁৰ মূৰ কোনো বাতৰিৰ আঁৰৰ সম্ভাব্য দৃশ্যই ভৰাই পেলায়। অফিচত কেতিয়াবা সম্পাদকে কয়, "ভাগৱতী, আপুনি আপোনাৰ চিন্তা শক্তিক কিছু কামত লগাবচোন" অৰ্থাৎ, "ভাগৱতী তোমাৰ মূৰত ঘিউ নাই।" সম্পাদকেতো নাজানে ভাগৱতীয়ে কি দৃশ্য কল্পনা কৰি কেমেৰা পোন কৰিছে। কেতিয়াবা তেওঁৰ পত্নীয়েও নাজানে। হয়তো তেওঁ পত্নীৰ আগত বিৱৰণ দিছে--ঘটনাটো কেনেভাৱে ঘটিব পাৰে--তাৰ লোকেশ্যন কি হ'ব পাৰে। হয়তো তেওঁ কব খুজিছে-- "ঠিক মানুহজনৰ গাত গুলীটো লাগিছে আৰু তেওঁ এটা শব্দ কৰি বাগৰি পৰিব খুজিছে—তেওঁৰ চকু-মুখত ভয়, বিস্ময় অসহায়তা। ধৰা—সেই মুহূৰ্তত মোৰ কেমেৰাই ফ্লেছ্ কৰি উঠিল—ভাবা কি সাংঘাতিক শ্বট.....।"

পত্নীয়ে হয়তো বিছনাত বহি ফটা কাপোৰ ৰিপু কৰি থাকিব পাৰে, টে'পৰ কাষত বহি বাচন-বৰ্তন ধুই থাকিব পাৰে, অথবা মূৰ কামোৰণিত ৰ'ব নোৱাৰি অনপ ভিক্স মালিছ কৰি বিছনাত পৰি থাকিব পাৰে। হয়তো কাপোৰ ৰিপু কৰি থকা পত্নীৰ খীণ মুখখনৰ এটা অংশ কেৱল তেওঁ দেখিছে আৰু সেইবাবে কোনো ভাবান্তৰ লক্ষ্য নকৰি অনৰ্গল কৈ গৈছে। হয়তো তেওঁৰ কথাত হঠাৎ পত্নী অন্যমনস্ক হৈ যোৱাত বেজীৰ আগটো তেওঁৰ আঙুলিত লাগি তেজ ওলাইছে, অথবা টে'পৰ কাষত বহি ধুই থকা গ্লাছ এটা পৰি ভাগি গৈছে, অথবা স্বামীৰ কথাত

তেওঁৰ মূৰৰ বিষ ক্ৰমাৎ বাঢ়ি গৈছে। পত্নীৰ টিঙিচকৈ খং উঠিল আৰু হঠাৎ মুখৰ পৰা ওলালে, "অপদাৰ্থ।"

অৱশ্যে বিয়াৰ পিছত বহুত দিনলৈকে পত্নীয়ে তেওঁৰ কথা মনোযোগেৰেই শুনিছিল আৰু আশা কৰিছিল—হঠাৎ এদিন তেওঁৰ স্বামীৰ ছবি দেশতে নহয় বিদেশতো প্ৰচাৰ হ'বলৈ ধৰিব আৰু তেওঁবিলাকৰ ভাগ্যৰ দ্ৰুত পৰিবৰ্তন ঘটিব। এই প্ৰায় দেৱ খোটালীৰ ঘৰটোৰ ঠাইত তেওঁবিলাকৰ এটা নিজা ঘৰ হ'ব আৰু আৱশ্যকীয় সৰঞ্জামেৰে ঘৰ ভৰি পৰিব—আগফালে লন থাকিব, পৰ্টিকত গাড়ী থাকিব, ছিটিং ৰুমত ষ্টেৰিঅ' ৰেকৰ্ড প্লেয়াৰ আৰু টিভি ছেট থাকিব, ফ্ৰিজত সঞ্চিত খাদ্যবস্তু থাকিব, ৰান্ধিবৰ বাবে ৰন্ধনী থাকিব ইত্যাদি। আশা কৰিছিল—তেওঁবিলাক মাজে মাজে গাড়ী লৈ ফুৰিবলৈ যাব, কেতিয়াবা ঘৰত নাৰান্ধি হোটেলত দুপৰীয়াৰ আহাৰ কৰিব; মাজে মাজে চিনেমা থিয়েটাৰলৈ যাব; বন্ধু-বান্ধবৰ লগত আড্‌ডা দিব ইত্যাদি।

কিন্তু পত্নী হতাশ হৈছে। বয়-বস্তুৰ মূল্য বাঢ়ি গৈছে; থকা ঘৰৰ চাৰিওফালে পানী জমা হৈছে; স্বাস্থ্য পৰি আহিছে, জীৱনত কোনো চেঞ্জ নোহোৱা হৈছে। প্ৰথম বয়সত যি কল্পনা আছিল— তেওঁবিলাকৰ এহাল ছবিৰ দৰে শকত-আৱত হাঁহিমুখীয়া ল'ৰা-ছোৱালী থাকিব, সিহঁতৰ আবদাৰ-অভিমান থাকিব; সিহঁতক ডাঙৰ কৰাৰ চিন্তা থাকিব; সেইবিলাক ইমান দিনে বাষ্প হৈ উৰি গৈছে। এতেকে তেওঁৰ মুখৰ পৰা স্বাভাৱিকভাৱে ওলাইছে "অপদাৰ্থ"। সেই শব্দ ৰাইফলৰ গুলীৰ দৰে তেওঁৰ বুকুত লাগিছে আৰু হয়তো তেওঁৰ মুখমণ্ডলত গুলীত বাগৰি পৰিব খোজা মানুহৰ মুখছবি প্ৰতিফলিত হৈছে।

॥ ছয় ॥

সম্পাদকে ক'লে, "চাওক ভাগৱতী, আজি গুৰুত্বপূৰ্ণ ঘটনা ঘটিব পাৰে। ষ্টাফ ৰিপোৰ্টাৰ গৈগে যাব। কেমেৰা লৈ আপুনি যাব।

মোক যি কোনো ৰটোন ছবি এসোপা নালাগে--আপুনি যদি এখন ভাল ছবি আনিব পাৰে, যথেষ্ট। ইয়াৰ লগত আপোনাৰ কেৰিয়াৰৰ প্ৰশ্নও জড়িত বুলি ভাবে যেন।"

ভাগৱতী ওলাই আহিল। তেওঁ টেবুলৰ ওপৰত বহি কেমেৰা সজাই ল'লে। গগৈক ক'লে, "মোক সময়ত ইংগিত দিব গগৈ।"

"এঃ মই বা ক'ত কেনেকৈ থাকোঁ। আপুনি নিজেই ঠিক কৰিব।"

পুৱা ন বজাত খেল পথাৰত ল'ৰা-ছোৱালীবোৰ গোট খাব আৰু তাৰ পিছত একো একোটা দল হৈ নগৰখনত বিয়পি পৰিব। কোনো কাৰ্যালয়ত কাম কৰিবলৈ যাতে কোনো যাব নোৱাৰে তাৰ বাবে প্ৰত্যেক বাটৰ মূৰত, কাৰ্যালয়ৰ সন্মুখত পিকেটিং কৰিব। আঁচনি সাজু।

পুৱা দেখা গ'ল প্ৰত্যেক আলিৰ মূৰত তীখাৰ টুপী পিন্ধা পুলিচ। কান্ধত ৰাইফল। যিফালে চকু যায় সেইফালেই পুলিচ—সশস্ত্ৰ আৰু হিংস্ৰ। বুট জোতাৰ শব্দত জনপথ গৰম। মটৰ গাড়ী, ৰিক্সা, চাইকেল সকলো বন্ধ। এটা যেন যুদ্ধৰ প্ৰস্তুতি। এটা যেন ভয়ংকৰ কিবা ঘটনা ঘটাৰ প্ৰস্তুতি। জেপত আইডেনটিটি কাৰ্ড আৰু কান্ধত কেমেৰা লৈ ভাগৱতী ওলাই গ'ল—শংকা আৰু আশা এটা ভয়ংকৰ ঘটনা ঘটিলেই হ'য়--পুলিচে ঠিক গুলী মাৰিছে আৰু সিফালে ল'ৰাটো বাগৰি পৰিছে; নাইবা, লাঠীডাল পূৰ্ণহতীয়াকৈ লৈ মাৰিব খুজিছে আৰু ছোৱালীজনীৰ মুখ-চকুত মৃত্যু-বিভীষিকা ফুটি উঠিছে—ঠিক সেই মুহূৰ্তত--তেওঁৰ কেমেৰাৰ বাল্ব জ্বলি উঠিছে বিজুলী-চমকেৰে। নাইবা এনেকুৱা হ'ব পাৰে যে পুলিচে নৃশংসভাবে এটা ল'ৰাক মাটিত পেলাই লৈ বুকুত সংগীন বহুৱাই দিছে আৰু ভয়াৰ্ত ল'ৰাটোৱে জীৱনৰ সমস্ত শক্তিৰে চিঞৰি উঠিছে, আৰু এটা নিউজ ভেলু, ছেন্‌ছেচনেল্ নিউজ ভেলু থকা এখন ছবি তেওঁ ধৰি ৰাখিছে। এই ছবিখনে প'লিটিকেল ইম্পৰ্‌টেন্স পাব পাৰে, ছবিখন জুডিচিয়েল এ'নকোৱাৰিত এটা ডাঙৰ এ'ভিডেন্স্ হ'ব পাৰে। এটা ল'ৰা বা এজনী ছোৱালী, এজন পুৰুষ বা এগৰাকী মহিলাৰ জীৱনৰ সলনি এটা মূল্যবান নিউজ ভেল্যু থকা ছবি লাভ হ'ব পাৰে। এনে এখন ছবিৰ ওপৰত নিৰ্ভৰ কৰিছে তেওঁৰ কেৰিয়াৰ—তেওঁৰ জীৱিকা—তেওঁৰ পত্নীৰ ভৱিষ্যত—

ঘৰৰ ভাড়া—ডাক্তৰৰ খৰচ। ক্ষমতাৰ বাবে শ-শ মানুহক হত্যা কৰা হৈছে, পংগু কৰা হৈছে, পশুৰ দৰে ব্যৱহাৰ কৰা হৈছে; তেওঁৰ আৰু তেওঁৰ পত্নীৰ বাবে লাগে মাত্ৰ এটা ঘটনাৰ এখন ছবি। এতিয়া তেওঁৰ বাবে মানুহৰ জীৱনৰ মূল্যতকৈ এটা সংবাদৰ মূল্য বেছি। ভাগৱতী ওলাই গ'ল।

॥ সাত ॥

এই দৃশ্যত দেখা গ'ল এটা অফিচৰ দুৱৰমুখত কেইবাশও ল'ৰা-ছোৱালী—সাত-আঠৰ পৰা এঘাৰ-বাৰ বছৰৰ হ'ব পাৰে—নীলা হাফ-পেণ্ট আৰু বগা হাফচাৰ্ট—ভৰিত বগা মোজা আৰু ক'লা জোতা—স্কুলৰ ইউনিফৰ্মত আহিছে। ছোৱালীবোৰৰ নীলা স্কাৰ্ট—বগা হাফ-শ্বাৰ্ট, মূৰত বিবণ। সিহঁতৰ মুখবোৰত উজ্জ্বলতা। দেখা গ'ল ভাগৱতী আহি চাৰিআলিৰ মূৰত বৈ গ'ল। তেওঁ নিৰীক্ষণ কৰিবলৈ ধৰিলে—ল'ৰা-ছোৱালীবোৰ স্কুলৰ পৰা খেল পথাৰেদি খোজ কাঢ়ি আহিছে—কিয় আহিছে ক'ব নোৱাৰে বা পাৰিলেও গুৰুত্ব বুজা নাই। তেওঁ ওচৰ চাপি আহিল—দেখিলে সিহঁতে একেলগে শ্লগান দি আছে যদিও মাজে মাজে ইটোৱে সিটোলৈ চাই হাঁহিছে—কোনোবাটোৱে কিবা কৈছে—কাণে কাণে—সিহঁতে অফিচৰ বাটটো ভেটি ধৰি আছে। মাকে হয়তো পুৱাতে পিন্ধাই-উৰাই পঠাই দিছে।

ভাগৱতীয়ে দেখিলে, নাঃ ইয়াত কোনো ছেন্সেচনেল ঘটনা ঘটাৰ সম্ভাৱনা নাই—এই পেন্দুকনা ল'ৰা-ছোৱালীবোৰৰ এটা ছবি লৈ থ'ব পাৰি—কিন্তু সম্পাদকে ক'ব যে এইবোৰ চিৰাচৰিত ঘটনা, বস্তাপচা ছবি—কি লাভ হব ফিল্ম খৰচ কৰি? ভাগৱতী ক্ৰমাৎ ওচৰ চাপি আহিল আৰু ল'ৰা-ছোৱালীবোৰৰ সন্মুখেৰে পাৰ হৈ যোৱাৰ উপক্ৰম কৰিলে।

হঠাৎ এটা বিকট বিউগলৰ দৰে দীঘলীয়া শব্দ কৰি কেইবাখনো গাড়ী প্ৰচণ্ড গতিৰে দেখা দিলে—ওপৰত ৰঙা লাইটৰ চমকনি—কৰ্কশ

শব্দ কৰি গাড়ীবৈ যোৰাব শব্দ আৰু ভাগৰতীয়ে দেখিলে উন্মত্ত, হিংস্ৰ পুলিচ বাহিনী দুপ-দাপ কৰি নামি আহিল--তেওঁ দেখিলে ল'ৰা-ছোৱালী-বোৰে ফেঁকুৰি কান্দি যেনি-তেনি দৌৰিবলৈ ধৰিলে--সিহঁতৰ চকুত ভীষণ ভয়ৰ চাৱনি--দেখিলে কেইটামান ল'ৰা-ছোৱালীয়ে বন্ধ স্কুলৰ গেটৰ ৰেলিঙত খামুচি ধৰি আতংকত শিয়ৰি উঠিছে--দেখিলে এডাল প্ৰকাণ্ড লঠী লৈ এটা তীখাৰ টুপী পিন্ধা উন্মত্ত হিংস্ৰ পুলিচ আগবাঢ়ি গ'ল আৰু সি লাঠিদাল দুহাতেৰে ধৰি মূৰৰ ওপৰলৈ তুলি ল'লে—দেখিলে এটা আঠ বছৰীয়া অসহায়; আতংকিত, ফুল-কলি যেন শিশুৰ মুখখন এতিয়া প্ৰকাণ্ড লাঠীৰ আঘাতত চূৰ্ণ হয়—।

ভাগৰতীয়ে নিজৰ কেৰিয়াৰ, তেওঁৰ আৰু স্ত্ৰীৰ ভৱিষ্যত, মূল্যবান নিউজ; সম্পাদকৰ সপ্ৰশংস দৃষ্টি; সহকৰ্মীৰ বিস্ফাৰিত চকু—এই সকলোবোৰ পাহৰি গ'ল আৰু তেওঁ তীব্ৰ বেগত গৈ ল'ৰাটোক সাৱটি ধৰিলে।........

ভাগৰতীয়ে নেদেখিলে সেই মুহূৰ্ত্ততে সন্মুখৰ ঘৰৰ চাদৰ ওপৰৰ ফ্লেছ্ কৰি উঠিল আন কাৰোবাৰ কেমেৰা!

॥ আঠ ॥

পিছদিনা পুৱাৰ কাগজত হেড লাইন: "উন্মত্ত পুলিচৰ আক্ৰমণৰ পৰা ল'ৰা-ছোৱালীক বচাবলৈ গৈ ফটোগ্ৰাফাৰ সাংবাদিক নিহত"। লগতে ওলাল ঠিক সেই মুহূৰ্তৰ ছবি—ছেন্সেছনেল, সঁচাকৈয়ে ছেন্সেছনেল্।

# বিমূঢ়-বিমূঢ়

শেষ ডিচেম্বৰৰ এটা অন্ধকাৰ শীতৰ ৰাতি ।

ধাৰণা হয় শৰীৰৰ সকলো আচ্ছাদন কোনোবাই আজুৰি ছিঙি লৈ গৈছে আৰু শীতৰ প্ৰচণ্ড আঘাতত শৰীৰৰ সকলো অংগ-প্ৰত্যংগ চূৰ্ণ-বিচূৰ্ণ হৈ ভাগি পৰিছে আৰু ৰক্তস্ৰোত বৰফত পৰিণত হওঁ-হওঁ হৈছে । এই অন্ধকাৰ আৰু শীত ক'ত জমা হৈ আছিল ? দিনৰ সূৰ্যৰ উত্তাপহীন পোহৰৰ ফাঁকত ; অদৃশ্য বায়ু-তৰঙ্গত ৰাস্তাৰ আৱৰ্জনাৰ দৰে ই সিচঁৰিত হৈ আছিল অথবা চোপ লৈ আছিল । আৰু ৰেলি পৰাৰ মুহূৰ্তলৈ তীব্ৰ আৰু আক্ৰমণৰ উন্মাদনাৰে এজাক অদৃশ্য শত্ৰুৰ দৰে চোপ লৈ আছিল ।

তথাপি বিপুল বোৰা নাছিল । এটা ভয়ানক শক্তিয়ে যেন তাক আগলৈ ঠেলি নি আছিল । ভাব হৈছিল--ঘূৰি চালেই তাৰ গতি বৈ যাব আৰু তাক কোনোবাই ধৰি পেলাব ।

এটা ক্ৰমবৰ্দ্ধমান শক্তিৰ যেন হঠাৎ বিস্ফোৰণ হৈছে আৰু বিপুলে তাৰ পৰা পলাবলৈ যেন আৰম্ভ কৰিছে । সঁচাকৈয়ে সি পলাইছে । সি যেন এই সূচীভেদ্য অন্ধকাৰতো দেখিছে—ঠিকাদাৰ মুখখন ঃ বিষণ্ণতা আৰু হিংস্ৰতা মিহলি হৈ ভয়ঙ্কৰ হৈ উঠা মুখ । বিপুলৰ বিশ্বাসঘাত-

কতা। ওহো সিতো বিশ্বাস হেৰুৱাবলৈ যোৱা নাছিল। তাৰ চকুৰ আগত যেন দেখিছে—নিতু আৰু মীনাক্ষি দত্তৰ মুখ। এখন মুখ গোল, নিটোল আৰু তাৰ বহু বছৰৰ পৰিচিত। আঃ অনেক পুৰণি কথা—।

বিপুলে বাৰে বাৰে উজুটি খাইছে। অসমান ঠাইত তাৰ ভৰিয়ে আন্ধাৰত খোপনি লব পৰা নাই। নদীৰ পাৰৰ ফেৰফেৰীয়া বতাহ বৈছে। তুমি লোৱা কোটৰ কলাৰটো কোনোবা ফালে বহি গৈছে আৰু সেইপিনে তীব্ৰ গতিৰে জাৰ সোমাইছে। তাৰ কান্ধৰ পৰা মোনাটো সৰি পৰোঁ সৰি পৰোঁ হৈছে আৰু বাহুটো জোকাৰি সি মোনাটো কান্ধৰ পৰা পিছলি নপৰাকৈ ৰাখিছে। এহাতত তাৰ সৰু ব্ৰীফকেছটো গধুৰ গধুৰ লাগিছে।

তাৰ ভাব হৈছে পৰাগহঁতে তাক বিচাৰি আহিব পাৰে। সিহঁত আড্ডালৈ যাব পাৰে—য'ত সদায় ঘন্টাৰ পিছত ঘন্টা সিহঁত বহিছিল। সিহঁতৰ এটা আদৰ্শ গঢ়ি উঠিছিল আৰু বিপুল আছিল যাই প্ৰেৰণা। তাৰ মনত অনেক দিনৰ পুঞ্জীভূত ক্ৰোধ জমা হৈ আছিল। দেউতাক, মাক, ককায়েক, ভনীয়েকহঁতৰ লগতে তাৰো প্ৰথম যৌৱনৰ কষ্টকৰ দিনবোৰে তাৰ মনত জগাই তুলিছিল অভিজাত বিদ্বেষ। এটা যেন বিষ আৰু তাক নাইকিয়া কৰিবলৈ কৰা কষ্ট। আঃ বৰ পুৰণি কথা—।

বিপুলে নদীৰ বালিৰ স্তুপত বাৰে বাৰে উজুটি মাৰিছে আৰু স্তুপ-বোৰ ভাগি গৈছে। শৰীৰ আৰু মনে—বিশ্বাসঘাতকতা কৰোঁ কৰোঁ হৈছে। অন্ধকাৰবোৰ বগা জুলীয়া যেন বোধ হৈছে আৰু ঘাটৰ অদূৰত থকা শাৰী শাৰী অস্থায়ী জুপুৰীবোৰ আন্দাজতে লক্ষ্য কৰি ভৰিকেইটাক টানি লৈ গৈছে।

এনেকৈ আৰু এদিন সি পলাই আহিছিল। তাৰ প্ৰথম যৌৱনৰ অনেক কষ্টৰ মাজত ধৰা দিয়া নিতুৰ মুখখন তাৰ মনত পৰিছে। কি নিষ্পাপ প্ৰেমৰ আবেগ জাগি উঠিছিল! উশাহত কি সুগন্ধ। সি তাৰ কষ্টৰ কথা পাহৰি গৈছিল। দেউতাকৰ প্ৰাণান্তকৰ পৰিশ্ৰম; মাকৰ কষ্টকৰ হাঁপানী, অভাৱ-অনাটন।—সি ভাবিছিল সি কিবা এটা কৰিব। প্ৰথম যৌৱনৰ কল্পনাৰে সকলো দুখ আঁতৰাই দিয়াৰ

ৰঙীন স্বপ্ন। কেতিয়াবা ক'ৰবাত এটা যেন ধনৰ খনি পাই যাব আৰু নিতুইঁতৰ মৰ্যাদালৈ উঠি যাব; কি সুন্দৰ ঘৰ-দুৱাৰ, আচবাব, খাদ্য! আৰু আচৰিত কথা সেই সময়তে সি কবিতা লিখিবলৈ যত্ন কৰিছিল। তাত দুখৰ কথা নাছিল, স্বপ্নৰ কথা, স্বপ্ন! আঃ বৰ পুৰণা কথা।

সি শব্দ শুনিবলৈ ধৰিছে! আন্ধাৰ ৰাতিৰ নদীৰ সোঁতৰ শব্দ। আহাৰ-শাওণৰ উদ্দাম শব্দ নাই, নদীৰ সোঁতৰ অস্তিত্বৰ শব্দ। এই হাড় কঁপোৱা জাৰত তাৰ যেন শ্ৰৱণ শক্তি হেৰাই গৈছিল। নদীৰ শব্দ শুনি ভাব হৈছে—নাই হেৰোৱা। আছে। দূৰত ক'ৰবাত এটা ৰাতিৰ চৰাইৰ মাত। নদীৰ মাজৰ বালিচৰত পৰি থকা চৰাই হব পাৰে। সিও নিঃসংগ হব পাৰে। আঃ বৰ জাৰ।

সঁচাকৈয়ে জাৰত সিহঁতে বৰ কষ্ট পাইছিল। উৰ্ণলি যোৱা চুৱেটাৰ; কম্বল, ফ্লেনেলৰ কাপোৰৰ আচ্ছাদনে সিহঁতক এসময়ত জাৰৰ পৰা ৰক্ষা কৰিব পৰা নাছিল। দেউতাকে জুই পুৱাই কটাই দিছিল। আৰু সেই জাৰকো নেওচি এটা টিমিক-টামাক চাকিৰ পোহৰত সি নিতুলৈ চিঠি লিখিছিল। তাৰ মনৰ ভিতৰত উত্তেজনাৰ উত্তাপ। আজিও উত্তেজনাত তাৰ ভিতৰত উত্তাপ আছে।

জীয়াই থকাৰ সকলো সহজ প্ৰেৰণাই বিশ্বাসঘাতকতা কৰাৰ পিছত তাৰ বাবে সেই সময়ত সেয়ে আছিল স্বাভাৱিক। তাৰ প্ৰেম আছিল নিষ্পাপ আবেগৰ অপ্ৰতিৰোধ্য প্ৰকাশ। সিহঁত দুটাই অনেক কল্পনা কৰিছিল। সি নিজকে উপযুক্ত কৰিবলৈ উঠি-পৰি লাগিল আৰু এসময়ত সি কলেজৰ পৰা ওলাই এটা চাকৰি গোটাই ললে।

সেই সময়তে বিপুলে লগ পালে হীৰুদাক—হীৰু দত্তক। পঞ্চান্ন হ'ব পাৰে বয়স। কিন্তু প্ৰাণ-চঞ্চল।

বিপুলৰ এতিয়া হীৰুদাৰ মুখখন মনত পৰি গ'ল আৰু তাৰ ভয় লাগি গ'ল। আঃ কি ভীষণ।

সেই সময়ত হীৰুদায়ে তাক দেখুৱাইছিল তাৰ কল্পনাবোৰ কিমান অসাচহৰা। হাঁহি হাঁহি কৈছিল, "তোমাক নিতুৰে বিয়া কৰাব।" সি বেছ গভীৰ প্ৰত্যয়েৰে কৈছিল,—"ও।"

হীৰুদাই ডেক-ডেকৰ্কৈ হাঁহিছিল ঃ পকাঘৰ আছে, লাইট আছে ? চেনিটেৰি ফিটিং আছে ? চোফাচেট, ব্ৰাৰদ্ৰৱ, গডৰেজ, ফ্ৰীজ ?

বিপুলৰ ভীষণ খং উঠিছিল। তাতকৈ কমেও পোন্ধৰ বছৰৰ ডাঙৰ হীৰুদাক সি নিঃসংকোচে কৈছিল, "গডৰেজ, ফ্ৰীজত সুমাই থোৱা প্ৰেমত মই পৰা নাই।"

হীৰুদাই আৰু জোৰেৰে হাঁহিছিল ঃ "ডেকা ল'ৰা গোটাই লোৰ্ঁা, গোটাই লোৰ্ঁা।"

বিপুলে আকৌ উজুটি খালে। সি নদীৰ পাৰ পালেহি। দূৰৰ পুখুৰীবোৰৰ কিছু আভাস আগতকৈ স্পষ্ট হৈছে। তাতে সোমাব নেকি ? সি জেপত খেপিয়াই চালে—জুইশলাৰ বাঁহটো আছে।

পৰাগহঁত নিশ্চয় চিন্তিত হৈছে। সিহঁতে তাক নিশ্চয় বিচাৰি গৈছে। হীৰুদাৰ ঘৰতো বিচাৰিব পাৰে। আৰু যদি তাতে গম পায় ? আঃ কি ভীষণ জাৰ ?

সিহঁতে কি তাৰ ওপৰত থকা সকলো বিশ্বাস হেৰুৱাব ?—সিহঁত তাৰ কোৱাৰ্টাৰলৈ যাব পাৰে আৰু দেখিব দুৱাৰ বন্ধ। সিহঁতে কি ভাবিব ?

বিপুল জুপুৰীবোৰৰ ওচৰ চাপিল। আন্ধাৰ, হাড় কঁপোৱা জাৰৰ ৰাতিৰ অস্থায়ী আশ্ৰয়থলী। নদীৰ পাৰৰ নিঃসংগ, ভয়াবহতাৰ মাজত সামান্য অৱলম্বন। জীৱনৰ সকলো অৱলম্বনেই কি অস্থায়ী ?

কিন্তু, সি ভাবিছিল এটা স্থায়ী অৱলম্বন হব। লাহে লাহে এটা সময়ত অনুভৱ কৰিছিল—তাৰ চাকৰিৰ পইচাৰ জোখেৰে জীৱন নচলিব। তথাপি ভৰসা আছিল—নিতু লগত থাকিলে প্ৰেৰণা পাব। যাঃ এটা অদ্ভুত স্বপ্ন।

হীৰুদাই কৈছিল, "মানুহৰ দুটা জাত—ডেকা ল'ৰা, দুটা জাত ! দুটাৰ মাজত সম্বন্ধ কেনেকৈ হয় ? জাত মাৰি বিয়া নকৰাবা।"

লাহে লাহে তাৰ যেন চকুৰ আৱৰণ আঁতৰিছিল। তাৰ ঘৰখনলৈ, গাঁওখনলৈ মনত পৰিছিল। চাৰিওফালৰ মানুহবোৰলৈ চকু পৰিছিল। কি প্ৰাণান্তকৰ পৰিশ্ৰম জীয়াই থাকিবলৈ ? কি ব্যস্ততা ? পুৱাৰ পৰা গধূলিলৈকে কি অবিৰাম টনাটনি ! এটা যেন বন্ধ জলাশয়ত সাঁতুৰি

ফুৰিছে। সিও। তথাপি নিতুৰ কথা পাহৰিব পৰা নাছিল। তাইৰ চকুৰ ভাষা আৰু উশাহৰ শব্দ, তাইৰ ওঁঠৰ শব্দ আৰু ওঁঠৰ স্পৰ্শ। কিন্তু লাহে লাহে এটা দূৰত্ব যেন গঢ়ি উঠিবলৈ ধৰিলে। অভিমান আৰু আক্ষেপৰ এখন বেৰ। লাহে লাহে যেন সি ডাঠ হবলৈ ধৰিলে। আৰু এনেকৈ বহুদিন পাৰ হ'ল কিজানি।

পৰাগে ভিয়েটনাম আৰু আমেৰিকাৰ যুদ্ধৰ ওপৰত লেক্‌চাৰ মাৰি আছিল। এনেকুৱা এটা ডিচেম্বৰৰ সন্ধ্যা। সিহঁতে এখন নাটক কৰাৰ কথা ভাবিছিল। সিহঁতে ষ্ট্ৰীট-কৰ্ণাৰ মিটিং কৰাৰ কথা ভাবিছিল। আড্ডাৰ টেবুলত বক্তৃতাৰ হেঁচা। চাহৰ কাপ জন্‌জনাই উঠিছিল। সিহঁতে এখন কাকত উলিওৱাৰ কথা ভাবিছিল। শব্দক নতুনকৈ ধাৰ দি লোৱাৰ কথা পাতিছিল।

এনেকুৱা এটা সন্ধ্যা। সি ডাঠ বেৰখনৰ মাজেৰে এটা সুৰুঙা বিচাৰিছিল। আৰু সি লাহে লাহে নিতুহঁতৰ বাৰাণ্ডালৈ উঠি গৈ হঠাৎ আৱিষ্কাৰ কৰিছিল—নিতুৰ লগত কোনোবা নতুন মানুহ বহি আছে; সিহঁতে ফুচফুচাই কথা পাতিছে; সিহঁতে পৰস্পৰৰ শৰীৰৰ উত্তাপ অনুভৱ কৰিছে আৰু সিহঁতৰ ওঁঠ মিলিত হৈছে।—সি সন্তৰ্পণে চোৰৰ দৰে, ঠিক চোৰৰ দৰে নামি আহিল আৰু গেট পাৰ হৈ দৌৰিবলৈ ধৰিলে। তাৰ শৰীৰ নিয়ন্ত্ৰণ-বিহীন। ডিচেম্বৰৰ জাৰতো তাৰ কপালত বিন্দু বিন্দু ঘাম। সি উজুটি খালে, পৰিল। আকৌ উঠি সি দৌৰিবলৈ ধৰিলে।......সি কি সঁচাকৈ দেখিলে? সি কি স্বপ্ন দেখিছিল? চকু মোহাৰি চালে—তাৰ গাৰু তিতি গৈছে। মুখত হাত দি চালে চকুপানীৰ দাগ শুকাই গৈছে ঃ অনুভৱ কৰিলে—তাৰ কিবা অসুখ হৈছে, ভীষণ অসুখ। তাৰ শৰীৰৰ অসুখ, তাৰ মস্তিষ্কৰ অসুখ। আঃ কি কষ্ট।....

জাৰত কি কষ্ট! জুপুৰীৰ ভিতৰত সি খেপিয়াই এছটা কাঠ পালে আৰু তাৰ কান্ধৰ মোনা আৰু হাতৰ ব্ৰীফকেছ নমাই থলে। তাৰ যেন ভাৰ পাতলি গ'ল। সি লাহে লাহে বহাৰ ঠাই উলিয়াই ল'লে আৰু জেপত চিগাৰেটৰ বাকচটো বিচাৰি উলিয়াই আনিলে। একুৰা জুই ধৰিব নেকি? কি উত্তাপ পোৱা যাব? কিন্তু যদি কোনো-

বাই দেখে? তাৰ হাতত এটা ব্ৰীফকেছ আছে, এটা মোনা আছে। কোনোবাই যদি লৈ যায়? নাঃ থাকক।

সি কঁচিমুচি বহিবৰ যত্ন কৰিলে। ভৰিৰ তলুৱা দুখন জঠৰ হৈ আহিবলৈ ধৰিছে নেকি? শৰীৰৰ সিৰা-উপসিৰাইদি জাৰৰ এটা তীব্ৰ সোঁত ওপৰলৈ উঠি আহিছে নেকি?

সি নিতুৰ ওচৰৰ পৰা পলাই আহিবৰ দিনা হীৰুদাৰ ওচৰলৈ গৈছিল—তাৰ পৰাজয় ঘোষণা কৰিবলৈ। হীৰুদা নাছিল। মিনু নবৌৱে তাৰ বিবৰ্ণপ্ৰায় মুখলৈ চাই আতংকিত হৈ সুধিছিল—"কি হৈছে তোমাৰ?" ইমানদিনৰ পুঞ্জীভূত স্বপ্ন আৰু প্ৰেম চকুপানী হৈ তীব্ৰ গতিৰে ওলাই আহিছিল। মিনু নবৌৱে তাৰ মূৰটো বুকুত সুমাই মৰম কৰিছিল আৰু কৈছিল,—"তুমি কেলেই ভাগি পৰিছা? মই আছোঁ নহয়।" সি মিনু দত্তৰ মুখখনলৈ চাবলৈ যত্ন কৰিছিল। দেখিছিল বয়সে আচুঁৰিব নোৱাৰা ক্ষীণ, কোমল এখন মুখ। তাৰ ভাব হৈছিল পাতল ওঁঠ দুটাৰ তপত স্পৰ্শই তাৰ কপালত এটা নতুন শিহৰণ সৃষ্টি কৰিছিল!—আঃ কি অদ্ভুত ঘটনা।

হীৰুদাই গম পাই প্ৰথমে হাঁহিছিল। তাৰ পৰা ধীৰে ধীৰে কৈছিল,—"মই প্ৰথমতেই কৈছিলোঁ। তুমি ভাবিছিলা প্ৰেম বায়বীয়। ওঁহো প্ৰেমৰ এটা বাস্তৱ ৰূপ আছে। তাক এটা শাৰীৰিক অৱলম্বন লাগে।"

মিনু দত্তই কৈছিল—"তুমি কোৱাৰ্টাৰ এৰি দি আমাৰ ইয়াতে থাকা।"

সি থকা নাছিল। কিন্তু মিনু দত্তৰ মাজত যেন এটা নতুন অৱলম্বন সি অনুভৱ কৰিছিল। সি প্ৰথমে অনুভৱ কৰিছিল যেন কিছু পুত্ৰ স্নেহ। মিনু দত্তৰ দুয়োটা ল'ৰা কলেজলৈ যাবলৈ আৰম্ভ কৰিছে। সি ভাবিছিল সি সিহঁতৰ অভাৱ পুৰাইছে নেকি!

বিপুলে লাহে লাহে অনুভৱ কৰিবলৈ ধৰিলে তাক কিবা এটাই দৈনিক হীৰু দত্তৰ ঘৰলৈ লৈ যায়, অনুভৱ কৰিলে মিনু নবৌৰ মুখখন হ'ল সেই শক্তি।

আজি নতুনকৈ কোৱাৰ প্ৰয়োজন নাই—সি লাহে লাহে মিনু নবৌক

ভাল পাবলৈ আৰম্ভ কৰিলে আৰু মিনু নবৌৱেও। সেই ভাল পোৱা কি বায়বীয় আছিল ?

নাহে নাহে তাৰ বুজিবলৈ বাকী নাথাকিল--হীৰু দত্ত আৰু মিনু দত্তৰ মাজত যেন সি ক'ব নোৱাৰাকৈয়ে এখন অদৃশ্য বেৰ থিয় কৰিবলৈ ধৰিলে। অনুভৱ কৰিলে—সি যোৱাৰ লগে লগে মিনু দত্তৰ মুখত ফুটি উঠে এটা সন্তুষ্টিৰ আভাস আৰু হীৰু দত্তৰ মুখৰ পৰা যেন আগৰ উজ্জ্বলতা নাইকিয়া হয়। দুয়োৰে মাজৰ কুৰি বছৰীয়া সম্পৰ্কত ত্ৰিশ বছৰীয়া বিপুলে এটা শীতল ধুমুহা বোৱাবলৈ আৰম্ভ কৰিলে নেকি ? হীৰু দত্তৰ আচৰণৰ আগৰ সেই খোলা-মেলা ৰূপ ক্ৰমশঃ অন্তৰ্হিত। তেওঁ প্ৰকাৰান্তৰে যেন কবলৈ চেষ্টা কৰিলে যে বিপুল অনাহূত। তেওঁ অলপ কথাতে ত্যক্ত-বিৰক্ত হৈ উঠিবলৈ ধৰিলে আৰু দত্তই মাজে মাজে উপবাস দিবলৈ ধৰিলে। বিপুল নোযোৱাকৈ থাকিল। সন্ধ্যা সি বিছনাতে পৰি থাকিল। তাৰ দুৱাৰত টোকৰ। সি উঠি আহিল। দেখিলে হীৰু দত্ত।

"দাদা।"

তেওঁ সোমাই আহিল। বিপুললৈ থিৰভাৱে চালে। তাৰ পৰা ধীৰে ধীৰে কলে,—"তুমি আমাৰ তালৈ যোৱা নাই কিয় ?"

সি ফাঁকি দিলে,—"এনেয়ে। তাতে অফিচত কাম বেছি হৈছে।"

তেওঁ নিঃশব্দে চিগাৰেট হুঁপিলে। হঁহাৰ চেষ্টা কৰিলে। তাৰ পৰা কলে, "তুমি বুধিয়ক ল'ৰা। তুমি নুবুজাকৈ আছানে—আমাৰ ঘৰুৱা জীৱনত যে এটা কিবা ঘটিছে ?" তেওঁ আকৌ ৰ'ল। আকৌ আৰম্ভ কৰিলে—"এটা ভুল বুজাবুজি। আজি ছমাহতকৈও বেছি আমি যদিও একেলগে আছোঁ, আমি আচলতে পথক হৈ গৈছোঁ। প্ৰথমে মই কেৱল সামান্য অসন্তুষ্টি প্ৰকাশ কৰিছিলো। তেওঁক মোৰ মনৰ ভাব বুজাবলৈহে। কিন্তু তেওঁ বোধকৰোঁ নুবুজিলে। তেওঁৰ ক্ৰমাৎ কি হৈছে মই বুজিব পৰা নাই।"

বিপুলে ধীৰে ধীৰে ক'লে—"মই সেই কথা অনুভৱ কৰিয়েই যোৱা নাই।"

হীৰু দত্তই আকৌ এটা বিষণ্ণ হাঁহি মাৰিলে ঃ "তুমি নগলেওতো

মোৰ অশান্তি নকমে। বৰং গৈ থাকিলেই কিজানি অশান্তি আৰু অসন্তুষ্টি লাহে লাহে আঁতৰিব।"

"আপোনালোকৰ জীৱনৰ মাজত জড়িত হ'লে কিজানি বেছি ভুল হয়।"

'অ' ন-ন, তুমি ভুল কৰিছা।" তেওঁ যেন প্ৰকৃতিস্থ হবলৈ চেষ্টা কৰিলে আৰু ক'লে,—"তুমিতো মোক দাদা আৰু মিনুক নবৌ বুলি গ্ৰহণ কৰিছা। কিয় নাযাবা? তুমি মোৰ লগতে ব'লা।"

—বিপুলৰ বৰ জাৰ লাগিছে। সি মোনাৰ পৰা এখন চাদৰ উলিয়াই ভৰিকেইটা ঢাকি ললে। সি প্ৰকৃতিস্থ হবলৈ যত্ন কৰিলে। কিন্তু মনৰ ভিতৰত তাৰ অশান্ত ধুমুহা, সংশয় আৰু অস্থিৰতা।

সেইদিনা ৰাতি হীৰু দত্তৰ লগত গৈ দেখে মিনু দত্ত বিছনাত। তেওঁৰ খীণ মুখখন আৰু বেছি খীণাই গৈছে। বিপুলক দেখি তেওঁ সিফালে মুখ কৰিলে। বিপুলে মাতিলে—"মিনু বৌ।"

মিনু দত্তৰ মন কঁপি উঠিল আৰু এটা উচুপনি চেপি ৰাখিবলৈ গৈ গোটেই শৰীৰ কঁপিবলৈ ধৰিলে।

বিপুলে বুজাব খুজিলে—হীৰু দত্ত কিমান অসহায় হৈছে; বুজাব খুজিলে কলেজত পঢ়ি থকা ল'ৰা দুটা ঘৰলৈ আহিলে কি ভাবিব; বুজাব ধৰিলে সি মিনু দত্তক সকলো প্ৰকাৰে সহায় কৰিব।

হীৰু দত্ত নিঃশব্দে দুৱাৰৰ কাষৰ পৰা আঁতৰি গ'ল আৰু বাহিৰৰ বাৰাণ্ডাতে বহি চিগাৰেট হুঁপিবলৈ ধৰিলে।

মিনু দত্তই এবাৰ তাৰ মুখলৈ চালে। বিপুলৰ মুখ-চকুত বোধকৰো অসহায় বিষণ্ণ অস্থিৰতাৰ ছাঁয়া! মিনু দত্তৰ গালত চকুপানীৰ সাঁচ। তেওঁ লাহে লাহে উঠিল আৰু অস্ফুটভাৱে "বিপুল" বুলি তাক সাৱটি ধৰিলে। তাৰ গাল-মুখ-ওঁঠ দুটা তপত ওঁঠৰ স্পৰ্শত শিহৰিত হৈ উঠিল। সি অসহায় অস্থিৰতাৰে ফুচফুচাই ক'লে,—"কি কৰিছা? দাদা আছে।"

"থাকক। তুমি মোৰ। তুমি মোৰ।" এটা অব্যক্ত ভয়ংকৰ শিহৰণত কঁপি উঠিল বিপুল। সি সেই অস্থিৰতাৰ মাজতো মিনু দত্তৰ পিঠিত হাত বুলাই দি ক'লে; "এৰি দিয়া। এৰি দিয়া।"—

বিপুল এতিয়াও যেন শিহৰিত হৈ উঠিল। সিয়েইতো মিনু দত্তক এসময়ত কৈছিল নাৰী-মুক্তিৰ কথা। সিয়েই এসময়ত বুজাইছিল--আমাৰ দেশত পুৰুষৰ সকলো স্বাধীনতা আছে; কিন্তু নাৰীৰ নাই। সিয়েই কৈছিল যেতিয়া আমাৰ দেশত প্ৰকৃত সাম্যবাদ প্ৰতিষ্ঠা হ'ব, সকলো নাৰী তেতিয়াহে মুক্ত হ'ব। কিন্তু সিতো দৈহিক বাসনাৰ মুক্ত প্ৰকাশৰ কথা কোৱা নাছিল। আজি সি অনুভৱ কৰিছে—মিনু দত্তৰ প্ৰতি তাৰ আকৰ্ষণো বায়বীয় নাছিল। সি যেন নিতুৰ বিশ্বাসঘাতকতাৰ এটা প্ৰত্যাঘাত মনৰ গভীৰত অনুভৱ কৰিছিল আৰু মিনু দত্তক জয় কৰি তাৰ সেই আকাংক্ষা পূৰণৰ গোপন বাসনাক সি কব নোৱাৰা-কৈয়ে লালন-পালন কৰিছিল। আৰু হয়তো মিনু দত্তয়ো প্ৰায় পঞ্চাশছ পাৰ হোৱা হীৰু দত্তৰ মাজত ক্ৰমাৎ হেৰুৱাইছিল আকৰ্ষণ; হয়তো বিপুলৰ উজ্জ্বল চকু-মুখৰ মাজত নিজৰ হেৰোৱা যৌৱনক নতুনকৈ প্ৰতিষ্ঠা কৰাৰ স্বপ্ন দেখিছিল। সকলো সম্ভৱ হব পাৰে। সেই বাবেই কিজানি মিনু দত্ত লাহে লাহে বেপৰোৱা হব খুজিছিল। তেওঁৰ মনৰ কথা চিঠি লিখি তাৰ জেপত গুজি দিছিল ঃ "মই মোৰ অৱস্থা, সন্মান সকলো এৰি দিবলৈ সাজু। তুমি আন কাৰোবাৰ লগত সংসাৰ কৰিবা--এই কথা মই সহ্য কৰিব নোৱাৰো।" কিন্তু বিপুল তাৰ বাবে সাজু নাছিল। তাৰ আৰু অনেক সমস্যা আছিল। তাৰ মনত অনেক আকাংক্ষা আছিল। কেৱল নিজৰ বাবে নহয়, আনৰ বাবেও।

আজি সি নতুনকৈ ভাবিব খুজিছে—তাৰ সেই আকাংক্ষাও কি আত্মপ্ৰতিষ্ঠাৰ আকাংক্ষাৰ প্ৰকাশ আছিল? হয়তো হব পাৰে। যেতিয়া পৰাগহঁতে তাৰ কথা কাণপাতি শুনিছিল, তাৰ কথাত অনুপ্ৰাণিত হৈ দেশৰ মানুহক শোষণমুক্ত কৰাৰ মধ্যবিত্তীয় বিলাস-স্বপ্নত বিভোৰ হৈছিল, সি কি তৃপ্ত হোৱা নাছিল?

আজিও পৰাগহঁতে তালৈ বাট চাই থকাৰ কথা। যেতিয়া সিহঁতৰ আমনি লাগিব; সিহঁতে তাক বিচাৰি হীৰু দত্তৰ ঘৰলৈয়ো যাব পাৰে। সিহঁতেতো নাজানে মিনু দত্তৰ কি পৰিবৰ্তন ঘটিছে। সিহঁতেতো নাজানে মিনু দত্ত ভিতৰি ভিতৰি ক্ৰুদ্ধা সৰ্পিনীৰ দৰে হৈছে; কেতিয়া হীৰু দত্তক দংশন কৰে তাৰ কোনো নিশ্চয়তা নাই। নাইবা সেই বিষ

বিপুলে ডিঙিত মেৰিয়াই লব লাগিব। নাইবা তাই আত্মহত্যাৰ পথো বাছি লব পাৰে। বিপুলে অনুভৱ কৰিলে—মিনু দত্তৰ মৃত্যু হলেই যেন সি বাচি যায়।—বিপুলে অনুমান কৰিলে নদীৰ পাৰৰ বালিয়েদি জুপুৰী-বোৰৰ ফালে আৰু কোনোবা এটা আহি আছে। সি অন্ধকাৰত অভ্যস্ত চকু দুটা বহলকৈ মেলি অনুমান কৰিবলৈ যত্ন কৰিলে—কোন? মিনু দত্ত? ওহোঁ! পৰাগ? ওহোঁ। তেন্তে কি হীৰু দত্ত? তেন্তে কি? সি অস্থিৰ হৈ থিয় দিবৰ যত্ন কৰিলে আৰু তাৰ মূৰটো ঘূৰাই যোৱা যেন লাগিবলৈ ধৰিলে।

# যৌৱন

পঞ্চাশজন যাব পৰা এখন বাছৰ ভিতৰত যদি চল্লিশটা ছিট বিশ-একৈশ বছৰীয়া এজাক ল'ৰা-ছোৱালীৰ দখলত থাকে আৰু সিহঁতে যদি স্বাধীনভাৱে সকলো কাম আৰম্ভ কৰি দিয়ে—অৰ্থাৎ হাঁহি আৰু সুহুৰি, চিঞৰি চিঞৰি কথা-কোৱা আৰু মন গলে হাত চাপৰিৰ তাল দি সমবেত কণ্ঠত বিহুনাম গোৱা, মাজে মাজে অশ্লীল দুই-এটা শব্দৰ উচ্চাৰণ আৰু লগে লগে হাঁহিৰ গিৰ্জনি—তাত জানো অৱসৰপ্ৰাপ্ত বৃদ্ধ, ছিৰিয়াছ মুখৰ বুদ্ধিজীৱী, গংগাটোপৰ দৰে বহি থকা—তথাকথিত ৰাজনৈতিক নেতা, শুচিবায়ুগ্ৰস্ত অকাল বৃদ্ধ ডেকা যোৱাটো সম্ভৱ ?

বিজয়ৰ মনলৈ ভাহি আহিল আন এটা দৃশ্য—সিহঁতৰ প্ৰথম কলেজীয়া জীৱনৰ দৃশ্য—অৱশ্যেই বহুদিনীয়া এলবামৰ ছবিৰ দৰে মুখবোৰ এতিয়া বিবৰ্ণ, চিনিব নোৱাৰা—তাৰ মাজত বিজয়ৰ মুখখনো সন্ধান-হীন হৈ লুকাই আছে। এটা নহয় অলেখ দৃশ্য—এতিয়া আৰু সময়ৰ কোনো হিচাপ নাই, একাকাৰ হৈ গৈছে ; কেৱল তাৰ কিছু আভাস থাকি গৈছে—যিদৰে বহুদিনীয়া পুৰণি কাপোৰৰ জাপৰ পৰা এটা সুৱাস ওলায়, তেনেকুৱা এটা সুবাস ওপঙি অহা যেন লাগে। এই সুবাসৰ লগত যেন বিয়পি আছে স্বপ্ন আৰু আকাংক্ষা, সুখ আৰু বিষাদ বিয়পি আছে, কিন্তু তাক ধৰিব নোৱাৰি—তাৰ কোনো কংক্ৰিট ৰূপ নাই।

বাছৰ পিছফালে পুনৰ হাঁহিৰ গিৰ্জনি—কোনোবা জয়ন্তীক জোকাইছে; তাই হয়তো ৰঙা পৰি উঠিছে; নাকৰ আগত বিন্দু বিন্দু ঘাম, চকুৰ পতাত ওলমি পৰা লাজ আৰু গালত ফুটি উঠা পোহৰ। কাৰণ, সিহঁতৰ হাঁহিৰ গিৰ্জনি আৰু বাছৰ ঘৰ ঘৰ শব্দৰ মাজত ভাগি-ছিগি যোৱা দুই-এটা শব্দৰ পৰা যি অনুমান হয়—জয়ন্তী নামৰ ছোৱালীজনীৰ কোনোবা এজন প্ৰেমিক আছে আৰু তেওঁ অহাৰ পৰা বঞ্চিত হ'ল—যাৰ ফলত জয়ন্তী অকলশৰীয়া। কোনোবা এটাই জয়ন্তীক কৈছে—"প্ৰদীপৰ পিছত কিন্তু মোৰ কেণ্ডিডেচাৰ কন্সিডাৰেচন দেই"—আকৌ হাঁহি।

সাত নম্বৰ ছিটৰ ভদ্ৰলোকৰ চকু-মুখ কুঞ্চিত। তেওঁৰ বয়স চল্লিশ পাৰ হ'ব পাৰে—বেছ এটা এক্সিকিউটিভ অফিচাৰৰ গাম্ভীৰ্য—চকুত ডাঠ ফ্ৰেমৰ চশমা, নোমাল হাতৰ ঠাৰিত সোণালী ফিটাৰ ঘড়ী, গাত এটা দামী প্ৰিণ্টেড হাৱাই শ্বাৰ্ট; মুখ-চকুত এটা ৰবাৰ টেঙাৰ ছাপ লাহে লাহে গঢ়ি উঠাৰ উপক্ৰম। অৰ্থাৎ যৌৱনৰ বহিঃপ্ৰকাশ অৱদমিত।

বিজয়ৰ ভাব হ'ল—সাত নম্বৰৰ ভদ্ৰলোকৰ অনেক বিশেষত্ব তাৰ মাজতো ফুটি উঠিছে—নিত্য-নৈমিত্তিক ঘটনাত বিৰক্ত, ডিচিপ্লিন ৰখাত অপ্ৰয়োজনীয় গুৰুত্ব, ছিৰিয়াছ বিষয়ৰ প্ৰতি অনুৰাগ প্ৰকাশৰ যত্ন আৰু ব্যক্তিগত সমস্যাত উদ্বিগ্ন।

ল'ৰা-ছোৱালীবোৰে এটা বেসুৰা তালত গীত ধৰিছে—"মেৰে মেহবুব আয়া হেঁই"—আৰু লগে লগে হাত চাপৰিৰ শব্দ—যেন কদমত যোৱা ঘোঁৰাৰ ভৰিৰ ক্লপ্ ক্লপ্ শব্দৰ লগত তাৰ কিছু মিল আছে—শক্তি আৰু উদ্দামতাৰ। বিজয়ৰ এবাৰ ঘূৰি চাবৰ মন গৈছে—সিহঁতৰ আচৰণ আৰু অংগি-ভংগী। কিন্তু বয়সে তাক পোনকৈ আগফালে মুখ ঘূৰাই বহুৱাই থৈছে; তাৰ মুখৰ অভিব্যক্তি ঢাকি দিব খুজিছে। পাঁচ নম্বৰে চাৰি নম্বৰক কাণে কাণে কৈছে—বোধকৰোঁ—এই চেঙেলীয়া ল'ৰা-ছোৱালীবোৰ যে জহন্নামে গৈছে, দেশখন যে ভৱিষ্যত অন্ধকাৰৰ সন্মুখীন হৈছে, সামাজিক ভেল্যুবোৰ যে অন্তৰ্হিত হৈছে—সেই লৈ নিশ্চয় তেওঁ দাৰ্শনিকসুলভ মনোভাৱ গুৰুগম্ভীৰভাৱে অথচ চৰম বিৰক্তিৰে প্ৰকাশ কৰিছে। কিন্তু তেওঁ বিৰক্তি প্ৰকাশ নোহোৱাকৈ কিবা কৈছে—

কাৰণ, তেওঁৰ মনত নিশ্চয় ভয় আছে--কেনেবাকৈ যদি বাছৰ ল'ৰা-বোৰে গম পাই যায় যে পাঁচ নম্বৰ সিহঁতৰ ওপৰত বিৰক্ত, সিহঁতে তেওঁৰ লাইফ মিজাৰেব্‌ল কৰি দিব পাৰে; ঠাট্টা আৰু ইয়াকি ইতিকিং আৰু উপহাসত তেওঁৰ প্ৰাণ কণ্ঠাগত হ'ব পাৰে। এনেকুৱা এটা দৃশ্যও ক'ৰবাত যেন ঘটিছিল, এনে এটা দৃশ্যৰ লগত যেন বিজয় নিজেও জড়িত হৈছিল—এনে ভাব হ'বলৈ ধৰিলে। পাঁচ নম্বৰৰ পৰিষ্কাৰ ধুতি-পাঞ্জাৰী; শকত গলধন, ওফন্দি পৰা গাল মুখৰ মাজত ধূৰ্ত ৰাজনীতিৰ পৰিচয় আত্মগোপন কৰি থকা যেন ভাব হৈছে। ল'ৰাবোৰে যদি জানিব পাৰে--এওঁ সৰুসুৰা পলিটিক্স কৰে,—এওঁ পলিটিক্স কৰিবলৈ মানুহক হিন্দু, মুছলমান, অ'-বি-চি; এম-অ-বি-চিত ভাগ কৰে; এওঁ ব্যৱসায়ীক পাৰ্মিট আৰু লাইচেন্স দি টকা ঘটে, সিহঁতে জানো সুদাই এৰিব ?

ইতিমধ্যে মাজে মাজে সিহঁতে আন কথা পাতিছে—যাৰ পৰা ধাৰণা হ'ল--সিহঁত এটা 'কেম্প'ৰ বাবে ওলাইছে—হয়তো পোন্ধৰদিনীয়া কেম্প--ক'ৰবাত সিহঁত থাকিব—স্কুলঘৰ হ'ব পাৰে; তম্বু হ'ব পাৰে, আৰু ৰাতিপুৱাৰ পৰা গধূলিলৈকে সিহঁত ব্যস্ত থাকিব। তেনে এটা কেম্পৰ দৃশ্যও বিজয়ৰ পৰিচিত যেন লাগিছে,—স্বাভাৱিকভাৱেই তাৰ সমবয়সীয়াবোৰৰ মুখ-চকুবোৰ মনত পেলাবলৈ চেষ্টা কৰিছে, স্বাভাৱিকভাৱেই তাৰ মাজত প্ৰেমৰ আকাংক্ষা আৰু বিষাদৰ এটা দুৰ্লভ অনুভূতিৰ সুবাস বিয়পি আহিব খুজিছে। কিন্তু হেৰাই গৈছে—হাতেৰে ধৰিব নোৱাৰাকৈ হেৰাই গৈছে; এটা অপাথিৰ অনুভতিত, বিষাদৰ স্বৰগ্ৰামত সি নিজকে হেৰুৱাই পেলাব খুজিছে। আঃ কি উত্তেজনাত হৃদয় কম্পিত—যেতিয়া পাৰুলৰ চকু-মুখলৈ চাবলৈ যত্ন কৰিছিল; কি এটা অনামী আশংকা আৰু পাপবোধত হৃদয় জৰ্জৰিত যেতিয়া প্ৰথমবাৰৰ বাবে এটা সুবাসিত নাকৰ নিশ্বাস আৰু ওঠৰ ক্ষণিক স্পৰ্শত কাতৰ হৈ পৰিছিল; কি ভীষণ প্ৰতিজ্ঞা কৰিছিল! প্ৰদীপ নামৰ এটা ডেকা ল'ৰা আৰু জয়ন্তীৰ মাজতো কি সেই সেই সম্পৰ্ক ?

বিজয়ৰ সিহঁতৰ প্ৰতি গভীৰ সহানুভূতি হ'বলৈ ধৰিলে—বাছৰ জোকাৰণিত সেই অনুভূতিয়ে কদমত যোৱা ঘোঁৰাৰ দৰে তাৰ হৃদয়

গৰকিবলৈ ধৰিলে। পাকল নামৰ সেই ছোৱালীজনী হেৰাই গ'ল। প্ৰতিটো মুহূৰ্তই হৃদয়ত গভীৰ অৰণ্যৰ সৃষ্টি কৰি আহিবলৈ ধৰিলে—ভাঠ কণ্টকিত অৰণ্য—দেউতাকৰ মৃত্যু আৰু ককায়েকৰ বিদেশ যাত্ৰা, ভণ্টিৰ প্ৰেম আৰু ভাইটিৰ বিপ্লৱ—যিটো মধ্যবিত্ত নাগৰিক জীৱনৰ এটা পৰিচিত দৃশ্য হ'ব পাৰে—তাৰে মাজত মা-ৰ মুখত দুখ আৰু কঠোৰতাৰ ৰেখাই কটাকটি কৰি খেলা খেল আৰু চাকৰিৰ সন্ধান আৰু নিযুক্তিয়েও আঁতৰাব নোৱাৰা বিষাদ অহৰহ ব্যস্ততাৰ মাজত বয়স আৰু তাৰ অনুভূতি, পিণ্ট, বন্ধু-বান্ধৱৰ মুখবোৰৰ দ্ৰুত পৰিবৰ্তন; বাতৰি কাকতৰ খবৰৰ মাজত মানুহৰ খবৰ লোৱাৰ যন্ত্ৰ ফাইলৰ টোকাৰ মাজত সৃষ্টি-ক্ষমতা প্ৰকাশৰ অহৰহ প্ৰয়াস। ইহঁতৰো বহুতৰে কি সেই ভৱিষ্যত নিৰ্দ্ধাৰিত?

তাৰ আকৌ এবাৰ ঘূৰি চাবৰ মন গ'ল। সিহঁতৰ দুই এটা শব্দ ভাগি-ছিগি গৈছে, সিহঁতে শব্দবোৰ জোৰা লগাইছে আৰু তাক শক্তিশালী কৰি তুলিবলৈ যত্ন কৰিছে। সিহঁতৰ কথাৰ মাজত টুকুৰা-টুকুৰকৈ দেশপ্ৰেমৰ খবৰো প্ৰকাশিত হৈছে—সকলো বৈষম্য নাইকীয়া কৰি দিয়াৰ আকাংক্ষা। ভাব হৈছে—ইহঁতৰ মাজত ভাইটিৰ দৰে ল'ৰা কিজানি আছে। কিন্তু ভাইটিৰ পথ পাৰ্টি-নিৰ্দেশিত। সি নায়ক হোৱাৰ আশা নাই। অথচ সম্ভাৱনা আছিল। বিশুদ্ধ অনুভূতিৰ দাবীত সি জপিয়াই পৰিছিল, কিন্তু লাহে লাহে তাৰ বুদ্ধি বিবেচনা ডিচিপ্লিনৰ নামত স্তিমিত হৈছিল; ভুলক ভুল বুলি কোৱাৰ ক্ষমতা হেৰুৱাই পেলাবলৈ আৰম্ভ কৰিছিল। এনেকুৱা ডেকাৰ কি ভৱিষ্যত গঢ়া যাব? হয়তো ইহঁতৰ মাজত সেই ভুল-শুধৰাই ল'ব পৰা ল'ৰাও ওলাব, ওলাবতো লাগিব।

পাঁচ নম্বৰে মুখখন ঘূৰাই চাইছে। ল'ৰা-ছোৱালীবোৰে কিবা কথাত আকৌ হাঁহি উঠিছে; ড্ৰাইভাৰেও এবাৰ ঘূৰি চাইছে। কিন্তু আগফালে গাড়ী আৰু গৰুৰ সমদল যাত্ৰা; গাড়ীৰ গতি স্তিমিত, গিয়েৰ চেঞ্জৰ এটা সৰু কৰ্কশ শব্দ। চাৰি আৰু পাঁচ নম্বৰে কথা পাতিছে। চাৰি নম্বৰ খীণ আৰু বয়স জৰ্জৰিত। মূৰৰ চুলি প্ৰায় উদং, ডিঙিৰ হাতৰ শিৰ চকুত পৰাকৈ উজ্জ্বল। পিছফালৰ পৰা

দুজনীমান ছোৱালীৰ হাঁহিৰ তৰংগ। আগৰ কোনোবা ল'ৰাই ইয়াকি মৰাৰ শব্দ--কোনোবাই কিবা এৰি থৈ অহাৰ আক্ষেপ। কোনোবা এটাই মন্তব্য কৰিছে "কলিজাখন এৰি থৈ অহা নাইতো" হাঁহি আৰু হাঁহি ; গানৰ শব্দ আৰু দুবিনীত মন্তব্য।

দুই নম্বৰৰ ভদ্ৰমহিলা কুঞ্চিত। তেওঁ হয়তো ভাবিছে—এই ল'ৰা-ছোৱালীবোৰ নষ্ট হ'ল। হয়তো ভাবিছে--"আমাৰ দিনত জানো ছোৱালীৰ ইমান স্বাধীনতা আছিল? 'আমি কিমান আবুৰৰ মাজত ডাঙৰ-দীঘল হ'লোঁ।' হয়তো ভাবিব পাৰে, এনেকৈ ভাবিবতো পাৰে ; কাৰণ তেওঁ পোছাক-পৰিচ্ছদত কিছু মাৰ্জিত, আজিকালি বিৰল হৈ পৰা এটা খোপাৰ পৰা চাদৰৰ পাৰি স্খলিত। হয়তো তেওঁৰ ল'ৰা-ছোৱালী ডাঙৰ হৈছে আৰু সিহঁতৰ ভৱিষ্যত ভাবি শংকিত হৈছে।

পিছফালে কোনোবা এটাই চুৰট জ্বলাইছে--ধোঁৱাৰ গোন্ধ বিয়পি আহিছে। এটাই মন্তব্য কৰিছে, "এই ধূমপান দণ্ডনীয়।" আন এটাই মন্তব্য কৰিছে, "গুলী মাৰ।"

চুৰটৰ ধোঁৱাৰ গন্ধই বিজয়ৰ মনতো এটা চুৰট হোঁপাৰ আকাংক্ষা জগাই তুলিছে ; তাৰ ভাব হৈছে--মুখখন যেন বিস্বাদ হৈ গৈছে, এটা চুৰটে তাৰ বিস্বাদ নাইকিয়া কৰিব পাৰে। কিন্তু সি সিহঁতৰ দৰে আইন ভংগ কৰিব নোৱাৰে--সি কিছু অদৃশ্য শিকলিৰে নিজকে বান্ধি পেলাইছে।

ভদ্ৰ-মহিলাক নিশ্চয় চুৰটৰ গোন্ধে একো অপকাৰ কৰা নাই। কোনে জানে—তেওঁৰ স্বামী কিজানি "চেইন স্ম'কাৰ আৰু চুৰটৰ গোন্ধেৰে ভৰা সেই মুখখনৰ মাজতে তেওঁৰ মুখ বন্দী হৈ থাকে। কিন্তু এই যে—"ধূমপান দণ্ডনীয়" নিৰ্দেশ ল'ৰাবোৰে ভংগ কৰিছে ; কোনোবা এজনী ছোৱালীয়ে কৈছে—'এই বিজু চুৰট নুমাই দিয়া।" আৰু উত্তৰত কৈছে--"দেখিম নহয় কোন চুৰট নোহোঁপা মানুহ গোৱা," প্ৰত্যুত্তৰত যে কৈছে--"এই—বেয়া হ'ব হ'লে"--এইবোৰৰ সৰব প্ৰতিবাদ অসম্ভৱ ভাবি, মুখত চাদৰৰ আচল দি, নিৰৱ অকলশৰীয়া প্ৰতিবাদ এটা কৰিছে। আগৰ ভদ্ৰলোক সকলো বিৰক্ত আৰু অপমানিত। কিন্তু তালৈ ভ্ৰূক্ষেপ কৰাৰ অৱসৰ নাই। সিহঁত যে উন্মুক্ত মনেৰে

ওলাই আহিছে--আবেগ আৰু আকাংক্ষাক চেপি ৰখাৰ পৰা মুক্তি দিছে। ঘৰত, শ্ৰেণীত, সমাজত সিহঁতে নিয়মৰ মাজত নিজকে বন্দী কৰিবলৈ শিকি আহিছে আৰু এবাৰ মুকলি বতাহত সিহঁতে সেই নিয়ম ভঙাৰ আনন্দ অনুভৱ কৰিছে। সিহঁতৰ প্ৰাণৰ উচ্ছলতা আৰু উত্তেজনা, সিহঁতৰ অনুভূতি আৰু আবেগৰ বিশুদ্ধতাক সিহঁতে চাকি চাবলৈ বিচাৰিছে। আঃ—কি তৃপ্তি। জীৱনক সতেজতাৰ মাজত পোৱাৰ তৃপ্তি! সিহঁতৰ বাঢ়ি অহা শৰীৰৰ কোষৰ মাজত জৈৱিক প্ৰেৰণা আৰু হৃদয়ৰ গভীৰত তাৰ উত্তেজনা এটা পকা ফলৰ দৰে ফাটি পৰিব খোজাৰ বাসনা।

বিজয়ে একেলগে আনন্দ আৰু বিষাদ অনুভৱ কৰিছে। তাৰ হেৰাই যোৱা স্বপ্নৰ যেন পুনৰ উত্থানৰ মাজত সি হঠাৎ নিজকে আৱিষ্কাৰ কৰিছে। এটা এটাকৈ পাৰ হৈ যোৱা দিন, মাহ, বছৰ, সময় গছকি পাৰ হৈ যোৱা তাৰ শৰীৰৰ নিয়ত পৰিবৰ্তিত ৰূপ, হেৰাই যোৱা তাৰ আবেগ আৰু আকাংক্ষাৰ বিমূৰ্ত সম্পদ—এইবোৰ যেন হঠাৎ এই বাছৰ জোকাৰণি, ল'ৰা-ছোৱালীৰ মিশ্ৰিত কোলাহলৰ মাজত মূৰ্ত হৈ উঠিছে। তাৰ ভাব হৈছে—সি আকৌ ঘূৰি যায় তাৰ যৌৱন আনন্দ আৰু বিষাদৰ মাজলৈ, ঘূৰি যায় তাৰ শংকা আৰু পাপবোধৰ মাজলৈ; ঘূৰি যায় তাৰ উত্তেজনা আৰু শিহৰণৰ মাজলৈ। ভাব হৈছে--দলিয়াই পেলাব তাৰ চল্লিশ বছৰীয়া জড়তা; দলিয়াই পেলাব ইমান দিনে অশেষ যত্নেৰে আয় কৰা তাৰ গাম্ভীৰ্য আৰু আদব-কায়দা; সি আকৌ সুহুৰিয়াই গান গাব; গীটাৰত দুখৰ গীতৰ সুৰ বজাব, পাৰুলক সাৱটি লৈ তাইৰ ওঠৰ স্পৰ্শত নিজকে হেৰুৱাই পেলোৱাৰ উত্তেজনা অনুভৱ কৰিব।

আঃ কি কষ্ট—কি কষ্ট! বুজাব নোৱাৰা কষ্ট—তাৰ চাৰিওফালে সি অনুভৱ কৰিলে--ইটা আৰু চিমেণ্টৰ মসৃণ কঠিন বেৰা। কেৱল তাৰ মূৰটো ওলাই আছে—তাৰ ভৰি মাটিৰ লগত পোত খাই গৈছে, তাৰ হাতত অজস্ৰ শিকলিৰ বান্ধোন। সি ছট্‌ফটাই উঠিছে।

ল'ৰা-ছোৱালীবোৰৰ শব্দ কিছু স্তিমিত হৈছে। সি ঘূৰি চালে আৰু তাৰ কবলৈ মন গ'ল—কিয় মনে মনে আছা? সি অৱশ্যেই ক'ব নোৱাৰে; কাৰণ তাৰ জিভাত সেই শক্তি নাই। দুখত সি

কাতৰ হ'ল—কাৰণ এই ল'ৰা-ছোৱালীবোৰ নামি যোৱাৰ লগে লগে সি নিসংগ হ'ব, সি তাৰ অতীতৰ বুকুৰ পৰা কঠিন হাতেৰে আজুৰি ছিঙি আনিব লাগিব, সি এটা ছিমেণ্টমৰ কাঠিন্যৰ মাজত নিজৰ আকাংক্ষা আৰু বিষাদক বলি দিব লাগিব—সি নিজকে হেৰুৱাই পেলালে।

সঁচাকৈ দুখ—গভীৰ দুখ।

পুনৰ জড়তা ভাঙি সিহঁতে কথা-বতৰা পাতিছে আৰু বিজয়ে তাৰ এৰি অহা চল্লিশ বছৰক অতিশয় গভীৰ প্ৰেমেৰে কোনেও ক'ব নোৱাৰাকৈ সাৱটি ধৰিছে—পাৰুল, জয়ন্তী হৈ পৰিছে। সি প্ৰদীপ হৈ পৰিছে।

## ।। চাৰি ।।

এটা প্ৰাচীন অস্তিত্বৰ বুকুলৈ সোমাই যাওঁ— যি অস্তিত্ব কেৱল সম্ভাৱনাময়— যি অস্তিত্ব কেৱল স্বপ্নময়— এনেকুৱা এটা ব্যাখ্যাহীন ব্যাকুলতা অনুভৱ কৰোঁ— যন্ত্ৰণা অনুভৱ কৰোঁ— ঘূৰাই পাব খোজোঁ— কিছুমান শব্দ ঘূৰাই পাব খোজোঁ— উচ্চাৰিত নে অনুচ্চাৰিত ক'ব নোৱাৰোঁ— অথচ মই অনুভৱ কৰোঁ— এবাৰ মাত্ৰ শুনিলেই মই চিনি পাই যাম— সি মোক তাৰ বুকুৰ মাজলৈ লৈ যাব— তাৰ তপ্ত নিশ্বাসেৰে মোৰ হৃদয় ভৰপূৰ কৰিব— মোৰ তেজত এটা দ্ৰুত গতি দিব—

★ অন্তিম অপেক্ষা

★ এটা আকাংক্ষিত শব্দৰ প্ৰতীক্ষাত

★ বিভ্ৰান্ত সংলাপ

★ মোক শুবলৈ দিয়া

★ আন্ধাৰত নিজৰ মুখ

# অন্তিম অপেক্ষা

["গল্পাংকিকা" শব্দটো গল্প আৰু একাংকিকা শব্দৰ সমন্বয়ত নতুনকৈ সাজি লোৱা। ইংৰাজী বা অন্যান্য কোনো ভাষাত ইয়াৰ সাৰ্থক শব্দ আছে যদিও মোৰ অজ্ঞাত। চেতনাপ্ৰৱাহত 'ইনটিৰিয়ৰ ক্লুছ ডায়লগ'ৰ সংযোগ আৰু পাৰিপাৰ্শ্বৰ ইংগিতেৰে 'অন্তিম অপেক্ষা'ৰ বহিঃ গাঁথনি নিৰ্মিত হৈছে।]

...ডাঠ পকা বেৰ আৰু বাৰাণ্ডাত শিৰকটা ডাঠ পকা খুটা, দুৱাৰ আৰু খিৰিকীৰ ওপৰ অংশত অৰ্দ্ধবৃত্তাকাৰ খাজ, বিবৰ্ণ হৈ যাব ধৰা ক্ৰিম ৰং আৰু প্ৰায় শব্দহীন পৰিবেশ। গেট-বন্ধ, লনত এবুকু নহ'লেও এক আঁঠু ঘাঁহ আৰু চাৰিওফালে পকাবেৰ। মাজে মাজে ভিতৰফালে পোহৰৰ আভাস আৰু সেই পোহৰ হেৰাই যোৱাৰ আশঙ্কা। নিঃশব্দতা আৰু বিস্তৃত শূন্যগৰ্ভৰ আভাস। বাটেদি যোৱা গাড়ীৰ শব্দ, মানুহৰ শব্দ, ৰেলৰ ঘৰঘৰ্ আৰু উকি—পিছফালৰ বাৰাণ্ডাত দুখন ইজি-চেয়াৰত নিশব্দে বহি থকা বৃদ্ধ আৰু বৃদ্ধা—যাৰ মুখ দুখন ঈষৎ আন্ধাৰত চিনিব নোৱাৰি, বহি আছে।

বৃদ্ধ ।। আজি সোমবাৰ, সপ্তাহৰ আৰম্ভৰ তাৰিখ ।

বৃদ্ধা ।। [নিৰুত্তৰ]

বৃদ্ধ ।। আজি বুধবাৰ, মোৰ জন্মবাৰ ।

বৃদ্ধা ।। [নিৰুত্তৰ]

বৃদ্ধ ।। যোৱা সোমবাৰে অকণৰ পৰা চিঠি পাইছিলোঁ, সি ৱৰ্ল্ড বেংকত চাকৰি পোৱাৰ সম্ভাৱনাৰ কথা কৈছিল ।

বৃদ্ধা ।। আজি বুধবাৰ । আমাৰ বিয়াৰ তাৰিখ ।

বৃদ্ধ ।। বিয়া ? কাৰ বিয়া ?

বৃদ্ধা ।। মোৰ বিয়া ।

বৃদ্ধ ।। তোমাৰ বিয়া ? কাৰ লগত ?

বৃদ্ধা ।। [সেতোৰা পৰা মুখ চকুত খীণ লাজৰ আভাস] নাম মনত নাই । সোণালী ৰং, কোমল চকু, ক'লা চুলি, মিহি-কোমল মুখ....

বৃদ্ধ ।। [এটা নিশ্বাস পেলায়] আচৰিত ।

বৃদ্ধা ।। কি আচৰিত ?

বৃদ্ধা ।। সোণালী ৰং, কোমল চকু, ক'লা চুলি, মিহি কোমল মুখ—নাম মনত নাই ।

বৃদ্ধ ।। কি হৈছিল ?

বৃদ্ধা ।। বিয়া ।

বৃদ্ধ ।। কাৰ বিয়া ?

বৃদ্ধা ।। মোৰ ।

বৃদ্ধ ।। আচৰিত ।

দুয়োৰে নিশ্বাস পৰে আৰু নিমাত হয় । পিছফালৰ চোতালৰ ওপৰত কাপোৰ মেলিবলৈ আঁৰি দিয়া এডাল তাঁৰত এটা চৰাই পৰেহি । দুয়োৰে চকু চৰাইটোত নিবদ্ধ হয় । দুয়োৰে মাজত যেন বিশাল নিৰৱতাৰ প্ৰাচীৰ ।

চৰাইটোলৈ চাই চাই হঠাৎ বৃদ্ধাৰ চকুত ঔজ্বল্য ফুটি উঠে । বৃদ্ধাই আপোনমনে কৈ উঠে—

: ঠিক এনেকুৱা এটা নিৰ্জন সময়তে তেওঁ আহিছিল—সোণালী

ৰং, কোমল চকু, ক'লা চুলি, মিহি কোমল মুখ। এটা চঞ্চলতাই তেওঁৰ চকুৰ মণিত খেলা কৰিছিল, শৰীৰত খেলা কৰিছিল। তেওঁৰ দৃষ্টি মাজে মাজে তীব্ৰ হৈছিল, অসহিষ্ণু হৈছিল। কাৰণ তেওঁ কৈছিল ঃ

তেওঁ ॥ মই বেছি সময় নাথাকো, মোৰ বৰ জৰুৰী কাম আছে। তোমাক চাই যাবলৈ আহিলোঁ। কাৰণ,

মই ॥ কাৰণ, তোমাৰ পৰীক্ষাৰ বাবে বেছি দিন নাই। পঢ়া। এই কেইদিন ভালকৈ পঢ়া। দেউতাই কি কৈছে জানা? দেউতাই কৈছে তোমাৰ পৰীক্ষাৰ পিছতেই (এটা মধুৰ লাজৰ আৱৰণে যেন চকু-মুখ ঢাকি ধৰে)—-তোমাৰ দেউতাৰ লগত কথা পাতিব। কি হ'ল তুমি হাঁহিছা যে? তোমাৰ, তোমাৰ অকণো বাৰু ভাল লগা নাইনে?

তেওঁ ॥ ভাল লাগিছে, ভাল লাগিছে। কিমান ভাল লাগিছে মই কেনেকৈ বুজাওঁ? কিন্তু, কিন্তু, মোৰ পৰীক্ষা,--অ' ইয়ো এটা পৰীক্ষা। কিন্তু ইটো পৰীক্ষা দিয়া নহ'ব।

মই ॥ (আচৰিত হৈ) তুমি কি কৈছা? কিহৰ পৰীক্ষা? কোনটো পৰীক্ষা দিয়া নহ'ব?

তেওঁ ॥ নাই, নাই, তেনেকুৱা কোনো কথা কোৱা নাই। কি যে কথাবোৰ মুখেৰে ওলাই যায়।

মই ॥ নাই, তুমি মোৰ পৰা কথা লুকুৱাইছা। তুমি ক'ব লাগিব, তুমি ক'ব লাগিব।

মই তেওঁৰ হাতত থাপ মাৰি ধৰিলোঁ। মোৰ চকুপানী বাগৰি আহিবলৈ ধৰিলে। তেওঁ বৰ ইতস্ততঃ কৰিবলৈ ধৰিলে আৰু মোলৈ স্থিৰ দৃষ্টিৰে চাই ক'লে ঃ

তেওঁ ॥ তুমি মোক ভালপোৱা?

মই ॥ (নিৰুত্তৰ)

তেওঁ ॥ কোৱা! সঁচাকৈ তুমি মোক ভালপোৱা?

মই ॥ (উচুপি-উচুপি) তুমি কি ক'ব খুজিছা? মোক তুমি কি কৰিব খুজিছা?

তেওঁ ।। মোৰ কি ভালপোৱা তুমি? স্বাস্থ্য, চেহেৰা, সম্ভাৱনাময় ভৱিষ্যত নে এইবোৰ নেথাকিলেও—কেৱল মোক?

মই ।। তুমি সদায় "তুমিয়েই" মোৰ বাবে। তুমি কি মই ক'ব নোৱাৰো......।

তেওঁ ।। চোৰা—মোৰ চকুলৈ চোৱা (আঃ কি মধুৰ তেওঁৰ কণ্ঠ!)। ধৰা মই যদি পৰীক্ষা নিদিওঁ? মই যদি চাকৰি নকৰো? মই যদি আন্দোলনত যোগ দিওঁ? তেতিয়াও তুমি মোক ভাল পাবানে?

মই ।। নাই, নাই তুমি আন্দোলন কৰিব নোৱাৰা—তুমি ক'লৈকো যাব নোৱাৰা। তুমি নগ'লেও আন্দোলন চলি থাকিব আৰু দেশৰ পৰা যদি বৃটিছ যাবলগীয়া আছে, তুমি নগ'লেও যাব।

তেওঁ ।। (তেওঁ বৰ করুণভাৱে অথচ মোৰ অন্তৰ বিদ্ধ হোৱাকৈ হাঁহিলে) সেই কাৰণে, সেই কাৰণে তোমাক চাই যাবলৈ আহিলো। (তেওঁ কথাৰ সুৰ পৰিবৰ্তন কৰি ল'লে) আচলতে তোমাক মই জুখিহে চাইছিলো।

মই ।। মিছাকৈ কৈছা। তুমি যিয়েই নকৰা, মই তোমালৈকে, তুমি অহালৈকে বাট চাই থাকিম।

মোৰ চকুৰ পানী শুকাই যাবলৈ ধৰিলে। কাৰণ, মই বুজি পাইছিলোঁ—তেওঁৰ মন মোৰ চকুপানীত নগ'লে। মই জানো—তেওঁ এদিন আহিবই। দিনৰ পিচত দিন বাগৰি গ'ল, নদীৰ সোঁত অবিচ্ছিন্নভাৱে বৈ থাকিল।......

বৃদ্ধা লাহে লাহে আৰু যেন গভীৰলৈ সোমাই গ'ল। হঠাৎ চৰাইটো উৰা মাৰিলে আৰু বৃদ্ধাৰ চকু-মুখত উজ্জ্বল্য ফুটি উঠিল। তেওঁ ক'লে—এনেকুৱা এটা সুন্দৰ চৰাই কেতিয়া দেখিছিলো—ক'ত দেখিছিলো মনত নাই। একেখন কেলেণ্ডাৰৰ সেই একে পুৰণি কেলেণ্ডাৰ, অথচ তাত তাৰিখ আৰু বাৰৰ কি নতুনত্ব থাকে? আজি সোমবাৰো হ'ব পাৰে, বুধবাৰো হ'ব পাৰে। সোমবাৰ—কাৰণ মোৰ বাবে আজি সোমবাৰ যেন লাগিছে। মোৰ যদি কোনোবা শনিবাৰৰ ঘটনা মনত পৰিলহেঁতেন, আজি শনিবাৰ বুলি ললোঁহেঁতেন। কাৰণ, মই ভৰা নভবাৰ পৰা বাৰবোৰৰ কোনো লোকচান নহয়। সেইবোৰ যাবহে

দিয়া। কিন্তু এই চৰাইটোৰ চকুৰ চঞ্চলতা আৰু শৰীৰৰ ক্ষিপ্রতা—ঠিক যেন কাৰোবাৰ লগত মিলে, যাৰ গাৰ ৰং সোণালী, চকু কোমল, চুলি ক'লা, মুখ কোমল মিহি—নামটো মনত নাই। মনত নাই। তেওঁক মই ক'ত দেখা পাইছিলো—কিজানি কোৰ্টত, যোতয়া তেওঁক মোৰ সন্মুখত হাজিৰ কৰা হৈছিল—। মই ক'লো ঃ তুমি সৰু-পথাৰৰ ঘটনাৰ কথা কি জানা ?

তেওঁ ॥ মই একো নাজানো।

মই ॥ চোৱা—তুমি শিক্ষিতা ছোৱালী, ভদ্র পৰিয়ালৰ ছোৱালী। তুমি নিশ্চয়কৈ জানা—হিংসাত্মক কাৰ্য্য, আইন আৰু বিবেক দুয়ো শাস্তিৰ যোগ্য বুলি ভাবে। মই আশাকৰোঁ—তুমি সঁচা কথা ক'বা।

তেওঁ ॥ হয়। মই সঁচা কথা কৈছো।

মই ॥ কংগ্ৰেছৰ ভলন্টিয়াৰৰ লগত তোমাৰ যোগাযোগ থকাৰ প্ৰমাণ পোৱা গৈছে আৰু তুমি গান্ধীবাদীবোৰৰ পৰা আৰ্তৰি অহাৰ কথাও আমি গম পাইছো। গতিকে তুমি [মই তেওঁৰ মুখলৈ চালো। আঃ কি দীপ্তি তেওঁৰ চকুত।]

তেওঁ ॥ মই জানো—মই সম্পূর্ণ নির্দোষী।

মই তেওঁক অকলে লগ পাবলৈ বিচাৰিলো আৰু ক'লো ঃ মোক বিচাৰক বুলি নাভাবিবা। [ মই মাত্র জানিব খুজিছো—তুমি কিয় এনেকৈ আন্দোলনত জঁপিয়াই পৰিছা ? ]

তেওঁ ॥ (মুখ ঘূৰাই ল'লে--তাৰ পৰা অনুচ্চ সুৰত ক'লে)আপুনি নুবুজিব।

মই ॥ (আগ্রহেৰে) বুজিম কোৱা।

তেওঁ মোৰ চকুলৈ থৰ লাগি চালে।

তেওঁ ॥ আপুনি নিশ্চয় বুজে। কিন্তু বিদেশী চৰকাৰৰ তলত চাকৰি কৰি নিজৰ কথা ভাবিবলৈ পাহৰি গৈছে।

মই ॥ (নিৰুত্তৰ)

তেওঁ ॥ আমাৰ বুকুত কি জুই জ্বলিছে কেনেকৈ ক'ম! আপুনি নিজৰ বুকুৰ মাজতো তাৰ উত্তাপ পাব। অনুভৱ কৰিব জানিলেই হ'ল।

মই ।। কোৱা (অনুচ্চ সুৰত) কোৱা। মই অনুভৱ কৰিম। তেওঁৰ চকু-মুখত ফুটি উঠিল কি এটা ব্যাখ্যাহীন ঔজ্বল্য—নিষ্পাপ ভয়হীন; মেঘমুক্ত আকাশৰ দৰে ফৰকাল। চকুত এটা চঞ্চলতা আৰু ক্ষিপ্রতা।

তেওঁ ।। চাকৰি কৰিও আপুনি সহায় কৰিব পাৰে। আমাৰ বিপক্ষে থকা ৰিপোর্টবোৰ হেৰুৱাই পেলাব পাৰে; আমাক মুক্ত কৰি দিব পাৰে। দেশৰ মানুহতকৈ জানো নিজৰ প্রাণৰ মূল্য বেছি?

তেওঁৰ এজন প্রেমাষ্পদ আছিল—যি তেওঁকো পাহৰি আন্দোলনত জপিয়াই পৰিছিল। বহুত দিন বহুত দিন, তেওঁ বাট চাই আছিল—তেওঁৰ প্রেমাষ্পদ ঘূৰি আহিব। নাহিল। ক'লৈ গ'ল তেওঁ ক'ব নোৱাৰে। কিজানি কোনো দুর্ঘটনাত তেওঁৰ মৃত্যু হ'ল। কিজানি গুলীৰ আঘাতত মৃত্যু হ'ল। কিজানি জীয়াই আছে, আত্মগোপন কৰি আন্দোলন "জোৰদাৰ" কৰি তুলিছে। তেওঁ ঘৰৰ পৰা ওলাই আহিল। সকলো বাধা-নিষেধ পাৰ হৈ ওলাই আহিল আৰু প্রেমাষ্পদৰ পথ অনুসৰণ কৰিলে। তেওঁৰ চকু-মুখত সেই কোমলতা, সেই তীক্ষ্ণতা, সেই সৌন্দর্য্য! এই চৰাইটোৰ দৰে উৰি আহিছিল আৰু উৰি গুচি গ'ল, অথবা তেওঁ বন্দী হ'ল। বন্দীত্বৰ লগে লগে হেৰুৱাই পেলালে নিজৰ আত্মাৰ ঐশ্বর্য্য আৰু লাহে লাহে জন্ম দিলে এটা-দুটাকৈ সন্তান। তেওঁ হেৰাই গ'ল—তেওঁ হেৰাই গ'ল......

দুয়োৰে মাজত কি বিশাল নিৰৱতা! বৃদ্ধাই ক'লে,—

বৃদ্ধা ।। আজি সোমবাৰ।

বৃদ্ধ ।। নহয়। আজি বুধবাৰ।

বৃদ্ধা ।। আজি সোমবাৰ। কাৰণ সপ্তাহটো আজিৰ পৰা আৰম্ভ হ'ব।

বৃদ্ধ ।। চৰাইবোৰৰ কাৰণে কোনো তাৰিখৰ গণ্ডগোল নাই। গতিকে বুধবাৰ হ'লেও ক্ষতি নাই। (নিস্তব্ধ)

দুৱাৰত কোনোবাই শব্দ কৰাৰ শব্দ শুনা গ'ল। এবাৰ, দুবাৰ, তিনিবাৰ। লাহে লাহে, জোৰকৈ, অধিক জোৰকৈ।

বৃদ্ধা ।। তেওঁ আহিছে কিজানি। মোৰ আশা, মোৰ প্রেৰণা—

বৃদ্ধ ।। তেওঁ আহিব পাৰে । কিন্তু লগত কোনোবা আছে । মোৰ সাহস, মোৰ উদ্যম......

দুয়ো ।। (অনুচ্চ সুৰত) দুৱাৰখন বাহিৰলৈ টান মাৰি দিলেই খোল খায় ; অথচ ভিতৰলৈ ঠেলি আছে ।

বাহিৰত ।। দুৱাৰ খুলিছো । কিন্তু কোন আছে ভিতৰত ?

বৃদ্ধ ।। তেওঁৰ প্ৰেমাস্পদ কিজানি । কিন্তু কি যেন এটা গোন্ধ বিয়পি আহিছে ।

বৃদ্ধা ।। তেওঁ কিজানি । কিন্তু এতিয়া কি আন্দোলন হৈ আছে ? তেওঁতো সদায় মুক্তি যোদ্ধা । তেওঁৰতো আহৰি নাই—। আঃ কি পৰিচিত ধ্বনি আৰু গন্ধ ! কিজানি হৃৎস্পন্দন, কিজানি নাকৰ নিশ্বাস......।

আগন্তুক ।। আহৰি সঁচাকৈ নাই । আঃ কিমান কাম । কিন্তু কথা হ'ল কি জানে—মানুহবোৰ ইমান ভয়াতুৰ ; আমাক আশ্ৰয় নিদিয়ে ।

বৃদ্ধ ।। মানুহবোৰ বৰ ভয়াতুৰ যে আশ্ৰয় নিদিয়ে ।

আগন্তুক ।। চাওক । আপোনালোকৰ এই বিশাল ঘৰটোত কমেও আমাৰ পঞ্চাশজনে আশ্ৰয় পাব পাৰে । কিন্তু বাহিৰৰ পৰা দুৱাৰ-খিৰিকী বন্ধ, গেট বন্ধ, চোতালত আঠুৱনীয়া হাবি । নহয় ৰাণী ?

নেপথ্যৰ পৰা ।। মোক ৰাণী নুবুলিবা । কিমান দিন কৈছো—সাধাৰণ মানুহৰ কাৰণে যুঁজিবলৈ ওলাইছো, অথচ মোৰ নাম হ'ল ৰাণী !

আগন্তুক ।। হাঃ হাঃ হাঃ—ভালেই হৈছে, ভালেই হৈছে । মানুহে বুজিব আজিকালিৰ ৰাণীৰ থাকিবলৈ আশ্ৰয় নাই, খাবলৈ আহাৰ নাই, পিন্ধিবলৈ কাপোৰ নাই ।

বৃদ্ধ ।। আহাহা । কোন তেওঁ ? তেওঁৰ কি নাই ? আশ্ৰয় নাই, খাবলৈ নাই, পিন্ধিবলৈ নাই......। কিন্তু মই যেন এটা পৰিচিত অথচ হেৰাই যাব খোজা খোন্ধ পাইছে......।

বৃদ্ধা ।। তুমি কোন ।। তুমি কি ৰাণী ? আহাঁ আহাঁ দুয়ো সোমাই আহাঁ ৰাণা আৰু ৰাণী । আঃ নাম দুটা যেন কিমান দিনৰ পৰিচিত । ৰাণা তোমাৰ কন্ঠৰ শব্দ, তোমাৰ শৰীৰৰ গন্ধ—তুমি তুমি নিশ্চয় তেওঁ । ৰাণা ৰাণীৰ চকু-মুখত কি উজ্জ্বলতা ! কি চঞ্চলতা ! কি

ক্ষিপ্ৰতা আৰু কি সুন্দৰ ৰং ! সোণালী ৰং, কোমল চকু, ক'লা চুলি, মিহি কোমল মুখ। এওঁলোকৰ নাম আছে। আৰু নাম নাথাকিলেই বা ! তাতো কোনো ক্ষতি নাই। কাৰণ, চব কথাৰে কোনো কাৰণ নেথাকে।

বৃদ্ধ ।। তোমালোক আহিলা, অথচ আমি তোমালোকক অভ্যৰ্থনা কৰিব পৰা নাই।

বৃদ্ধা ।। তোমালোক আহিলা, অথচ আমি তোমালোকক অভ্যৰ্থনা কৰিব পৰা নাই।

ৰাণা আৰু ৰাণী ।। হ'ব—হ'ব। আমি অভ্যথিত হৈছো। হঠাৎ মনত পৰিল—দুৱাৰ বন্ধ ঘৰত সোমাই যাওঁ।

ৰাণা ।। মনত পৰিল ইয়াৰ ভিতৰত আমাৰ কোনোবা পৰিচিত মানুহ থাকিব পাৰে।

ৰাণা ।। মনত পৰিল আমি ইয়াত আশ্ৰয় পাই যাব পাৰোঁ।

বৃদ্ধ আৰু বৃদ্ধা ।। নিশ্চয়। নিশ্চয়।

বৃদ্ধা ।। (ৰাণালৈ চাই) আমি কিজানি তোমালোকলৈকে বাট চাই আছিলো।

বৃদ্ধ ।। (ৰাণীলৈ চাই) আমি কিজানি তোমালোকলৈকে বাট চাই আছিলো।

ৰাণা ।। এই নগৰখনৰ মানুহবোৰ বৰ ভয়াতুৰ।

ৰাণী ।। খাবলৈ থকা মানুহ কেতিয়া সাহসী হোৱা দেখিছা ?

বৃদ্ধ ।। নগৰখনত কিবা হৈছে নেকি ? আমি কোনো খবৰ ৰখা নাই—চিৰাচৰিত পুৰণি খবৰ।

—ৰাণা আৰু ৰাণীয়ে পৰস্পৰৰ চকুলৈ চায়। বাহিৰত বন্দুকৰ গুলীৰ আৱাজ শুনাৰ লগে লগে তেওঁলোক চকিত হৈ পৰে। বৃদ্ধ আৰু বৃদ্ধাও কিছু উৎকণ্ঠিত।

বৃদ্ধ ।। এটা শব্দ শুনিলো।

বৃদ্ধা ।। বৰ চিনাকি শব্দ।

ৰাণা ।। নগৰখন আজি আক্ৰান্ত হৈছে—ওখ অট্টালিকাবোৰৰ

বাসিন্দাবোৰক আমি মাটিলৈ নমাই আনিছো।

ৰাণী ।। খাদ্য-শস্যৰ গুদামবোৰ আমি দখল কৰিছো।

ৰাণা ।। ৰেলগাড়ী আৰু মটৰ গাড়ী আমাৰ নির্দেশমতে চলাইছো। কল-কাৰখানা আমি চলাইছো। বিশ্ববিদ্যালয়ৰ পৰা তথাকথিত হাইব্ৰ' ইনটেলেকচুৱেলবোৰক বহিষ্কাৰ কৰি দিছো।

ৰাণী ।। সেইবাবে সিহঁতেও "জোৰদাৰ" প্রতি আক্ৰমণ চলাইছে, অকণ অকণ ল'ৰা-ছোৱালীবোৰক গুলীয়াই মাৰিছে। গাভৰুহঁতক বিবস্ত্রা কৰি ৰাজহুৱাকৈ সতীত্ব নাশ কৰিছে। ডেকাবোৰক বান্ধি লৈ খুচি খুচি নৃশংসভাৱে হত্যা কৰিছে।

বৃদ্ধা ।। আহ! নক'বা—নক'বা মোৰ সোণাইহঁত আৰু নক'বা। সেই ঘটনা মোৰ বৰ পৰিচিত।—কিন্তু কি আচৰিত! সময় কি স্তব্ধ হৈ আছে? নহলে একেবোৰ ঘটনা সদায় কেনেকৈ ঘটি আছে!

বৃদ্ধ ।। (নিৰুত্তৰ)

বৃদ্ধা ।। (বৃদ্ধলৈ চাই) তুমি এওঁলোকক সহায় কৰা।

বৃদ্ধ ।। কেনেকৈ? যাৰ হাততেই ক্ষমতা থাকিব, তাৰ হাততেই আইন।

বৃদ্ধা ।। তুমিতো এসময়ত বিচাৰ-পতি আছিলা! এতিয়া সেই ক্ষমতাৰে আইন জাৰি কৰা। (নিজে নিজে) মই জানো; তুমি সদায় আচল সময়টোত দ্বিধাগ্ৰস্ত হৈ পৰা।

বৃদ্ধ ।। (ৰাণালৈ চাই) তুমি যে সদায় যুদ্ধ কৰা, তোমাৰ জানো আন কোনো সমস্যা নাই?

ৰাণা ।। যুদ্ধ কৰাটোৱেতো সমস্যা।

বৃদ্ধা ।। ওঁ ওঁ যুঁজ কৰাটোৱেইতো সমস্যা। সেইবাবেইতো তুমি ৰাণীক বিয়া কৰোৱাৰ কথা পাহৰি থাকা, অথবা মনত পেলাবলৈ সময় নহয়।

ৰাণা আৰু ৰাণীৰ চকুত কি এটা মধুৰ আবেশ খন্তেকৰ বাবে জিলিকি উঠে। তাৰ পিচত দুয়ো দুয়োলৈ চাই হাঁহে। তাৰ পিচত দুয়ো গম্ভীৰ হয়।

ৰাণী ।। বিয়া হ'ল এটা সুখ-স্বপ্ন। নগৰ মানুহে নৰ্দমাত খাদ্য

বিচাৰি ফুৰাৰ সময়ত আমি বিয়াৰ স্বপ্ন দেখাটো ভীষণ পাপ হ'ব।

বৃদ্ধ ॥ কিন্তু, মাজে মাজে মনৰ মাজত সেই স্বপ্ন জাগি উঠে।

ৰাণা ॥ জাগি উঠে। আমি তাক সযতনে বাকচত ভৰাই তলাবন্ধ কৰি থওঁ। নহ'লে সি আমাক পথভ্ৰষ্ট কৰিব পাৰে।

বৃদ্ধা ॥ ঠিক কৈছা। ঢেৰ সময় আছে বিয়া কৰাবলৈ—ঢেৰ সময় আছে। তুমি তেওঁক বুকুত সুমাই মৰম কৰিবলৈ বহুত সময় পাবা। কিন্তু আচল সময়ত যদি সঠিক গুলীটো মাৰিব নোৱাৰো। ......বাহিৰত গুলীৰ আৱাজ উপৰ্য্যুপৰি বাজি উঠে।

ৰাণী ॥ সেয়া আচল সময়ত কোনোবাই সঠিক গুলীটো মাৰিছে।

বৃদ্ধ ॥ কিন্তু তোমালোকে যুদ্ধ কিয় ভাল পোৱা?

ৰাণা ॥ আমি যুদ্ধক ঘৃণা কৰো।

বৃদ্ধা ॥ ঠিক কৈছা আমি যুদ্ধক ঘৃণা কৰিব লাগে।

ৰাণী ॥ যুদ্ধ নোহোৱা কৰিবলৈকে আমাৰ যুদ্ধ। আমি একেৰাতে যুঁজি ক্লান্ত হৈ পৰিছিলো। আমাৰ লগত আৰু প্ৰায় পঞ্চাশজন আছে। যিবিলাকৰ বাবে অন্ততঃ এৰাতিৰ আশ্ৰয় দৰকাৰ হৈছে। নহ'লে তেওঁলোকে যুদ্ধক্ষেত্ৰত ভুল কৰিব পাৰে।

ৰাণা ॥ সেইবাবে আমি এই ঘৰটো দখল কৰিবলৈ আহিছো। ইয়াৰ প্ৰত্যেক ইঞ্চি ঠাই এতিয়া আমাৰ আধিপত্যৰ ভিতৰত। কিন্তু এই যে ইজিচেয়াৰ দুখন, সেই দুখন আমাক নালাগে।

ৰাণী ॥ আমি যেতিয়া ঘৰটো দখল কৰিম, বাৰাণ্ডাৰ ইজিচেয়াৰ দুখনত আপোনালোকে শুই থাকিব পাৰে।

ৰাণা ॥ কিন্তু কোনো প্ৰকাৰৰ ষড়যন্ত্ৰ—

বৃদ্ধা ॥ নাই নাই ষড়যন্ত্ৰ কিয় কৰিম? তোমালোকে দখল কৰা। আমাৰ ঘৰদুৱাৰ, আচবাব, আমাৰ সকলোবোৰ খাদ্য-দ্ৰব্য, আনকি আমাৰ শৰীৰৰ প্ৰত্যেক ইঞ্চি ঠাই দখল কৰা--

বৃদ্ধ ॥ ( উদাসভাৱে ) ওঁ তেওঁ যেতিয়া কৈছে—দখল কৰা। কিন্তু মোক কিছু সময় দিয়া।

বৃদ্ধা ॥ সময় কিয়? সময় কিয়?

বৃদ্ধ ॥ মই ৰাণীৰ লগত কথা পাতিব খোজোঁ।

বৃদ্ধা ॥ ময়ো ৰাণাৰ লগত কথা পাতিব খোজোঁ।

ৰাণা আৰু ৰাণীৰ চকুত এটা শঙ্কা আৰু আনন্দৰ ঔজ্বল্য। বাহিৰত তেতিয়া হুলস্থূল আৰম্ভ হৈছে, মানুহৰ আৰ্তনাদ, গুলীৰ শব্দ, বাৰুদৰ গোন্ধ বিয়পি পৰিছে। বৃদ্ধই বুকুৰ মাজত কন্ঠনলীৰ ওচৰত হাপানীৰ কাহটোৰ খুন্দা অনুভৱ কৰিলে। আঃ কবিৰাজে দিয়া বড়ি কেইটা খাব লাগিছিল। কিন্তু এতিয়া ঠিক সময়ৰ হিচাপটো জনা নাই। তেওঁ অনুভৱ কৰিলে—এনেকৈ কেতিয়াবা বুকুৰ মাজত একোটা অকাৰণ দুখে খুন্দা মাৰি যায়। ৰাণী ওচৰ চাপি আহিল আৰু তেওঁৰ বুকুখন পিহি দিলে। এটা সুখৰ সৰু শব্দ ডিঙিয়েদি তেওঁৰ বাজিবলৈ ধৰিলে। ৰাণাই বৃদ্ধাৰ এটা হাত নিজৰ হাতৰ মুঠিত তুলি ল'লে। বৃদ্ধাৰ চকুৱে ৰাণাৰ চকুৰ মাজত যেন কিবা বিচাৰিবলৈ ধৰিলে ঃ

বৃদ্ধা ॥ মই জানো তুমি আহিবা। তুমি যে নহাকৈ ইমান দিন কিয় আছিলা! সময়, মোৰ সকলো সময়—পল, অনুপল, দণ্ড, দিন, ৰাতি, সপ্তাহ-মাহ, বছৰ, শতাব্দী একাকাৰ কৰি মই বাট চাই আছো। কাৰণ তুমি কৈ গৈছিলা তুমি ঘূৰি আহিবা। [এটা হমুনিয়াহ বাগৰি আহে।] তোমাক বিচাৰি বিচাৰি মই এদিন বন্ধনৰ মাজত সোমালো। কাৰণ তোমাৰ বাবে সংৰক্ষিত মোৰ সকলো ঐশ্বৰ্য কাঢ়িয়াই লৈ ফুৰা অসম্ভৱ হৈ উঠিছিল। কিন্তু এতিয়া বুজিছোঁ সেইবোৰ ঐশ্বৰ্য নাছিল। অথচ [হাঁহি] চোৱা, কিমান ভুল কৰিলোঁ তেতিয়া।—আঃ মই কেৱল মোৰ কথা কৈ আছোঁ। তুমি ক'ত আছিলা কোৱা? বৃটিছ যোদ্ধাৰ পিছত তুমি ক'ত ক'ত যুঁজ কৰিলা? এতিয়া কিহৰ যুঁজ কৰি আছা? অথচ তোমাৰ চেহেৰাৰ সামান্যতম পৰিবৰ্তনো হোৱা নাই—সেই সোণালী ৰং, কোমল চকু, ক'লা চুলি, মিহি কোমল মুখ ; অথচ পৌৰুষোদ্দীপ্ত বাহু......।

বৃদ্ধা কঁপিবলৈ ধৰিলে, উচুপি উঠিল আৰু ৰাণাৰ বুকুত মূৰ গুজি ক'লে,—তুমি সুধিছিলা মই তোমাক ভাল পাওঁনে নেপাওঁ! তুমি নাজানা, তুমি নুবুজা—মই, মই কেৱল তোমাকেই ভালপাওঁ, তোমাৰ বাহিৰে মোৰ মাজত কোনো সুকীয়া এটা সত্তা নাই—।

বৃদ্ধই যেন হাপানীৰ আক্ৰমণৰ পৰা ৰক্ষা পালে, সহজভাৱে উশাহ ল'বলৈ ধৰিলে, সতৃষ্ণ নয়নে ৰাণীৰ মুখৰ ফালে চাবলৈ ধৰিলে ঃ

কিমান দিনৰ মূৰত তুমি আকৌ আহিলা ! মই ভাবিছিলো—সেই যে তোমাক মোৰ বাহুৰে বন্ধন কৰিলো—সেই তেতিয়াৰ পৰা ক্ষণে ক্ষণে তুমি গলি, পমি পমি কেনেকৈ নাইকিয়া হৈ আঁতৰি গ'লা ; তাৰ পিছত তুমি আৰু নাহিবা। অথচ তুমিয়েই মোৰ অন্তৰত প্ৰথম সাহসৰ গুটি সিচিছিলা। তুমিয়েই কৈছিলা--মই তোমালোকক কেনেকৈ সহায় কৰিব পাৰোঁ। কি ভয়ানক উদ্বিগ্নতা আৰু ভয়ৰ মাজত এটা এটাকৈ গোপন কাম কৰিছিলো আৰু প্ৰত্যেকটো কামৰ গুৰিত আছিল তোমাৰ অদৃশ্য হাতৰ নিৰ্দেশ। অথচ যেতিয়া তুমি মোৰ অজ্ঞাতেই আঁতৰি গ'লা, তেতিয়া মই আমাৰ দেশৰ চৰকাৰৰ তলত একেদৰেই চাকৰি কৰি থাকিলো। মই ভাবিছিলো তুমি আহিবা—সেই বাবেই দিনৰ পিছত দিন, ৰাতিৰ পিছত ৰাতি, মাহৰ পিছত মাহ বাৰাণ্ডাত বহি বাট চাই থাকোঁ। তুমি মোৰ প্ৰেৰণা, তুমি মোৰ সাহস—তুমি গুচি নাযাবা, তুমি গুচি নাযাবা....। এই সকলোবোৰ তোমাৰ। তুমি ইয়াতে থাকা। তোমাৰ প্ৰেমাস্পদকো নৈ আহাঁ—মোৰ প্ৰত্যেক বিন্দু তেজৰ ওপৰতো তোমালোকৰ অধিকাৰ থাকিব....।

আহ--কি মুক্তি, কি স্বাভাৱিক জীৱন !

পোহৰ কেতিয়াবাই শেষ হৈছিল। আন্ধাৰ বাৰাণ্ডাত বৃদ্ধ আৰু বৃদ্ধাক চিনিব নোৱাৰা হৈ গ'ল। কেৱল তেওঁলোকৰ খীণ উশাহ-নিশাহৰ শব্দ বতাহত বিয়পি থাকিল।—গভীৰ নিৰৱতাত এটা সৰু শব্দ কৰি বৃদ্ধাই ক'লে ঃ

বৃদ্ধ ।। জাৰ লাগিছে।

বৃদ্ধা ।। এতিয়া গ্ৰীষ্ম চলিছে।

বৃদ্ধ ।। আজি বুধবাৰ আছিল মোৰ জন্মবাৰ।

বৃদ্ধা ।। আজি সোমবাৰ আছিল। মোৰ জন্মবাৰ।

বৃদ্ধ ।। সময়ৰ কোনো জোখ নাই, বুধবাৰো হ'ব পাৰে। মো জন্মবাৰ।

বৃদ্ধা ।। তোমাৰ জন্মবাৰ সোমবাৰ।

বৃদ্ধ। নহয়। বুধবাৰ। অকণৰ পৰা চিঠি পাব লাগিছিল।

বৃদ্ধা ।। অকণ নামৰ কোনো ল'ৰা নাই।

[বৃদ্ধ যেন হতাশ হৈ পৰে। উঠিব খোজে। থিয় হৈ আন্ধাৰতে চায় চাৰিওফালে।]

এই ঘৰটো পৰিষ্কাৰ কৰাব লাগিব। চোতালখন পৰিষ্কাৰ কৰাব লাগিব।

বৃদ্ধা।। [উৎকন্ঠিত হৈ শুনে আৰু উঠি ওচৰত ৰয়হি।]

এই এটা কথাত তোমাৰ লগত মোৰ মিল আছে। খুব সোনকালেই ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰাব লাগে। সময়ৰ স্তূপীকৃত আৱৰ্জনাই উশাহ বন্ধ কৰি দিছে।

বৃদ্ধ।। [আন্ধাৰতে তীব্ৰভাৱে চাই] কিয়? কিয় কৰিব লাগে পৰিষ্কাৰ?

বৃদ্ধা।। [মুখ দেখা নাযায়। কিন্তু এটা মধুৰ লাজৰ আৱৰণে যেন ঢাকি পেলাইছে] তেওঁ আহিব পাৰে। এই আৱৰ্জনা তেওঁ ভাল নাপায়—

বৃদ্ধ।। [উৎসাহিত হৈ] ময়ো তাকে আশা কৰিছোঁ জানা? তেওঁ আহিব পাৰে। আৰু আহিলে আমাৰ ঘৰ-দুৱাৰ, আমাৰ আচবাব, আমাৰ খাদ্য-দ্ৰব্য, এই সকলোবোৰ দি দিম। আমাৰ শৰীৰ--আমাৰ মন....

দুয়ো।। সোণালী ৰং, কোমল চকু, ক'লা চুলি, মিহি-কোমল মুখ, প্ৰতিজ্ঞাবদ্ধ হৃদয়..। আমাৰ উদ্যম, আমাৰ প্ৰেৰণা, আমাৰ প্ৰাণ, আমাৰ জীৱন......

আমাৰ উদ্যম, আমাৰ প্ৰেৰণা, আমাৰ প্ৰাণ, আমাৰ জীৱন.. ....

# এটা আকাংক্ষিত শব্দৰ প্ৰতীক্ষাত

[অসমীয়া ভাষাত Stream of consciousness ধাৰাৰ গল্প যথেষ্ট লিখা হৈছে ; কিন্তু Interior Monologue......ৰ সহায়ত লেখা গল্পৰ সংখ্যা বোধকৰোঁ বৰ বেছি নহয়--প্ৰখ্যাত গল্প লিখক সৌৰভ কুমাৰ চলিহাৰ গল্পতেই মাত্ৰ তাৰ পৰিচয় আছে। এই গল্পটোত সম্পূৰ্ণ Interior Monologue ৰ মাধ্যমেৰে মানুহৰ চিৰন্তন আৱৰ্তৰ এটা বিমূৰ্ত চেতনা ধৰি ৰাখিবৰ চেষ্টা কৰা হৈছে।]

বোধকৰোঁ বহুত দিন--কিমান দিন কোনো হিচাপ নাই, হয়তো বহুত যুগ--বহুত শতাব্দী কিমান দিন কোনো হিচাপ নাই—কিন্তু মনত পৰে--যেন নাই কিবা এটা শুনিছিলোঁ--কি শুনিছিলোঁ--মনত নাই, কিন্তু কিবা এটা শব্দ--কিজানি অনুচ্চাৰিত শব্দও হ'ব পাৰে--কিজানি এটা শব্দৰ স্মৃতিও হ'ব পাৰে--ঠিক যিদৰে শৈশৱৰ এটা গানৰ সুৰৰ স্মৃতিৰ কম্পন মনলৈ আহে৷ আহেঁকি থাকিও নাহে--অথচ কঁৰৰাত যেন সেই পৰিচিত সুৰটো শুনিম--এনে ধাৰণা হয়--যেন সেই সুৰৰ লগত কাৰোবাৰ এটা সুৰ মিলি যাব—আৰু মই এটা হেৰোৱা সম্পদ ঘূৰাই পোৱাৰ উত্তাল আনন্দ লাভ কৰিম--এনে লাগে--অথচ শব্দটো--সি উচ্চাৰিত

নে অনুচ্চাৰিত মই ক'ব নোৱাৰো—সেই শব্দটো—শব্দটোৰ স্মৃতিৰ এটা কম্পন অনুভৱ কৰিবলৈ তাক ঘূৰাই পাবলৈ মই অহোৰাত্ৰ কাণ পাতি বৈ আছোঁ-ধাৰণা হয় ইঞ্জিনৰ শব্দ যেতিয়া বন্ধ হৈ যাব—পৃথিৱীৰ আৰু আকাশ মাৰ্গৰ যান্ত্ৰিক বাহনবোৰৰ শব্দধ্বনি যেতিয়া স্তব্ধ হৈ যাব, মানুহৰ মুখৰ শব্দ নিৰৱ হ'ব—কিজানি তেতিয়া শুনিম—কিন্তু নুশুনো—ধৰিব নোৱাৰোঁ—পকা গছপাতৰ দৰে মুগা বৰণীয়া হৈ দিনবোৰ সৰি পৰে—ৰাতিবোৰ সৰি পৰে—আৰু সেই সৰি পৰা দিন-ৰাতিয়ে যুগৰ হিচাপ—শতাব্দীৰ হিচাপ—তাৰ ওঁৰালত জমা কৰি গৈ থাকে—অথচ মই সেই আকাংক্ষিত অথচ অপৰিচিত শব্দটো—যি মোৰ হৃদয়ক তাৰ মধুৰ তপ্ত নিশ্বাসেৰে ভৰাই তুলিব পাৰে—যি মোৰ তেজৰ কণাক এটা দ্ৰুতগতিৰ শক্তি দিব পাৰে—মই ধৰিব নোৱাৰোঁ—মই তাৰ পৰিচিত ৰূপ অনুভৱ কৰিব নোৱাৰোঁ--মই তাৰ এটা স্পষ্ট ৰূপ উপলব্ধি কৰিব নোৱাৰোঁ—যিদৰে মই মোৰ প্ৰিয়তম সকলৰ মুখবোৰ মনত পেলাব খুজিলেই অস্পষ্ট হৈ যায়—ধোঁৱাৰ মাজত, কুঁৱলীৰ মাজত হেৰাই যোৱাৰ দৰে হেৰাই যায় আৰু চিনিব নোৱাৰা হৈ পৰে—অথচ এবাৰ দেখিলেই মই মুখবোৰ চিনি পাই যাওঁ—এবাৰ দেখিলেই সিহঁতৰ চকু-মুখৰ নিৰৱ ভাষা—সমগ্ৰ শৰীৰৰ এটা নিৰৱ অথচ স্পষ্ট ভাষা মই বুজিব পৰা হওঁ—ঠিক তেনেকৈ সেই শব্দটো--সেই হেৰাই যোৱা শব্দটো ক'ৰবাত হঠাৎ অকস্মাতে এবাৰ শুনিলেই মই তাক চিনি পাই যাম—মই তাৰ অস্তিত্বৰ মাজত মোৰ নিজৰ এটা হেৰোৱা অস্তিত্বৰ সন্ধান পাম—মোৰ নিজক বিচাৰি পাম—যিদৰে স্বপ্নৰ মাজত—কেতিয়াবা হঠাৎ মই মোক দেখা পাই যাওঁ—যিদৰে পুৰণি এলবামৰ পাতত আঠা লগাই থোৱা মুগাবৰণীয়া হৈ যোৱা শৈশৱৰ ছবি এখন দেখিলে নিজক ঘূৰাই পোৱা যেন লাগে—আনন্দ হয়—বিষাদ হয়—এটা বুজাব নোৱাৰা আনন্দ আৰু বিষাদৰ মিশ্ৰিত যন্ত্ৰণা অনুভূত হয়—আচৰিত হওঁ—ভাবি আচৰিত হওঁ সেই কোমল মুখ-চকু আৰু শৰীৰৰ মাজত এতিয়াৰ মই কেনেকৈ লুকাই আছিলো—কেনেকৈ লুকাই আছিল মোৰ এই পৰ্যন্ত মাঠিটা বছৰ—কেনেকৈ লুকাই আছিল মোৰ অথৰ্ব জীৰ্ণ শৰীৰ, কিদৰে গোপনে লুকাই

আছিল মোৰ বীৰ্য--মোৰ তেজ--মোৰ সন্তান--কেনেকৈ লুকাই আছিল মোৰ বুদ্ধি, মোৰ অহংকাৰ, মোৰ মূৰ্খামি, মোৰ স্বপ্ন—স্বপ্ন অথচ স্বপ্ন হৈও সি আংশিক সঁচা--কাৰণ সেই স্বপ্নৰ মাজত লুকাই আছিল মোৰ প্ৰেম--মোৰ সংসাৰ--মোৰ আকাংক্ষা--যিদৰে এটা গুটিৰ মাজত এজোপা গছ লুকাই থাকে--বয়স লুকাই থাকে--বয়সৰ বিভিন্ন ৰং লুকাই থাকে--কোমল ৰঙচুৱা--পাতল সেউজীয়া--ডাঠ সেউজীয়া—ক'লা—মুগা আৰু মাটিৰ ৰং—পৃথিৱীৰ ৰং--এটা বৰ্ণহীন বৰ্ণ--ভাবি আচৰিত হওঁ কেনেকৈ এলবামৰ সেই পুৰণি মুগাবৰণীয়া ছবিৰ মাজত মই আছিলো—মনে মনে ব্যাকুল হওঁ—মই সেই ছবিৰ বুকুলৈ উলটি যাওঁ—মোৰ সমস্ত বৰ্তমান--মোৰ ঘৰ-দুৱাৰ—মোৰ ল'ৰা-ছোৱালী—মোৰ অথৰ্ব জীৰ্ণ শৰীৰ--এই আটাইবোৰ বুকুত সুমুৱাই মই এলবামৰ বুকুত শুই থাকোঁ--নহয় নহয়—এটা প্ৰাচীন অস্তিত্বৰ মাজলৈ মই সোমাই যাওঁ—যি অস্তিত্ব কেৱল স্বপ্নময়--যি অস্তিত্ব কেৱল সম্ভাৱনাময়--এনেকুৱা এটা ব্যাখ্যা-হীন ব্যাকুলতা অনুভৱ কৰো--যন্ত্ৰণা অনুভৱ কৰো—ঘূৰাই পাব খোজোঁ--ঠিক তেনেকৈ—কিছুমান শব্দ ঘূৰাই পাব খোজোঁ—অন্ততঃ এটা শব্দ—যিটো শব্দ উচ্চাৰিত নে অনুচ্চাৰিত মই ক'ব নোৱাৰো—অথচ মই অনুভৱ কৰো--এবাৰ মাত্ৰ শুনিলেই মই তাক ঠিক চিনি পাই যাম—সি মোক তাৰ বুকুৰ মাজলৈ লৈ যাব—তাৰ তপত নিশ্বাসেৰে মোৰ হৃদয় ভৰপূৰ কৰিব--মোৰ তেজত এটা দ্ৰুতগতি দিব--অথচ মই তাক ধৰিব নোৱাৰোঁ—মই তাক চিনি উলিয়াব নোৱাৰোঁ—মই এটা যন্ত্ৰণা অনুভৱ কৰো যেন এই শুনিম এই শুনিম—নুশুনো অথচ —আশা ত্যাগ কৰিব নোৱাৰোঁ—মই অহোৰাত্ৰ কাণ পাতি থাকো—মোৰ কোঠাৰ খিৰিকী খুলি দিওঁ--কিজানি সেই শব্দ আহি খিৰিকীৰ কাষত বাধা পাই ৰৈ আছে--মোৰ কোঠাৰ লাইট নুমাই দিওঁ--কিজানি পোহৰৰ অদৃশ্য বেৰত আহি সি খুন্দা খাই ৰৈ আছে--লাইট জ্বলাই দিওঁ—কিজানি আন্ধাৰৰ ডাঠ চামনিৰ মাজত সি ওলাই আহিব নোৱাৰাকৈ চেপা খাই আছে--মই কাণ পাতি থাকোঁ—কিজানি মোৰ ল'ৰা-ছোৱালীৰ, নাতি-নাতিনীৰ হাঁহিৰ শব্দত, খোজৰ শব্দত, কথাৰ শব্দত সি সোমাই আছে-কিজানি মোৰ পুত্ৰ আৰু পুত্ৰবধূৰ গোপন আলাপৰ মাজত সোমাই আছে----কিজানি মোৰ ল'ৰা-ছোৱালীৰ নিশ্বাসৰ মাজত সোমাই আছে—তথাপি

মই ধৰিব নোৱাৰোঁ—মই শুনো সিহঁতৰ হাঁহি, সিহঁতৰ কথা-বতৰাৰ শব্দ—সিহঁতৰ জোতাৰ শব্দ—সিহঁতে খোৱাৰ শব্দ—কাপ-প্লেট-চামোচৰ শব্দ—সিহঁতৰ যোৱাৰ শব্দ—গাড়ীৰ ইঞ্জিনত ষ্টাৰ্ট হোৱাৰ শব্দ—দুৱাৰ খোলাৰ আৰু জপোৱাৰ শব্দ—অথচ তাৰ মাজত শব্দটো মই বিচাৰি নাপাওঁ—মই কাণ পাতি থাকোঁ—কিন্তু দুৰ্দান্ত শব্দৰ গৰ্জনত মোৰ শব্দটো—মোৰ আকাংক্ষিত শব্দটো কিজানি আহিব নোৱাৰে—কিজানি মটৰৰ শব্দ, ৰেলৰ শব্দ, যাত্ৰীবাহী বিমান আৰু আতংক ওপজোৱা জেট-প্লেনৰ শব্দৰ মাজত শব্দটো হেৰাই যায়—কিজানি কল-কাৰখানাবোৰৰ শব্দত, পৃথিৱীৰ মানুহৰ বিভিন্ন ধ্বনিৰ মুখৰ শব্দত—সাগৰৰ শব্দত—বতাহৰ শব্দত—মোৰ শব্দটো হেৰাই যায়—মই কাণ পাতি থাকোঁ—সাগৰৰ শব্দ স্তব্ধ হ'ব—মই কাণ পাতি থাকোঁ—পৃথিৱীৰ মানুহৰ মুখৰ আৰু যন্ত্ৰৰ শব্দ স্তব্ধ হ'ব—আৰু ঠিক সেই সময়তে মই মোৰ শব্দটো—হৃদয়ৰ শব্দটো—মোৰ আকাংক্ষিত শব্দটো হঠাৎ পাই যাম—যাক মই ষাঠিটা বছৰ—নহয় নহয় বহুত যুগ—বহু শতাব্দী ধৰি বিচাৰি আহিছোঁ—যাক এবাৰ শুনাৰ আগ্ৰহত মই একাঙ্গী ৰোগত ভুগিও সমস্ত দিন সমস্ত ৰাতি—বিছনাত শুই শুই কাণ পাতি থাকোঁ—বাট চাই থাকোঁ—অথচ মোৰ ল'ৰা-ছোৱালীয়ে ভাবে—সিহঁতৰ পৰিচৰ্যা, ডাক্তৰৰ চিকিৎসা, বন্ধু-বান্ধৱৰ অনুপ্ৰেৰণা—এইবোৰৰ মাজত থাকি মই পেৰেলাইচিচৰ কষ্টৰ কথা পাহৰি শব্দহীনভাবে শান্তিত শুই থাকোঁ—সিহঁতে হয়তো ভাবে—মোৰ কোনো আকাংক্ষা নাই—স্বপ্ন নাই—সিহঁতে হয়তো ভাবে—থাৰ্ড ষ্ট্ৰক উইল বি দি লাষ্ট এণ্ড ফাইনেল ষ্ট্ৰক—সিহঁতে ভাবে শৰীৰৰ এটা ফালৰ লগে লগে মোৰ মনৰো এটা অংশ পেৰালাইজ্‌ড হ'ল—সিহঁতে নাজানে মোৰ ব্যাকুল প্ৰতীক্ষাৰ কথা—সিহঁতে নাজানে—এটা হেৰাই যোৱা শব্দৰ বাবে মই কেনেকৈ—পুনৰুজ্জীৱনৰ বাবে বাট চাই কাণ পাতি থাকোঁ—শুনিম সেই শব্দটো শুনিম—কিন্তু কি শব্দ—কি তাৰ ৰূপ—কি তাৰ অৰ্থ—একো মনত নাই—একো ক'ব নোৱাৰো—অথচ জানো এনেকুৱা কিবা এটা শব্দ আছে—যাৰ আকাৰ ধ্বনিৰ মাজত নাই—যাৰ আকাৰ আখৰৰ মাজত নাই—যিটো শব্দ কোনে কৈছিল ক'ব নোৱাৰোঁ—কিজানি বহুত যুগৰ আগত মোৰ কোনোবা প্ৰেমিকা আছিল—যি প্ৰেম অব্যক্ত হৈ ৰ'ল—মমৰ দৰে

গলি গলি নিঃশেষ হৈ গ'ল—যাৰ চকুত মোৰ সৰ্বনাশ লেখা আছিল— তেনেকুৱা কোনো ষোড়শী প্ৰেমিকা হ'ব পাৰে—কোনো নাৰী হ'ব পাৰে— যি কেৱল এটা অনুভূতি মাত্ৰ কিন্তু আকাৰ নাই--ভাব মাত্ৰ—শৰীৰ নাই—তেনেকুৱা কোনোবা হ'ব পাৰে—যাক মই লগ পোৱা নাই— তেনেকুৱা কোনোবা হ'ব পাৰে—যাক মই লগ পাইছোঁ--কিন্তু এটা কথাও পতা নাই--অথবা এনেকুৱাও হ'ব পাৰে—সেই প্ৰেমিকা মোৰ স্ত্ৰী-- সেই প্ৰেমিকা মোৰ স্ত্ৰী—যাক মই লগ পাইছোঁ—কিমান দিন হ'ল ক'ব নোৱাৰোঁ--ভৰালত কিমান সৰাপাত জমা হ'ল মোৰ কোনো হিচাপ নাই--হয়তো বহুত যুগ—হয়তো বহুত শতাব্দীৰ আগতে মই তেওঁক লগ পাইছিলোঁ—শৰীৰৰ স্বৰ্ণাভ দ্যুতিৰ মাজত মোৰ তেজৰ গতি বাঢ়িছিল—চকুৰ অলস পতাৰ মাজত মোৰ জিৰণিৰ ছাঁ আছিল—কিজানি মোৰ প্ৰেমিকাই সেই শব্দ উচ্চাৰণ কৰিছিল—কিজানি সেই শব্দ গলি যোৱা মমবাতিৰ মাজত হেৰাই গ'ল—কিজানি সেই শব্দ মোৰ স্ত্ৰীয়ে উচ্চাৰণ কৰিছিল—কিজানি সেই শব্দ উচ্চাৰণ কৰা নাছিল--মই কেৱল অনুভৱ কৰিছিলোঁ--মই কেৱল শুনা বুলি ভাবিছিলো—অথচ শুনা নাছিলো--হয়তো প্ৰথম ৰাতিৰ এটা শব্দহীন অথচ বাংময় অনুভূতি হ'ব পাৰে--সেই অনুভূতিৰ এটা ব্যাখ্যাহীন শব্দহীন অনুভূতি থাকিব পাৰে--হয়তো হ'বও পাৰে—হয়তো নহবও পাৰে—হয়তো মোৰ সন্তানৰ শৈশৱৰ নিশ্বাসত সেই শব্দ শুনিছিলোঁ—হয়তো অনুভৱ কৰিছিলোঁ— হয়তো মোৰ স্ত্ৰীৰ অথবা সন্তানৰ দ্বাৰা উচ্চাৰিত বা অনুচ্চাৰিত শব্দ বা শব্দৰ অনুভূতি—কিজানি তাতোকৈ আগৰ—বহুত যুগ—বহু শতাব্দীৰ অভিজ্ঞতা—কোনো হিচাপ নাই—মনত পেলোৱাৰ কোনো উপায় নাই— কিজানি কি এটা আকাংক্ষাৰ শব্দ আছিল—হয়তো স্বপ্নৰ শব্দ আছিল —কিন্তু জীৱনৰ প্ৰাত্যহিক তুচ্ছতাৰ জঞ্জালৰ মাজত হেৰাই গ'ল— কাপোৰৰ আলমাৰিৰ মাজত সোমাই গ'ল—চাকৰিৰ ফাইলৰ মাজত সোমাই গ'ল—গাড়ীৰ ইঞ্জিনৰ শব্দৰ মাজত হেৰাই গ'ল—কিজানি খাদ্যৰ মাজেৰে খাদ্যনলীৰ মাজেদি পাৰ হৈ গুচি গ'ল—শৰীৰৰ অনুভূতিলৈ কিজানি ৰূপান্তৰিত হ'ল--সি ক'ৰবাত হেৰাই গ'ল--অথচ মোৰ ধাৰণা হয়--সকলো শব্দৰ মাজতো সি একক—সকলো ধ্বনিৰ মাজতো

সি নিসঙ্গ--হয়তো তাক মই চিনিব পাৰিম--কিন্তু সি অন্য নাই--হয়তো সি মোৰ মাজত আছিল--হয়তো--সিয়েই স্বপ্ন হ'ল--হয়তো সি মোৰ পিতৃৰ স্বপ্নৰ মাজত আছিল--য'ত মই অজানিতে আছিলোঁ--হয়তো সি মোৰ পিতামহৰ স্বপ্নৰ মাজত আছিল--য'ত মোৰ পিতৃ লুকাই আছিল --কিমান দিন হ'ল ক'ব নোৱাৰোঁ--হয়তো বহুত যুগ--বহুত শতাব্দী --কিমান দিন--কোনো হিচাপ নাই--কিন্তু মনত পৰে যেন মই কিবা এটা শুনিছিলোঁ--মনত পৰোঁ পৰোঁ হয় অথচ মনত নপৰে--কৰ্কশ যান্ত্ৰিক শব্দ আৰু মানুহৰ মুখৰ শব্দৰ সেই অনুভূতিৰ শব্দটো--সেই স্বপ্নৰ শব্দটো হেৰাই যায়--কিন্তু সি আছিল--নহলে মই কিয় ইমান দিন এনেকৈ আছোঁ--কিয় মই তাৰ অপেক্ষাত ব্যাকুল হৈ বিছনাত পৰি পৰি অহোৰাত্ৰি কাণ পাতি আছোঁ--কিয় মই মোৰ হৃদয়ৰ শব্দৰ মাজত তাক ধৰিবলৈ গৈ বাৰে বাৰে তাক হেৰুৱাইছোঁ--কিয় মই অনুভৱ কৰিছোঁ তাৰ অস্তিত্বৰ মাজত মই মোৰ অস্তিত্বক বিচাৰি পাম-- এনেকৈ বছৰৰ পিছত বছৰ জীয়াই থকাৰ কাৰণ বিচাৰি পাম--অথচ সেই শব্দটো--কি শব্দ মই ক'ব নোৱাৰোঁ--সি আচলতে এটা শব্দ হয়নে নহয় তাকো মই ক'ব নোৱাৰোঁ--তাৰ ধ্বনিৰ আকাৰৰ কথা মই নাজানো--তথাপি মই ধাৰণা কৰোঁ--তীব্ৰভাৱে এটা প্ৰেমৰ কামনাৰ দৰে অনুভূতি অহাৰ কথা গম পাওঁ--তেতিয়াই ভাবোঁ--মই যেন ক'ৰবাত শুনিলেই চিনি পাম--মই তাক হৃদয়ৰ শব্দৰ মাজলৈ সুমুৱাই আনিম--মই কাণ পাতি আছোঁ--মই কাণ পাতি আছোঁ--অহোৰাত্ৰি কাণ পাতি আছোঁ--সি আহিব--সি আহিব--সি আহিব--মোৰ পুনৰুজ্জীৱন হ'ব--মোৰ পুনৰুজ্জীৱন হ'ব--মোৰ পুনৰুজ্জীৱন ০ ০ ০ ০ ০

## বিভ্ৰান্ত সংলাপ

[চহৰখনক চাৰিটা ভাগত ভগোৱা যাওক। অনেক একাবেঁকা গলি, ডাঙৰ-সৰু ৰাস্তা, অনেক ওখ দালান আৰু অসংখ্য জুপুৰী। মাজে মাজে গছ-গছনি, মুকলি ঠাই, বিহ মেটেকা ফুলি থকা পিতনি। ডাঙৰ বিশাল চৰকাৰী-বেচৰকাৰী ঘৰ-দুৱাৰ। ধৰা যাওক প্ৰায় তিনি চাৰি মাইল বহল। আৰু ছয়-সাত মাইল দীঘল এখন জনাকীৰ্ণ নগৰ। কল-কাৰখানা, ৰেল-মটৰ আৰু কিমান কত কি বিচিত্ৰ ধৰণৰ ইঞ্জিনৰ শব্দ; মানুহৰ মুখৰ শব্দ, চিঞৰ-বাখৰ, হৈ-হাল্লা।

ধৰা যাওক নগৰখনৰ চাৰিটা অঞ্চলত চাৰিটা টেলিফোনৰ দুটাত দুজন ডেকা আৰু দুজনী ছোৱালী প্ৰত্যেকেই প্ৰত্যেকৰ পৰা বিচ্ছিন্ন।]

অৰবিন্দ ঘামত জুৰুলি-জুপুৰি হৈ আহি পাব্লিক কলিং বুথত সোমাই টেলিফোন কৰিছেহি। তাৰ চুলি জপৰা। আচলতে প্ৰেছত তাৰ ষ্ট্ৰাইক চলি আছে প্ৰায় ১৫ দিন। এই পোন্ধৰ দিন সিহঁতে মানে অৰবিন্দহঁতে চাউল-পাত, পা-পইচা সংগ্ৰহ কৰি ফৰ্থগ্ৰেড এমপ্লয়ীবোৰৰ ঘৰে ঘৰে বিলাই ফুৰিছে। মাজে মাজে মিটিং পাতিছে। মালিক পক্ষক স্মাৰক-পত্ৰ দিছে। তাতে শুকদেউৰ ঘৰত বসন্ত ওলাইছে আৰু ৰামেশ্বৰৰ ঘৈণীয়েকৰ প্ৰসৱৰ সময়। প্ৰত্যেকৰে ঘৰৰ ল'ৰা-ছোৱালীবোৰৰ জ্বৰ-কাঁহ অসুখ-বিসুখ লাগি আছে। অৰবিন্দ ভীষণ

ব্যস্ত। তাৰ মাজতে তাৰ হঠাৎ মনত পৰিল—অনিতালৈ এটা টেলিফোন কৰিব লাগে।

"কোনে কৈছে? অনিতাই কৈছা? অ'—অ'-প্লিজ এক্সকিউজ মি অনি। তুমি মোৰ অৱস্থা দেখা নাই—কি ভয়ানক ব্যস্ততাত গৈছে। শুনা চোন শুনা—আমাৰ প্ৰেছৰ ষ্ট্ৰাইকৰ কথাটো গম পাইছাই—মই ৰাতি-দিন অচলতে তাতে ব্যস্ত। ফৰ্থগ্ৰেড এমপ্লয়ীখিনিৰতো আটাইতকৈ বেছি কষ্ট। তুমি দেখা হ'লে—"ছাইন্স অব মিউজিক' চাবলৈ লগ ধৰিব নোৱাৰিলাহেঁতেন; শুকদেউৰ পৰিয়ালৰ সাতোটা মানুহৰ বসন্ত। ইফালে অন্ধকাৰ, লেতেৰা গলিৰ ঠেক, আন্ধাৰ ঘৰ—চাৰিঅনীকৈ গাভৰু ছোৱালী—ছিঃ ছিঃ তুমি কি কৈছা অনিতা—মই কেৱল গাভৰু ছোৱালী আছে বাবে গৈছো বুলি ভাবিবলৈ তোমাৰ অলপো শংকা নালাগিল? নাই—নাই—বেয়া পোৱা ভালপোৱাৰ উৰ্দ্ধত সিহঁত। লাজ, মান, ভয়, শংকা সকলো হেৰুৱাই এটা জন্তুৰ জীৱন যাপন কৰি আছে। তুমি মই সিহঁতৰ অৱস্থা অনুভৱ কৰিব নোৱাৰো অনিতা। কি ক'লা? পাৰ্টি? পাৰ্টিৰ প্ৰশ্নই একমাত্ৰ কথা নহয়। তুমি মই বিলাসৰ বাবে সময় বিচাৰিছোঁ। নাই—নাই—তোমাক আকৌ অৱজ্ঞা কৰাৰ কথা উঠিল ক'ত? হাঃ হাঃ হাঃ—বুজিছা আমাৰ প্ৰেছত আনকি চব অফিচতে কেইটামান কথা আছে। —ইমিডিয়েট, আৰ্জেণ্ট, টপ প্ৰায়'ৰিটি ইম্পৰটেণ্ট, জেনেৰেল ইত্যাদি 'ইত্যাদি। কথা হ'ল কোনটো ইমিডিয়েট, কোনটো জেনেৰেল—সেইটো নিৰ্ভৰ কৰিছে অৱস্থাৰ ওপৰত। আমাৰ শ্ব' চোৱা, ফুৰিবলৈ যোৱা এইটোতকৈ—নাই—নাই, তুমি তেনেকৈ কিয় ভাবিছা? মইতো কোৱা নাই তেনেকৈ—কিন্তু কথা হ'ল......"

অৰবিন্দৰ কথা শেষ নৌ-হওঁতেই হঠাৎ লাইনটো কাট হৈ গ'ল। অৰবিন্দই তেতিয়া চিঞৰি আছে ঃ হেল্ল'—হেল্ল'

হেল্ল'—হেল্ল'—সিফালৰ পৰা অনিতায়ো চিঞৰি আছে।

লাইন সংযোজিত হ'ল ঃ

অ'-অ'—মই অনিতা। ইস্ কি যে হয়। হঠাৎ লাইনটো কাট হৈ গ'ল। কি কৈছিলা—(খিলখিলকৈ হাঁহে) টেলিফোনে চব গণ্ডগোল

লগাই দিছে আৰু এই যে প্লেনবোৰ যায়—একদম একো নুশুনা কৰি দিয়ে--অৰবিন্দ সঁচাকৈ মই কিন্তু হতাশ হৈ পৰিছো, মই অৱশ হৈ পৰিছো—তোমাৰ ওপৰত মই ইমান বিশ্বাস স্থাপন কৰিছিলো—শেষত কামৰ অজুহাত দেখুৱাই তুমিও আঁতৰি গৈছা—মোৰ হৃদয়, মোৰ অন্তৰ সকলোবোৰ কাঢ়ি নি তুমি আঁতৰি গৈছা—মই—মই যে সহ্য কৰিব নোৱাৰো—মই যে সহ্য কৰিব নোৱাৰো। তুমিয়েই মোক নদীৰ পাৰত বহুৱাই কত প্ৰতিজ্ঞা কৰিছিলা—তুমি মোৰ সকলো লৈ কিয় আঁতৰি গৈছা ?—(উচুপি উঠে)

অৰবিন্দ ব্যতিব্যস্ত হৈ উঠে। সি তাইক কেইবা বাৰো মাতে :

অনিতা—অনিতা—অনি ছিঃ তুমি অকণমানি ছোৱালীৰ দৰে কৰিছা ? মই জানো আঁতৰি গৈছো ? অৱস্থাই, সমস্যাই, বাস্তৱে আমাক কেতিয়াবা বাধ্য কৰে—অনি—তুমি নুবুজা কিয় ?

এশ-ডেৰশ মানুহৰ জীয়াই থকাৰ সমস্যাটো আমাৰ দুদিন দেখা-দেখি নোহোৱাতকৈ বহুত ডাঙৰ অনি--হেল্ল'—হেল্ল'—হেল্ল' ছেঃ আকৌ কাট্ হৈ গ'ল।......

ঠিক একে সময়তে আন এটা পাব্লিক কল বুথৰ পৰা মমতাই টেলিফোন কৰিছে :

হেল্ল' কোনে কৈছে ? প্ৰভাত ? অ—মই মমতাই কৈছো—কি কৈছা ? শুনা নাই লাইনটোৱে বৰ ডিষ্টাৰ্ব দিছে—তুমি কেইবা দিনো আহিছিলা নহয় ? ইস নহয় নহয় দেই তুমি গম পোৱা নাই ? আমি ৰিলিফ সংগ্ৰহ কৰি ফুৰিছো—মই ভাবিছিলো তুমিও চাগৈ আহিবা—তোমাৰ নিজৰ গাড়ী আছে। তুমি কিমান সহায় কৰিব পাৰিলা-হেঁতেন--ৰিলিফৰ কথা সুধিছা—মাই গুড্ গড্! তুমি নাজানা নেকি পাগলা-দিয়াই গোটেই অঞ্চলৰ কমেও চল্লিশখন গাওঁ একেবাৰে ডুবাইছে—তোমাৰ অসহ্য লাগিলহেঁতেন জানা—হেজাৰ হেজাৰ মানুহ—অকণ অকণ লৰা-ছোৱালী—গৰু-ম'হ এই আটাইবোৰৰে কি দুৰৱস্থা। চব কেম্পত আছেহি। ঘৰ-দুৱাৰ, সা-সম্পত্তি চব পানীত গৈছে—অ' অ' আমাৰ ছোৱালী আমি পচিশজনীমান—ল'ৰাও গৈছে—

মই হতাশ হৈছো—ভাগৰি গৈছো—মই জীৱনৰ ওপৰত সকলো

আস্থা হেৰুৱাই পেলাইছো—তুমি মোৰ হৃদয়ৰ—হেল্ল' হেল্ল' হেল্ল'——হেল্ল'——হঠাৎ আকৌ সংযোগ পালে ঃ হেল্ল'—অঁ বৰ ডিণ্টাৰ্ব দিছে লাইনটোৱে। কথা হল—মোৰ হৃদয়ৰ সকলো আশা-আকাংক্ষা তোমাৰ লগত জড়িত মমতা—এ্যা—আপুনি মমতা নহয়—কোন? অনিতা? কিয় মইতো মমতাৰ লগত কথা পাতি আছিলো—আপুনিও কথা পাতি আছিল—মোৰ বেদনাৰ লগত মিলে—ক্ষমা কৰিব, ক্ষমা কৰিব মিছ অনিতা—অনিতা বৰুৱা—ইস্—বৰ বেয়া কথা হৈ গল—মই প্ৰভাতে কৈছো, হয় প্ৰভাত ফুকন—হয়, উজান বজাৰৰ——হয়——অঁ—আপুনি, অঁ এতিয়াহে বুজিছো—ঠিকেই কৈছে—ঠিকেই কৈছে, বুজিছো আপোনাৰ কথাও মই বুজিছো—আমি মানুহৰ হৃদয়ৰ ওপৰতে বেছি গুৰুত্ব দিওঁ—সেইবাবে—হেল্ল' হেল্ল' হেল্ল'—"

ঠিক একে সময়তে হঠাৎ অৰবিন্দৰ লগত মমতাৰ সংযোগ ঘটি গল ঃ অৰবিন্দই কৈ আছে ঃ

হেল্ল'—হেল্ল'—অঁ চোৱা ব্যক্তিগত সুখ-দুখতকৈ সামূহিক সুখ-দুখৰ মূল্য বেছি। চল্লিশ পঞ্চাশটামান—ছিঃ তুমি কি কথাবোৰ যে কোৱা প্ৰভাত? তুমি মোক ইমান ঠেককৈ ভাবানে? নাই নাই তেনেকৈ ভবা নাই—কিন্তু তুমি ভাবি চোৱা—তোমাক কথা দিছিলো যদিও মই আচলতে কোনটো কৰা ভাল হৈছে?

এফালে হেজাৰ বিজাৰ মানুহৰ জীৱন মৰণ সমস্যা আৰু আন-ফালে তোমাৰ আৰু মোৰ ব্যক্তিগত আনন্দ লাভ—নহয় নহয়—সৰু কৰিম কিয়? সেই বাবেইতো ভাবিছিলো—তুমি অহা হ'লে—হেল্ল'-- হেল্ল'—হেল্ল' ইস্ কাট্ হৈ গ'ল কিজানি।...

প্ৰভাত ব্যতিব্যস্ত হৈ উঠিল। সি টেলিফোনটো দাঙি চিঞৰি থাকিল। অলপ পৰৰ পিছত সোঁ সোঁ শব্দ হ'ল ঃ

হেল্ল'—অ' মই প্ৰভাতে কৈছো মমতা—মই বুজিছো—মই বুজিছো—কিন্তু চোৱা মমতা মই তোমাক লগ পোৱাৰ দিনাৰে পৰা মোৰ জীৱনৰ ভৱিষ্যত তোমাৰ হাতত তুলি দিছো—মইতো কেৱল সাময়িক আনন্দৰ বাবে তোমাক বিচৰা নাই। তোমাক বিচাৰিছো—যুগমীয়াকৈ। বুজিছো বুজিছো—তথাপি তুমি মোৰ হৃদয়ৰ বেদনাতকৈ আন কিছুমান মানুহৰ হৃদয়ৰ বেদনাক বেছি মূল্য দিলা? মই ভাবিছিলো—আমি

দুয়ো যাম, কিছু দূৰলৈ যাম—আৰু বন্ধৰ দিনকেইটা আমি এটা--

অৰবিন্দ ঃ মিছ শইকীয়া—হেল্ল' এঁ্যা--অ'—অ'—অনিতা, নহয় নহয় মিছ শইকীয়া আন এগৰাকী—ছিঃ তুমি বৰ সংকীৰ্ণ মনৰ অনিতা-আঃ কান্দিছা কিয় ?

মমতা ঃ হেল্ল'—হেল্ল' বৰুৱা এঁ্যা--অ' অ'--প্ৰভাত নহয় নহয়--ৰিলিফৰ ফ্ৰেণ্ড নহয়—আৰু হলেই বা ? আঃ তুমি ইমান স্বাৰ্থপৰ—হেল্ল' হেল্ল'—হেল্ল'--কোন প্ৰভাত ?—বৰুৱা ? ইস্ চাওকচোন কেনেকৈ হঠাৎ সংযোগ কাটি গৈছে আৰু সংযোগ স্থাপিত হৈছে—কি ক'লে—আপোনাৰ ফ্ৰেণ্ডক পাইছিল---হয় হয় ময়ো—মই বৰ বিৰক্ত হৈছো--ঠিক কৈছে মোক সঁচা বাস্তৱ জীৱন এটা লাগে—বুজিছো বুজিছো—আমাৰ নিশ্চয় দেখা হব লাগিব—আপোনাৰ প্ৰেছ ? ডেৰশ মানুহ ? চাওকচোন—ঠিকেইতো—

অৰবিন্দ ঃ হেল্ল'—ইয়েছ—আমি কথা পাতিব লাগিব—হয় আমাকো বাস্তৱক বুজিব পৰা মানুহ লাগে--আমি একেলগ হবই লাগিব, হবই লাগিব—

হঠাৎ চাৰিওটা সংযোগ একেলগে স্থাপিত হয়। পৰস্পৰৰ মাজত কথা কটাকটি হবলৈ আৰম্ভ কৰে। লাহে লাহে অৰবিন্দ আৰু মমতাৰ মাত স্পষ্ট হৈ আহে। অনিতা আৰু প্ৰভাতৰ কন্ঠস্বৰ খীণ হৈ আহে। প্ৰভাতে কয় ঃ হেল্ল' মমতা--এবাৰ শুনা--এবাৰ মাথো শুনা---এবাৰ মাথোন---(লাহে লাহে মাত খীণ হৈ যায়।) হেল্ল' মই একো শুনা নাই—মমতা—মমতা--মমতা....

অনিতা ঃ হেল্ল'--অৰবিন্দ--এবাৰ, এবাৰ মাথো শুনা--এবাৰ মাথো--(লাহে লাহে মাত খীণ হৈ যায়) হেল্ল'—হেল্ল' মই একো শুনা নাই—কি কৈছা--হেল্ল' অৰবিন্দ--অৰবিন্দ অৰবিন্দ- - -(খীণ হৈ নাইকিয়া হয়।)

অৰবিন্দ ঃ হেল্ল'—কোন ? শইকীয়া ? চাওক কিযে হৈছে ? সংযোগ কাটি গৈছে আৰু স্থাপিত হৈছে--(হাঁহে)

মমতা ঃ (হাঁহে)এয়ে নকুৱাই হয়।—কিন্তু আমি বোধকৰো একেলগ হৈ কথা পাতিব লাগিব [অৰবিন্দ আৰু মমতাৰ মাত অধিক স্পষ্ট হয়]

অৰবিন্দ ঃ হয় আমি একেলগ হবই লাগিব--হয় হয়—

মমতা ঃ নিশ্চয়—ব্যক্তিগত সুখ-দুখৰ উৰ্দ্ধলৈ যাবই লাগিব—হয় মধ্যে ভাবোঁ—বাস্তৱক স্বীকাৰ নকৰিলে কেনেকৈ হব—লগ হবই লাগিব।

[প্ৰভাত আৰু অনিতাৰ খীণ কণ্ঠ শুনা যায় ঃ]

প্ৰভাত ঃ মমতা—হেল্ল' মমতা—মই প্ৰভাত--হেল্ল'—অনিতা—হেল্ল'—অৰবিন্দ—অৰবিন্দ, মই অনিতা--তোমাৰ অনি—হেল্ল' হেল্ল'—(উচুপে)

অৰবিন্দ ঃ আমি লগ হৈ তোমাৰ মোৰ প্ৰেম, তোমাৰ মোৰ ভালপোৱা --এইবোৰতকৈ এশ-ডেৰশ মানুহৰ জীয়াই থকাৰ সমস্যাটো ডাঙৰ-- তুমিও ভাবা ? কিন্তু তুমি মোৰ কথা বুজা নাই ? কিয় ?

মমতা ঃ হেল্ল'—তুমি, তুমি প্ৰভাত নহয় জানো ? নহয় ? প্লিজ—এক্সকিউজ মি--এক্সকিউজ মি মিণ্টাৰ---মিণ্টাৰ---বৰুৱা নহয় ? ইচ কি যে কাণ্ড হৈ গৈছে----

অৰবিন্দ ঃ কিন্তু চাওক মিছ—মিছ--কি কলে ? শইকীয়া ? মমতা শইকীয়া ? চাওক মিছ শইকীয়া--মই কৈছিলো মোৰ এগৰাকী বান্ধৱীক উদ্দেশ্য কৰি, যে ব্যক্তিগত প্ৰেম-ভালপোৱা, সুখ-দুখতকৈ সমষ্টিৰ সুখ-দুখৰ মূল্য বেছি ; আৰু আপুনি হয়তো আপোনাৰ প্ৰভাত নামৰ কোনো বন্ধু বুলি ভাবি কৈছে--আপুনিও তেনেকৈ ভাবে। কথা হ'ল--মই সঁচাকৈ ভাবিব পৰা নাই--আপোনালোকে, মানে ক্ষমা কৰিব, মই সৰহ সংখ্যক নাৰীৰ কথাই কৈছো, তেনেকৈ ভাবিব পাৰেনে ? কি কৈছে ? ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধলৈ যাব নোৱাৰিলে মানুহ হিচাপে জীয়াই থকাৰ কোনো মূল্য নাই বুলি আপুনিও ভাবে ? হেল্ল'—হেল্ল'--

মমতা ঃ হেল্ল'--হয় মই মমতাই কৈ আছো--মই--'ইউট'পীয়ন' ৰোমাণ্টিক বীৰক পূজা কৰিব নোৱাৰো--কিন্তু হয় হয়, মোৰ কবলৈ সঁচাকৈ লাজ লাগিছে—মোৰ বন্ধুজন তেনে এক ৰোমাণ্টিক বীৰ মাত্ৰ--আপুনি জানেনে নাই কব নোৱাৰো--পাগলাদিয়াই ডুবাই পেলোৱা চল্লিশখন—হয় চল্লিশখন গাঁৱৰ মানুহক আমি ৰিলিফ দিয়াত লাগি আছো—গম পায় ? ইচ কি কব মানুহৰ অৱস্থা--পানীৰ মাজত সদ্যজাত সন্তানক মাকে হাতত হেৰুৱাইছে, গছৰ ডালত তিনি দিন নোখোৱাকৈ থকাৰ পিচত পানীতে পৰি প্ৰাণ এৰিছে—ল'ৰা-বুঢ়া, ডেকা-গাভৰু—আটাইবোৰে

কান্দোন-কাটোন, চিঞৰ-বাখৰ ; গৰু-মহ, মানুহ-দুনুহৰ কোনো পাৰ্থক্য নাই—কিযে হৈছে--হয় হয় আমি প্ৰায় পঁচিশজনী ছোৱালী আছিলো--মোৰ বন্ধুৰ লগত বিলাস ভ্ৰমণ কৰিম ? নিশ্চয়, নিশ্চয়, হয়--ময়ো বুজিছো যে আপোনাৰ কোনোবা বান্ধবীয়েও বন্ধুৰ দৰে সাধাৰণ মানুহৰ জীৱন-মৃত্যুৰ সমস্যাতকৈ নিজৰ কাল্পনিক হৃদয় বেদনাক অধিক গুৰুত্ব দিছে। ময়ো ভাবো ; হয় ৰূঢ় বাস্তৱক সুন্দৰ কৰিব নোৱাৰিলে কল্পনাৰ ৰোমান্টিক সৌন্দৰ্য্য অৰ্থহীন—ক্ষমা কৰিব বকৱা--মই কিজানি বেছি কৈছোঁ—হেল্ল' হেল্ল'--হেল্ল' । ছেঃ কোন নম্বৰৰ পৰা কৈছিল---

পুনৰ অৰবিন্দ-অনিতা আৰু প্ৰভাত-মমতাৰ মাজত সংযোগ স্থাপন হ'ল ঃ

কাৰ্যপন্থা প্ৰস্তুত কৰিম--এক লগ হবই লাগিব—হেল্ল'—অ' মই অৰবিন্দই কৈছোঁ--

মমতা ঃ হেল্ল' হয়--মই মমতাই কৈছোঁ--আমি একেলগ হবই লাগিব ।

# মোক শুবলৈ দিয়া

ঃ "আঃ তুমি মোক অলপ শুবলৈ দিয়া, মোক অকণমান জিৰণি ল'বলৈ দিয়া--মোক আমনি নকৰিবা, তুমি--তুমি মোৰ কোঠাৰ পৰা ওলাই যোৱা। তোমাৰ সেই বিদ্রুপৰ হাহি,--তোমাৰ কটাক্ষপাত, তোমাৰ--তোমাৰ গোটেই মুখখন মই ঘৃণা কৰো।"

ঃ "নোৱাৰা শুব। তুমি এনেকৈ চিৰদিন টোপনিৰ ভাও ধৰি আছিছা--তুমি শুব নোৱাৰা--তুমি উঠিবই লাগিব। তুমি যদি ভাবিছা--তোমাৰ আদেশ পালন কৰি মই দুৱাৰ খুলি গুচি যাম--ভুল কৰিছা; ভীষণ ভুল কৰিছা; কাৰণ, মই ওলাই যাবলৈ তোমাৰ ভিতৰলৈ সোমোৱা নাই। তুমি উঠিবই লাগিব--"

ঃ "মই নুঠো--মই শুমেই, মোৰ শোৱাৰ অধিকাৰ আছে। মই জিৰণি লমেই, মোৰ জিৰণিৰ প্ৰয়োজন আছে। সমস্ত দিন মই চিন্তা কৰিছো, শ্ৰম কৰিছো--মই শ্ৰান্ত-ক্লান্ত হৈ পৰিছো; ৰাতি যেতিয়া বিছনাত পৰো, তেতিয়াও স্বপনত মই "ৰেচ" খেলো। বাজিত এই জিকো, এই জিকো হওঁ আৰু হাৰি যাওঁ, কেতিয়াবা এই হাৰো, এই হাৰো হৈ জিকি যাওঁ। মোৰ মুখ ঘামত তিতি যায়, গা ঘামত তিতি যায়, পিয়াহত কন্ঠনলী শুকাই যায়। মোক জিৰণি লাগে--জিৰণি

লাগে। তুমি মোক আমনি কৰিবলৈ নাহিবা—মোৰ জিৰণিৰ সময় কাঢ়ি নিবলৈ নাহিবা।"

ঃ "মই নাযাওঁ—মই নাযাওঁ বুলিছো নাযাওঁ। তুমি চিন্তা কৰা—পৰিশ্ৰম কৰা—ৰেচৰ স্বপ্ন দেখি ভাগৰি যোৱা—যি হোৱা হৈ থাকা। কিন্তু তুমি যে চিন্তা কৰা, স্বপ্ন দেখা, পৰিশ্ৰম কৰা, কাৰ কাৰণে কৰা? কাৰ কাৰণে ক্লান্ত হৈ পৰা?"

ঃ "মই কাৰ কাৰণে কৰি দিব লাগে? তোমাৰ কাৰণে? মোৰ নিজৰ কোনো অস্তিত্ব নাই? মোৰ ল'ৰা-তিৰোতা নাই? মোৰ ঘৰ-দুৱাৰ নাই? নে তুমি জগৎ মায়াময় বুলি ভাবা? জীয়াই থকাটো মিছা বুলি ভাবা? জীয়াই থাকিবৰ কাৰণে চিন্তা কৰাৰ, কল্পনা কৰাৰ, শ্ৰম কৰাৰ কোনো প্ৰয়োজন নাই বুলি ভাবা? কিন্তু তোমাৰ জোঙা নাক আৰু বুদ্ধি-দীপ্ত চকু দেখিতো ধাৰণা হয়—তুমি কথাবোৰ বেছি বুজি পোৱা। যদি বুজিয়েই পোৱা, মোক এনেকৈ অসময়ত জুলুম কৰিবলৈ আহিছা কিয়? তেনেকৈ বিদ্ৰুপৰ মিচিকিয়া হাঁহি নামাৰিবা। মোৰ গা জ্বলি যায়—মোৰ মূৰ গৰম হৈ যায়।"

ঃ "জোঙা নাক আৰু সৰু চকু মূৰ্খামিৰ চিন হ'লে, প্লেটো এটা মহামূৰ্খ আছিল?"

ঃ "কোন মূৰ্খ আছিল আৰু কোন জ্ঞানী আছিল তাক লৈ মই গৱেষণা কৰা নাই আৰু তুমিও মোক সেই বিষয়ে জ্ঞান দিব নালাগে। মই জানো, মই যি ভাবো অৰ্থপূৰ্ণভাবে ভাবো। নহ'লে যেতিয়া মই হাঁ-ভাত, হাঁ-কাপোৰ কৰি ফুৰিছিলো তেতিয়াই মই এতিয়াৰ জীৱনৰ কল্পনা কৰিব নোৱাৰিলোহেঁতেন। জানা, এই মাটি আৰু ঘৰ-দুৱাৰৰ মূল্য এতিয়াৰ দৰত কিমান হ'ব? এক লাখ? ইহ্ৱালা—একলাখ টকাত তুমি দুবিঘা মাটি আৰু এই প্ৰকাণ্ড ঘৰ পাবা? জানা, মোৰ চৌহদৰ ওকালত কিমান খৰছ পৰিছে? চল্লিশ হাজাৰ। চাৰিখন "লিলেণ্ড ট্ৰাক" আৰু দুখন "কাৰ"ৰ দাম কিমান হ'ব? জানা, মোৰ ছোৱালীজনী বিয়া দিওঁতে পঞ্চাশ তোলা ওজনৰ সোণৰ গহনা দিছো। যোৱা, এবাৰ সৰবটোকে চাই তোমাৰ জীৱন সাৰ্থক কৰি যোৱা। সাৱ-ধান একো বস্তুতেই আঙুলিৰ দাগ নলগাবা। কি ঠিক, তোমালোকৰ

গাত কি বেমাৰৰ বীজাণু লাগি আছে। সেই বাবেই ল'ৰাক ডাক্তৰী পঢ়াইছো। আচল কথা নিজৰ শৰীৰটো। আমাৰ আপ্ত বাক্য আছে--"শৰীৰমাদ্যংখলু ধৰ্ম্ম সাধনম্।" যোৱা—মোৰ স্ত্ৰীক চাই যোৱা. এই চল্লিশ-পঞ্চল্লিশ বছৰতো কেনেকুৱা স্বাস্থ্য লৈ আছে। মানুহৰ গাৰ ৰং ঘৰৰ ৰং, পৰ্দা-কভাৰ, আচবাবৰ ৰং—চব "ক্ৰীম" ৰং দেখা পাবা। কাৰণ, ক্ৰীম ৰং মই স্বাস্থ্যৰ প্ৰতীক বুলি ভাবো; কিন্তু কথা হ'ল--মোৰ এই যে জীৱন, এইটো কি মই এনেয়ে পাইছো? মই চিন্তা কৰিবলগীয়া হোৱা নাই? কল্পনা কৰিবলগীয়া হোৱা নাই? পৰিশ্ৰম কৰিবলগীয়া হোৱা নাই? জানা, সপ্তাহত দুদিনকৈ মই নিজে গৈ কাঠৰ কুপৰ ওচৰত তম্বু তৰি থাকো? জানা, সপ্তাহত মই কিমান কিউবি কাঠ চাপ্লাই কৰো? জানা, তাৰ বাবে কিমান চিন্তা আৰু শ্ৰম কৰিবলগীয়া হয়? মন্ত্ৰীৰ পৰা কেৰাণীলৈকে কাক কিমান দান-দক্ষিণা কৰিবলগীয়া হয়। নহ'লে কি এনেয়ে কাম হয়? জানা মোৰ স্ত্ৰীয়ে হৰিণাৰ মাংসৰ বাহিৰে হাঁহ, ছাগলীৰ মাংস নাখায়? এতিয়াও 'ৰেফ্ৰিজাৰেটৰ'ত এটা তপিনা পাব পাৰা; কিন্তু কথা হ'ল—এইবোৰ কি এনেয়ে হয়? মই এটা চিনেমা হলৰো পাৰ্মিট পাইছো আৰু কাম আৰম্ভ কৰিছো। এইবোৰ কি এনেয়ে হয়?"

ঃ "ওঁ, ওঁ নিশ্চয় নহয়। এনেয়ে কেনেকৈ হ'ব? কিন্তু এই-বোৰ কাৰ কাৰণে কৰিছা? তোমাক ইমানবোৰ মাটি-সম্পত্তি, ঘৰ-দুৱাৰ, টকা-পইচা কিয় লাগে? আনৰ কথা তুমি কেতিয়াবা ভাবানে?"

ঃ "কোনে কৈছে নাভাবো? যি কয় সি মূৰ্খ। মই প্ৰতি বছৰে কাতি বিহুৰ দিনা "কাঙাল-ভোজন" পাতো। এই নগৰৰ আৰু ওচৰৰ গাওঁ-ভূইৰ হেজাৰ-বাৰশ ভিক্ষাৰী আহি পেট ভৰাই খাই যায়হি। মই মোৰ স্বৰ্গীয় পিতৃৰ নামত এটা স্কুল সজাই দিছো আৰু তুমি, তুমি কোনোবা পাৰ্টিৰ মানুহ নেকি? কোন পাৰ্টি—কংগ্ৰেছৰ? আঃ দেখা নাই মোৰ নিজৰ ব্যৱহাৰত সদায় খদ্দৰ? নে জনসংঘ? জানা, যোৱাবাৰ যেতিয়া জনসংঘৰ সভা হয়, মই দুটা "ডিনাৰ" দিছো, পেণ্ডেলৰ খুটা ছটিৰ পৰা ষ্টেজৰ কাঠ বেৰলৈকে মই ফ্ৰি চাপ্লাই দিছো। নে কমিউনিষ্ট? হেৰা! তোমালোক ডেকা ল'ৰাবোৰক কি ধনজয়

বায়ুয়ে পাইছে ক'ব নোৱাৰো। তথাপি মই সেইটো পাৰ্টিকো ইলেক্-চনৰ সময়ত দহ হাজাৰ টকা দিছো। কোৱা, মই কাক দিয়া নাই? কাৰ কথা ভবা নাই? মোৰ কাৰণে কংগ্ৰেছ, জনসংঘ, কমিউনিষ্ট কোনো পাৰ্থক্য নাই।"

ঃ "জানো, জানো। কথা হ'ল, তোমাৰ এই যে মহানুভৱতা—ই হ'ল তোমাৰ "ৰক্ষা-কৱচ"। তুমি ভাবানে তোমাৰ অন্তৰৰ কথা মই নাজানো বুলি? তুমি জানানে, তোমাৰ কাঙাল-ভোজনৰ পৰা আৰম্ভ কৰি এই আটাইবোৰ কাৰ্য্যৰ আঁৰত যে একোটা গোপন অভিলাষ আছে, সেই কথা মই ফট্‌কটিয়াকৈ জানো?"

ঃ "জানা, তুমি কেৱল মানুহৰ দোষটো আগতে দেখা। এবাৰ চিন্তা কৰি চোৱাঁচোন--আমাৰ দেশত মোতকৈ সহস্ৰ গুণে সম্পত্তিবান কিমান মানুহ আছে, অথচ কেইজনে মোৰদৰে কাঙাল ভোজন পাতিছে? দান-দক্ষিণা কৰিছে? স্কুল-ঘৰ দিছে? সেইবোৰ কি কোনো হিচাবত নপৰে? তোমালোক সাংঘাতিক ঈৰ্ষাকাতৰ—সাংঘাতিক। ভাল পালা-হেঁতেন যদি আৰু নিবাননৈৰতা মানুহৰ দৰে মই এসাজ খাই এসাজ লঘোন দিবলগীয়া হ'লহেঁতেন; ভাল পালাহেঁতেন, যদি মোৰ ল'ৰাই মেট্ৰিক পাছ কৰি পিয়ন কাম এটাৰ কাৰণে অফিচে অফিচে মূৰ খুন্দি-য়াই অৱশেষত ঘৃণ্য-বেকাৰ জীৱন এটা যাপন কৰিলেহেঁতেন; ভাল পালাহেঁতেন যদি মোৰ, মোৰ ছোৱালী বিয়া দিবলৈ যৌতুক নথকাৰ বাবে ঘৰতে আধাবুঢ়ী হৈ নানা দুৰ্নামৰ ভাগী হ'লহেঁতেন; ভাল পালাহেঁতেন—যদি মোৰ স্ত্ৰীয়ে কঙ্কালসাৰ হৈ দিনটো গেবাৰি খাটিব-লগীয়া হ'লহেঁতেন। তেতিয়া একেবাৰে সহানুভূতিত গদ্‌গদ্ হৈ মোৰ প্ৰাপ্য খাদ্য আৰু আশ্ৰয়ৰ বাবে মোৰ ল'ৰাৰ বেকাৰ জীৱনৰ অন্ত পেলাবৰ বাবে, মোৰ পৰিয়ালৰ সংস্থানৰ বাবে সহায় কৰিবলৈ আগবাঢ়ি আহিলাহেঁতেন, বক্তৃতাৰে মোৰ কাণ ঘোলা কৰি শোভাযাত্ৰালৈ মোৰ পৰিয়াল উলিয়াই নিব পাৰিলাহেঁতেন; কিন্তু মই যেতিয়া নিজৰ ভৰিত নিজে থিয় দি--তোমালোকৰ কৰুণাৰ পাত্ৰ হ'বলগীয়া অৱস্থাৰ হাত সাৰিলো, তেতিয়াই মই তোমালোকৰ শত্ৰু হৈ পৰিলো নহয়?

জানো, জানো বুইছা, মই চব ৰাজনৈতিক "চাল" জানো। তোমালোকে নিবিচাৰা মানুহৰ কিবা উন্নতি হওক, নিবিচাৰা মানুহে নিজৰ চিন্তা আৰু শ্ৰমেৰে নিজকে প্ৰতিষ্ঠা কৰক। জানো নহয়--তোমালোক সাংঘাতিক ঈৰ্ষাকাতৰ------।"

ঃ ঠিকেই কৈছা, ঈৰ্ষাকাতৰ; কিন্তু কথা হ'ল—তুমি যে এইবোৰ কৰিছা কাৰ কাৰণে কৰিছা?"

ঃ "ক'লো নহয়, মোক ভালকৈ জীয়াই থাকিবলৈ লাগে। মোৰ ল'ৰা-তিৰোতাক মই ভালকৈ জীয়াই থাকিবলৈ দিবলৈ বিচাৰো।"

ঃ "সেইবুলি তুমি ৰিজাৰ্ভত ফৰেষ্টৰ কাঠ কাটি তহিলং কৰিবা? এহেজাৰ কিউবিক্ কাঠ চাপ্লাই কৰি দহহেজাৰ কিউবিকৰ দাম আদায় কৰিবা? সেইবুলি তুমি কাঠৰ কল আৰু হাবিৰ বনুৱাবোৰক আধা-পেটীয়াকৈ ৰাখিবা? সেইবুলি তুমি সপ্তাহত দুদিনকৈ হাবিৰ তলৰ তম্বুত কোনোবা কুমাৰী ছোৱালীৰ সতীত্ব নষ্ট কৰিবা আৰু তুমি সপ্তাহৰ বাকী পাঁচোটা দিন আদৰ্শ পিতৃ, আদৰ্শ স্বামী, আদৰ্শ দাতা, আদৰ্শ ব্যৱসায়ী হৈ জীৱন-যাপন কৰিবা? তুমি কাকো ভাল নোপোৱা, তোমাৰ কোনো লক্ষ্যও নাই, উদ্দেশ্যও নাই। তুমি কেৱল টকা ঘটা এটা উন্নত মেচিনত পৰিণত হৈছা। তোমাৰ ডেকা কালৰ চিন্তা, কল্পনা আৰু অনুভূতিৰ মৃত্যু ঘটাৰ পিছত তুমি এটা মৃত্যুৱৎ জীৱন যাপন কৰিছা।"

ঃ "চুপ থাকা, মনে মনে থাকা, বাহিৰ হৈ যোৱা। মোক তুমি জোকাই নল'বা। জানা, জানা----?"

ঃ "জানো; জানো সেইখন হাতেৰেই হাবিৰ মাজত তুমি দুবাৰ দুটা মানুহ গুলীয়াই মাৰি নৈত উটাই দিছা। জানো সেইখন হাতেৰেই তুমি ঘৰত পত্নীক আৰু ল'ৰা-ছোৱালীক মৰম কৰা আৰু হাবিৰ মাজত দুৰ্দশাগ্ৰস্তা ছোৱালীক কাষ চপাই লৈ তোমাৰ বুভুক্ষা পূৰণ কৰিছা।"

ঃ "ছিঃ ছিঃ ছিঃ--তুমি মনে মনে থাকা। তুমি নাজানা। তুমি নাজানা। আচলতে মই এটা সুখৰ জীৱন যাপন কৰিবলৈ বিচাৰো আৰু মোৰ সুখৰ বাটত যেয়ে বিঘিনি হৈ থিয় হয়, মই তাকে আঁতৰাই পঠাবলৈ বাধ্য হওঁ। নক'বা, নক'বা—কোনোবাই শুনিব। মোক

ঘৃণা কৰিব। সেই কথা মই সহ্য কৰিব নোৱাৰো। মই ঈৰ্ষাৰ পাত্ৰ হবলৈ বিচাৰো, ঘৃণাৰ পাত্ৰ হবলৈ নিবিচাৰো।"

ঃ "কিন্তু তুমি যে সুখ সুখ বুলি কৈছা কেনেকুৱা সুখ? তুমি নিজ হাতে গুলী চলোৱাৰ পিচত তোমাৰ পথৰ কণ্টক আঁতৰিল সঁচা, কিন্তু মানসিক শান্তি তুমি পাইছানে? ইমানবোৰ দুস্কাৰ্য্য কৰি তুমি এটা বিৰাট অট্টালিকা সজালা—অতিৰিক্ত দামী আচবাবেৰে ঘৰ ভৰাই পেলালা। তোমাৰ শোৱা কোঠা আৰামদায়ক কৰি সজালা; কিন্তু তুমি তোমাৰ মনৰ আশ্ৰয়ৰ বাবে, মনৰ শান্তিৰ বাবে অকণমান এটুকুৰা ঠাই গোটাই ল'ব পাৰিলানে? তুমি আচলতে কাকো ভাল নোপোৱা। তোমাৰ পত্নীক, তোমাৰ ল'ৰাক, তোমাৰ ছোৱালীক কাকো ভাল নোপোৱা। তুমি শপত খাই কোৱাচোন—তোমাৰ পৰিয়ালৰ, তোমাৰ বন্ধু-বান্ধৱ, ইষ্ট-মিত্ৰ কুটুম্ব সকলৰ ভিতৰত কোনখন মুখ তোমাৰ আটাইতকৈ প্ৰিয়তম। তুমি এবাৰ বিচাৰ কৰি চোৱাচোন তুমি আচলতে যাক ভাল পাওঁ বুলি গৰ্ব কৰা, সিহঁতক দৰাচলতে তুমি ভাল পোৱানে? এখন এখনকৈ মুখ মনত পেলোৱা; তাৰ পিছত ভাবা, কিবা উত্তৰ পাইছানে—কাক ভালপোৱা?"

ঃ "নাই নাই, নাই মোক তুমি পাগল কৰি নুতুলিবা। মোক শান্তিৰে থাকিবলৈ দিয়া। মোক জিৰণি ল'বলৈ দিয়া। তুমি নাহাঁহিবা, বিদ্ৰুপ নকৰিবা।"

ঃ "তুমি সাংঘাতিক স্বাৰ্থপৰ। তুমি কাৰো কথা নাভাবা। তুমি তোমাৰ পৰিয়ালৰ প্ৰতি এটা কেৱল সংস্কাৰগত দায়িত্ব অনুভৱ কৰা। আৰু তাকে তুমি প্ৰেম বুলি ভাবা। কিন্তু সেই দায়িত্বৰ পৰা হাত সাৰিব পৰাহ'লেই তুমি সুখী হ'লাহেঁতেন। তোমাৰ এই স্বাৰ্থপৰতাক তুমি কাপোৰ-কানি, গহনা-পাতি, আচবাব, ঘৰ-দুৱাৰেৰে ঢাকি থ'বলৈ বিচাৰা। তুমি দেখুউৱা যেন তুমি পৰিয়ালটোক গভীৰ ভাবে ভালপোৱা বাবেই অত শ্ৰমৰ বিনিময়ত, বুদ্ধি আৰু কৌশলৰ বিনিময়ত আঁজলিয়ে আঁজলিয়ে ধন ঘটিছা। মিছা, মিছা, মিছা। তোমাক মই বাটলৈ টানি নিম। তোমাৰ গাড়ী, বাৰী, সা-সম্পত্তি, ল'ৰা-ছোৱালী, তিৰোতাৰ মাজৰ পৰা মই তোমাক মুকলি আকাশৰ

তললৈ উলিয়াই নিম; তোমাৰ মই সকলো দুষ্কাৰ্য্যৰ ওৰ পেলাম। তোমাক মই—তোমাক মই------।"

ঃ "নাই, নাই, নাই তুমি তেনেকৈ দাঁত নক'ৰছিবা। মোৰ ভয় লাগে, ভীষণ ভয় লাগে। তাতকৈ তুমি মোক মাৰি পেলোৱা। মোক শান্তিত মৰিবলৈ দিয়া। মোক শুই থাকিবলৈ দিয়া। মই সকলোৰে পৰা আঁতৰি শান্তিত মৰিবলৈ বিচাৰো। কাৰণ, কাৰণ কি জানা? মই, মই পৃথিৱীত আটাইতকৈ ভাল পাওঁ—মোক,—মোৰ ইচ্ছাক, মোৰ আকাংক্ষাক, মোৰ শৰীৰক—মোৰ শৰীৰক—আঃ-- নামাৰিবা—আঃ নামাৰিবা—নামাৰিবা—নামাৰি-----।"

# আন্ধাৰত নিজৰ মুখ

টোপনি নাই—গোটেই ৰাতি তাৰ টোপনি নাই। গৰমত গাৰ কাপোৰ দলিওৱাদি সি তাৰ মগজুৰ পৰা সকলোবোৰ চিন্তা দলিয়াই পেলাবলৈ যত্ন কৰিছে—তাক আহি বেৰ্ঢ়ি ধৰা সকলোবোৰ শব্দ আৰু ছবি সি মনৰ পৰা মচি পেলাই শুবলৈ যত্ন কৰিছে। চকু মুদিলেই সৰু ল'ৰা এটাৰ মুখ এখন যেন আগবাঢ়ি আহে ঃ কিবা এটা ক'বলৈ দুয়োটা ওঁঠ গোল কৰি লোৱা এখন মুখ। সি চকু মেলি দিয়ে। তাৰ অকলশৰীয়া ঘৰটোৰ ভিতৰত আৰু বাহিৰত বিয়পি থকা ডাঠ নিৰ্জনতাৰ মাজেদি যেন মানুহৰ সমদলৰ শব্দবোৰ বাঢ়ি আহে--ভাব হয় শব্দবোৰৰ ফ্ৰিকুৱেন্সি বাঢ়ি গৈছে আৰু সিহঁত জীৱন্ত হ'বলৈ ধৰিছে—সিহঁতে তাৰ অডিট্ৰৰি নাৰ্ভত হেঁচা দিবলৈ আৰম্ভ কৰিছে আৰু সি কাতৰ হৈ উঠিছে। সি চকু মেলি দিয়ে। নিস্তব্ধ চহৰৰ বুকুৰেদি পাৰ হৈ যোৱা অকলশৰীয়া একোখন গাড়ীৰ শব্দত, দূৰত পাৰ হৈ যোৱা ৰেলৰ উকিৰ শব্দত আৰু ৰেলৰ এটা ক্ৰমবিলীয়মান চলন্ত গতিৰ শব্দত, ক'ৰবাত ভুকি উঠা কুকুৰৰ বিৰক্তিকৰ শব্দত—এনে ধৰণৰ শৃংখলাহীন আৰু আকস্মিক শব্দৰ পুনৰাবৃত্তিত তাৰ স্নায়ু উত্তেজিত। এই শব্দবোৰৰ গাত ভেঁজা দি তাৰ কোঠাত যেন দিনৰ শব্দ-

বোৰৰ পুনৰুত্থান ঘটিছে—সিহঁতে তাৰ কাণৰ পৰ্দাত উপৰ্যুপৰি আঘাত কৰিছে ঃ ফ্ৰিকুৱেন্সি খুব হাই, তাৰ তৰংগ-দৈৰ্ঘ্যৰ কোনো হিচাপ উলিওৱা সম্ভৱ নহয়। কাৰণ, ধ্বনিবোৰ বিভিন্ন দৈৰ্ঘ্য আৰু ওজনৰ, আৰু সিহঁতৰ এটা মিশ্ৰিত ধ্বনিৰ বে-হিচাপী প্ৰকাশৰ মাজত সিহঁতৰ ব্যক্তিগত বিচিত্ৰতা বিলীয়মান। তাৰ মাজত স্পষ্ট হৈ ধৰা দিব খোজা মুখৰ ছবিবোৰ গলি যায় আৰু মুখৰ বিভিন্ন অংশবোৰ বিকৃত হ'বলৈ ধৰে। ভাব হয়—দুই-এখন মুখৰ লগত তাৰ অন্তৰংগ পৰিচয় আছিল।

॥ দুই ॥

সি ভাবিব নোখোজে। সি পাহৰি যাব খোজে। কিন্তু সমগ্ৰ দিনৰ ঘটনাৱলীৰ ছবিবোৰ শাৰী পাতি তাৰ মগজুলৈ আগবাঢ়ি আহে—ঠিক যেন শাৰী পাতি অহা দুপৰৰ মিছিলটো—সৰু-ডাঙৰ বিভিন্ন মানুহৰ সমদল—হাতত প্লেকাৰ্ড আৰু মুখত শ্লʼগান। এসময়ত সিহঁতেও এনেকৈ সমদল-যাত্ৰাত উৎসাহ আৰু উত্তেজনাৰে যোগ দিছিল। কিহৰ সমদল এতিয়া পাহৰি গৈছে—সি তেতিয়া স্কুলৰ তলৰ শ্ৰেণীত—হাফ-পেন্ট আৰু হাফশ্বাৰ্ট পিন্ধা তজবজীয়া এটা লʼৰা ৰʼদত ঘামি গৈছিল চিঞৰোতে ডিঙি শুকাই গৈছিল, ওপৰলৈ হাত দাঙি ধ্বনি দিওঁতে দিওঁতে হাত বিষাই গৈছিল; তথাপি খন্তেক ৰʼবলৈ আজৰি নাই-সি নগলে যেন দেশ নৰব—সি নিচিঞৰিলে যেন কোনেও সিহঁতৰ কথা নুশুনিব—এই প্ৰত্যয়ত কিশোৰ মুখমণ্ডলৰ কোমল মাংসপেশীতো যে এটা কাঠিন্যৰ ছবি জিলিকি উঠিছিল। হঠাৎ কোনোবাই কʼলে, কো কʼলে মনত নাই—স্কুলৰ শিক্ষক হʼব পাৰে, ওপৰ শ্ৰেণীৰ ডাঙৰ লʼৰ হʼব পাৰে নাইবা আন কোনোবা হʼব পাৰে, "এই পেন্দুকণাটোক কি লৈছা?"

লগে লগে পেন্দুকণা কিশোৰৰ পৌৰুষ উত্তেজিত ঃ "যামেই মই। কোনোবাই কʼলে, "ইয়াক আগত দিয়া, মাৰটো তাৰ মূৰতে পৰক

॥ তিনি ॥

অনেক ঘটনা বা অঘটনাৰ খণ্ড খণ্ড চিত্ৰ যেন ইম্প'জড্ আৰু ছুপাৰ ইম্প'জড্ হৈ গৈছে--এতিয়া সিহঁতৰ কোনো কালানুক্ৰমিক শৃংখলা সম্ভৱ নহয়। তদুপৰি, সিহঁত প্ৰায় বিস্মৃত আৰু নতুনকৈ মস্তিষ্কৰ মাজত পুনৰ্গঠিত, যাৰ ফলত অনেকেই সিহঁতৰ মৌলিকত্ব হেৰুৱাই পেলাইছে। মৌলিকত্ব যদি আছেও সিহঁত ক্ৰমাৎ অপৰিচিত হ'বলৈ ধৰিছে--যিদৰে এলবামৰ পুৰণি ছবিত চিনাকি মানুহৰ মুখৰ ছবিৰ সাদৃশ্য আৱিষ্কাৰ কৰিলেও সেই অতীতৰ মুখৰ লগত বৰ্তমানৰ সম্পৰ্ক চ্ছিন্নপ্ৰায় হৈ ধৰা দিয়ে--তেনেকুৱা কিবা এটা। ভাব হয় ছবিবোৰ মদকুৱা হৈ গৈছে--ঠায়ে ঠায়ে ৰং এৰাই গৈছে আৰু চিনিব নোৱাৰা হৈছে--কিন্তু ছবিবোৰ আছে। ভাব হয় নতুন ছবিবোৰো ধূসৰ আৰু অস্পষ্ট।

॥ চাৰি ॥

ঘটনাবোৰ চিত্ৰ আৰু ধ্বনি হৈ তাৰ চকুৰ আগত ভিৰ কৰিছেহি--সি ৰাতিৰাই পঠাৰ খুজিলেও চলন্ত ৰাপত সিহঁতৰ দ্ৰুত অহা-যোৱা: আগদিনা ৰাতি কন্ট্ৰোল ৰুমৰ সভা--ওপৰৰ হুকুম আৰু পুৱাৰ দায়িত্ব। পুৱা তাক এটা প্লেটুন আৰ্মড্ ফ'ৰ্চ দিয়া হ'ল আৰু সি প্ৰথমবাৰৰ বাবে তাৰ সিৰাই-সিৰাই অনুভৱ কৰিলে এটা উত্তেজনা--সি যি কোনো মিছিল বাধা দিব পাৰিব, ছত্ৰভংগ দিয়াবলৈ লাঠি চাৰ্জ কৰাৰ পাৰিব আৰু গুলী চলোৱাব পাৰিব। কলেজৰ অধ্যাপনা এৰি আহি এই নতুন চাকৰিত সোমোৱাৰ পিছত এই প্ৰথমবাৰৰ বাবে সি অনুভৱ কৰিলে সি এটা দুৰ্বিনীত যন্ত্ৰৰ অংশবিশেষ--তাৰ কোনো স্বাধীন সত্তা নাই--অধিকাৰ নাই--ব্যক্তিত্ব নাই।

॥ পাঁচ ॥

শৈশৱৰ কিছু স্মৃতিত দুলি আছে চাৰ্কাছৰ এটা তম্বু--ওপৰত ওলমি থকা ৰছী আৰু ৰদত কৰা খেল--আঃ কি ভয়ানক--এই পৰে--এই

পৰে। হঠাৎ পৰি যাব পাৰে। তলত জকাৰটোৰ বান্দৰামি অসহ্য—ওপৰৰ পৰা এটা মানুহ সৰি পৰাৰ সম্ভাৱনা অথচ জকাৰটোৱে তা-না-না-না-না- সুৰত আৰম্ভ কৰিছে বান্দৰামি। ছোৱালীজনীয়ে এডাল বদ এৰি দিলে আৰু সৰি পৰোঁ পৰোঁ হৈ তলৰ বদ এডালত আহি বৈ গ'লহি। সি তেতিয়া সৰু। হঠাৎ ওপৰলৈ চাই সি চকু মুদি দিলে। সি মাকক ক'লে,—"ইয়াৰ পৰা ওলাই ব'লা—মই নাচাওঁ—মই নাচাওঁ।"

কি আচৰিত। যেতিয়া এটা বিন্দুত সকলো চকু স্থিৰ—এটা কিশোৰ প্ৰাণ সেই বিন্দু দেখি শংকিত। মাকে ক'লে, "চাচোন—কি সুন্দৰ খেলা খেলিছে।" সি কান্দি দিলে—"মৰি গ'লে কি হ'ব ?"

সি ডাঙৰ হোৱাৰ পিছত মাকে কেতিয়াবা কয়, "ইয়াৰ ইমান ভয়—জানে বাইদেউ ভয় নহয়—তাৰ ভিতৰত কিজানি কিবা এটা আছে—সহিব নোৱাৰে—।" জেঠায়ে কয়, "নহব কেলেই—দেউতাক কি আছিল—কাৰোবাৰ গাৰ পৰা এটোপ তেজ ওলোৱা দেখিব নোৱাৰিছিল। এবাৰ কি হ'ল জান—" মাই হুমুনিয়াহ কাঢ়ে, "মই নাজানোনে ? কাৰোবাৰ গাটো অকমান তপত হ'লেই অস্থিৰ হৈ পৰে। ই যেতিয়া সৰু, তেতিয়া কেতিয়াবা অকমান বেছিকৈ কান্দিলেই উদ্বিগ্ন হৈ পৰে—মই নাজানোনে—বেহাগ শুনিলে তপ-তপকৈ চকুপানী সৰি পৰে—কয় কি জানে ? —মানুহৰ ভিতৰৰ চকুপানী সুৰ হৈ সৰে—কিন্তু অৱশেষত মোক কান্দিবলৈ এৰি থৈ।"

॥ ছয় ॥

ওপতি আছে এটা মতা কুকুৰাৰ ছবি—কি তাৰ অহংকাৰ! মূৰৰ ফুল নচুৱাই, ডিঙি ফুলাই সি যেতিয়া ৰাজকীয় গাম্ভীৰ্যৰে মাতে কক্ কক কক্ ক-অ-ক্, তাৰ ষ্টান ল'ৰি থাকে, ইফালে-সিফালে চায় আৰু যেন কাৰোবাক হুকুম দিয়ে। সি সৰু কুকুৰাবোৰৰ গাৰ্জেন হৈ ঘূৰি ফুৰে। দুলমামাই এটা নতুন জাতৰ কুকুৰা আনিলে আৰু সিদ্ধান্ত হ'ল আগৰ কুকুৰাটোৰ কোনো প্ৰয়োজন নাই। সন্ধ্যাৰ আন্ধাৰত

পাকঘৰৰ বাৰাণ্ডাত যেতিয়া দুল মামাৰ হাতত সি কক্‌ককাবলৈ ধৰিলে, পাখি মাৰি ছটফটাবলৈ ধৰিলে, শব্দ শুনি সি দৌৰি গ'ল—সি দেখিলে দুল মামাৰ দুহাতৰ পৰা সি লেতু-সেতু হৈ সৰি পৰিছে—সি জোৰেৰে কান্দি উঠিল,—"কিয় মাৰিলা—কিয় মাৰিলা? জীয়াই দিয়া—জীয়াই দিয়া—"

অসম্ভৱ—জীয়াই দিয়া অসম্ভৱ। জীৱন কেৱল ল'ব পাৰি—দিব নোৱাৰি। আঃ কি যন্ত্ৰণা—কিয় তাৰ মস্তিষ্কৰ স্নায়ু-সন্ধি তাৰ ইচ্ছাৰ বিৰুদ্ধে সক্ৰিয়—অনেক বিচিত্ৰ ছবি প্ৰৱাহিত হ'বলৈ ধৰিছে—মানুহৰ মুখ, জন্তুৰ মুখ, নৈসৰ্গিক প্ৰকৃতি—চহৰৰ আলিবাট—কত কি ছবি আৰু শব্দৰ প্ৰৱাহ—দুখ আৰু সুখ—হাঁহি আৰু কান্দোন—।

॥ সাত ॥

প্ৰতিটো মুহূৰ্ত কি ভয়ানকভাৱে বিপদজনক। আঘাত মৃত্যু যেন অদৃশ্য হৈ আলিৰ কাষত বৈ আছে—গাৰ কাষত থিয় দি আছে। এটা দুৰ্ঘটনাৰ মাজেদি সি আহিব পাৰে—পৰিকল্পিত ষড়যন্ত্ৰৰ মাজেদি আহিব পাৰে—আত্মহত্যাৰ এটা প্ৰৱল আবেগ হৈ আহিব পাৰে—অপ্ৰতিৰোধ্য আৰু অমোঘ। সি যেন দেখা পায় তাৰ কলেজীয়া দিনৰ বন্ধু ৰতনৰ মুখখন। চবে কয়—কি অভদ্ৰ ল'ৰা—ডাঙৰ-সৰু নামানে—মুখৰ লেকাম নাই—ছোৱালীবোৰক বেয়া কথা কয়—ৰাস্তাৰ ভিক্ষাৰীবোৰক গালি-গালাজ কৰে। কিন্তু, কি অদ্ভূত—নিজৰ খোৱা বস্তু নি সি ভিক্ষাৰীবোৰক গালি-গালাজ কৰি কৰি বিলাই দিছিল: "চালা তহঁতৰ পৰা একো এটা খাব নোৱাৰি—খাবলৈ ল'ম মুখলৈ চাই থাকিবি।"

সি ৰতনক ক'লে, "তই যদি সিহঁতক খাবলৈকে দিয়, গালি পাৰ কিয়?" ৰতনে সমান তীব্ৰতাৰে উত্তৰ দিলে, "মই সিহঁতক গালি পাৰিছো নেকি? মই মোক গালি পাৰিছোঁ।"

ৰতনৰ উত্তৰত তাৰ বুকুখন যেন বিষাই গৈছিল।

হঠাৎ তাৰ যেন ভাৱ হৈছে—সেই ৰতনক যেন এইমাত্ৰ এখন চলন্ত গাড়ীয়ে চেপি থৈ গ'ল—ভাব হ'ল,—ৰতন চিঞৰ মাৰি পৰি গৈছে—

এটা বিকট শব্দ কৰি গাড়ীখন বৈ গৈছে—তাৰ মূৰটো ভাগি চেপেটা হৈ গৈছে—মূৰৰ ঘিউ ছিটিকি পৰিছে—কল-কলকৈ তেজ ব'বলৈ আৰম্ভ কৰিছে--ভাব হ'ল গাড়ীখনত সি বহি আছে। সি চিঞৰি উঠিল "ৰতন....।" ছুপাৰ ইম্প'জ্ড্ হৈ গৈছে--ইটোৰ ওপৰত সিটো। পিছফালৰ ছবি ফে'ড্ আউট হৈ গৈছে। "আঃ"– সি মূৰটো হেঁচি ধৰিলে।

॥ আঠ ॥

জাঁত-কলৰ দৰে শব্দ উঠিছে--কৰ্কশ শব্দ—শিলগুটি গুড়ি হোৱাৰ শব্দ—দাঁতত সি যেন সিৰ-সিৰণি অনুভৱ কৰিছে আৰু ভাব হৈছে মাখনীৰ মুখখন তাৰ মাজত সোমাই পৰিছে। তাইৰ চিঠিৰ আৰ্দ্ৰতা হেৰাই গৈছে আৰু তাই এটা কাঠিন্য লৈ যেন আকৌ ওলাই আহিছে। তাই যেন ধিক্কাৰ দিছে, "ছিঃ ছিঃ কেনেকৈ হেকুৱালা বুকুজেপৰ পৰা? ইমান অসাৱধান! তুমি আৰু ঘূৰাই পাম বুলি ভাবানে? মই তেতিয়াই কৈছিলোঁ—যাব নালাগে দিয়া—কি দৰ্কাৰ—বেছি আশা কৰি কি লাভ?"

মাখনীৰ মুখৰ শব্দবোৰ যেন ভীষণ ল' ফ্ৰিকুৱেন্সিত ধৰা দিছে--অৱশ্যেই মাখনীৰ স্বৰতন্ত্ৰীত হাই ফ্ৰিকুৱেন্সিৰ তৰংগ স্বাভাৱিকভাৱেই অসম্ভৱ—কিন্তু তথাপি তাইৰ শব্দবোৰ স্পষ্ট। কাৰণ, মাখনীয়ে আবিষ্কাৰ কৰিছিল যে তাৰ ভিতৰৰ তন্ত্ৰী কেইডাল ভীষণ সংবেদনশীল। কাৰণ, তাই যেতিয়া সৰু সিহঁতৰ ওচৰা-উচৰিকৈ আছিল, আৰু সেই সময়তে এদিন, বোধকৰোঁ বিজয়ে (এতিয়া সি ডাঙৰ ঠিকাদাৰ) মাখনীৰ চকুত ধূলি মাৰি দৌৰি পলাই গৈছিল—মাখনীয়ে কান্দিবলৈ ধৰিলে আৰু সিও কিংকৰ্তব্যবিমূঢ় হৈ কান্দিবলৈ ধৰিলে। কাৰণ, তাৰ ভাব হৈছিল মাখনী কণা হৈ যাব--তাই আৰু কোনোদিন একো নেদেখিব। শৈশৱৰ ঘটনাবোৰ শুনোতে শুনোতে সজীৱ হৈ আছে। মনত পৰিছে এবাৰ মাখনীৰ জ্বৰত যেতিয়া সিহঁতৰ ঘৰত ডাক্তৰ, কম্পাউণ্ডাৰ দৰবৰ সমাগম, সেই সময়ত সি মাখনীৰ বিছনাৰ কাষত বৈ একান্ত মনে

আৰু ভীষণ উত্তেজনাৰে লক্ষ্য কৰি আছিল—তাইৰ যেন উশাহ বন্ধ হৈ নাযায়। সি মনে মনে প্ৰাৰ্থনা কৰিছিল—মাখনী যেন ভাল হৈ উঠে। সি তাইৰ কাষৰ পৰা আঁতৰা নাছিল।

মাখনীৰ মাকে কৈছিল, "প্ৰদীপৰ মনটো দেখিছেনে বাইদেউ কিমান কোমল।" মাকে কৈছিল, "ইয়াক লৈ যে মোৰ কি চিন্তা কি ক'ব? আজি-কালিৰ সংসাৰত ই কেনেকৈ থিয় দিব ক'বই নোৱাৰোঁ।"

"ইঃ তেনেকৈ নাভাবিব দেই। চাব, সঁচাকৈ ই মানুহ হ'ব। তাৰ মুখখনত ভিতৰৰ কোমলতা এটা আছে জানে?"

সি জোৰেৰে চকু মুদি দিলে আৰু নিজৰ ভিতৰতে যেন সকলো শক্তিৰে প্ৰতিবাদ কৰি উঠিল,—"নাই-নাই মোৰ কোনো কোমলতা নাই—মিছা কথা—মিছা কথা—"

॥ ন ॥

সি অনুভৱ কৰিলে—ৰাতিৰ নগৰৰ নিস্তব্ধতা মৰিশালিৰ নিস্তব্ধতালৈ ৰূপান্তৰিত। তাৰ কোঠাত থকা ঘড়ীটোৰ টিক্-টিক্ শব্দই যেন অতিশয় কঠিনভাৱে সেই নিস্তব্ধতা ভাঙি দিছে। বাহিৰৰ ছাঁ আৰু আন্ধাৰ ভেণ্টিলেটৰৰ কাঁচত খুন্দা খাই ৰৈ গৈছে—তাৰ সৰু ঘৰটো যেন এটা সৰু দুৰ্গলৈ ৰূপান্তৰিত হৈছে। ভাব হৈছে—চাৰিওফালে দিনৰ মিছিলৰ মানুহবোৰ আহি থূপ খাইছেহি। সিহঁতে যেন একেলগে চিঞৰি উঠিব খুজিছে—সি সিহঁতৰ চিঞৰ শুনা নাই, কিন্তু চিঞৰোতে হোৱা চকু-মুখৰ ছবিবোৰ দেখিছে: উত্তেজিত আৰু আন্তৰিক। হাতৰ মুঠিবোৰ ওপৰলৈ উঠিছে, ডিঙিৰ সিৰবোৰ ফুলি উঠিছে, মুখবোৰ ৰ'দত ৰঙা পৰিছে, ঘামত মুখবোৰ চক্‌চকীয়া হৈ পৰিছে। লাহে লাহে যেন সিহঁতৰ মুখৰ শব্দবোৰ সি শুনিবলৈ পাইছে। তাৰ ভাব হৈছে--মানুহবোৰৰ মাজত ৰতন আছে, মাখনী আছে, মাখনীৰ ফুটফুটীয়া ফ্ৰকটো জিলিকিছে আৰু কি আচৰিত যেন এটা হাফপেণ্ট আৰু হাফচাৰ্ট পিন্ধি সিও আছে। পোহৰত একোবাৰ মানুহবোৰ যেন জিলিকি উঠিছে--সিহঁত আগবাঢ়ি আহি আছে--তাৰ ফাললৈ যেন

হাতবোৰ মেলি আহিছে—সি ঘামি গৈছে, উত্তেজনাত থকথক্কৈ কঁপিছে—আৰু হঠাৎ সি তাৰ প্লেটুনটোৰ ফালে ঘূৰি চাই দেখে তীখাৰ কাঠিন্য স্থিৰ হৈ আছে। সি মানুহবোৰৰ ফালে চাইছে—তাৰ দৃষ্টি উদ্‌ভ্ৰান্ত হৈ পৰিছে—তাৰ মাজত যেন মাকৰ মুখখন আৰু মাকে কৈছে—"ইয়াৰ মাজত কিজানি কিবা এটা আছে"—নাই নাই, সি জোৰকৈ চকু মেলি ধৰিছে—তীব্ৰ ৰ'দত তাৰ চকু চাঁৎ মাৰি ধৰিছে—সি জোৰেৰে কাৰোবাক ধমক দিছে—কাৰোবাক কিবা কৈছে—কি কৈছে সি ক'ব নোৱাৰে—তাৰ কথা মনত পৰিছে ("এই পেন্দুকণাটো")—সি শৰীৰৰ সমস্ত শক্তিৰে চিঞৰি উঠিছে—

বেলিৰ তীব্ৰ পোহৰত ৰাজআলিৰ মিছিলৰ সন্মুখত প্ৰদীপ—হাতৰ মুঠিত এহাতে তাৰ বিবেক আৰু এহাতে বাৰুদ। বৰ্মৰ মাজত আবৃত তাৰ মুখমণ্ডল ইস্পাতৰ দৰে কঠিন। সি চিঞৰি উঠিল, বোধকৰো তেনেকৈয়ে চিঞৰি উঠিল,—"ফায়াৰ"। মুহূৰ্তৰ ভিতৰত দেখিলে—এটা ল'ৰা, কিজানি এসময়ৰ তাৰ নিচিনা, কিজানি পিতৃহীন হ'ব পাৰে—মাকৰ একমাত্ৰ ল'ৰা হ'ব পাৰে—কিজানি তাৰ নাম প্ৰদীপ হ'ব পাৰে,—কিবা এটা উচ্চাৰণ কৰিবলৈ ওঁঠ দুখন গোল কৰি লৈছিল মাত্ৰ—"মা" বুলি সৰি পৰিল, পানীৰ ছবি ভাগি যোৱাৰ দৰে তাৰ সন্মুখৰ দৃশ্য এটা আৰ্তনাদ কৰি ভাগি গ'ল আৰু এটা অসম্ভৱ হাই ফ্ৰিকুৱেন্সিৰ কোলাহলত দুপৰৰ তীব্ৰ ৰ'দ বিদীৰ্ণ হ'বলৈ ধৰিলে।

॥ দহ ॥

তাৰ বুকুজেপৰ পৰা কিবা এটা মূল্যবান বস্তু হেৰাই গৈছে—মাখনীয়ে কৈছে "কেনেকৈ হেৰুৱালা বুকুজেপৰ পৰা? ইমান অসাৱধান! তুমি আকৌ ঘূৰাই পাম বুলি ভাবানে?" মাখনীৰ ঠাইত যেন ছুপাৰ ইম্পজড্ হৈ ধৰা দিছে এটা কুকুৰা—কি অহংকাৰ গাম্ভীৰ্য তাৰ! পিছ মুহূৰ্ততে দেখিছে দুলমামাৰ হাতৰ পৰা সি লেতু-সেতু হৈ সৰি পৰিছে আৰু হাফপেণ্ট পিন্ধা ল'ৰা এটাই কান্দি কান্দি দাবী কৰিছে—"জীয়াই দিয়া—দিয়া।"

ছবিৰ ৰীল শেষ হৈ গৈছে। এটা বিন্দুত আহি স্থিৰ হৈছেহি। সি আন্ধাৰৰ মাজতো চকু মেলি যেন দেখিছে—কালি দুপৰৰ সেই ল'ৰাটো আন কোনো নহয়, আচৰিত কথা, সি নিজে। তাৰ পিন্ধনত হাফ্‌পেণ্ট আৰু হাফ্‌চাৰ্ট—বোধকৰোঁ ওঁঠ দুখন গোল কৰি কিবা এটা সি উচ্চাৰণ কৰিব খুজিছিল আৰু ঠিক সেই মুহূৰ্তত সি তাক, তাৰ নিজৰ শৈশৱক, তুলি দিলে দুলমামাৰ দুখন কঠিন হাতৰ মাজত। অনুভৱ কৰিলে তাৰ ডিঙি দুখন হাতৰ মাজত সোমাইছে।-----

## ॥ উপসংহাৰ ॥

"যীচুৱে তাকে শুনি তেওঁবিলাকক ক'লে, নিৰোগী মানুহৰ বেজত সকাম নাই, ৰোগীৰহে সকাম আছে। মই ধাৰ্মিকক নহয় পাপীকহে নিমন্ত্ৰণ কৰিবলৈ আহিছোঁ।"

# পৰিশিষ্ট

## নগেন শইকীয়াৰ গল্প সম্পৰ্কে

### শ্ৰীমুনীন বৰকটকীৰ অভিমত

ভবেন শইকীয়া আৰু নগেন শইকীয়া। নাম দুটা নামত একে একে যেন লগা দুয়োজনেই সমকালীন অসমীয়া চুটি গল্পৰ জগতত দুটা সুপৰিচিত সুপ্ৰতিষ্ঠিত নাম। একালৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক, শিক্ষাবিদ, এতিয়ালৈ আগশাৰীৰ কথাছবি নিৰ্মাতা আৰু লেখক, সাময়িক পত্ৰিকা সম্পাদক ডক্টৰ ভবেন্দ্ৰনাথ শইকীয়া আগৰ গল্পকাৰ হিচাপে এতিয়ালৈ আংশিকভাবে বিস্মৃত। বিশ্ববিদ্যালয়ৰ অধ্যাপক, তদুপৰি অসম সাহিত্য সভাৰ অগ্ৰগণ্য সাধাৰণ সম্পাদক ডক্টৰ নগেন শইকীয়া পাচৰ নতুন ক্ৰমবৰ্দ্ধমানভাৱে অগ্ৰগামী লিখক। অৱশ্যে উল্লেখ যে ভবেন্দ্ৰনাথ শইকীয়া সম্পূৰ্ণ নামেৰে জনাজাত। কিন্তু নগেন শইকীয়া চুটি নামেৰেই পৰিচিত—নগেন্দ্ৰনাথ শইকীয়া সম্ভৱ বিশ্ববিদ্যালয়ৰ কেলেণ্ডাৰতে আৱদ্ধ।

দুয়োজনৰ নাম লৈছোঁ এইবাবেই যে দুয়োটা নাম মোৰ মানসত সদায় লগে-ভাগে প্ৰতিভাত হয়। দুয়োজনৰ চুটিগল্পৰ কৌশল সুকীয়া, বক্তব্যৰো অমিল। তথাপিও দুয়োজনৰ নামৰ উপৰিও যেন আন কিবা সাৰ কথাটো দুয়োজন গল্পকাৰৰ মিল আছে তেনে যেন লাগে। সমসাময়িক গল্পকাৰৰ ভিতৰত দুয়োজনৰ প্ৰতি মোৰ এক প্ৰকাৰ ব্যক্তিগত দুৰ্বলতা আছে। এজনৰ গল্পৰ বিচাৰ কৰিবলৈ ল'লে অলক্ষিতে আনজনৰ সতে ৰিজনি আহি পৰে। এটা সময় আছিল যেতিয়া ভবেন শইকীয়াৰ গল্পৰ পিনে মই অলপ মাত্ৰাধিকভাৱে আকৃষ্ট হৈছিলো। তেওঁৰ গল্প বহুত বিশেষণেৰে বিশেষিত কৰিছিলো। শেহলৈ অৱশ্যে

মোৰ মনোভাব নিটিকিলগে। জ্যেষ্ঠ শইকীয়াৰ চুটিগল্পৰ একেধমীতাই কিছু কিছু আমুৱাবলৈ ল'লে। বেছি সোৱাদে সোৱাদ তৃপ্তি টুটায় "চুইটনেচ কেন বি ক্লায়িং"। কিন্তু কনিষ্ঠ গৰাকী শইকীয়াৰ ক্ষেত্ৰত তেনে নহ'ল। তেওঁৰ সেইটোকে প্ৰস্থানৰ বা ফালৰি কাটি যোৱাৰ চিহ্ন হিচাপে লৈ নগেন শইকীয়াৰ শেহতীয়া চুটিগল্প সংকলন "অপা-থিৱ পাথিৱ"ৰ এটি চমু মূল্যায়নৰ প্ৰয়াস কৰিছোঁ।

নগেন শইকীয়াৰ 'অপাথিৱ পাথিৱ'ত দহোটা লেখা আছে। মনত ৰাখিবলগীয়া যে মই যদিও 'সূৰ্য্যৰ যদিও সূৰ্য্যৰ উত্তাপ এতিয়া হৃদয়ত' 'উত্তাপ আৰু বিষাদ' 'বিবিশেষ সময়' 'শব্দৰ সন্ধানৰ পৰা', 'প্ৰতিভাষিক' 'এটা বিন্দুৰ মাজতে' 'বৃত্তৰ মাজতে দুখ' 'এজন বৃদ্ধৰ আত্মপ্ৰৱঞ্চনা' 'অপাথিব-পাথিব' আৰু ওপৰঞ্চি 'সি তাৰ সন্ধানত' শিতানেৰে ডেৰশ পাততকৈ কেইখিলামানহে তাকৰ কিতাপখন জুৰি থকা লেখাখিনিক হেলাৰঙেৰে বহলভাৱে "চুটি গল্প" বুলিছো, আৰু প্ৰকাশক আৰু পৰিচিত লেখকেও "গল্প" বুলি চিনাকী দিছে। তথাপি এই লেখাখিনি প্ৰকৃত অৰ্থত চুটিগল্পৰ পৰ্যায়ত পৰিব নে নপৰে সেই বিষয়ে মোৰ মনত খোকোজা আছে তেনেকৈ স্বয়ং গল্পকাৰো অকুণ্ঠভাৱে স্পষ্ট নহয়; গতানুগতিক গল্প হিচাপেতো নহয়েই আনকি আজিকালিৰ নিত্যনতুন ধাৰাভঙ্গীৰ সৰ্বচাক পোৰ্টমেণ্ট বা জপা মোনা সংজ্ঞাহীন গল্প বুলি চিহ্নিত নকৰিবলৈকো সামান্য ব্যাখ্যাৰে প্ৰয়োজন হব পাৰে।

কিতাপখনৰ আৰু দুটা ভিন্নতা আছে। শিৰোনামাৰ জুৰীয়া শব্দ দুটাৰ ক্ৰমটো 'পাথিৱ-অপাথিৱ' নহৈ 'অপাথিৱ-পাথিৱ' কিয় হ'ল। নাইবা সেই শিতানটো ন-নম্বৰ গল্পটোৰ পাছতো কিয় ওপৰঞ্চি আৰু এটা গল্প দিয়া হ'ল। নটা শিতানৰ ভিতৰত কিয় 'অপাথিব-পাথিব' শিতানেৰেহে কিতাপখনৰ নামকৰণ কৰা হ'ল। এইবোৰ বিচাৰ্য্য হিচাপে গৌণ হলেও একেবাৰে নিৰৰ্থক নহয়।

নগেন শইকীয়াৰ বাৰ শাৰীয়া 'ভূমিকা'ত এনেবোৰ কৌতুহল মাৰ নিয়াৰ পৰা কোনো ধৰণৰ সংকেত বা ইঙ্গিত যি নায়েই যে প্ৰকাশন সংক্ৰান্ত একো জ্ঞাতব্যও নাই। কাব্যধৰ্মী ভাষাত লেখকে গল্পকেইটাৰ

অস্তিত্ব আৰু যথাৰ্থৰ নিৰ্ণায়ক সূত্ৰ হিচাপে থোৱাতে কৈ খৈছে-- "এই যে নানা তবহৰ সম্ভৱ অসম্ভৱ কল্পনা আৰু চিন্তাই মন অধিকাৰ কৰে--সিহঁতৰো কিছুমান ছবি আৰু শব্দৰ আভাস হৈ মনত ধৰা দিয়ে-- এই যে মনৰ মাজৰ ছবি আৰু শব্দৰ সিহঁত হয়তো চৰ্মচক্ষুৰে দেখিব নোৱাৰা কিছুমান বিন্দুৰ সমষ্টি। সেই বিন্দুবোৰৰ মাজতে ওলমি আছে সময়, ওলমি আছে জীৱন, জীৱনৰ অপহৃত অতীত, চলমান বৰ্তমান অনাগত ভবিষ্যত। 'অ-পাৰ মাজত যদি তাৰ ক্ষুদ্ৰ এটা অংশও প্ৰতিফলিত হৈছে তেনেহলে তাতেই সিহঁতৰ সাৰ্থকতা।' পুথি-খনৰ লেখাকেইটাৰ চৰিত্ৰ বা স্বৰূপ বিচাৰত সেই আষাৰেই আটাইতকৈ অৱহিত হ'বলগীয়া কথা। শইকীয়াৰ গল্পত জীৱনৰ কোনো গোট গোট গল্পৰ ছবি নাই। এটাকোটা হঁত চৰিত্ৰৰ প্ৰতিকৃতি নাই, পৰিস্থিতিৰ নিৰ্য্যাস নাই বা, মিশ্ৰ ঘটনাৰ বিৱৰণৰ বিশ্লেষণ নাই। আছে আপাত দৃষ্টিত কাৰ্যকাৰণ বিহীন, পাৰস্পৰিক ওতপ্ৰোততাৰহিত কিছুমান সম্ভৱ-অসম্ভৱ কল্পনা-ভাৱনাৰ অসংলগ্ন অথচ অনিবাৰ্য গতিস্ৰোত; এয়া যেন এটা মুহূৰ্তই নিজৰ মাজত অতীত ভৱিষ্যত সামৰি নৈৰ পানীৰ বুকুত খেৰকুটাৰ পৰা মণি-মুকুতালৈকে আহৰণ কৰি ধীৰ নিৰৱ লয় বা 'ৰিদমেৰে' গৈ থকা জাজৰিৰ যাতায়ত। 'অপাখিৱ-পাখিৱ'ৰ বিষয়-বস্তুবোৰ, উপজীব্যবোৰ যেন কিবা কুহেলিকাময় 'ইনটেলিজিৱল' 'ইমপেল পেৰল'--উপলব্ধি কৰিব পৰা, উমান ধৰিব পৰা অথচ ধৰি ৰাখিব নোৱাৰা, টুকুৰিয়াই দেখুৱাব নোৱাৰা প্ৰতিবিম্বৰ 'মিছিল'। এটা গল্পৰো কথা বা বক্তব্য বা প্ৰতিপাদ্য কি পোনপটীয়াকৈ কৈ দিয়া টান। অথচ প্ৰত্যেকটোৱে মন বা অন্তৰত কিবা এক প্ৰকাৰ ব্যথা-বেদনা সংস্মৰণ প্ৰতিভানৰ এটা 'আমেজ' এটা আৱৰ্তন সৃষ্টি কৰে, যাৰ ৰেশ গল্পবোৰ পঢ়ি অটোৱাৰ পিছতো থাকি যায়। সেইখিনিতে নগেন শইকীয়াৰ গল্পৰ স্বকীয়তা, অভিনৱত্ব আৰু এই বৈশিষ্ট্য সমকালীন অসমীয়া সাহিত্যত পৰিচিত নহয়। শইকীয়াৰ আগৰ দুখন চুটিগল্পৰ সংকলন সংগ্ৰহতো এই আপুৰুগীয়া সম্পদৰ সন্ধান পাইছিলো। সেইবাবেই নেকি তেওঁৰ গল্পবোৰ মোৰ পঢ়িবলৈ হেপাহ লাগে আৰু পঢ়িবলৈ ললে শেষ নোহোৱালৈকে অসীম আগ্ৰহেৰে

পঢ়ি লবৰ মন যায়। ঘটনা অৱস্থালৈ শইকীয়াই মুৰ নঘমায়। মন কথাবোৰ তৰপে তৰপে মুকলি কৰি যায়। নিজা পুনৰাবিষ্কাৰ কৰে ভবেন শইকীয়াতকৈ তেওঁৰ গল্পৰ সেইখিনিতে বেলেগ।

আধুনিক অসমীয়া চুটিগল্পৰ প্ৰকৃতি, প্ৰকাৰ প্ৰকৰণ প্ৰভৃতি নানান 'স্কুলক' বৰ্গ, শাখা, শ্ৰেণীত সম্প্ৰসাৰিত হৈ জাতিস্কাৰ হৈ পৰিছে। নগেন শইকীয়াৰ এই নিচিনা লেখাবোৰতো কোনোবা এটা 'লেবেল' লগাই তাৰ জাত-কুল বিচাৰ কৰিব লাগিব। তেওঁৰ 'এক কোঠাত ধুমুহানে অস্তিত্বৰ শিকলি' কোনোবা এখন গল্প সংকলনৰ বৰ্গীকৰণৰ প্ৰয়াস কৰি এসময়ত মই তেওঁক অসমীয়া গল্প সাহিত্যৰ আকৰীয়া এমুঠিমান অস্তিত্ববাদী 'একজিচটেনচিয়ান' লিখকৰ শাৰীত থৈছিলো। 'অপাথিৱ-পাথিৱ'ৰ বেটুপাতত ধুনীয়াকৈ ছবি এখন আৰু ছপোৱা কোনোবা এগৰাকী সমালোচকৰ মন্তব্যত পালো--এহাতে ছুৰ ৰিয়েলিষ্ট শিল্পীৰ দৃষ্টিভংগী আৰু আনহাতে এটা গভীৰ সামাজিক চেতনা--এই দুয়োটা বিশেষ উপাদানে নিয়ন্ত্ৰণ কৰিছে তেওঁৰ ৰচনা "আকৌ এক বিশিষ্ট কাব্যমিতম আৰু কাব্যধৰ্মীতা"; গল্পৰ ধ্বনি আৰু স্মৃতিৰ ওপৰত নিৰ্ভৰশীল চেতনা প্ৰৱাহত প্ৰকাশ। এই খণ্ড বাক্যকেইটা কোনো পূৰ্ণাকাৰ ৰচনাৰ পৰা উদ্ধৃত যে স্বয়ং সম্পূৰ্ণ সুত্ৰায়িত সুগ্ৰহিত মন্তব্য নেজানো। যি হওক তাৰ মাজতে শইকীয়াৰ গল্পৰ প্ৰকৃতি আৰু বৈশিষ্ট্য নিৰূপনৰ প্ৰয়োজনীয় মাপকাঠি পোৱা যায়। আৰু তাৰ দ্বাৰা মই মোৰ সংস্কৃত কৰাৰ দৰকাৰ আছে সেইবাটোও 'বিশিষ্ট'ৰ কোওটাই যুগপৎ সমান গুৰুত্ব দাবী কৰিব নোৱাৰে। ব্যক্তিগতভাৱে মই গল্পখিনিত প্ৰচ্ছন্ন সমাজ সচেতনতাৰ উপস্থিতি উলাই কৰিব নোৱাৰিম। অনুভৱ কৰিছো তৰ্জুত চিন্তন প্ৰৱণতা আৰু চেতনা প্ৰৱাহ অভিমুখিতাৰ পিনেহে ভৰ বেছিকৈ পৰিব অস্তিত্ববাদী নোহোৱা নহয়, কিন্তু অস্তিত্ববাদৰ আনুসঙ্গিক অধিবাস্তববাদ নৈৰাশ্যবাদ আৰু নিষ্ঠুৰ কুটিলতা গল্পকেইটাত সিমানে পৰিস্ফুট নহয় ঠায়ে ঠায়ে তেনে প্ৰকৃতি উক দিয়াত সমালোচকৰ কাব্যধৰ্মীতা-মৰ্মীতাই তাৰ চোক পাতলাইছে। অপাথিৱ-পাথিৱৰ গল্পকেইটা পঢ়ি (কি কিটা মই পৰম আগ্ৰহেৰেই পঢ়িছিলো) মোৰ ধাৰণা হ'ল নগেন শই-

কীয়াৰ জগতখন কামু-সাৰত্ৰেৰ কেফকাৰ খনতকৈ বিগত যুগৰ ভাজিনিয়া উলফ নাইবা কেথৰিণ মেনচ ফিডৰ জগতখনহে বেছি ওচৰ-চুবুৰীয়া। সমত অন্তহীন যৌৱন-কৈশোৰৰ অবিচ্ছিনতাই বয়স্ক মনক দোলা নিদি আমনিও দিয়ে--এই যৌৱনসুলভ মাধুৰ্যবোৰ বৰ বেছিকৈ পগাই থকা হৈছে যেন লাগে। তথাপি এখন বৰ স্পৰ্শকাতৰ, বাস্তৱধৰ্মী, হৃদয়োদৰদী, সহানুভূতিসিক্ত অন্তৰৰ সন্ধ্যাৰাগেৰে বোলোৱা গুৱলা, গল্পবোৰৰ কিবা এক সুকীয়া আকৰ্ষণ অপ্ৰতিৰোধ্য। গল্প-নৱমীৰ ড° সূৰ্য ভূঞাই তাহানি নৱমী নে 'পঞ্চমী' বোলা নটা নে পাঁচোটা গল্পৰ এখন সংগ্ৰহ উলিওৱা মনত পৰে।) কোন কেইটাৰ সৌন্দৰ্য্য পাথিৱ মৃন্ময় আৰু কেইটা অপাথিৱ বা চিন্ময় ৰেখা টানি দেখুৱা টান। তথাপি 'নিৰ্বিশেষ . সময়' 'এটা বিন্দুৰ মাজত' আৰু 'সি তাৰ সন্ধানত' নামৰ শেহৰ গল্পকেইটা অস্তিত্বৰ প্ৰত্যাহিকতাৰ ওপৰতে আধাৰিত হ'লেও তাত মই অপাথিৱৰ হাত-বাউল থকা যেন পাইছিলো। কাৰ্য্যকৰী ভাৱে এই আন্তৰিকভাৱে দুয়োফালৰ পৰা 'সি তাৰ সন্ধানত' বোলা গল্পটো শেহতীয়া আৰু সৰ্বোত্তম হোৱা সত্বেও সেইটোৰ নামেৰে পুথিৰ নামকৰণ নকৰি 'উপৰঞ্চি' হিচাপেহে তাক সংযোজন কৰা হ'ল কিয় নুবুজিলো। নে সেই গল্পটো 'পিচ-চিন্তা' (?) বা আফ্‌টাৰ্ থটহে আছিল নেকি? শইকীয়াৰ প্ৰশংসিত 'অংগিকাৰ-অভিনৱত্ব' সম্ভৱ 'ইজন বৃদ্ধৰ আত্মপ্ৰৱঞ্চনা' গল্পতে আটাইতকৈ সৰহ পৰিমাণে উপলব্ধ হয়। মাজতে এডালো দাড়ি বা এটাও কমা নোহোৱাকৈ দোশ দি দি তিনিটা ফুটেৰে 'অসমাপিকান্ত'ৰূপে এৰি পেলোৱা গল্পটোৰ আংগিক যেনেকৈ অভিনৱত্ব ৰচনাশৈলী যেনেদৰে উল্লেখযোগ্য তাৰ বিষয়বস্তুটো তেনেদৰে ভাজিনিয়া উলফে সময়ৰ আপত্যাদৃশ্য 'ডিচকনটিনিউটি' বা অক্ৰমিকতাৰ মাজতো শৃংখলা আৰু বিন্যাস আনিবলৈ কৰা চেষ্টাৰ প্ৰতিধ্বনি শুনা যায়। লঘুৰস আৰু পাতলীয়া হাস্যৰস কিতাপখনৰ আৰু দুটা গুণ। অনিবাৰ্য্য আগ্ৰহৰ উদ্ৰেক কৰিব পৰা নগেন শইকীয়াৰ এই চুটিগল্পৰ এই মনোৰম সংকলনটোৰ সমৰ্থনত মই মাথোন দুটা অনুযোগ কৰিম যে 'না-নহ'ব; সিও কি হয়, সি কি এটা মূতি বিচাৰিছিল।' এনে ধৰণৰ বাক্য-বাক্যাংশৰ বঙলুৱা ঠাচটো পৰিহাৰ্য যেন লাগে।

আৰু দ্বিতীয়তে কেবাঠাইতো বৈজ্ঞানিক সত্যক সাহিত্যৰ অঙ্গাঙ্গী কৰাৰ প্ৰচেষ্টা এটাক চাৰ-চি-পি-স্নৰ দৰে লেখকৰ অনুসৰণ অনুভৱ কৰা যায় যদিও সেই কাৰণে গল্পৰ মূল আকৰ্ষণৰ পৰা মন আঁতৰাই নিয়াৰ আশঙ্কাটোৱে মনত বখা ভাল হ'লহেঁতেন। শইকীয়াই কিতাপখন সৌৰভকুমাৰ চলিহা, অৰুণ শৰ্মা, অপূৰ্ব শৰ্মা--এই তিনিগৰাকী প্ৰিয় লেখকলৈ অৰ্পণ কৰাটো অৰ্থপূৰ্ণ। তিনি গৰাকীৰ 'শ্বেড' ব'ল ছায়াই গল্পকেইটাক পাঠকৰ লগ নেৰে। অৱশ্যে এই ত্ৰয়ীৰ সৌৰভ কুমাৰ চলিহাৰ চেতনা স্ৰোতী আংগিকৰহে শইকীয়া পৰিবৰ্দ্ধক গল্পকাৰ যেন লাগে। [ ৩০।৮।৮২ তাৰিখৰ 'দৈনিক অসম'ত প্ৰকাশিত। ]